ASSAM LEGISLATIVE ASSEMBLY DEBATES



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

BUDGET SESSION

NO. 10 | |

THE 29th MARCH, 1995

PRICE : Rs. 44.00

Debates of the Assam Legislative Assembly

Wednesday, the 29th March, 1995.

The House met at Nine of the Clock in the Assembly Chamber, at Dispur with Prof. Debesh Chakravorty, Speaker in the chair.

STARRED
QUESTIONS & ANSWERS

(To which oral replies were given)

Mr. Speaker : The position of question for 29-03-95 are as follows :

Oral	:	Sl. No. 161 to 180
Deferred	:	Sl. No. 174
Written	:	Sl. No. 373 to 422
Deferred	:	Sl. No. 394

(Deferred Question from No. 22-03-95 to 29-03-95)

Oral	:	Sl. No. 65 and 77
Written	:	Sl. No. 148 and 156.

Starred Question No. 161 was not raised as the questioner was not present when called for. However the same seemed to have been lapsed

Mr. Speaker : Question No. 162 - Questioner Shri Paniram Rabha, Hon'ble Minister, PWD to reply.

বিষয় ঃ পথ মেৰামতি।

* শ্ৰী পানী ৰাম ৰাভাই সুধিছে ঃ

* ১৬২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰমা, ৰবিমাখা, পাখামাৰা (K.B.S.) পথটো যাতায়তৰ অনুপযোগী হৈছে নেকি?

(খ) যদি হৈছে, মেৰামতিৰ বাবে জৰুৰী ব্যৱস্থা লৈছে নেকি?

শ্রী শৰত ৰৱকটকী, (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক (ভেয়াম) মন্ত্রীয়ে উত্তৰ দিছে ঃ

(ক) আংশিক ভাবে অনুপযোগী হৈছে।

(খ) ইতিমধ্যে চৰকাৰে বন্ধ হৈ থকা পথৰোৰ মুকলি কৰাৰ বাবে হাতত লৈছে। Improvment of Roads & Bridges for 1994-95 (w.e.f. 12/94 to 6/94). সেই মতে এই শিতানত উক্ত পথটোৰে মেৰামতিৰ কাম কৰিবলে জৰুৰী ব্যৱস্থা লোৱা হৈছে।

শ্রী পানীৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই প্রশ্নৰ উত্তৰত মাননীয় মন্ত্রী ডাঙৰীয়াই মনোযোগ আকর্ষন কৰি এই কথাটো স্বীকাৰ কৰিছে যে আংশিক ভাবে অনুপযোগী হৈছে তৰ বাবে তেখেতক ধন্যবাদ জনাইছো। কিন্তু এটা কথা হৈছে - ৰৱমা সমষ্টিৰ যি কেইটা গড়কাপ্তানী বিভাগৰ ৰাস্তা আছে তাৰ পূব পশ্চিম উত্তৰ দক্ষিণ কেউফালে ৰোড ক্রোজদ বুলি লিখা আছে আৰু সেই ৰাস্তাবিলাকৰ বিভিন্ন ঠাইত বিৰাট বিৰাট পুখুৰীৰ নিচিনা হৈছে এতিয়া মানে সেই পুখুৰী বিলাকত মাছ সিচিব পৰা হৈছে। এই বিষয়ে মই প্লেনিঙৰ মিটিংতো কৈছিলো আৰু প্লেনিঙৰ বোৰ্ডৰ চেয়াৰমেন মাননীয় মন্ত্রী ডাঙৰীয়া বৰ্ম্মণ দেৱকো কৈছিলো।

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্রী) ঃ কাম কৰিবলে দিয়া হৈছে ইতিমধ্যে কাম আৰম্ভ হৈছে।

শ্রীপানী ৰাম ৰাভা ঃ ৰৱমা সমষ্টিৰ বিভিন্ন ৰাস্তা তাত যিহেতু ৰোড ক্রোজদ বুলি লিখা আছে তেনেস্থলত ৰৱমা সমষ্টিত প্রবেশ কৰিবৰ কাৰণে হেলিকপ্তাৰ দিব নেকি? ৰৱমা, পাখামাৰা (কে,বি,এচ) পথটো যিহেতু যাতায়তৰ বাবে অনুপযোগী হৈছে আৰু তাত থকা দলং বিলাক সমুলধ্বংশ যাতায়তৰবাবে অনুপযোগী হৈছে গতিকে এই ভাঙি চিঙি যোৱা দলংকেইখন মেৰামতিৰ লগতে এই ৰাস্তা কেইটা যাতায়তৰ বাবে উপযোগী হোৱাকৈ মেৰামতি কৰাৰ ব্যৱস্থা কৰিব নেকি?

শ্রী শৰত ৰৱকটকী (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই উত্তৰত কৈছো যে উক্ত পথটোৰ মেৰামতিৰ কাম কৰিবলৈ জৰুৰী ব্যৱস্থা লোৱা হৈছে আৰু মাননীয় সদস্য গৰাকীয়ে যি দলংৰ কথা কৈছে সেইকেইখনো সম্পূর্ণ কৰিব পাৰিম বুলি আশা কৰিছো।

শ্রী পানীৰাম ৰাভা ঃ যোৱা বিধানসভাৰ অধিবেশনত যেতিয়া প্রশ্ন কৰিছিলো তেতিয়া উত্তৰ দিছিল যে ৰৱমা সমষ্টিত ৯৪খন ভঙা দলং আছে, সেইবিলাক জৰাজীর্ণ হৈ আছে, গতিকে বাৰিষা আহাৰ আগতে মেৰামতিৰ ব্যৱস্থা লবনে?

শ্রী শৰত ৰৱকটকী (ৰাজ্যিক মন্ত্রী) ঃ আমি ইতিমধ্যে ২০৮৯খন দলং বিপেয়াৰিং কৰিবলৈ লৈছো, তাৰ্ভিতৰতে যদি হোৱা নাই তেতিয়াহলে সেইখিনিয়ো মেৰামতি কৰিবলে চেষ্টা কৰিম।

শ্রী অতুল ৰৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্রশ্ন আছিল কিন্তু ১ মিনিট দেৰী হোৱাৰ কাৰণে নাপালো, নিয়ম এটা আছে গতিকে প্রশ্নটোৰ উত্তৰ দিয়া হব নেকি?

* Speach not corrected

Mr. Speaker : Now, Starred Question No. 163. Questioner Shri Alauddin Sarkar and Shri Dhruba Kumar Sen.

Re :- Selected candidates to undergo training.

Shri Alauddin Sarkar and Shri Dhruba Kumar Sen asked :

163. Will the Minister of Veterinary be pleased to state :

(a) How Many candidates have been selected to undergo training of V.F.A. during 1994-95 (District-wise numbers may kindly be mentioned).

(b) What is the basis for selecting the candidates?

(c) How many training institution are there in the State for imparting such training.

Shri Jagannath Sinha (Minister, A.H.&Veterinary) replied :

(a) 695. District-wise number is indicated in Annexure-I.

(b) Merit and District-wise population pattern constitute principal basis for selection.

(c) 2 (two). Ghongoor in Cachar District & Sarihatali in Nalbari, District.

শ্রী ধ্রুবকুমাৰ সেন ঃ মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই প্ৰাৰ্থীসকল যে নিৰ্ব্বাচিত হ'ব, এই পদবিলাকৰ বাবে এডভাটাইজমেন্ট দিয়া হৈছিল নেকি যদি দিয়া হৈছিল কোন তাৰিখে দিছিল?

শ্রী জগন্নাথ সিনহা (পশুপালন মন্ত্রী) ঃ দুবছৰ আগতে এডভাৰ্টাইজমেন্ট দিয়া হৈছিল।

শ্রী আলাউদ্দিন চৰকাৰ ঃ মন্ত্রী ডাঙৰীয়াই কৈছে যে জিলা ভিত্তিত পপুলেশ্যন পেটার্ণ ৰিফ্লেক্ট কৰাটো নিৰ্ব্বাচন কৰা হৈছে। এতিয়া আমি জানিব বিচাৰিছো এই যে দুবছৰ আগতে যি এডভাটইজ কৰিছিল সেইবিলাক দৰ্খাস্তৰ ওপৰত ভিত্তি কৰি দিয়া হৈছে নে নতুনকৈ বোৰ্ডে কৰিছে? প্ৰিন্সিপল বেচিচটো কি? কিয়নো প্ৰকৃততে বোৰ্ডে এডভাটাইজ কৰে আৰু তাৰ পিচত দৰ্খাস্ত চাই চিলেক্ট কৰে তাৰোপৰি তাত কোটাৰ কথাও আছে, সেইবিলাক বিবেচনা কৰা হৈছে নে?

Shri Jagannath Sinha (Minister, Veterinary) replied :

Selection has been made on the base of merit, papulation Pattern and

specially from the Muster Roll Labourers/Casual Workers and people belong to SC/ST(P)/ST(H)/OBC & MOBC Recommendation from Hon'ble Members.

* **শ্রীধ্রুবকুমাৰ সেন ঃ** মন্ত্রী ডাঙৰীয়াই কৈছে যে দুবছৰ আগতে বিজ্ঞাপন দিয়া হৈছিল, আমাৰ কথা হ'ব ১৯৯৫ চনৰ পৰা খানাপাৰাত যিটো আৰম্ভ কৰিছে সেইটোৰ কাৰণেও দৰ্খাস্ত কৰিছে নেকি?

* **শ্রীজগন্নাথ সিন্‌হা (পশুপালন মন্ত্রী) ঃ** যিবিলাক দৰ্খাস্ত তেতিয়া আহিছিল সেইবিলাকৰ পৰাই দিয়া হৈছে।

* **শ্রীধ্রুবকুমাৰ সেন ঃ** মোৰ প্রশ্ন আছিল ১৯৯৫ চনৰ জানুৱাৰী মাহৰ পৰা যিটো আৰম্ভ কৰিছিল সেই বিষয়েহে জনাব লাগে।

* **শ্রীজগন্নাথ সিন্‌হা (পশুপালন মন্ত্রী) ঃ** এডভাৰটাইজমেন্টৰ ওপৰত চাই-চিটি চিলেক্ট কৰা হৈছে।

* **শ্রী গিয়াছুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে পপুলেচন আদি ভিত্তিত বাচনি কৰা হৈছে। মই জানিব পাৰো নে যে এই পপুলেচন পেৰ্টাণ বিজেক্ট কৰা হৈছে কি পাৰ্চেন্টেজ ভিত্তিত পপুলেচন পইন্টটো বিজেক্ট কৰিছে, এইটো কেনেকৈ হ'ল, তাৰ পৰিসংখ্যাৰ কথাটো তথ্য ভিত্তিত দাঙি ধৰিব লাগিছিল। আৰু মেৰিটৰ কথাটো কেনেধৰণে বিচাৰ কৰা হৈছিল? লিখিত পৰীক্ষাৰ ওপৰতনে, মার্কচিট আদিৰ ওপৰত? কি মাপকাঠিৰে বিচাৰ কৰা হৈছিল?

* **শ্রীজগন্নাথ সিন্‌হা (পশুপালন মন্ত্রী) ঃ** চার্টিফিকেট, মার্কচিটৰ ওপৰত।

* **Shri Hitendranath Goswami :** Govt. have already started a VFA course at Khanapara and in 1992 inaugurated another courses at Amguri. The first batch has come out being passed from these institutions, but they have not been given certificates yet. The second batch also has come out, but did not get the certificates yet. What will be the fate of these persons? মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব পাৰিছো যে ডিপ্লমা ট্রেইনিং চেণ্টাৰটো ১৯৯২ চনতে উদ্বোধন কৰা হৈছিল আৰু সেইটো এতিয়াও চলি আছে নে?

* **Shri Jagannath Sinha (Minister, Veterinary) :** I will inform the Hon'ble members later on.

* **ডঃ কমলা কলিতা ঃ** মাননীয় মন্ত্রী মহোদয়ে কৈছে যে পপুলেচন ভিত্তিত নিৰ্বাচন কৰা হৈছে। আৰু কেজুৱেল মাষ্টাৰ ৰোলৰ পৰাও নিৰ্বাচন কৰা হৈছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব

---

* Speach not corrected

পাৱোনে যে মাষ্টাৰ ৰোলৰ পৰা আৰু মেৰিট বেচিচত শতকৰা কিমান কিমান চিলেক্ট কৰা হৈছে? লগতে কেণ্ডিডেট সকলৰ অৰ্হতা- মার্কচিট সমূহ সদনত দাখিল কৰিব নে? যিসকলে পাইছে তেওঁলোকৰো আৰু যিসকলে পোৱা নাই সেই সকলোৰে সদনত দাখিল কৰিব।

* **Shri Jagannath Sinha (Minister, Veterinary) :** These facts are not with me at the moment.

* **আলাউদ্দিন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে পপুলেচন ভিত্তিৰ কথা যিটো কৈছে সেইটো কি ভিত্তিত কৰিছে? ইয়াত দেখুওৱাইছে ডিব্রুগড়ত এটা, শিৱসাগৰ এটা, ধেমাজীত ২ টা আৰু কাক ১৫৭ টা পোষ্ট দিছে। মই যেতিয়া তেখেতৰ ওচৰলৈ গৈছিলো তেখেতে অপমান কৰি পঠাই দিছে। তেখেতে কৈছে- অহা বছৰ দেখা যাব।

(সদনত গণ্ডগোল)

* **শ্রী হিতেশ্বৰ ডেকা ঃ** এই লিষ্ট কেনচেল কৰিব লাগে।

* **শ্রী প্রমোদ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্রশ্নৰ উত্তৰত মন্ত্রী মহোদয় যিখিনি তথ্য দিছে সেই মতে তেখেতে কৈছিল পপুলেচন আৰু মেৰিট মতে কৰা হৈছে। কিন্তু সেই তথ্য মতে অন্যান্য জিলাত দুই এজন আৰু কামৰূপত ১০০তকৈও বেচি দিয়া হৈছে। কিন্তু এতিয়া দেখা গৈছে নে কোন ভিত্তিত দিয়া হোৱা নাই। মাননীয় সদস্য সকলে ভি,এফ,এ নিয়োগৰ ক্ষেত্রত আশ্রয় লোৱা বুলি হৈছে বুলি কৈছে। গতিকে এই ক্ষেত্রত তদন্ত ভিত্তিক ব্যৱস্থা কৰিব নে? যিহেতুকে এই ক্ষেত্রত দুর্নীতিৰ আশ্রয় লোৱা হৈছে বুলি কোৱা হৈছে। সেয়ে এই ক্ষেত্রত মই মাননীয় মূখ্য মন্ত্রী মহোদয়ে হস্তক্ষেপ কৰাটো বিছাৰিছো। এই ক্ষেত্রত মাননীয় মূখ্য মন্ত্রী মহোদয়ে কবনে?

* **Shri Jagannath Sinha (Minister) :** I will enquire into the matter.

* **মাননীয় অধ্যক্ষ ঃ** এনকুৱাৰী কৰি জনাব

(সদনত গণ্ডগোল-ভইচ-তেখেতে নিজেই নির্ব্বাচন কৰিছে, মূখ্য মন্ত্রীৰ হস্তক্ষেপ লাগে।)

* **শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনকুৱেৰী কৰা হব অনিয়ম হলে বাতিল কৰা হব।

Mr. Speaker : Now, Starred Question No. 164. Hon'ble Member Shri Karendra Basumatary.

---

* Speach not corrected

Re :- Water Supply.

* **Shri Karendra Basumatary asked :**

* 164. Will the Minister of P.H.E. be pleased to state :

(a) Whether it is a fact that Civil works of Bamunjuli Mini P.H.C. and Udmari Mini P.H.C. respectively under P.W.D. Building Department have already been completed but the scheme for water supply to the above Mini P.H.C. campus are yet to be implemented by the Public Health Engineering Department?

(b) Why the Department of P.H.E. as well as the Tangla P.H.E. Divisional Authority have not taken any steps for setting up the water supply scheme in Bamunjuli P.H.C. and Udmari P.H.E.?

(c) What are the reasons there to?

* **Shri Dinesh Prasad Goala (Minister, P.H.E.) replied :**

(a) It is not known whether P.H.C. buildings have been completed. No formal request for water connection has been received in the P.H.E. Department.

(b) If the P.H.C. building has been constructed by P.W.D., P.W.D. may provide arrangement for water supply.

(c) Does not arise.

* **শ্রী কৰেন্দ্র বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে ১নং প্রশ্নৰ উত্তৰত কৈছে যে এতিয়ালৈকে স্বাস্থ্য আৰু কল্যান বিভাগৰ পৰা আমাৰ পি,এইচ,চি উদমাৰী আৰু বামুনজুলী বিল্ডিং শেষ হোৱা বুলি কোৱা হৈছে। কিন্তু এই দুটা পি, এইটচিৰ কাম শতকৰা ৯৯ ভাগ কমপ্লিট হৈছে। কিন্তু অৱাটাৰ পাইপ স্কীমৰ অভাৱত উদ্ঘোধন কৰিব পৰা নাই। কিমান দিনৰ ভিতৰত এই অৱাটাৰ পাইপ স্কীমৰ ব্যৱস্থা কৰি এই পি,এইচ,চি দুখনত আৰমিয়ে অকুপাই কৰি আছে এইটো ভেকেন্ট কৰিব নে? এই ক্ষেত্ৰত মই মূখ্য মন্ত্রীৰ পৰা হস্তক্ষেপ বিছাৰিছো।

* **Shri Dinesh Prasad Goala (Minister)** : Normally provision of water supply is made along with the plan and estimates. In the instant case also perhaps P.W.D. have made similar provisions.

* **Shri Karendra Basumatary** : I would like to know from the honourable

---

* Speach not corrected

Minister whether there is co-ordination P.H.E. and P.W.D. I think sir, there is no coordination between P.H.E., Health and family Welfare and P.W.D. Will the Minister incharge take up the matter with Health and Family Welfare Deptt.?

* **Shri Dinesh Prasad Goala (Minister)** : Sir, the Department have no problem of coordination. As soon as money is available we will execute the water supply scheme.

* **Shri Karendra Basumatary** : In this year say by March, April or May - will it be possible?

* **Shri Dinesh Prasad Goala (Minister)** : Yes, as soon as funds are made available by the Health and Family Welfare Deptt. we will execute the works.

* শ্রী কৰেন্দ্র বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, পানী নহলে উদ্ঘোধন নহব।

মাননীয় অধ্যক্ষ ঃ তেখেতে এইটো বিভাগৰ লগত যোগাযোগ কৰি আছে।

* শ্রী কৰেন্দ্র বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, তেখেতে আমাক এটা আশ্বাস দিব লাগে।

মাননীয় অধ্যক্ষ ঃ মই কৈছো যে তেখেতে এই সম্পর্কত যোগাযোগ কৰিছে।

* **Shri Jagannath Sinha (Minister)** : Sir, there are some wild allegations against me, I would request you Sir, to expunge the same from the proceedings.

Mr. Speaker : Yes, yes this should be expunged. Now Starred Question No. 166. Hon'ble Member Shri Samarendra Nath Sen.

(Starred Question No. 165 deemed to have been lapsed as the Questioner was not present when called for).

Re :- Last Digit Lottery.

* **Shri Samarendra Nath Sen asked :**

* 166. Will the Minister of Finance be pleased to State :

(a) Is it a fact that the Ending Lottery (last digit lottery) has created a havoc in Barak Valley?

---

* Speach not corrected

(b) Is it a fact that many families are ruined for such lotteries?

(c) If so, whether the Government would stop such lotteries?

* **Shri Jiba Kanta Gogoi (Minister, Finance) replied :**

(a) and (b) - The State Government have no information.

(c) - All private lotteries are illegal and prohibited under law. In so far as the State Lottery is concerned, what norms a State organised lottery should fulfill has been laid down recently by the Hon'ble Supreme Court of India in their order dated 21-04-94 in the Civil Appeal Nos. 2349-51/94. These norms are :

(i) the lottery tickets must be printed by or directly at the instance of the Government,

(ii) the State itself must sell the tickets, though it may do so through a Sole Distributor or Selling Agent or Agents and the sale proceeds of the State Government.

(iii) the drawal of lottery must be conducted by the State Government itself and

(iv) any prize money, unclaimed or remaining undistributed must revert to the State Government.

A State organised lottery, providing last digit prize is not unlawful.

* **Shri Samarendra Nath Sen :** May I know from the honourble Minister whether the Honourable Supreme Court has laid down certain rules for conducting lotteries in the State? If so whether the last digit lottery which is in circulation in Barak Valley is a Govt. sponsored one?

* **Shri Jiba Kanta Gogoi (Minister) :** I have already stated that a State organised lottery, providing last digit prize is not unlawful.

* **Shri Samarendra Nath Sen :** Whether the last digit lottery is sponsored by State Govt.? Why such tickets are being sold at Barak Valley only? We have brought it to the notice of the Chief Minister at the Silchar Circuit House and DC and SP were requested to stop this lottery. Why it has not been stopped yet?

---

* Speach not corrected

* **Shri Jiba Kanta Gogoi (Minister)** : As I have said the sale of tickets of State organised lotteries even of other States cannot be stopped as this is not unlawful.

* **Shri Samarendra Nath Sen** : Many families in Barak Valley have ruined themselves due to sale and purchase of tickets of such lotteries. Whether Govt. would stop it forthwith?

* **Shri Jiba Kanta Gogoi (Minister)** : I would advise the purchasers not to purchase these tickets.

* **Shri Mission Ranjan Das** : Since the last digit lotteries are not State sponsored, why not we take action against them, as it is creating law and order problems in different places in the district. I would like to know from the Govt. if they would declare last digit lottery in the State as illegal and an act will be passed in this session of the House?

* **Shri Jiba Kanta Gogoi (Minister)** : State Govt. sponsored lotteries cannot be stopped as these are not unlawful.

* **Shri Mission Ranjan Das** : In Delhi all kinds of lotteries are prohibited and since it has made a law and order problem in the state why we cannot action it.

* **শ্রী হিতেন্দ্র নাথ গোস্বামী** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য মিচন ৰঞ্জন দাসৰ লগতে মই কব বিচাৰিছো যে, লটাৰী বেণ্ড কৰিব লাগে। বন্ধ কৰাৰ বাবে এখন বিল আনিব লাগিব। ১৯৯৩ চনতে এখন বিল অনা হৈছিল। আজি চৰকাৰৰ ওপৰত বিভিন্ন ধৰণৰ আভিযোগ আহিছে লটাৰী, মদ আদিলৈ। গতিকে এনে ধৰণৰ এটা ভাল কাম চৰকাৰে কৰিলে ভাল হয়। আমি এখন আইন প্ৰনয়ন কৰিব লাগে আৰু লটাৰী বেণ্ড কৰিব লাগে। অসমৰ বাহিৰৰ লটাৰীৰ সম্পৰ্কত আগতেও এখন বিল অনা হৈছিল সেইধৰণে এতিয়াও এখন বিল ইনট্ৰদিউচ কৰিলে ভাল হয়।

* **শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে, আমি অসমত অসমৰ ষ্টেট লটাৰীও খেলিবলৈ দিয়া নাই। অসমৰ ষ্টেট লটাৰীৰ টিকেট বিক্রি কৰিবলৈও দিয়া নাই। আৰু খেলাও হোৱা নাই কিন্তু বাহিৰা ষ্টেটৰ লটাৰী আমি বন্ধ কৰিব নোৱাৰো। কাৰণ চুপ্রিম কৰ্টত চেলেঞ্জ হৈ আছে। সংবিধানৰ আৰ্টিকুল ১৯ মতে এই চেলেঞ্জ হৈ আছে। এইটো ২খন ৰাজ্যই কৰিছে। গতিকে এই বিল আনিলেও আমাৰ কোনো লাভ নহব। লটাৰীৰ

* Speach not corrected

টিকট যাতে বিক্রি নহয় তাৰ বাবে আমি চাব লাগিব। লটাৰীৰ টিকট নিকিনিবলৈ ৰাইজৰ মাজত এটা হেঁবিট কৰিব লাগে।

* **শ্রী হিতেশ্বৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, আমাৰ দলৰ শ্রীগোস্বামীয়ে যিটো প্রশ্ন উত্থাপন কৰিছে, ময়ো তাকে কব খুজিছো - এখন আইন প্রণয়ণ কৰি হলেও এই লটাৰী বন্ধ কৰিব লাগে চৰকাৰে। এই ক্ষেত্রত আমাৰ সকলোৰে এক নৈতিক দায়িত্ব আছে।

* **শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, বিত্ত মন্ত্রী মহোদয়ে আৰটিকোল ১৯ৰ কথা কৈছে। আমি চুপ্রিম কর্টক কনভিন্স কৰিব লাগিব যে এই শেষ নম্বৰ বা অন্য লটাৰীয়ে আমাৰ সমাজখন ধংস কৰিছে। এই লটাৰী যদি এই চৰকাৰে বন্ধ কৰিব পাৰে তেন্তে চৰকাৰে এটা ভাল কাম কৰা হব।

* **ডঃ জয়নাথ শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, আজি শেষ নম্বৰৰ লটাৰীয়ে ৰাজ্যখনত যিটো অৱস্থাৰ সৃষ্টি কৰিছে ইয়াক বন্ধ কৰিব লাগিব, নহলে সমাজ ধংস কৰিব।

* **শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, শ্রীহিতেশ্বৰ ডেকাই যিটো কথা কৈছে নৈতিকতাৰ বিষয়ে, আমি মানুহখিনি সজাগ হব লাগিব।

* **ডঃ জয়নাথ শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, এই শেষ নম্বৰৰ লটাৰীয়ে সমাজৰ এচাম দুখীয়া লোকক নিঃশেষ কৰি দিছে। চৰকাৰে এখন নটিফিকেচন আনিও এই লটাৰী বন্ধ কৰিব পাৰে। চৰকাৰে যিহেতু অসম ৰাজ্যৰ লটাৰী বন্ধ কৰিছে গতিকে আন ৰাজ্যৰ লটাৰীও বন্ধ কৰিব পাৰে। কথা চৰকাৰৰ জনসাধাৰণৰ প্রতি সদিচ্চা আছেনে নাই সেইটোহে। চৰকাৰে এই সদনতে এখন বিল আনি এই চৰকাৰী জুৱা বন্ধ কৰাৰ ব্যৱস্থা কৰক।

* **শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ** অধ্যক্ষ মহোদয়, আজি অসমৰ বাহিৰৰ পৰা যিবোৰ লটাৰীৰ টিকট অসমলৈ আহিছে, সেই খেলত জড়িত হৈ অসমৰ কেইবাজনো মানুহ পাগল হৈছে মেণ্টেল হস্পিটেলত ৰাখিবলগীয়া হৈছে। চৰকাৰে এখন বিল আনক এই লটাৰী বন্ধ কৰাৰ কাৰণে।

* **শ্রী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, অসমত এই লটাৰী খেলি বহুতো মানুহ ধ্বংস হৈ গৈছে, কোনো কোনো ঠাইত মানুহে চুইচাইদ কৰিছে। মই চৰকাৰক অনুৰোধ কৰো এই লটাৰীৰ ওপৰত এখন স্বেত পত্র প্রকাশ কৰক। আৰু এই লটাৰী বন্ধ কৰক।

* **শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এইটো বন্ধ কৰাটো প্রেক্টিকেলি সম্ভৱ নহয় - যেতিয়ালৈকে অসমৰ বাহিৰৰ ৰাজ্যবোৰত এই লটাৰী খেল চলি থাকিব। কিয়নো বোম্বাইত যদি খেলা হয় তেন্তে ১ মিনিটতে তাৰ ৰিজাল্ট আহি ইয়াত পায়।

* **শ্রী নগেন শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কিহৰ ওপৰত ভিত্তি কৰি এই কথা কৈছে কব লাগে। ভাৰতীয় সংবিধানত কোৱা নাই যে বেয়া কাম বন্ধ কৰিব নোৱাৰি।

---

* Speach not corrected

* শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, শেষ নম্বৰৰ লটাৰী আজি দিল্লীত বেন কৰা হৈছে যদিও হাই কৰ্ট চলি আছে। আনবোৰ ৰাজ্যত যেতিয়ালৈকে এই খেল চলি থাকিব তেতিয়ালৈকে ইয়াত বন্ধ কৰাটো অসুবিধা আছে। বিল এখন অনাৰ কথা কৈছে সদস্য সকলে,, ঠিক আছে তেখেত সকলে বিল আনক আমি চাম।

* ডঃ জয়নাথ শর্ম্মা ঃ অধ্যক্ষ মহোদয়, বিত্ত মন্ত্রীয়ে কৈছে যে বিল আনক, তেখেতে চাব, আমি প্রাইভেট মেম্বাৰচ বিল আনিব পাৰো, আগতেও এবাৰ ইয়াত অনা হৈছিল। কিন্তু কথাটো চৰকাৰে এখন চৰকাৰী বিল আনিব নোৱাৰে কিয় এই জুৱা বন্ধ কৰাৰ বাবে?

মাননীয় অধ্যক্ষ ঃ আপোনালোকে প্রশ্ন কৰি আছে বিত্ত মন্ত্রীয়ে উত্তৰ দি আছে - এই প্রশ্নটোৰে ইতিমধ্যে ১২-১৩ মিনিট সময় লৈছে। এতিয়া পিচৰ প্রশ্নলৈ যাও। প্রশ্ন নং ১৬৭। মাননীয় সদস্য শ্রী জীউৰাম বড়ো।

বিষয় ঃ পশুচিকিৎসালয়ৰ অৱস্থা।

* **শ্রী জীউৰাম বড়োই সুধিছে ঃ**

* ১৬৭। মাননীয় পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ কালাইগাওঁ সমষ্টিৰ অন্তর্গত কালাইগাওঁ কৰিব আলি, নামখলা, খৈৰাবাৰীত অৱস্থিত ৰাজ্যিক পশুচিকিৎসালয় অৱস্থান বিষয়ে চৰকাৰে অৱগত কৰাবনে?

(খ) লগতে দলেপাৰা উপ স্বাস্থ্য কেন্দ্র, ভূড়াৰ গড় উপস্বাস্থ্য কেন্দ্র কি অৱস্থাত আছে আৰু লিজ দলা গাওঁ (হিৰাপাৰা) উপস্বাস্থ্য কেন্দ্রটো কি ধৰণে নির্ম্মান কৰা হৈছিল অনুগ্রহ কৰি জন্মাবনে?

* **শ্রী জগন্নাথ সিংহ (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী),য়ে উত্তৰ দিছে ঃ**

(ক) কলাইগাওঁ পশুচিকিৎসালখন বর্ত্তমান চলি আছে। কৰিব আলিত কোনো পশুচিকিৎসানুষ্ঠান নাই। নামখলা প্রাথমিক পশুস্বাস্থ্য কেন্দ্রৰ ঘৰ দুৱাৰ নষ্ট হৈছে, ধনৰ অভাৱৰ বাবে মেৰামতিৰ কাম হাতত লব পৰা নাই। এজন মাত্র সহায়ক আৰু এজন চতুর্থ শ্রেনীৰ কর্ম্মচাৰীৰ দ্বাৰা পশুস্বাস্থ্য কেন্দ্রটিৰ কাম চলাই ৰখা হৈছে। খৈৰাবাৰী পশুচিকিৎসালয়ৰ কাম কাজ নিয়মীয়াকৈ চলি আছে।

---

* Speach not corrected

(খ) দলে পাৰা প্ৰাথমিক পশুচিকিৎসা উপ কেন্দ্ৰটিৰ ঘৰ-দুৱাৰ বড়ো আন্দোলনৰ সময়ত নষ্ট হয়। মেৰামতিৰ কাম ধনৰ অভাৱত লব পৰা হোৱা নাই। ক্ষেত্ৰ সহায়ক ১ জন, চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী ১ জনৰ দ্বাৰা সেৱা আগবঢ়াই থকা হৈছে। ভূড়াগড় প্ৰাথমিক পশুচিকিৎসা কেন্দ্ৰটিত ১ জন ক্ষেত্ৰ সহায়ক, ১ জন চতুৰ্থ শ্ৰেনীৰ কৰ্ম্মচাৰীৰ দ্বাৰা সেৱা আগবঢ়াই থকা হৈছে। মেৰামতিৰ প্ৰয়োজন যদিও ধনৰ অভাৱত কাম হাতত লব পৰা হোৱা নাই।

হীৰাপাৰা প্ৰাথমিক পশুচিকিৎসা কেন্দ্ৰৰ নিৰ্ম্মানৰ কাম সম্পূৰ্ণ হৈছে, ঔষধ সা-সৰঞ্জাম আদি ক্ৰয়ৰ বাবে ধনৰ অভাৱ হেতু কেন্দ্ৰটি যোগে সেৱা আগবঢ়াব পৰা হোৱা নাই।

* **শ্ৰী জিউৰাম বড়ো ঃ** অধ্যক্ষ মহোদয়, এই পশুচিকিৎসালয় কেইখনৰ অৱস্থা অতি বেয়া হৈ গৈছে। দলেপাৰাত থকা চিকিৎসালয়ৰ চতুৰ্থশ্ৰেনী কৰ্ম্মীৰ ঘৰটো একেবাৰে নষ্ট হৈ গৈছে। হিৰাপাৰাৰ চিকিৎসালয়খন মন্ত্ৰী মহোদয়ে সম্পুৰ্ণ হৈছে বুলি কৈছে যদিও তাত এতিয়াও টিনপাট আৰু দুৱাৰ খিড়িকী লগাবলৈ বাকী আছে - মন্ত্ৰী মহোদয়ে, এইটো অসত্য কথা কৈছে। মন্ত্ৰী মহোদয়ে কৈছে যে টকা পইচাৰ অভাৱৰ কাৰণে এই ঘৰ দুৱাৰবোৰ মেৰামতি কৰিব পৰা নাই - কিন্তু এইবোৰ ৰক্ষা কৰাৰ দায়িত্ব জানো চৰকাৰৰ নহয়? এতিয়া এইবোৰৰ এনে অৱস্থা হৈছে যে তাত পশুও থাকিব নোৱাৰে।

* **শ্ৰী জগন্নাথ সিংহ (মন্ত্ৰী, পশুপালন) ঃ** অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে বিভাগৰ টকা পইচাৰ অভাৱৰ কাৰণেই মেৰামতি কৰিব পৰা নাই। টকা পইচা হলে ব্যৱস্থা লোৱা হব।

* **শ্ৰী জিউৰাম বড়ো ঃ** অধ্যক্ষ মহোদয়, সেই বুলিয়েই টকা পইচাৰ অভাৱৰ কাৰণে ঘৰ-দুৱাৰবোৰো নষ্ট হৈ যাবলৈ দিবনেকি?

* **শ্ৰী অতুল বৰা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে টকা পইচাৰ অভাৱৰ কাৰণে ঘৰ-দুৱাৰ মেৰামতি কৰিব পৰা নাই বুলি কৈছে - কিন্তু এল,অ,চি, কেলেংকাৰীত জড়িত তথা ব্লেক লিষ্টেড হোৱা এখন ফাৰ্মক চি,বি,আই,ৰ এনকুৱাৰী চলি থকা সময়তো ১ কোটি ৭০ লাখ টকা বিভাগে কেনেকৈ দিব পাৰিছে? ইয়াৰ কাৰণে মন্ত্ৰী মহোদয়, বেচপনচিবোল হয় নে নহয়? টকা নাইদিয়া বুলি আপুনি কওক?

* **শ্ৰী জগন্নাথ সিংহ (মন্ত্ৰী পশুপালন) ঃ** অধ্যক্ষ মহোদয়, এতিয়া এই বিষয়চো চি,বি,আয়ে এনকুৱাৰী কৰি আছে, কাগজ-পত্ৰ ফাইল সকলো তেওঁলোকৰ হাতত আছে.

* **শ্ৰী অতুল বৰা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কওক চি,বি,আইৰ এনকুৱাৰী চলি থকা সময়তো

---

* Speach not corrected

এখন ব্লেক লিষ্টেড ফার্মক ১ কোটি ৭০ লাখ টকা আদায় দিয়া নাই বুলি? যদি মই দিয়া বুলি প্রমাণ কৰি দিও আপুনি ৰিজাইন দিবনেকি?

* **শ্রী জগন্নাথ সিংহ (মন্ত্রী পশুপালন)** ঃ অধ্যক্ষ মহোদয়, এই টকা ব্লেক লিষ্টেড হোৱাৰ আগতে দিব পাৰে।

* **শ্রী অতুল বৰা** ঃ অধ্যক্ষ মহোদয়, এই টকা চি,ৰি,আইৰ এনকুৱাৰী চলি থাকোতে দিয়া হৈছে।

* **শ্রীমতী ৰেণুপমা ৰাজখোৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে প্রশ্নৰ উত্তৰত কৈছে যে টকাৰ অভাৱত পশুচিকিৎসালয় বিলাক বনাব পৰা নাই। অধ্যক্ষ মহোদয় মই ১৯৯১ চনতে এটা প্রশ্ন আনিছিলো মোৰ সমষ্টিৰ পথলীয়া পশুচিকিৎসালয় নির্ম্মান সম্পর্কে, সেই প্রশ্নটো ৯২, ৯৩, ৯৪ আৰু ১৯৯৫ চনতো তাৰ লিখিত উত্তৰহে আহিছে যে পুজি সাপেক্ষে ব্যৱস্থা কৰা হ'ব। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে ১৯৯১ চনৰ পৰা পুজি পোৱাই নাই নেকি? আজি মন্ত্রী মহোদয়ে সেই সদনতে এটা আশ্বাস দিব লাগে যে এই বছৰত কামটো কৰা হবনে নাই।

* **শ্রী জগন্নাথ সিংহ (পশুপালন ও পশুচিকিৎসা মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, এইটো বেলেগ ঠাইৰ কথা কৈছে, মই চাব লাগিব।

মাননীয় অধ্যক্ষ ঃ আপুনি এইটো চাই দিব। Now Starred Question No. 168. Questioner Shri Dhruba Kumar Sen and Hon'ble Minister P.W.D. (P) will reply.

বিষয় ঃ ৰাষ্টা পকীকৰণ।

* **শ্রী ধ্রুব কুমাৰ সেনে সুধিছে ঃ**

* ১৬৮। মাননীয় গড়কাপ্তানী (ভৈয়াম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী "এক্সিকিউটিভ ইঞ্জিনিয়াৰ পি,ডাব্লিউ,ডি (ৰোড)" বিভাগৰ অধীনত (বিলাসীপাৰা, পশ্চিম সমষ্টি) বৰকান্দাৰ পৰা সাপ্রত গ্রামলৈ যি "পি,ডাব্লিউ,ডি, ৰোড" আছে সেই ৰাস্তা পকীকৰণৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি?

(খ) যদি লোৱা নাই, নোলোৱাৰ কাৰণ কি জনাবনে?

* **শ্রী শৰৎ বৰকটকী (গড়কাপ্তানি (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) প্রশ্ন নুঠে।

---

* Speach not corrected

* **শ্ৰী ধ্ৰুব কুমাৰ সেন ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰকান্দাৰ পৰা সাপ্ৰত গ্ৰামলৈ প্ৰায় ১৭ কিলোমিটাৰ ৰাষ্টা হ'ব। এই ৰাষ্টাৰ কিমান খিনি কাম কৰা হৈছে বাকী থকা কাম কেতিয়া শেষ কৰিব?

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ৪.৭১০ কিলোমিটাৰ ৰাষ্টা ব্লেক টপিং কৰা হৈছে বাকীখিনিৰ কাৰণে ১৯৯৪-৯৫ চনৰ বিশ্ববেংকত দিয়া প্ৰপজালত অৰ্ন্তভুক্ত কৰা হৈছে।

* **শ্ৰী বুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মৰিগাওঁ জিলাত ৫/৬ খন মান দলঙৰ নিৰ্ম্মাণৰ কাম হাতত লৈছে আৰু তাৰে দুখন দলঙত শাল কাঠৰ পৰিবৰ্ত্তে নন্‌শাল কাঠ লগাইছে। মই যোৱাকালি যাওঁতে ৰাইজে মোক অভিযোগ দিছে, লগতে ৰাইজে সেই দুখন দলঙৰ কাম বন্ধ কৰি ৰাখিছে। মন্ত্ৰী মহোদয়ে, এইটো তদন্ত কৰাৰ ব্যৱস্থা হাতত লব নেকি?

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অনুসন্ধান কৰি ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীমতী ৰেণুপমা ৰাজখোৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে, বিশ্ব বেংকৰ পৰা টকা অনাৰ ব্যৱস্থা কৰা হৈছে। ১৯৯৪-৯৫ চনত বিশ্ব বেংকৰ পৰা গড়কাপ্তানী বিভাগে কিমান টকা পাইছে।

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি এতিয়াওঁ টকা পোৱা নাই। বিশ্ববেংকক প্ৰপ'জাল দিয়া হৈছে। সেইটো এপ্ৰভ হৈ আহিলেহে কব পৰা যাব।

* **শ্ৰী মিলন বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চাপট গ্ৰামৰ পৰা ফকিৰাগ্ৰামলৈ ৰাষ্টাচোৱা মেৰামতি কৰা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

* **শ্ৰী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্টা পকীকৰণৰ ক্ষেত্ৰত যিবিলাক ৰোলাৰৰ প্ৰয়োজন তাৰ বেচিভাগ ৰোলাৰেই কাৰ্য্যক্ষম হৈ থকা নাই। আৰু এই ৰোলাৰ বিলাক মেৰামতি নকৰিলে গড়কাপ্তানী বিভাগে ৰাষ্টাৰ পকীকৰণ কৰিব নোৱাৰিব। আমাৰ নলবাৰী জিলাৰ কাৰ্য্যবাহী অভিযন্তাৰ অধীনত ১২ খন ৰোলাৰ আছে আৰু তাতে এখনহে ভাল হৈ আছে বাকী এঘাৰখনেই বেয়া হৈ আছে। সেই বিলাক ৰিপেয়াৰ কৰাৰ ব্যৱস্থা কৰিছে নেকি?

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে ৰোলাৰ বিলাক মেৰামতি কৰাৰ ব্যৱস্থা লোৱা হৈছে।

* **Shri Samarendra Nath Sen :** May I know from the Hon'ble Minister that one particular bridge of my constituency which is very very important and now in a very dilapidated condition whether this would be repair soon.

---

* Speach not corrected

* **শ্রী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, অসমত যিমান বিলাক দলঙ বেয়া হৈ আছে সেই বিলাক অহা জুন মাহৰ ভিতৰত মেৰামতি কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰি থকা হৈছে।

* **শ্রী মহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৫-৯৬ বছৰত অসমত সর্ব্বমুঠ কিমান কিলোমিটাৰ ৰাষ্টা মেটেলিং বা ব্লেক টপিং কৰা হ'ব।

* **শ্রী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, ১২৩৮'৩২১ কিলোমিটাৰ ৰাষ্টা মেটেলিং আৰু ব্লেক টপিং কৰাৰ বাবে হাতত লোৱা হৈছে।

* **শ্রী নগেন শর্ম্মা ঃ** অধ্যক্ষ মহোদয়, নলবাৰী জিলা গড়কাপ্তানী ডিভিজনত থকা ১২ খন ৰোলাৰৰ ভিতৰত যি এঘাৰখন বেয়া হৈ আছে তাৰে ৬ খন ৰিপেয়াৰেবল নহয় বুলি কয়। যিকেইখন ৰিপেয়াৰেবুল আছে তাৰে প্রতি খনত ৰিপেয়াৰ কৰোতে ৪/৫ লাখ টকা লাগিব গতিকে তাৰ পৰিবর্ত্তে নতুন ৰোলাৰ কিনাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্রী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মই অনুসন্ধান কৰিম। যোৱা বছৰ আমাৰ নতুন ৰোলাৰ কিনা হৈছে আৰু এইবছৰো নতুন ৰোলাৰ কিনাৰ বাবে বিবেচনা কৰা হৈছে। তথাপি যিকেইখন ভাল কৰিব পৰা অৱস্থাত আছে, সেইকেইখন মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে।

* **শ্রী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ পৰা যি টকা পাব, সেই টকা খৰচ কৰিবলৈ ৰাষ্টা বিলাক কোনে চিলেক্ট কৰিব? এই ক্ষেত্রত স্থানীয় এম,এল,এ,কো মতা হব নেকি?

* **শ্রী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, বিশ্ব বেংকলৈ যিখিনি প্রপ'জাল দিয়া হৈছে, সেইমতে খৰছ কৰা হ'ব।

* **শ্রী বিনোদ গোৱলা ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোলাঘাট জিলাৰ দৈয়ং-নদীৰ শ্বহীদ কুশল কোঁৱৰ সেতু নামেৰে যিখন দলং আছে সেইখন কেতিয়ালৈ মেৰামতি কৰিব?

* **শ্রী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, শিৱসাগৰৰ নামদাং নৈত থকা ঐতিহাসিক শিলৰ সাঁকোখনৰ অৱস্থা বেয়া হৈ গৈছে। আহোম ৰজাৰ দিনৰ এই ঐতিহাসিক শিলৰ সাঁকোখন ৰক্ষা কৰাৰ বাবে মন্ত্রী মহোদয়ে ব্যৱস্থা লৈছে নেকি?

* **শ্রী চন্দন চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানি বিভাগৰ মন্ত্রী ডাঙৰীয়াই তেখেতৰ লিখিত প্রশ্নৰ উত্তৰত কৈছে, অনুসূচীত জাতি/জনজাতিৰ কাৰণে আছুতিয়াকৈ পূঁজি ৰখা হয়। কিন্তু তাক দিয়াৰ কাৰণে বেলেগ বেলেগ ধৰণৰ কোনো ব্যৱস্থা দিয়া হোৱা নাই। প্রতি বছৰে

এচ, চি/এচ, টিৰ কাৰণে যি টকা দিয়া হয় সেই টকা খিনি বিভাগে একেলগে এল, অ, চিত দিয়ে। তাৰ ফলত অনুসূচীত জাতি/জনজাতিৰ উন্নয়ণৰ কাৰণে নির্দিষ্ট ৰাষ্টাৰ কোনো কাম নহয়। সেই কাৰণে মই মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো যাতে তেখেতে এতিয়াৰে পৰা এই টকাখিনি বেলেগে দিয়ে। এই টকাখিনি বেলেগে দিয়াৰ ব্যৱস্থা কৰিবনে? মন্ত্রী মহোদয়ে জনাব লাগে।

* **শ্রী শৰৎ ৰৱকটকী (ৰাজ্যিক মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এছ চি আৰু এছ টিৰ টকাখিনি বেলেগে দিয়া হয়। অধ্যক্ষ মহোদয়, শিৱসাগৰ জিলাৰ নামদাঙৰ শিলৰ সাঁকোৰ অৱস্থা বেয়া হৈ আহিছে। সেইটো আমি জানো। কিন্তু আমাৰ এতিয়া টকা নাই কাৰণে আমি একো কৰিব পৰা নাই যদিও আমি অন্য এটা ৰাষ্টাৰে বাই পাছৰ ব্যৱস্থা কৰা হৈছে।

* **শ্রী বিনোদ গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কুশল কোঁৱৰ সেঁতুৰ কি ব্যৱস্থা গ্রহণ কৰিছে?

* **শ্রী শৰৎ ৰৱকটকী (ৰাজ্যিক মন্ত্রী)** ঃ এই দলংখনৰ মেৰামতিৰ কাৰণে বিভাগক দিয়া হৈছে। বিভাগে এই বিষয়ে মেৰামতি কৰিব।

Mr. Speaker : Now Starred question No 169. Hon'ble member Shri Parameshwar Brahma.

Re:-Repairing of P.W.D Road.

* **Shri Parameshwar Brahma asked.**

* 169. Will the Minister of state P.W.D. (Plains) be pleased to state?

(a) Whether any step has been taken up to repair the Serfanguri Fakiragram P.W.D. Road for making it motorable?

(b) If not, why?

* **Shri Sarat Borkotoki [State Minister, P.W.D (Plains)] replied :**

(a) Yes, necessary steps for restoration of the damaged roads and bridges have already been taken under improvement/ repair of balance portion of Roads & Bridges for 1994-1995.

(b) Doesnot arise in view of the above.

* **Shri Parameswar Brahma :** Mr. Speaker sir, hon'ble Minister of State P.W.D. in his reply has stated that for the year 1994-95 some improvement schemes have been taken up but has he taken any step to improve or

repair the said road? It is to be mentioned here that the importance of this road has increased after the collapse of Gouranga River bridge at Baruapara, Bhotgaon. There is excessive pressure on this road as the people from Dhubri, Bilasipara and some other places are to go by this road. That is why, the importance and necessity of this road is very urgent. I request the hon'ble Minister to complete this road immediately.

Another supplementary sir, I have been requesting the Minister to take steps to construct the bridge over Gongia river on the Bhowragini-Monakacha P.W.D. road connecting Kokrajhar and Gosaigaon sub-divisions. This is shortest road to Kokrajhar. The importance of Kokrajhar has increased after the B.A.C. came into being. I specifically request the Minister to assure the House for immediate construction of this bridge.

* শ্রী শৰৎ ৰৱকটকী (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কালি মাননীয় সদস্য গৰাকীয়ে মোক লগ ধৰি এই বিষয়ে কৈছিল। ইতিমধ্যে দলং মেৰামতিৰ ব্যৱস্থা কৰা হৈছে। এছ,পি,টি,ৰ যি কাঠৰ দলং আছে ইয়াৰে ৫খন দলংৰ কাম ১৯৯৪-৯৫ বিশেষ আঁচনিৰ অধীনত মেৰামতি ব্যৱস্থা কৰা হৈছে।

* **Shri Parameswar Brahma** : Mr. Speaker sir, there is another oldest road in my constituency, named Sapatgram-Barkanda P.W.D. road. This is the oldest road and needs immediate repairing. May I request the hon'ble Minister to take immediate steps for improving and repairing of this road to make motorable.

* **Shri Sarat Borkatoky (Minister of State)** : Mr. Speaker sir, I will look into the matter.

* শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ সোমাজৰ আমবাৰী-ফটাশিল ৰাস্তাৰ অৱস্থা একেবাৰে জৰাজীর্ণ ৰাস্তাৰ মাজত পুখুৰীৰ নিচিনা গাদৰ সৃষ্টি হৈছে। এই ৰাস্তাৰ মেৰামতিৰ বাবে তৎকালে ব্যৱস্থা গ্রহণ কৰিব নে?

* শ্রী শৰৎ ৰৱকটকী (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কালি কলিতাই মোক লগ ধৰি এই কথা কৈছিল। এই ৰাস্তাৰ মেৰামতি কৰাৰ কাৰণে বিভাগক দায়িত্ব দিয়া হৈছে।

* শ্রীমতী প্রমীলা ৰাণী ব্রহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত যিহেতু বর্ত্তমান কোকৰাঝাৰৰ ৰাস্তা আৰু দলংৰ প্রশ্নোত্তৰ চলি আছে সেয়েহে মই গৌৰাং নদীৰ দলংৰ বিষয়ে কবলৈ বিচাৰিছো।

---

* Speach not corrected

গৌৰাং নদীৰ দলংখন আছে মাত্ৰ নদীটোৰে সোঁত সলাই বেলেগ ঠাইৰে বৈ গৈছে। বৰ্ত্তমান দলংৰ তলেৰে নদীখন বৈ থকা নাই। গতিকে তাত দলং নিৰ্মাণ কৰিব নালাগে। নদীখনে যিটো দিশে গতি সলাইছে সেই নদীত এটা বান্ধ দি নদীখন দলংৰ তলেৰে বোৱাই নিয়াৰ ব্যৱস্থা কৰিব লাগে। আপুনি যদি তাত কিছু সময় থিয় দিয়ে তেতিয়াহলে দেখিবলৈ পালেহেতেন তাত দিনটোৰ ভিতৰত কিমান হাজাৰ হাজাৰ মানুহ অহা যোৱা কৰে। গতিকে এই যে নদীখনে ৰাস্তাৰ অন্য ঠাইৰে বৈ গৈছে আৰু বৰ্ত্তমান ৰাস্তাটো বন্ধ হৈ আছে। সেই ৰাস্তাটো পুনৰ নিৰ্মাণ কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লবনে মন্ত্ৰী মহোদয়ে স্পষ্টভাৱে জনাব লাগে।

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নদীখনে যে দলংৰ পৰা আতৰি গৈছে এই বিষয়ে অনুসন্ধান কৰি যাতায়তৰ সুবিধা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হব।

* **শ্ৰী বুবুল দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মৰিগাওঁ সংমণ্ডলৰ/বাচনঘাট/বৰাগাওঁ পি,ডাব্লিউ,ডি ৰাস্তাৰ ১/৭, ৪/২, ১৪/১, ১৯/১ আৰু কুশতলি ১০/১ নং দলং কেইখনৰ অৱস্থা একেবাৰে বেয়া। এই দলং কেইখনৰ মেৰামতিৰ ব্যৱস্থা কৰিব নে? ইয়াৰ আগতেওঁ মন্ত্ৰীয়ে ব্যৱস্থা লব বুলি কৈছিল। ইয়াৰে গোটেই কেইখন দলংত ঠিকাদাৰে শাল কাঠৰ সলনি নন শাল কাঠ লগাইছে। সেই কাৰণে এই দলং বিলাক অৱস্থা বৰ দুখ লগা হৈছে। আৰু এনেকৈ চলি থাকিলে ডাঙৰ দুৰ্ঘটনা হব পাৰে। গতিকে মন্ত্ৰীয়ে এই বিষয়ে কিবা ব্যৱস্থা লবনে? দ্বিতীয়তে, জাগীৰোডৰ অন্তৰ্গত দৈপৰা দলং এখন মায়াং-ভকত গাওঁৰ ৰাস্তাৰ নিৰ্মাণৰ কাম সোনকালে কৰিবনে? মন্ত্ৰীয়ে এই বিষয়ে জনাব লাগে।

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে কৈছোৰে দলং আৰু ৰাস্তাৰ মেৰামতিৰ কাম আৰম্ভ হৈছে। গতিকে তেখেতে যিখিনি দলং আৰু ৰাস্তাৰ কথা কৈছে এই বিলাকৰো কাম কৰা হব। তেখেতে যি কেইখন দলংত বেয়া কাঠ দিয়া বুলি কৈছে সেই বিষয়ে অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব।

* **শ্ৰী মহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, গৌৰিপুৰ আৰু খাৰাপাৰা ৰাস্তাৰ মেৰামতিৰ বিষয়ে কি ব্যৱস্তা লৈছে তেখেতে জনাব নে?

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ হাতত তথ্য নাই।

* **শ্ৰী ক্ষীৰেণ বৰগয়াৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যিবিলাক বেয়া ৰাস্তা আছে সেইবিলাক বাৰিষা পৰাৰ আগতে মেৰামতিৰ ব্যৱস্থা কৰিব লাগে। লগতে গৌৰাং নদীৰ দলংৰ বিষয়ে মন্ত্ৰীয়ে দিয়া উত্তৰটো স্পষ্ট নহয়। গতিকে তেখেতে স্পষ্টভাৱে জনাবনে?

* **শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, গৌৰাং নদীৰ দলংৰ বিষয়ে অনুসন্ধান কৰি নদীৰ সোঁত বদলাবলৈ আৰু যাতায়তৰ ব্যৱস্থা কৰিব পৰাকৈ ব্যৱস্থা লোৱা হব।

---

* Speach not corrected

* শ্রী চিত্তেন্দ্র নাথ মজুমদাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, হাইলাকান্দি মিউনিসিপ্যালটিৰ ভিতৰ ধলেশ্বৰী নদীৰ উপৰ যে ছোট ব্রীজ ৰয়েছে তা এত ছোট যে এটাৰ উপৰ দিয়ে ছোট-বড় কোন গাড়ীই পাৰ কৰানো যায় না।

Mr. Speaker : (Starred Question No. 170 to 180 except No. 174 which was deferred, could not be taken up as the Question Hour was over. However, the replies of the said questions deemed to have been disposed of as follows :)

বিষয় ঃ সাৰ ট্রেজাৰি স্থাপনের আবেদন।

* শ্রী মধু সুদন তেৰাৰী জিজ্ঞাসা কৰছেণ ঃ

* ১৭০। মাননীয় বিত্ত বিভাগেৰ মন্ত্রী মহোদয় অনুগ্রহ কৰিয়া জনাবেন কি ঃ

(ক) বাৰ বাৰ পাথাৰ কান্দিতে সাৰ ট্রেজাৰি স্থাপনের আবেদন কৰা হইতেছে, কিন্তু দুখৰ বিষয় চৰকাৰ এই ব্যাপাৰে কোন পদক্ষেপ গ্রহণ কৰিতেছেন না, ইহাৰ কাৰণ কি?

(খ) উক্ত আবেদনৰ প্রতি গুৰুত্ব উপলব্ধি পূর্ব্বক পাথাৰ কান্দিতে সাৰ ট্রেজাৰি স্থাপনের সিদ্ধান্ত গ্রহণ কৰিবেন কি?

* শ্রী জীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) বর্ত্তমানে পাথাৰ কান্দিত কোন সাব-ট্রেজাৰী খোলাৰ প্রস্তাৰ নাই। সাব-ট্রেজাৰী স্থাপনৰ ক্ষেত্রত সাব-ট্রেজাৰী নথকা মহকুমাত সাব-ট্রেজাৰী স্থাপনৰ বাবে অগ্রাধিকাৰ দিয়া হৈ আছে।

বিষয় ঃ কোষাগাৰ নির্মাণ।

* শ্রী ভূপেন বায়ে সুধিছে ঃ

* ১৭১। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বর্ত্তমান কিমানখন মহকুমাত কোষাগাৰ আছে অনুগ্রহ কৰি জনাবনে?

(খ) কোষাগাৰ নথকা মহকুমা সমূহত নতুনকৈ কোষাগাৰ নির্ম্মাণৰ ব্যৱস্থা লৈছেনে?

(গ) যদি লৈছে বিজনী মহকুমাত আগন্তুক বিত্তীয় বছৰত নির্ম্মাণ হৈ উঠিবনে?

* শ্রী জীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্ত্তমান ১৪টা মহকুমাত কোষাগাৰ আছে।

(খ) হয়।

---

* Speach not corrected

(গ) সেই অঞ্চলৰ ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা চৰকাৰী বিত্তীয় লেন-দেন সম্পৰ্কীয় প্ৰতিবেদনৰ বাবে অপেক্ষা কৰি থকা হৈছে।

বিষয় ঃ ডি, আৰ, ডি, এ,ৰ আচনি।

* শ্ৰী ৰামপ্যাৰে ৰবিদাস জিজ্ঞাসা কৰছেণ ঃ

* ১৭২। মাননীয় গ্ৰাম্য উন্নয়ণ বিভাগের মন্ত্রী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) কৰিমগঞ্জ জিলার ৰাতাবাড়ী সমষ্টির অন্তর্গত বিগত ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪, ৯৪-৯৫ আর্থিক বছরে "ডি,আর,ডি,এ,র অধীনে কি কি কাজ (স্কীম) ৰূপায়িত হয়েছে?

প্ৰতিটি কাজের জন্য মঞ্জুৰীকৃত টাকা (স্কীম ওৱাইজ ফাইনেন্সিয়েল এলাকেশ্বন) ও স্কীমের নাম সহ বিস্তাৰিত তথ্য দাখিল করবেন?

(খ) এখন অব্দি সম্পূর্ণ ও অসম্পূর্ণ (৯১-৯৫) কাজের তালিকা দেবেন কি?

(গ) উক্ত সমষ্টির মধ্যে এবং সম্পূর্ণ হওয়া কাজ গুলি কোন কোন "জুনিয়র ইঞ্জিনিয়ার" এর তত্বাবধানে ৰূপায়িত হয়েছে? (ব্লক ওৱাইজ চেপারেটলি)

* শ্ৰী গৌতম ৰায় (ৰাজ্যিক গ্ৰাম্য উন্নয়ন বিভাগের মন্ত্রী)য়ে উত্তর দিছেন ঃ

(ক) Scheme গুলির বিস্তৃত তালিকা এবং সর্ব্বমোট কত টাকা মঞ্জুবী দেওয়া হয়েছিল পৰিশিষ্ঠ 'ক'তে দেখান হয়েছে।

(খ) - ঐ -

(গ) - ঐ -

বিষয় ঃ ৰাস্তাত প্ৰয়োজনীয় টকা।

* শ্ৰী সুৰেন স্বর্গীয়াৰীয়ে সুধিছে ঃ

* ১৭৩। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰৰপেটা গড়কাপ্তানী সংমণ্ডলৰ (পথ) কার্য্যবাহী অভিযন্তাৰ অধীনত তলত উল্লেখিত ৰাস্তা সমূহৰ অৱস্থা অতি শোচনীয় এই বিষয়ে চৰকাৰ অৱগতনে?

১। পাঠশালা অঞ্চলী কঠোৰ আলি ৰাস্তা।

২। পাটাছাবকুছি অঞ্চলী হৈ লক্ষীবজাৰলৈ যোৱা ৰাস্তা।

৩। হজুৱা ভূঞাপাৰা ৰাস্তা।

---

* Speach not corrected

৪। অঞ্চলী দাওধাৰা ৰাস্তা।

৫। গধুলীগাওঁ গোলাগাওঁ ৰাস্তা।

৬। অঞ্চলী বাটাৰাবী ৰাস্তা।

৭। জালাহ কুমাৰীকাটা ৰাস্তা।

৮। জালাহ পালবাৰী ৰাস্তা।

(খ) যদি অৱগত উক্ত ৰাস্তা সমূহ উন্নত কৰাৰ বাবে প্ৰতিটো ৰাস্তাৰ বিপৰীতে কিমান টকাৰ প্ৰয়োজন?

(গ) টকাৰ প্ৰয়োজনীয়তাৰ ভিত্তিত ৰাস্তা সমুহ উন্নয়ন কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে ১৯৯৫-৯৬ বিত্তীয় বছৰত ৰাস্তা সমুহ উন্নত কৰা হবনে?

(ঙ) যদি কৰা নাই তাৰ কাৰণ কি জনাবনে?

* শ্ৰী শৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত হয়।

(খ) ১। পাঠশালা অঞ্চলী কঠোৰ আলি ৰাস্তা - ১৩.০০ লাখ

২। পাটাছাৰকুছি অঞ্চলী হৈ লক্ষীবজাৰলৈ যোৱা ৰাস্তা - ২০.৮০ লাখ

৩। হজুৰা ভূঞাপাৰা ৰাস্তা - ৩৬.০০ লাখ

৪। অঞ্চলী দাওধাৰা ৰাস্তা - ১৪.০০ লাখ

৫। গধুলী গাওঁ গোলাগাওঁ ৰাস্তা - ৬.৮০ লাখ

৬। অঞ্চলী বাটাবাৰী ৰাস্তা - ২৬.০০ লাখ

৭। জালাহ কুমাৰীকাটা ৰাস্তা - ৬.৪০ লাখ

৮। জালাহ শালবাৰী ৰাস্তা - ৪.২০ লাখ

(গ) কৰিছে।

(ঘ) হব।

(ঙ) নকৰাৰ কাৰণ নাই।

Re :- Progress of construction work of Bridge.

* **Shri Kali Ranjan Deb asked :**

* 175. Will the Minister of State for P.W.D. (Plains) be pleased to state :

* Speach not corrected

(a) What is the progress of construction of work of bridge over river Borak at "Raniferry" on Silchar-Natanpur Road?

(b) What is the progress of construction work of Bridge over river Boleswar on the same road in Katigora constituency of Cachar District?

(c) Is it a fact that, for want of necessary fund, progress of work for both the bridge has been held up at present?

* **Shri Sarat Borkataky [State P.W.D Minister (Plains)] replied :**

(a) Financial progress upto 31st January'1995 is Rs. 247.191 lakhs. Physical progress - 30%.

(b) The work is in progress and physical progress is 20%.

(c) Partially true. The progress has some what suffered for want of fund and every effort is being made for payment.

Re :- Construction of Bridge over Kalong.

* **Shri Munin Mahanta asked :**

* 176. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) Whether the construction of bridge at Chandrapur Kajalechaki over Kolong will be completed within this financial year?

(b) What is the reason to keep pending the construction of these bridge since long time?

(c) If there is any proposal to construct a concrete bridge over Kalong at Monipurtop Gosaighat?

(d) If not whether Government will consider the public demand to construct the same?

* **Shri Sarat Borkataky [State P.W.D. Minister (Plains)] replied :**

(a) No.

(b) The matter is under sub-judice.

(c) No.

(d) It depends upon availability of fund.

---

* Speach not corrected

বিষয় ঃ আবন্তিত ধন।

* শ্রী মিলন বড়োই সুধিছে ঃ

* ১৭৭। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিত্ত বিভাগে যেতিয়া বিভিন্ন বিভাগ সমূহক উন্নয়নমূলক আঁচনিৰ বাবে আৱন্তিত ধন মোকলাই দিয়ে তেতিয়াই "জেনেৰেল, টি,এচ,পি," আৰু "এচ,চি,চি,পি," হিচাপে সুকীয়া সুকীয়াকৈ মোকোলাই দিয়ে নেকি?

(খ) আৱন্তিত ধন বিভিন্ন বিভাগ সমূহক মোকোলাই দিয়াৰ পিছত উক্ত ধন বিভাগ বিলাকে উন্নয়নমূলক আঁচনি ৰূপায়নত পৰিমান অনুযায়ী "জেনেৰেল এচ,চি,চি,পি, টি,এচ,পি," অঞ্চল সমূহত খৰচ কৰা বা নকৰা ক্ষেত্রত বিত্ত বিভাগে অন্যান্য বিভাগক নির্দ্দেশ দিয়া বা নিয়ন্ত্রন কৰাৰ ক্ষমতা বা অধিকাৰ আছে নে নাই?

(গ) "টি,এচ,পি আৰু এচ,চি,চি,পি, অঞ্চলৰ উন্নয়নমূলক আঁচনি বিলাক ৰূপায়নৰ ক্ষেত্রত বিভিন্ন বিভাগে আৱন্তিত ধন বিত্ত বিভাগে মোকোলাই নিদিয়া হেতুকেই ৰূপায়িত নোহোৱা কথাটো বিত্ত বিভাগ অৱগত হয় নে আৰু যদি হয়, তেনে বিষয়ত বিত্ত বিভাগে বিহিত ব্যৱস্থা লৈছে জনাবনে?

* শ্রী জীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নিদিয়ে।

(খ) সাধাৰণতে নির্দ্দেশ নিদিয়ে। অৱশ্যে বিত্ত বিভাগে সামানুপাতিক ভিত্তিত ধন আৱন্তন কৰা বাবে বিভিন্ন বিভাগক অনুৰোধ জনায়।

(গ) এনেকুৱা অভিযোগৰ কথা বিত্ত বিভাগে যদিও অৱগত কিন্তু অভিযোগবোৰ ভিত্তিহীন।

Re :- Water Supply Scheme.

* **Shri Moulana Abdul Jalil Ragibi asked :**

* 178. Will the Minister of Public Health Engineering be pleased to state :

(a) How many water supply schemes of P.H.E. in Jamunamukh Constituency are commissioned? Please mention the name of the commissioned scheme with the No. of tapes of each scheme through which water is being supplied and villages covered by each schemes?

---

* Speach not corrected

(b) Total No. of employees engaged against each scheme of water supply commissioning in Jamunamukh Constituency.

(c) How many water supply schemes are defunct in Jamunamukh constituency and the reason thereof, (the duration of difunctional of each scheme may please be mentioned).

* **Shri Dinesh Prasad Goala (Minister, Public Health Engineering) replied :**

(a) 22 Nos of pipe water supply schemes have been commissioned in Jamunamukh Legislative Assembly Constituency. The list of commissioned schemes and villages covered is enclosed at Annexure - 'A'. (See the Annexure-II).

(b) 4 Nos. of employees engaged in each commissioned scheme in Jamunaukh Legislative Assembly Constituency. Details enclosed at Annexure - 'B'. (See the Annexure-III)

(c) There is no defunct water supply scheme under Jamunamukh Legislative Assembly Constituency.

বিষয় ঃ চাহ শ্রমিক কল্যাণ আইন।

* শ্রী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ১৭৯। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৮৬ চনতে প্রস্তুত কৰা অসম গ্রাম্য নিয়োগ আৰু চাহ শ্রমিক কল্যাণ আইন কার্য্যকৰী কৰি অসম চৰকাৰে চাহ বাগিছা, কয়লাখনিবোৰৰ পৰা বছৰি কিমান কোটি টকা ৰাজহ পালে?

(খ) ১৯৮৮ চনৰ অসম গ্রাম্য উন্নয়ন উপকৰণ আইনখন প্রয়োগ কৰাহেতেন বিত্তীয় বছৰত ৰাজ্য চৰকাৰে কিমান কোটি টকাৰ ৰাজহ পালেহেতেন জনাব?

(গ) ৰাজ্যখনৰ ভয়ংকৰ আর্থিক সংকটৰ প্রতি লক্ষ্য ৰাখি আইন দুখন অতি গুৰুত্বপূর্ণ বুলি ভাবেনে? যদি ভাবে, তৎকালে প্রয়োগৰ ব্যৱস্থা কৰিবনে?

* শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী)য়ে উত্তৰ দিয়ে ঃ

(ক) প্রশ্ন নুঠে, যিহেতু বর্ত্তমান 'অসম গ্রাম্য নিয়োগ আৰু চাহ শ্রমিক কল্যাণ' নামৰ কোনো আইন নাই।

---

* Speach not corrected

(খ) ১৯৮৮ চনৰ 'অসম গ্ৰাম্য উন্নয়ন উপকাৰ আইনখন প্ৰয়োগ কৰাহেতেন বিত্তীয় বছৰত ৰাজ্য চৰকাৰে অনুমানিক ১৯৬.০০ কোটি টকাৰ ৰাজহ পালেহেতেন।

(গ) ১৯৮৬ চনত প্ৰস্তুত কৰা অসম গ্ৰাম্য নিয়োগ আৰু চাহ শ্ৰমিক কল্যাণ বিলখন ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ভাৰতীয় সংবিধানৰ ২০১ অনুচ্ছেদৰ অধীনত সন্মতি দিয়াৰ পৰা বিৰত নহ'ল। অসম গ্ৰাম্য উন্নয়ন উপকৰ আইনখনৰ কাৰ্য্যকাৰিতা ন্যায়ালয়ে স্থগিত কৰে। এতেকে এই আইন দুখন তৎকালিন প্ৰয়োগৰ ব্যৱস্থা লোৱাটো সম্ভৱ নহয়।

বিষয় ঃ JRY আঁচনি।

* শ্ৰী ফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ১৮০। মাননীয় গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩-৯৪ বিত্তীয় বছৰটোত 'জে,আৰ,ওৱাই,' আঁচনিৰ জৰিয়তে ডাংতল উন্নয়ন খণ্ডত কিমানটা ৰাস্তা আৰু কিমান গৃহ নিৰ্মানৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছিল? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) উক্ত আঁচনি সমূহৰ কিমানটাৰ কাম সম্পূৰ্ণ হৈছে কিমানটাৰ কাম আধৰুৱা হৈ আছে?

(গ) কিছুমান আঁচনিৰ বিপৰীতে ধাৰ্য্য কৰা ধন সম্পূৰ্ণ খৰছ নোহোৱা কথাটো সচাঁনে?

(ঘ) যদি সচাঁ হয়, কিমানটা আঁচনিৰ কিমান টকা এতিয়াও খৰছ হোৱা নাই? (তালিকা সদনৰ মেজত দাখিল কৰিব)

* **শ্ৰী গৌতম ৰয়, (ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰাম্য বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাস্তা - ৪৭ টা

গৃহ - ৪ টা

(তালিকাক্ৰমে ১নং আৰু ২নং পৰিশিষ্ঠ 'ক'ত দিয়া হল)।

(খ) ৩৯টা ৰাস্তা আৰু এটা গৃহ সম্পূৰ্ণ হৈছে আৰু ৮টা ৰাস্তা আৰু ৩টা গৃহৰ কাম আধৰুৱা হৈ আছে। চলিত বিত্তীয় বছৰৰ ভিতৰত আধৰুৱা কামখিনি সম্পূৰ্ণ হ'ব।

(গ) হয় সঁচা।

(ঘ) ৰাস্তা ৮টা আৰু গৃহ ৩টা,

(তালিকা ৩নং পৰিশিষ্ঠ 'খ'ত দিয়া হ'ল।)

(২২-০৩-৯৫ তাৰিখৰ পৰা ২৯-০৩-৯৫ তাৰিখলৈ পিছুৱাই দিয়া উত্তৰ।)

---

* Speach not corrected

বিষয় ঃ বিভাগৰ টকা জমা।

* শ্রী যতীন মালীয়ে সুধিছে ঃ

* ৬৫। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২, ৯২-৯৩, ৯৩-৯৪ বিত্তীয় বছৰত কেইবাটাও বিভাগৰ টকা "ৰেভিনিউ ডিপোজিট হেড"ত জমা ৰাখিবলগীয়া হোৱাটো সঁচানে?

(খ) কি কি কাৰণত টকাবোৰ "ৰেভিনিউ ডিপোজিট হেড"ত জমা হবলগীয়া হল তাৰ কাৰণ অন্ততঃ দহটা ৰাখ্যা কৰিবনে?

(গ) কোন কোন বিভাগৰ কিমানকৈ টকা এনে ধৰণে জমা ৰাখিলে জনাবনে? (বিভাগৰ নাম আৰু জমা ৰখা টকাৰ পৰিমান বছৰ ভিত্তিত দিব)

(ঘ) "ৰেভিনিউ ডিপোজিট" হোৱাৰ পিছত সংশ্লিষ্ট বিভাগৰ কৰিবলগীয়া কি আছে আৰু বিত্ত বিভাগৰ কৰিবলগীয়া কি কি বাৰু?

(ঙ) "ৰেভিনিউ ডিপোজিট"ত টকা জমা হোৱাৰ পিছত বিভাগ সমূহে টকাবোৰ ঘূৰাই (নিয়ম মতে) বিছৰা স্বত্বেও বিত্ত বিভাগে সময়মতে উলিয়াই নিদিয়াতো সঁচানে? যদি সঁচা, কাৰণ কি বাৰু?

* শ্রী জীৰকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) ১। বাজেতৰ টকা ৰক্ষা কৰা।

২। সাধাৰণতে বছৰটোৰ শেষৰফালে সৃষ্টি হোৱা পৰিস্থিতিতি ভালেখিনি সংখ্যক বিল পৰীক্ষা নিৰীক্ষা কৰাত সম্ভৰ নোহোৱা।

৩। সাময়িকভাৱে আর্থোপায় (Way and Means) অৱস্থা উন্নীতকৰণ কৰা।

(গ) পৰিশিষ্ট ১ ত দেখুওৱা হৈছে। (See the Annexure-IV).

(ঘ) সংশ্লিষ্ট বিভাগে নিয়মানুযায়ী নিজৰ প্রয়োজনৰ প্রতি লক্ষ্য ৰাখি জমা টকা উলিয়াৰ বাবে প্রস্তাৱ পঠিয়াব লাগে। বিত্ত বিভাগে এনেদৰে পঠোৱা প্রস্তাৱবোৰ চালিজাৰী ৰাজ্যৰ বিত্তীয় পৰিস্থিতিৰ প্রতি লক্ষ্য ৰাখি জমা দিয়া টকা মোকোলাই দিয়ে।

(ঙ) বিত্তীয় পৰিস্থিতিৰ প্রতি লক্ষ্যৰাখি ৰেভিনিউ ডিপোজিটৰ টকা বিভাগ সমূহৰ প্রস্তাৱ অনুযায়ী মোকলাই দিয়া হৈ আছে।

---

* Speach not corrected

(Deferred Starred Question No. 77 of 22-03-95)

বিষয় ঃ কেন্দ্রীয় চৰকাৰৰ পৰা লোৱা ঋণ।

* **ডঃ জয়নাথ শর্ম্মাই সুধিছে ঃ**

* ৭৭। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা ১৯৯১, ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনলৈকে কিমান টকাৰ ঋণ লৈছে? অসম চৰকাৰৰ অধীনস্থ প্রতিস্থান (State Govt. Undertakings) সমূহে লোৱা ঋণ পৃথকে দেখুৱাব?

(খ) কেন্দ্রীয় চৰকাৰৰ বাহিৰে অন্যান্য উৎসৰ পৰা উক্ত সময়চোৱাত অসম চৰকাৰে পোনপতীয়া ভাৱে বা AIDC/STATFED আদিৰ বিভিন্ন প্রতিস্থান (State Govt. Undertakings)ৰ জৰিয়তে লোৱা ঋণ কিমান? (উৎস ভিত্তিত বার্ষিক হিচাপত পৰিসংখ্যা দেখুৱাব।)

(গ) অসম চৰকাৰে AGCC আৰু STATFED ৰ জৰিয়তে বিদেশৰ পৰা ঋণ লব বিচাৰিছিল নেকি?

(ঘ) যদি এনে প্রস্তাৱ আছি তেন্তে কৰ পৰা কিমান টকা কাৰ পৰা লব বিচাৰিছিল?

(ঙ) এনে ঋণ দিবলৈ ইচ্ছা কৰা সকল কোন? তেওঁলোকে দিয়া স্বত্ব কি কি? এই সম্পর্কত যোগাযোগ কৰা সকলো নথি সদনৰ মজিয়াত দাখিল কৰিবনে?

* **শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী), য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯০-৯১ চনৰ পৰা ১৯৯৩-৯৪ চনলৈ অসম চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ হ'ল ঃ

১৯৯০-৯১	৫৪০.৭৩	কোটি টকা
১৯৯১-৯২	২৩০.১৫	কোটি টকা
১৯৯২-৯৩	২৩৯.১৪	কোটি টকা
১৯৯৩-৯৪	২৭৫.০৬	কোটি টকা

এই সময়চোৱাত চৰকাৰৰ অধীনস্থ প্রতিস্থান সমূহে কেন্দ্রীয় চৰকাৰৰ পৰা কোনো ঋণ লোৱা নাই।

(খ) উক্ত সময়চোৱাত AIDC আৰু STATFED য়ে লোৱা ঋণৰ পৰিমান হ'ল ঃ

---

* Speach not corrected

১৯৯২-৯৩ ৫০.০০ কোটি টকা AIDC ৰ জৰিয়তে পিয়াৱলেচৰ পৰা

১৯৯৩-৯৪ ১০০.০০ কোটি টকা AIDC ৰ জৰিয়তে পিয়াৱলেচৰ পৰা

১৯৯৪-৯৫ ১০০.০০ কোটি টকা AIDC ৰ জৰিয়তে পিয়াৱলেচৰ পৰা

১৯৯৪-৯৫ ১২৫.০০ কোটি টকা AIDC ৰ জৰিয়তে পিয়াৱলেচৰ পৰা

(গ) নাই বিচৰা।

(ঘ) প্রশ্ন নুঠে।

(ঙ) প্রশ্ন নুঠে।

UNSTARRED QUESTIONS & ANSWERS.

বিষয় ঃ গ্রামীন বিকাশ।

শ্রী বদন বৰুৱাই সুধিছে ঃ

৩৭৩। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কামৰূপ জিলা গ্রামীন বিকাশ অভিকৰনৰ অন্তর্গত হাজো উন্নয়ণ খণ্ডৰ এলেকাত ১৯৯০-৯১ চনৰ জৱাহৰ ৰোজগাৰ যোজনাৰ 'এক্‌চন প্লেন'ৰ পুস্তিকাৰ ৪৭ নম্বৰৰ পৃষ্ঠাৰ ক্রমিক নম্বৰ ১০, ১১ আৰু ১২ ত উল্লেখিত আঁচনি তিনিটা কার্য্যত ৰূপায়িত হৈছেনে?

(খ) যদি হৈছে, আঁচনি কেইটাৰ কাম সম্পূর্ণ হৈছেনে?

(গ) কামৰূপ জিলা গ্রামীণ বিকাশ অভিকৰণ ১৯৯০-৯১ চনত সেই চনৰ বাবে হাজো খণ্ড উন্নয়ণ এলেকাত গ্রহণ কৰা কোন কোন আচনিৰ বিপৰীতে কিমান কিমান টকা আৱন্টন দিছিল আৰু তাৰে কোন আঁচনিৰ বিপৰীতে কিমান টকা খৰছ হল তাৰ বিৱৰণ এটা দিবনে?

(ঘ) ১৯৯০-৯১ বিত্তীয় বর্ষত বিভিন্ন আঁচনিৰ বিপৰীতে হাজো উন্নয়ন খণ্ডলৈ কিমান টকা আৱন্টন দিয়া হৈছিল ?

শ্রী গৌতম ৰয় (গ্রামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১০ আৰু ১১ ত উল্লেখিত আঁচনি দুটা কার্য্যত ৰূপায়িত কৰি থকা ১২ নম্বৰত উল্লেখিত আঁচনিত কার্য্যত ৰূপায়িত কৰিব পৰা হোৱা নাই।

(খ) সম্পূর্ণ হোৱা নাই।

---

* Speach not corrected

(গ) ১৯৯০ চনৰ ৩১ আগষ্টত বহা পৰিচালনা সমিতিৰ সভাৰ ১১(খ) সিদ্ধান্ত মৰ্ম্মে সংঘ, মহিলা সমিতি, পুথিভড়াল আদি উন্নয়নৰ বাবে অনুমোদন হোৱা ধন কম হলে ৰাইজৰ বৰঙনি পোৱাৰ আশ্বাসত প্ৰাক্কলন পোৱাৰ সাপেক্ষে হে প্ৰকল্প সঞ্চালকক ধন মোকলাই দিয়াৰ কৰ্ত্তৃত্ব দিয়া হৈছিল। সেইমতে ১০ আৰু ১১ নম্বৰৰ অনুষ্ঠান দুখনৰ পৰা প্ৰাক্কলন পোৱাৰ পিছত প্ৰথম কিস্তিৰ ধন মোকলাই দিয়া হয়। খণ্ড উন্নয়ন বিষয়াৰ পৰা ব্যৱহাৰিক প্ৰমান পত্ৰ পালে ধন মোকলাই দিয়া হব।

(ঘ) বিৱৰন সহ তলিকা পৰিশিষ্ট "ক" দিয়া হল।

(ঙ) জে, আৰ, ওৱাই (জেনেৰেল) - ৩১.৫০ লাখ টকা

এম, ডাব্লিউ, এচ - ৪.২৭ লাখ টকা

আই, এ, ওৱাই - ২.০৯ লাখ টকা

আই, আৰ, ডিপি - ১১.৫২ লাখ টকা

Re :- Construction of Bridge.

Shri Derragra Musahari asked :

374. Will the Minister of Border Areas Development be pleased to state :

(a) Whether financial sanction has been done by the Government of Construction Deosunga bridge over Deosunga river where road has been constructed Border Areas Development Department?

(b) If yes, when it will be started and what is the amount sanctioned?

Shri Jagat Patgiri (Minister of Border Areas) replied :

(a) Yes.

(b) Rs. 2.00 lakhs is sanctioned for the construction of Deosunga bridge in 1994-95. Work will be started soon.

বিষয় ঃ উন্নয়ন খণ্ড।

শ্ৰী মহেন্দ্ৰ বড়াই সুধিছে ঃ

৩৭৫। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিতাবৰত উন্নয়নী খণ্ড আৰু এটা হোৱাৰ কথা আছেনে ?

---

* Speach not corrected

(খ) যদি আছে, ইয়াৰ অগ্রগতি কিমানদূৰ চলিব লাগিছে ?

শ্রী গৌতম ৰায় (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) বিত্তীয় পৰিস্থিতি সাপেক্ষে যথা সময়ত বিহীত ব্যৱস্থা লোৱা হব।

বিষয় ঃ কাঠৰ অনুজ্ঞা পত্র।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

৩৭৬। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২৮ ফেব্রুৱাৰীলৈ কাঠৰ ব্যৱসায়ৰ বাবে কিমান অনুজ্ঞাপত্র দিয়া হৈছে?
(জিলা ভিত্তিত জনাব)

(খ) এনে অনুজ্ঞা পত্রৰ ভিত্তি কি?

(গ) উক্ত সময়ছোৱাৰ ভিতৰত অনুজ্ঞাপত্র প্রাপ্তিৰ নাম ও ঠিকনাৰ তালিকা দিব নে?

শ্রী হিতেশ্বৰ শইকীয়া, (মুখ্য মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) ৫৫৬ খন অনুজ্ঞা পত্র দিয়া হৈছে।

(খ) শিক্ষিত নিবনুৱা যুৱক, আত্মসমর্পণ কৰা উগ্রপন্থী সদস্যৰ সংস্থাপন, মিল আদি চলি থকাৰ বাবে আৰু শিক্ষানুস্থান আদিৰ বাবে কাঠৰ অনুজ্ঞা পত্র দিয়া হৈছে।

(গ) অনুজ্ঞা পত্র পোৱা ব্যক্তিৰ নাম আৰু ঠিকনা বেলেগে গাঁঠি দিয়া হ'ল। (See the Annexure-V).

Re :- V.F.A. Trainees.

Shri Chittendra Nath Mozumdar asked :

377. Will the Minister of Vety. be pleased to state :

(a) What is the V.F.A. trainees strength at School of Vety. Science at Ghungoor, Silchar, Dist. Cachar.

(b) How many trainees admitted in the School of Vety. Science, Ghungoor, Silchar?

---

* Speach not corrected

Shri Jagannath Sinha (Minister, A.H. & Vety.) replied :

(a) Total Strength of V.F.A. trainees in Ghungoor at Silchar is 400.

(b) 400 candidates admitted in the school.

Re :- M.N.P. Scheme.

Shri Sasha Kamal Handique asked :

378. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) How many schemes under M.N.P. head has been completed since 1991 in the District of Dibrugarh?

(b) Whether the scheme is still in existence?

(c) If not, what is the reason behind it?

Shri Sarat Borkataky [Minister of State, P.W.D. (Plains)] replied :

(a) Since 1991-92, 5 (Five) Nos of Roads under M.N.P. schemes has been completed.

(b) Yes.

(c) Does not arise in view of the reply at (b) above.

বিষয় ঃ অসম চুক্তি ৰূপায়ন।

শ্রী হিতেশ ডেকাই সুধিছে ঃ

৩৭৯। মাননীয় অসম চুক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পৰা বর্ত্তমানলৈ ৰাজ্যখনত মুঠতে কিমান বিদেশীৰ (১) চিনাক্তকৰন আৰু (২) বহিস্কৰন কৰা হ'ল? (প্রতিটো চনৰ বিপৰীতে বিচৰা তথ্য পৃথক পৃথককৈ দিব।)

(খ) এই সময়ছোৱাত কিমান বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কর্ত্তন কৰা হৈছে?

(গ) চুক্তি অনুযায়ী সীমান্ত এলেকাত পথ নির্মান আৰু কাইটিয়া তাঁৰৰ বেৰ দিয়া কাম কিমান দুৰ অগ্রসৰ হৈছে?

(ঘ) এই কামৰ বাবে কেন্দ্রীয় চৰকাৰে কিমান ধন মুকলি কৰি দিছে, ইয়াৰ কিমান ধন ৰাজ্য চৰকাৰে কামত ব্যৱহাৰ কৰিছে আৰু এই কাম সম্পূর্ণ কৰিবলৈ অতিৰিক্ত কিমান ধনৰ প্রয়োজন হব?

---

* Speach not corrected

ডাঃ ভূমিধৰ বৰ্ম্মন (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰদিছে ঃ

(ক) অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পৰা বৰ্ত্তমানলৈ আই,এম,ডি,টি, আইন ১৯৮৩ ৰ অধীনত মুঠ ৮৯৫৫ জনক চিনাক্ত আৰু ১২৮৭ জনক বহিস্কাৰ কৰা হয় আৰু এফ,টি, (বিদেশী) আইন ১৯৬৪ ৰ অধীনত মুঠ ১৮৩৪৭ জনক চিনাক্ত কৰা হয়। প্রতিটো চনৰ বিপৰীতে তথ্য পৃথককৈ দেখুৱা হল।

আই,এম,ডি,টি, আইন ১৯৮৩ ৰ অধীনত।

চন	চিনাক্তকৰন কৰা হয়	বহিস্কৰন কৰা হয়
১৯৮৫	৪২৩ জন	২১ জন
১৯৮৬	১৪৬ জন	২১ জন
১৯৮৭	১৮৬ জন	১১৪ জন
১৯৮৮	৯২২ জন	১২২ জন
১৯৮৯	২৮৩৭ জন	১২৭ জন
১৯৯০	২২১০ জন	১১৬ জন
১৯৯১	১৪৭৫ জন	৫২৩ জন
১৯৯২	৩৪১ জন	১১৬ জন
১৯৯৩	৩৪৯ জন	১১৬ জন
১৯৯৪	৫৫ জন	১১৬ জন
১৯৯৫ চনৰ ৩১ জানুৱাৰীলৈ	১১ জন	১ জন
মুঠ -	৮৯৫৫ জন	১২৮৭ জন

এফ,টি, (বিদেশী) আইন ১৯৬৪ ৰ অধীনত।

চন	চিনাক্তকৰন কৰা হয়
১৯৮৫	-
১৯৮৬	৫০৯ জন
১৯৮৭	২১৮৬ জন
১৯৮৮	৫০৫৪ জন

* Speach not corrected

১৯৮৯	৪৬৯০ জন
১৯৯০	২৪৫২ জন
১৯৯১	১৫২০ জন
১৯৯২	১১৮৩ জন
১৯৯৩	৪৯০ জন
১৯৯৪	৩১৮ জন
১৯৯৫ চনৰ	
৩১ জানুৱাৰীলৈ	৩৫ জন

মুঠ - ১৮৩৪৭ জন

তাৰোপৰি ১৯৮৫-৮৬ চনৰ পৰা ৩১-০১-৯৫ চনলৈ ১৯১৬২ জন পুনঃ/নতুন বাংলাদেশীক আৰু ৭০,৬৪১ জন নেপালী অনুপ্ৰবেশকাৰীক চিনাক্ত কৰা আৰু বহিষ্কাৰ কৰা হয়।

(খ) এই সময়চোৱাত ভোটাৰ তালিকাৰ পৰা নাম কৰ্ত্তন কৰিবলৈ জনোৱা হয়।

চন	
১৯৮৫	-
১৯৮৬	-
১৯৮৭	-
১৯৮৮	৪০৬৮ জন
১৯৮৯	৮৩৪১ জন
১৯৯০	২৩৯২ জন
১৯৯১	১৫২০ জন
১৯৯২	১১৮৩ জন
১৯৯৩	৪৯০ জন
১৯৯৪	৩১৮ জন
জানুৱাৰীলৈ ১৯৯৫	৩৫ জন

মুঠ - ১৮৩৪৭ জন

* Speach not corrected

বর্ত্তমানলৈ পোৱা তথ্য অনুসাৰে ২৮-০২-৯৫ তাৰিখলৈকে ১১৫১৩ জনৰ নাম ভোটাৰ তালিকাৰ পৰা কর্ত্তন কৰা হয়।

(গ) অসম চুক্তি অনুযায়ী অসম-বাংলাদেশ সীমান্তত ১৯৯৫ চনৰ জানুৱাৰী মাহলৈকে মুঠ ৯৬.৯৬ কিঃ মিঃ পথ নির্মান আৰু ১২১.২৬ কিঃমিঃ কাইটিয়া তাঁৰৰ বেৰ দিয়া কাম সম্পূর্ণ হৈছে।

(ঘ) এই কামৰ বাবে কেন্দ্রীয় চৰকাৰে এতিয়ালৈকে ৭৩.০০ কোটি টকা মোকলাই দিছে আৰু ইয়াৰে ৬৮.৯১ কোটি টকা কামত ব্যৱহাৰ কৰা হৈছে, এই কাম সম্পূর্ণ কৰিবলৈ আৰু প্রায় ৪২ কোটি টকাৰ প্রয়োজন হব।

বিষয় ঃ পানী যোগান আঁচনি।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৩৮০। মাননীয়া জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ সৰু সজাই, ৰাজা পানীছদা মৈৰাজৰ আৰু সানপাৰাৰ পানী যোগান আঁচনি কেইটা সম্পূর্ণ হোৱাৰ পিছতো যে ৰাইজে পানী পোৱা নাই সেই কথাটো চৰকাৰ অৱগত নে?

(খ) উক্ত পানী যোগান আঁচনি কেইটা বিকল হোৱাৰ কাৰণ কি?

(গ) এই আঁচনি কেইটাৰ ওপৰত চৰকাৰে তদন্ত চলোৱাৰ ব্যৱস্থা লবনে?

(ঘ) উক্ত আঁচনি কেইটা কার্য্যকৰী কৰাৰ কি ব্যৱস্থা চৰকাৰে গ্রহণ কৰিছে, জনাবনে?

শ্রী দিনেশ প্রসাদ গোৱালা (মন্ত্রী জনস্বাস্থ্য কাৰিকৰী বিভাগ), য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়।

(খ) বিকল হোৱা নাই। অৱশ্যে সৰু সজাইত নিজৰাৰ পানী কমি যোৱা বাবে যোৱা জানুৱাৰী মাহৰ পৰা আংশিক ভাবে পানী যোগান ধৰি থকা হৈছে।

(গ) প্রয়োজন হোৱা নাই।

(ঘ) আঁচনি কেইখন চলি আছে যদিও সৰু সজাইত গভীৰ নলীনাদ এটা বহুওৱাৰ ব্যৱস্থা কৰা হব ও চান্দপাৰা আৰু মৈৰাপুৰ আঁচনিৰ শোধন প্রকল্প নির্মাণ কৰা হব।

Re :- A.R.P. Schemes.

Shri Mission Ranjan Das asked :

381. Will the Minister of P.H.E. be pleased to state :

---

* Speach not corrected

(a) Whether the Government has taken any step for approval/sanction of the proposed Six A.R.P. (Pipe line Water Supply Scheme) Schemes submitted by the questioner on 20-04-94 as per assurance of the Hon'ble Minister during the Last Budget Session? (Please give the details of steps taken, and its result and when these schemes are expected to be completed or otherwise).

Shri Dinesh Prasad Goala (Minister, P.H.E.) replied :

(a) No. Only 'N' category villages can be taken up after proper investigation in the year 1995-96.

বিষয় ঃ পশুচিকিৎসালয় নির্ম্মান।

শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

৩৮২। মাননীয় পশুচিকিৎসা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ অন্তর্গত টীয়ক সমষ্টিৰ বনাই পথলিয়াল গাঁৱত ১৯৮৭ চনতে নির্ম্মান কৰিবলৈ লোৱা পশুচিকিৎসালয়খন সম্পূর্ণ কৰিবৰ বাবে বিভাগক আৰু কিমান বছৰৰ প্রয়োজন হ'ব?

(খ) এখন পশুচিকিৎসালয় নির্ম্মাণ কৰিবৰ বাবে সময় নির্দ্ধাৰন কৰা নেথাকে' নেকি?

(গ) যদি থাকে তেতিয়াহলে বনাই পশুচিকিৎসালয় সম্পর্কত চৰকাৰৰ মতামত কি আৰু সম্পুর্ণ কৰাৰ ব্যৱস্থা গ্রহণ কৰিবনে?

শ্রী জগন্নাথ সিংহ (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) অর্থৰ অভাৱত নির্ম্মানৰ কাম সম্পূর্ণ কৰিব পৰা হোৱা নাই। অহা বিত্তীয় বছৰৰ ভিতৰত সম্পূর্ণ কৰিবলৈ চেষ্টা কৰা হব।

(খ) থাকে।

(গ) আর্থিক সংকট আৰু নির্ম্মানস্থানৰ পৰিবর্ত্তনৰ বাবে দেৰি হৈছে।

Re :- Payments of P.W.D. Contractors.

Shri Giasuddin Ahmed asked :

383. Will the Minister of P.W.D. be pleased to state :

---

* Speach not corrected

(a) Whether it is a fact that a sum of rupees one lakh forty eight thousand was paid to four contractors in Dhubri P.W.D. (Roads) Division at the rate of Rs. 37.000/- each in the year 1994-95 for so called repair of certain portions of a road near Bilasipara reported to have been damaged due to laying of underground cables?

(b) If so, whether any tender was called for in this regard?

(c) If not why?

(d) Whether Government has received any complaint to the effect that no work has been executed and that false bills were prepared and paid?

(e) If so, please state the action taken.

Shri Sarat Barkatoti replied :

(a) Yes.

(b) Yes, N.I.T. had been invited vide N.I.T. Memo No 118-19 dated Bilasipara the 17th May, 1994.

(c) Does not arise.

(d) No complaint has been received by this Deptt. as yet, to the effect that no work has been executed and that false bills were paid.

(e) Does not arise.

বিষয় ঃ Forest Reserve অত চোৰাং ব্যৱসায়।

শ্রী গহীন চন্দ্র দাসে সুধিছে।

৩৮৪। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ কামপুৰ চক্রৰ অন্তর্গত লুটুমাৰি Forest Reserve ত অবৈধ ভাবে দিন দুপৰতে মূল্যবান গছ কাটি চোৰাং ব্যৱসায় চলি থকাটো বিভাগ অৱগতনে?

(খ) যদি নহয়, সেই Forest Reserve টোৰ বর্ত্তমান কি অৱস্থাত আছে সদনক জনাবনে?

(গ) যদি অৱগত কাৰণ কি?

---

* Speach not corrected

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) বৰ্ত্তমান অৱস্থাতে বেদখলকাৰী সকলে উক্ত সংৰক্ষিত বনাঞ্চলৰ কিছু অংশ বেদখল কৰি আছে।

(গ) উক্ত সংৰক্ষিত বনাঞ্চলৰ বেদখলকাৰী সকলক উচ্ছেদ কৰিবৰ কাৰণে আগতে বহুতবাৰ আৰু শেষত ১৯৯৪ চনৰ মাৰ্চ মাহত ব্যৱস্থা হাতত লোৱা হৈছিল। কিন্তু বেদখলকাৰী সকলে সমূহীয়া ভাবে অসম ৰাজহ বৰ্ডত বিবেচনাৰ আবেদন কৰে আৰু উক্ত বৰ্ডে প্রস্তাৱিত উচ্ছেদকৰণ সাময়িকভাবে স্থগিত ৰাখে। সেয়েহে প্রস্তাৱিত উচ্ছেদকার্য্য কৰিব পৰা নগল। বৰ্ত্তমান ১৯-১২-৯৪ তাৰিখে অসম ৰাজহ বৰ্ডে বেদখলকাৰী সকলৰ আবেদন নাকচ কৰি স্থগিতকৰণ আদেশ উঠাই লয়। উক্ত আদেশ মৰ্মে, সংৰক্ষিত বনাঞ্চলৰ পৰা বেদখলকাৰী সকলক উচ্ছেদ কৰিবলৈ যাৱতীয় ব্যৱস্থা অতিসোনকালে হাতত লোৱা হব।

বিষয় ঃ বিষয়া কর্মচাৰী নিয়োগ।

শ্রী চন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৩৮৫। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অভয়াপুৰী কাৰাগাৰত এতিয়ালৈকে প্রয়োজনীয় বিষয়া কর্মচাৰী নিয়োগ হোৱা নাই এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) কাৰাগাৰত বন্দী হৈ থকা ব্যক্তি সকলে নিয়মিত খোৱা পোৱা নাই বুলি বিভিন্ন সময়ত অভিযোগ উঠে সেই সম্পর্কে চৰকাৰে কিবা তদন্ত কৰিছে নেকি?

(গ) চৰকাৰৰ নিয়ম অনুযায়ী কাৰাবন্দীসকলক কি কি খাদ্যৰ যোগান ধৰিব লাগে অনুগ্রহ কৰি সদনত এটি তালিকা দাখিল কৰিব নেকি?

শ্রী চামচুল হুদা (কাৰাগাৰ মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) অভিযোগ সত্য নহয়, নিয়মীয়াকৈ খোৱা লোৱা দি থকা হৈছে গতিকে তদন্তৰ প্রশ্ন নুঠে।

(গ) অসম জেল মেনুৱেল অনুযায়ী কাৰাবন্দী সকলক যোগান ধৰিবলগীয়া খাদ্য সামগ্রীৰ তালিকা এনেধৰণৰ ঃ

---

* Speach not corrected

সামগ্রী	সশ্রমবন্দী	বিনাশ্রম বন্দী
পুৱাৰ আহাৰৰ বাবে -		
(১) আটা	১২০ গ্রাম	৯০ গ্রাম
(২) গুৰ	৩০ গ্রাম	৩০ গ্রাম
(৩) চাহপাত	৩ গ্রাম	৩ গ্রাম
(৪) গাখীৰ	২০ গ্রাম	২০ মিঃলিঃ
(৫) চেনী	১০ গ্রাম	১০ গ্রাম
দুপৰীয়া-গধুলীৰ দুসাজৰ বাবে -		
(১) চাউল	৬০০ গ্রাম	৫৪০ গ্রাম
(২) দাইল	১২০ গ্রাম	১২০ গ্রাম
(৩) শাক-পাচলি	৩০০ গ্রাম	৩০০ গ্রাম
(৪) মিঠাতেল	২০ মিঃ লিঃ	২০ মিঃ লিঃ
(৫) নিমখ	২০ গ্রাম	২০ গ্রাম
(৬) পিয়াজ	১০ গ্রাম	১০ গ্রাম
(৭) হালধি	২ গ্রাম	২ গ্রাম
(৮) ধনিয়া	১ গ্রাম	১ গ্রাম
(৯) শুকান জলকীয়া	১ গ্রাম	১ গ্রাম
(১০) নৈমুটেঙা	$^{১}/_{২}$ টা	$^{১}/_{২}$ টা
আমিষ ভোজীৰ বাবে -		
(১) মাছ/মাংস নাইবা কণী	১০০ গ্রাম/২ টা	সশ্রম বন্দীৰ সৈতে একে।
(২) আলু	১২০ গ্রাম	
(৩) মিঠাতেল	৩০ গ্রাম	
(৪) নিমখ	৫ গ্রাম	
(৫) পিয়াজ	৫ গ্রাম	
(৬) হালধি	১ গ্রাম	
(৭) ধনিয়া	১ গ্রাম	
(৮) শুকান জলকীয়া	$^{১}/_{২}$ টা	

* Speach not corrected

নিৰামিষ ভোজীৰ বাবে -

(১)	গাখীৰ	২৫০ মিঃ লিঃ
	নাইবা	
	দৈ	২০০ গ্ৰাম
(২)	চেনী	২০ গ্ৰাম

বিষয় ঃ টকা মঞ্জুৰী।

ডাঃ কমলা কলিতাই সুধিছে ঃ

৩৮৬। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছয়গাওঁ আৰু বনগাওঁ খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ দ্বাৰা ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত ক্ৰমে E.A.S. আৰু M.W.S. শিতানত কিমান টকাৰ মঞ্জুৰী হৈছে?

(খ) উক্ত দুয়ো বিত্তীয় বছৰৰ আঁচনি সমূহ সম্পূৰ্ণ হলনে?

(গ) যদি হোৱা নাই, প্ৰতিটো আঁচনিৰ বিপৰীতে আৱণ্টন দিয়া ধনৰ পৰিমান প্ৰতিটো কামৰ অগ্ৰগতি আৰু কামৰূপ জিলা গ্ৰামীন অভিকৰণৰ প্ৰকল্প সঞ্চালকৰ কাৰ্য্যালয়ৰ পৰা (Release) এৰি দিয়া ধনৰ পৰিমান জনাব?

শ্ৰী গৌতম ৰয় (গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) ছয়গাওঁ আৰু বুনগাওঁ উন্নয়ন খণ্ডত ১৯৯৩-৯৪ চনত E.A.S. অত ক্ৰমে ২৫ লাখ আৰু ৭ লাখ আৰু M.W.S. অত ক্ৰমে ১০.৭০ লাখ আৰু ৬.৫০ লাখ টকা। সেইদৰে ১৯৯৪-৯৫ চনত E.A.S. অত ক্ৰমে ৫০ লাখ আৰু ১২ লাখ আৰু M.W.S. অত ক্ৰমে ১০.৭০ লাখ আৰু ৬.৩৮ লাখ টকা।

(খ) আটাইবোৰ সম্পূৰ্ণ হোৱা নাই।

(গ) আৱশ্যকীয় খতিয়ান পৰিশিষ্ঠত দিয়া হল।

বিষয় ঃ ৰাজ্যিক লটাৰী।

শ্ৰী চিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে ঃ

৩৮৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক লটাৰীৰ পৰা লাভ কৰা ধন কি ভিত্তিত বিতৰণ কৰা হৈছে সেয়া সদনক

* Speach not corrected

জনাবনে?

(খ) ১৯৯১ চনৰ পৰা ফেব্রুৱাৰী ১৯৯৫ লৈ এই ধন জিলাই প্ৰতি কিমান কিমান দিয়া হৈছে তাৰ সংখ্যা দাঙি ধৰিবনে?

শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) ১৯৭৩ চনৰ অসম ৰাজ্যিক লটাৰী (লাভ বিতৰণ) বিধি আৰু ১৯৭৮ চনৰ সংশোধিত বিধি অনুযায়ী মুঠ লাভাংশৰ শতকৰা ২৫ ভাগ অসম চৰকাৰৰ ৰাজকোষত জমা দিয়া হয় আৰু বাকী শতকৰা ৭৫ ভাগ অসম ৰাজ্যিক লটাৰী পূজিত জমা দিয়া হয়। বিধি অনুযায়ী উক্ত পূজিৰ $^{১}/_{৩}$ অংশ ডাঃ ভুৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিস্থানলৈ অনুদান দিয়া হয় আৰু $^{২}/_{৩}$ অংশ বিভিন্ন শিক্ষা, সংস্কৃতিক তথা সমাজ কল্যাণ অনুস্থান প্ৰতিস্থানৰ উন্নয়নৰ বাবে অনুদান আকাৰে বিতৰণ কৰা হয়।

(খ) ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ফেব্রুৱাৰীলৈ বিতৰণ কৰা ধনৰ পৰিমান এনেধৰণৰ -

(১) ১৯৯১-৯২	-	দিয়া নাই ।
(২) ১৯৯২-৯৩	-	৫০.০০ (পঞ্চাশ লাখ) টকা ।
(৩) ১৯৯৩-৯৪	-	২,১৫,৬০,০০০.০০ টকা ।
(৪) ১৯৯৪-৯৫	-	৪,১৯,৯৫,০০০.০০ টকা ।

"The Assam State Lottery (Distribution of Net Profits) Rules, (as amended), 1978" ৰ অনুযায়ী উক্ত ধন জিলাভিত্তিক বিতৰণৰ ব্যৱস্থা নাই। অনুস্থান-প্ৰতিস্থান সমূহৰ আৱশ্যকীয়তা তথা বাঞ্চনীয়তাৰ ওপৰত ভিত্তি কৰিহে বিতৰণৰ ব্যৱস্থা কৰা হয়।

বিষয় ঃ সোনাই চক্রের পানীয় জল সরবরাহ।

শ্রী বদ্রী নারায়ণ সিং জিজ্ঞাসা করছেন ঃ

৩৮৮। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাছাড় জিলার সোনাই চক্রের পানীয় জল সরবরাহের কেন্দ্র ১৯৯১ সনে কতটি ছিল এবং বর্ত্তমানে কতটি জল সরবরাহের কেন্দ্রের কর্মী উক্ত সময় কত জন ছিলেন, বর্ত্তমানে কতজন, সর্বমোট কেন্দ্র কতটি চালু ও কতটি অচল মন্ত্রী মহোদয় জানাবেন কি?

---

* Speach not corrected

(খ) সোনাই বাজরের এবং তুলা গ্রামের জনসাধাৰণ জানুৱাৰী মাস হইতে এপ্রিল মাস পর্য্যন্ত নিয়মিত পানীয় জল পায় নাই সরকার কি অৱগত?

(গ) নিয়মিত পানীয় জল সরবরাহ করার সরকারর বর্ত্তমান ব্যৱস্থা আছে কি? যদি আছে কবে পর্য্যন্ত এবং কি?

শ্রী দিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ সালে ১৯ টা ছিল,

১৯৯৫ সালে ২২ টা ছিল,

১৯৯১ সালে কর্মীৰ সংখ্যা ৭২ জন,

১৯৯৫ সালে কর্মীৰ সংখ্যা ১৬০ জন,

১৯৯৫ সাল পর্য্যন্ত ৯২ টা জল প্রকল্প চালু করা হয়েছে। বর্ত্তমানে কোনো প্রকল্প অচল নেই।

(খ) জানুৱাৰী মাস থেকে এপ্রিল মাস পর্য্যন্ত ডিজেল পাম্প এবং পাইপ লাইনেৰ মেরামতির জন্য জল সরবরাহ ব্যাঘাত হয়েছিল।

(গ) জল সরবরাহ চালু করা হয়েছে।

বিষয় ঃ পথৰ মুঠ দৈর্ঘ্য।

শ্রী নগেন শর্ম্মাই সুধিছে ঃ

৩৮৯। মাননীয় গড়কাপ্তানী (ৰাজ্যিক) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) N.K. Division ৰ (পথ) অধীনত গড়কাপ্তানী পথৰ মুঠ দৈর্ঘ্য কিমান কিলোমিটাৰ?

(খ) ইয়াৰে কিমান কিলোমিটাৰ পথ বর্ত্তমান যাতায়তৰ বাবে সুচল হৈ আছে?

(গ) ইয়াৰে কিমান কিলোমিটাৰ পথ ব্লেকটপিং কৰা হৈছে?

(ঘ) নাজিৰা Division ৰ (পথ) মুঠ পথৰ দৈর্ঘ্য কিমান?

(ঙ) ইয়াৰে কিমান কিলোমিটাৰ পথ ব্লেকটপিং কৰা হৈছে?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ৰাজ্যিক) বিভাগৰ মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) ১১৫৯.৬০৮ কিঃ মিঃ ।

(খ) ৭৬৭.৩৬৭ কিঃ মিঃ ।

(গ) ১২২.০৯৯ কিঃ মিঃ ।

* Speach not corrected

(ঘ) ৩৮৮.৭০৮ কিঃ মিঃ ।

(ঙ) ১১৩.৭৩০ কিঃ মিঃ ।

বিষয় ঃ ক্ষতিপূৰণ আৰু সুৰক্ষা।

শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৩৯০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰতি বছৰে বনৰীয়া হাতীৰ উপদ্ৰবত কিমান মানুহৰ মৃত্যু হৈছে, কিমান ঘৰ ভাঙিছে, কিমান শস্য নষ্ট হৈছে? ১৯৯১ ৰ পৰা ১৯৯৪ চনলৈকে, বেলেগে বছৰেকীয়া হিচাপ দিবনে?

(খ) এই ধন জীৱনৰ ক্ষতিৰ বাবে ক্ষতিপূৰণ দিয়া হৈছেনে? যদি হয়, কিমান পৰিমাণে দিয়া হৈছে নাম সহ জনাবনে?

(গ) এই বছৰেকীয়া উপদ্ৰবৰ পৰা দুখীয়া খেতিয়ক ৰাইজক সুৰক্ষা দিয়াৰ কি কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰে হাতত লৈছে জনাবনে?

শ্ৰী ছামছুল হুদা [বন্যপ্ৰাণী বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)]য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে প্ৰতি বছৰে বনৰীয়া হাতীৰ উপদ্ৰবত মৃত্যু হোৱা সংখ্যা, ভঙা ঘৰৰ সংখ্যা আৰু নষ্ট হোৱা শস্যৰ পৰিমাণ (বিঘা হিচাপত) বেলেগ বেলেগ বছৰ ভিত্তিত তলত দেখুৱা হ'ল।

চন	মৃত মানুহৰ সংখ্যা	ভঙা ঘৰৰ সংখ্যা	নষ্ট হোৱা শস্যৰ পৰিমাণ
১৯৯১	৩১ জন	৯৪১ টা	১৫৬ বিঘা
১৯৯২	৪৪ জন	১১৮৪ টা	২১৬ বিঘা
১৯৯৩	৫২ জন	৪১০ টা	৩৬৭ বিঘা
১৯৯৪	৪০ জন	৮ টা	৪১৪ বিঘা
মুঠ	১৬৭ জন	২৫৪৩ টা	১১৫৩ বিঘা

যদিওঁ ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ ১৬৭ জন লোক বনৰীয়া হাতীৰ দ্বাৰা নিহত হয়, এক-কালীন ক্ষতিপূৰণ ১৬৭ জন মৃত লোকৰ উপৰিও ৭০ জন মৃত লোকৰ পৰিয়াললৈ দিয়া হয় অৰ্থাৎ সৰ্ব্বমুঠ ২৪০ জন লোকৰ পৰিয়াললৈ এককালীন ক্ষতিপূৰণ দিয়া হয়। এই ৭৩ জন লোক ১৯৯১ চনৰ আগতে বনৰীয়া হাতীৰ দ্বাৰা নিহত হয়।

* Speach not corrected

১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈ বনৰীয়া হাতীৰ দ্বাৰা নিহত আৰু আহত লোকক এই এক-কালীন ক্ষতি পূৰণৰ বাবদ দিয়া মুঠ টকাৰ পৰিমান বছৰ ভিত্তিত তলত দেখুৱা ধৰণৰ -

মৃত লোকলৈ দিয়া এক-কালীন ক্ষতিপূৰণ		আহত লোকলৈ দিয়া এক-কালীন ক্ষতিপূৰণ
১৯৯১ চনত ৫,২০,০০০ টকা	(১৯৯১ চনত নিহত	১৯৯১ - ১৫,০০০টকা
১৯৯২ চনত ৩,০৫,০০০ টকা	৩১ জন আৰু তাৰ	১৯৯২ - ২৪,০০০টকা
১৯৯১ চনত ৫,০০০ টকা	আগৰ মৃত ৭৩ জন	১৯৯৩ - নাই
১৯৯১ চনত ২,৯০,০০০ টকা	লোকৰ বাবে)	১৯৯৪ - ৯,০০০টকা
মুঠ - ১১,২০,০০০ টকা		মুঠ - ৪৮,০০০টকা

(খ) চৰকাৰী ব্যৱস্থা অনুযায়ী ক্ষতিপূৰণ দিয়া হৈছে। এই ক্ষতিপূৰণৰ বাবদ প্ৰতিজন মৃত লোকৰ পৰিয়াল বৰ্গলৈ ৫,০০০/- টকা আৰু আহত হৈ পন্দু ব্যক্তিলৈ ৩,০০০/- টকা এক-কালীন ক্ষতিপূৰণ দিয়া হয়।

বনৰীয়া হাতীৰ দ্বাৰা নিহত উক্ত (১৬৭+৭৩) = ২৪০ জন লোকৰ সম্পূৰ্ণ তালিকা বিভাগৰ হাতত পৰাহি নাই। বৰ্ত্তমানলৈ ৬৩ জনৰ তালিকা বিভাগৰ হাতত পৰিছে আৰু তেখেত সকলোৰ নাম সংলগ্ন অনুবদ্ধত গাঁঠি দিয়া হ'ল। ইতিমধ্যে বিভিন্ন বন-সংমণ্ডলৰ বিষয়ালৈ মুঠ লোকৰ নামত তালিকা বিচৰা হৈছে আৰু যাৱতীয় তথ্য বন সংমণ্ডলৰ বিষয়াবোৰৰ পৰা পোৱাৰ পিচত মুঠ লোকৰ সম্পূৰ্ণ তালিকা দিব পৰা যাব। (See the Annexure-VI)

(গ) বনৰীয়া হাতীৰ উপদ্রবৰ পৰা দুখীয়া ৰাইজৰ সুৰক্ষা দিবৰ বাবে উপদ্রুত অঞ্চলৰ পৰা হাতীবোৰ খেদি পঠোৱাৰ ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ গৰ্ভনিং বডি গঠণ।

শ্রী প্রণব কুমার নাথ ও শ্রী মিশন রঞ্জন দাস জিজ্ঞাসা করছেন ঃ

৩৯১। মাননীয় গ্রাম্য উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় D.R.D.A. G.B. কি পদ্ধতিতে মোট কয়জন সদস্যদের নিয়া গঠিত হয়েছে প্রতিজন সদস্যের নাম ঠিকনা Social States সদস্য হিসাবে মনোনিত

* Speach not corrected

হওয়ার তারিখ কেন্দ্রীয় সরকার কর্তৃক প্রকাশিত Latest D.R.D.A. Manual কত নং ধারা অনুযায়ী কোন কোন সদস্য পদবীর পক্ষে কাদের গভনিং বডির সদস্য/সদস্যা হিসাবে মনোনিত করা হয়েছে পরিস্কার ভাবে বিশদ তথ্য সহ তালিকা সদনের মেঝে দাখিল করিবেন।

(খ) Department of Rural Development, Ministry of Agriculture Govt. of India, New Delhi, April, 91 তারিখ প্রকাশিত MANUAL for I.R.D.P and Allied Programmes of Trysem and O.W.C.R.A. নিয়মাবলী পুস্তকের (১৮) নং পৃষ্ঠার 44 ক্রমিক নং অনুযায়ী কোন কোন পদবীধারী সদস্য/সদস্যাদের নিয়া মোট ৩৩ জন সদস্য/সদস্যা যুক্ত D.R.D.A. Governing body গঠন করার নির্দ্দেশ দেওয়া আছে সম্পূর্ণ ক্রমিক নং পদবীর বর্ণনা সহ বিশদ তথ্য উল্লেখ করিবেন?

(গ) রাজ্য সরকার সেই অনুযায়ী করিমগঞ্জ গভর্নিং বডি গঠন করেছেন কি? যদি হয় কি ভাবে, যদি না কেন?

(ঘ) কৰিমগঞ্জ D.R.D.A. গভর্নিং বড়ি গঠনে কেন্দ্রীয় সরকারের গ্রামোন্নয়ন বিভাগের নীতি নির্দ্দেশ ও নিয়মাবলী আসাম রাজ্য সরকারের গ্রামোন্নয়ন বিভাগ ভন্দ্ব করেছেন কি? যদি না কি ভাবে? যদি হয় কেন?

(ঙ) নিয়মাবর্হিভূত ভাবে গঠন করা করিমগঞ্জ D.R.D.A. Governing body শিঘ্রই ভন্দ্ব কৰবেন কি? যদি না কেন, যদি হয় কবে?

শ্রী গৌতম ৰায় (রাজ্যিক পঞ্চায়ত ও গ্রাম্য উন্নয়ণ বিভাগেৰ মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) State Govt. Notification অনুযায়ী মোঠ ৩৩ জন সদস্য নিয়ে গঠিত। প্রতিজন সদস্যের নাম, ঠিকানা ইত্যাদি Notification অনুযায়ী Notification এর No. এবং তারিখ পরিশিষ্ঠ (১) দেওয়া হয়েছে।

(খ) পরিশিষ্ঠ (২) দেওয়া হয়েছে।

(গ) ভন্দ্ব করেছেন না।

(ঘ) প্রশ্ন উঠে না।

বিষয় ঃ মাষ্টাৰ ৰোল শ্রমিকৰ মজুৰি।

---

* Speach not corrected

শ্রী ভৃগু কুমাৰ ফুকনে সুধিছে ঃ

৩৯২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দিছপুৰ গড়কাপ্তানী বিভাগৰ গৃহ নির্ম্মাণ আৰু মেগাজিন মণ্ডলৰ কাম কৰা মাষ্টাৰ ৰোল শ্রমিক সকলৰ মাহিলি মজুৰিৰ বাবদ কিমান টকা দিবলৈ আছে?

(খ) উক্ত টকা কেতিয়া দিয়া হব?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্রী] উত্তৰ দিছে ঃ

(ক) দিছপুৰ গৃহ সংমণ্ডল আৰু মেগাজিন সংমণ্ডলৰ মাষ্টাৰ ৰোলৰ শ্রমিকৰ মাহিলি মজুৰিৰ বাবদ কোনো ধন দিবলৈ বাকী নাই।

অৱশ্যে মাষ্টাৰ ৰোলৰ শ্রমিকৰ বকেয়া মৰগীয়া বানচৰ বাবদ তলত দেখুৱা মতে দিবলৈ বাকী আছে -

(১)	দিছপুৰ গৃহ সংমণ্ডল	-	৫,১২,০০০.০০ টকা
(২)	মেগাজিন সংমণ্ডল	-	৫,১২,৭৩২.০০ টকা
	মুঠ	-	১০,২৪,৭৩২.০০ টকা

(খ) আৱশ্যকীয়া আৱণ্টন পালেই উক্ত বকেয়া ধন আদায় দিব পৰা হব।

বিষয় ঃ পঞ্চায়ত আঁচনিৰ টকা।

শ্রী নজৰুল হকে সুধিছে ঃ

৩৯৩। মাননীয় গ্রাম্য উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ খৰমুজা আঞ্চলিক পঞ্চায়তৰ অর্ন্তভুক্ত খান খাওয়া গাওঁ পঞ্চায়তৰ সভাপতিজনে ভূৱা আঁচনিৰ নামত ৪০ হেজাৰ টকা আত্মসাৎ কৰাৰ কথা সঁচানে?

(খ) উক্ত আঁচনিৰ টকা উদ্ধাৰ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

(গ) উক্ত আঞ্চলিক পঞ্চায়ত এলেকাত নলন্দা গাওঁ পঞ্চায়তত শিমলাবাৰী পুনকাই পাৰা ৰাস্তাৰ নামত ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত ভূৱা আঁচনি ধৰি ৬০ হেজাৰ টকা আত্মসাৎ কৰাৰ কথা চৰকাৰে জানেনে?

(ঘ) বর্ত্তমান ১৯৯৪-৯৫ চনত উক্ত গাওঁ পঞ্চায়তত নলন্দা পাহাৰতলী ফার্মিং চেণ্টাৰৰ

নামত ভূৱা আঁচনি ধৰি ৫০ হেজাৰ টকা আত্মসাৎ কৰাৰ ষড়যন্ত্ৰ চলি থকাৰ কথা চৰকাৰৰ অৱগতনে?

(ঘ) উক্ত ভূৱা আঁচনি সমুহ তদন্ত কৰিবলৈ বিভাগীয় আয়ুক্তজনক প্ৰেৰণ কৰা হবনে?

শ্ৰী গৌতম ৰায় (গ্ৰাম্য উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাপ্ত তথ্য মতে খান খাওয়া গাওঁ পঞ্চায়তে ১৯৯৩-৯৪ চনত এচোৱা পথ নিৰ্মাণৰ বাবে ৩০,২৬০/- টকাৰ এখন আঁচনি গ্ৰহণ কৰিছিল। ইয়াৰে ১৫,০০০/- টকা গাওঁ পঞ্চায়ত সভাপতি জনে কোনো কাম নোহোৱাকৈয়ে বনুৱাৰ পাৰিশ্ৰমিক হিচাবে ব্যয় কৰা দেখুৱায়। এই গাওঁ পঞ্চায়তৰ সভাপতি আৰু খৰমুজা উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তাৰ ওপৰত ৰুজু কৰা ফৌজদাৰী গোচৰ, পুলিচৰ তদন্তধীন হৈ আছে। বিষয়টোৰ ওপৰত তদন্ত কৰি প্ৰতিবেদন দিবলৈ ইতিমধ্যে জিলা উপায়ুক্তক কোৱা হৈছে।

(খ) গোৱালপাৰা জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালকে আহনৰ সংশ্লিষ্ঠ ধাৰা অনুসৰি আত্মসাৎ কৰা ধন পুনৰুদ্ধাৰৰ বাবে ব্যৱস্থা লৈছে।

(গ) টকা আত্মসাৎ কৰাৰ বিষয়ে চৰকাৰ অৱগত নহয়।

(ঘ) চৰকাৰ অৱগত নহয়।

(ঙ) প্ৰয়োজন সাপেক্ষে বিহিত ব্যৱস্থা লোৱা হব।

(Unstarred Question No. 394 was deferred)

Re :- Recruitment in D.R.D.A.

Shri Sahidul Alam Choudhury asked :

395. Will the Minister of Rural Development be pleased to state :

(a) Whether the Government is going to make regular recruitment against the sanctioned posts in D.R.D.A. Hailakandi in which appointments were made provisionally as assured in the house on 06-10-93 while replying to Unstarred Question No.22 ?

(b) When the regular recruitments are going to be made for the posts?

Shri Gautam Roy (Minister of State, Rural Development) replied :

(a) Regular recruitment will be made against the sanctioned posts as

---

* Speach not corrected

per existing norms and rules as and when it becomes necessary.

(b) - Do -

Re :- Water Supply Scheme:

Shri Promode Gogoi asked :

396. Will the Minister of P.H.E. be Pleased to state :

(a) Whether the Water Supply Scheme in Joysagar District was started during Assam Sahitya Sabha session in Sibsagar?

(b) If so, actions taken by the Department to complete the scheme at an early date as there is shortage of Water Supply in the area.

Shri Dinesh Prasad Goala (Minister, P.H.E.D.) replied :

(a) No. only temporary arrangement was made for the session.

(b) Does not arise.

বিষয় ঃ সাব সেন্টাৰ।

শ্ৰী মধুসূদন তেওয়াৰী জিজ্ঞাসা কৰছেন ঃ

৩৯৭। মাননীয় পশুচিকিৎসা ও পশুপালন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) পাথাৰকান্দি সমষ্টিতে মোট কতটি পশুচিকিৎসাৰ সাব চেন্টৰ আছে এবং কোথায় কোথায়?

(খ) কতটি পশুচিকিৎসা সাব সেন্টাৰে ষ্টাফ নাই এবং তাহাদের নাম কি?

(গ) পাথাৰকান্দি সমষ্টিতে কোথায় কৃত্ৰিম গো-প্ৰজননের ব্যৱস্থা আছে জানাবেন কি?

(ঘ) যদি নাই তবে দেওয়ার জন্যে ব্যৱস্থা নিবেন কি?

শ্ৰী জগন্নাথ সিংহ (পশুচিকিৎসা ও পশুপালন বিভাগৰ মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) পাথাৰকান্দি সমষ্টিতে মোট ১০ টা পশু চিকিৎসা প্ৰতিষ্ঠান আছে। নিম্নে বিস্তাৰিত বিৱৰন দেওয়া হ'ল -

(১) চিকিৎসালয়	-	১ টা	- পাথাৰকান্দি
(২) সাব চেন্টাৰ	-	২ টা	- (১) বাগান
			(২) বজৰিচেৰা

* Speach not corrected

(৩) এফ, এ, সি - ১ টা - বোঘোবটক

(৪) এ, আই সেন্টাৰ - ৬ টা

(১) পাথাৰকান্দি, (২) সোনাখৰিয়া,

(৩) গান্ধীনগৰ, (৪) ৰাধা টপয়াৰী বাজাৰ,

(৫) দুহালিয়া, (৬) লোমাইবপো।

(খ) ২ টি।

(১) পাথাৰকান্দি।

(২) গান্ধীনগৰ।

(গ) পাথাৰকান্দিতে।

(ঘ) প্ৰশ্ন উঠে না।

বিষয় ঃ বিভাগীয় চিঠি।

শ্ৰী জীউৰাম বড়োই সুধিছে ঃ

৩৯৮। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়লৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিশপুৰৰ পৰা ১৯-১১-৯৪ তাৰিখে "U/O No. CMS (R) 78/94" এই চিঠিখন প্ৰেৰণ কৰিছিল, এই চিঠিখন মহোদয়ে পাইছেনে?

(খ) যদি পাইছে চিঠিখনৰ বিষয় বস্তুৰ বিষয়ে জনাবনে আৰু ইয়াৰ ওপৰত কি কি ব্যৱস্থা লোৱা হ'ল অনুগ্ৰহ কৰি জনাবনে?

শ্ৰী শৰৎ বৰকটকী [গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী]য়ে উত্তৰ দিছে ঃ

(ক) ১৯-১১-৯৪ তাৰিখৰ "U/O No. CMS (R) 78/94" চিঠিখন পোৱা হোৱা নাই যদিও একে নম্বৰৰ ২৯-১১-৯৪ তাৰিখৰ চিঠিখন পোৱা হৈছে।

(খ) চিঠিখনৰ বিষয় বস্তু হল দৰং জিলাৰ মুদৈবাৰী আঞ্চলিক উন্নয়ণ কমিটিৰ সভাপতি/সচিব এ মাননীয় মুখ্যমন্ত্ৰীলৈ পঠোৱা এখন প্ৰতিবেদন। এই প্ৰতিবেদনৰ ৫ নং দফাটো হে গড়কাপ্তানী বিভাগৰ লগত জড়িত। দফাটো তলত দিয়া হ'ল।

"এই অঞ্চলৰ প্ৰধান যাতায়তী পথ" "স্বৰ্গীয় মঞ্জুৰ দৈমাৰী (মেনাপাৰা ভকত পাৰা) পথ"। গড়কাপ্তানী (P.W.D.) বিভাগৰ অধীনস্থ উক্ত পথটো আজি ৫ বছৰ ধৰি কোনো মেৰামতি বা নিৰ্ম্মাণৰ কাম হোৱা নাই। উল্লেখযোগ্য যে এই পথৰ

* Speach not corrected

আটাইখিনি অংশৰ আজিলৈকে মাটিৰ কামেই সম্পূৰ্ণ কৰা হোৱা নাই। এই অঞ্চলৰ প্ৰধান যাতায়তী পথটো অতি সোনকালে সম্পূৰ্ণ কৰণ হোৱাটো অতীব প্ৰয়োজন।

গড়কাপ্তানী বিভাগৰ নামাকৰণ মতে "মেনাপাৰা ভকত পাৰা" নামৰহে এটি পথ আছে। অৱশ্যে এই পথটো এই অঞ্চলত "স্বৰ্গীয় মঞ্জুৰ দৈমাৰী পথ" বুলি জ্ঞাত। এই পথটো সম্পূৰ্ণ হোৱা পথ বাবে তাত পুনৰ নিৰ্ম্মাণৰ প্ৰশ্ন নুঠে। এই পথটো ৫ বছৰ মেৰামতি নকৰাৰ কথাটো সত্য নহয়। এই পথটোত বৰ্ত্তমানে মাটিৰ কামৰ প্ৰয়োজন নাই। এই পথটো সম্পূৰ্ণ কৰা সন্দৰ্ভত যি প্ৰশ্ন তোলা হৈছে সেইটো বোধ হয় এই পথৰ লগত সংযোগ হবলগীয়া "ভকতপাৰা মাজগাওঁ" পথৰ বাকী থকা অংশৰ কথাহে কোৱা হৈছে।

Re :- Sub-Treasury Building at Ramkrishna Nagar.

Shri Rampyare Rabi Das asked :

399. Will the Minister of Finance be pleased to state :

(a) Whether Government has sanctioned necessary fund as per assurance given in the Assembly reply on 30-03-1994 inconnection with my question No. 426 for construction of the Sub-Treasury Building at Ramkrishna Nagar?

(b) If yes, when?

What is the amount?

(c) Has it already been handed over to the P.W.D. (Building) for starting the construction?

If yes, when?

(d) Whether tender of the works has already been invited by the P.W.D.? If yes, when?

(Name the News papers & date in which this was published).

Shri Jiba Kanta Gogoi (Minister of Finance) replied :

(a) Yes,

(b) On 20-01-95 at a total estimated cost of Rs. 6,77,600/- for construction of the building has been sanctioned.

(c) Yes, on 20-01-1995.

* Speach not corrected

(d) Tender for Rs. 3,87,385/- was invited by P.W.D. on 20-02-1995. The last date for receipt of tender was on 10-03-95. The tender was not published in the News paper as the tender value is less than Rs. 5,00,000/-.

বিষয় ঃ চোৰাং কাঠ।

শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ

৪০০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ কিমান টকাৰ চোৰাং কাঠ জব্দ কৰা হৈছে? (জিলা ভিত্তিত জনাব)

(খ) জব্দ কৰা চোৰাং কাঠ সমূহ কি কৰা হৈছে কত কাৰ অধীনত ৰখা হৈছে।

(গ) জব্দ কৰা চোৰাং কাঠ কি ভিত্তিত বিক্ৰী কৰা হব?

(ঘ) জব্দ কৰা চোৰাং কাঠৰ কাৰবাৰী কিমানজনক গ্ৰেপ্তাৰ কৰা হৈছে?

(ঙ) চোৰাং কাঠৰ কাৰবাৰী বা ব্যৱসায়ীৰ বিৰুদ্ধে কিমানটা গোচৰ ৰুজু কৰা হৈছে।

(চ) এই সম্পৰ্কত তদন্ত কৰি দোষীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হব নে?

শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) মুঠতে ১৭,৮৬,৮৭,৫০৪.০০ টকা মূল্যৰ চোৰাং কাঠ জব্দ কৰা হৈছে। (জিলা ভিত্তিত এখন তালিকা দিয়া হ'ল) । (See the Annexure-VII)

(খ) জব্দ কৰা কাঠ সমূহ বিভাগীয় ডিপোত বিভাগীয় জিম্মাত নিৰাপদ স্থানত ৰখা হৈছে।

(গ) নিবিদাৰ জৰিয়তে আৰু চৰকাৰৰ দ্বাৰা আৱন্টিত অনুজ্ঞা পত্ৰৰ জৰিয়তে বিক্ৰি কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) মুঠ ৩,৩৩৯ জন চোৰাং কাঠৰ কাৰবাৰী বা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰা হৈছে।

(ঙ) বিভিন্ন আদালতত ৪,৪৫০ টা গোচৰ ৰুজু কৰা হৈছে।

(চ) এই সন্দৰ্ভত তদন্ত কৰি দোষীৰ বিৰুদ্ধে উপযুক্ত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ লোৱা হৈছে।

বিষয় ঃ স্কুল গৃহ নিৰ্ম্মান।

শ্ৰী চিতেন্দ্ৰ নাথ মজুমদাৰ জিজ্ঞাসা কৰছেন ঃ

---

* Speach not corrected

৪০১। মাননীয় গ্রাম্য উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলায় কোন নির্বাচন চক্রে D.R.D.A. ও JRY Scheme এ স্কুল গৃহ নির্মান করা হয়েছে?

(১) কাটলীছড়া এল,এ - ৭ - কত ?

(২) হাইলাকান্দি এল,এ - ৬ - কত ?

(৩) আলগাপুর এল,এ - ৮ - কত ?

(খ) আগামী ১৯৯৫-৯৬ ইং কত গুলা স্কুল গৃহ নির্মানের পরিকল্পনা সরকারের আছে?

(গ) যেসব স্কুলে ছাত্র ও মাষ্টার বসার আসবাব পত্র নাই সেই সব স্কুলে D.R.D.A. ও JRY Scheme থেকে অর্থ মঞ্জুরী দেওয়া হবে কি? কোন পরিকল্পনা সরকারের আছে কি?

শ্রী গৌতম রায় (রাজ্যিক পঞ্চায়ত ও গ্রাম্য উন্নয়ন বিভাগের মন্ত্রী)য়ে উত্তর দিছেন ঃ

(ক) হাইলাকান্দি জেলায় নিম্ন উল্লেখিত নির্বাচন চক্রে D.R.D.A. ও JRY Scheme এ স্কুল গৃহ নির্ম্মান করা হয়েছে।

(১) কাটলীছড়া এল,এ - ৭ = ৯৬ টা ?

(২) হাইলাকান্দি এল,এ - ৬ = ৩৭ টা ?

(৩) আলগাপুর এল,এ - ৮ = ৬৪ টা ?

(খ) আগামী ১৯৯৫-৯৬ সালের জন্য উক্ত সালের প্রথম ভাগে সত্তা সমিটিতে সিদ্ধান্ত নেওয়া যাবে।

(গ) এই পর্য্যন্ত নেই।

বিষয় ঃ Plywood Factory.

শ্রী আলাউদ্দিন সৰকাৰে সুধিছে ঃ

৪০২। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোলকগঞ্জ সমষ্টিৰ অসম-পশ্চিমবন্দ্ব সীমান্তত ক্ষুদ্র পর্য্যায়ৰ বা কাঠ ফলা কল স্থাপিত হৈছেনে?

---

* Speach not corrected

(খ) যদি হৈছে, সংখ্যা কিমান? (মালিকৰ নাম আৰু ঠিকনা উনুকিয়াব)

(গ) উক্ত ফেক্টৰী বা কললৈ বছৰৰ ভিত্তিত কিমান কাঠ বিভাগে যোগান ধৰে?

(ঘ) কাঠৰ যোগান নিয়মিত নে?

(ঙ) গোলোকগঞ্জ সমষ্টিৰ কাঠৰ চাহিদা মিটাবলৈ আগমণি, হালাকুৰা, ছত্রশাল, গোলকগঞ্জ আদি ঠাইত ক্ষুদ্র পর্য্যায়ৰ Plywood Factory বা কাঠ ফলা কলৰ অনুজ্ঞা পত্র আবেদনকাৰী শিক্ষিত নিবনুৱা সকললৈ প্রদানৰ কিৰা চৰকাৰে বিবেচনা কৰিবনে?

শ্রী হিতেশ্বৰ শইকীয়া (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, হৈছে।

(খ) মাত্র এটা।

মালিকৰ নাম - শ্রী জয়ন্ত চৌধুৰী, গাওঁ চাগলীয়া - ২

পোঃ অঃ - চাগলীয়া, জিলা - ধুবুৰী (অসম)

(ঘ) বিভাগীয় ভাৱে কাঠ যোগান ধৰা নহয়।

(ঙ) প্রশ্ন নুঠে।

(চ) তেনে আবেদন পালে চৰকাৰৰ নীতি অনুযায়ী আৰু কাঠ উৎপাদনৰ প্রতি লক্ষ্য ৰাখি নতুন অনুজ্ঞাপত্র দিয়াটো সমিচীন হব নে নহব বিবেচনা কৰি চোৱা হ'ব।

বিষয় ঃ বিধান সভাৰ প্রতিশ্রুতি।

শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৪০৩। মাননীয় নগৰ ও চহৰ পৰিকল্পনা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দূর্গাসৰোবৰৰ পৰা শান্তিপুৰলৈ বাৰিষা উক্ত অঞ্চলৰ পৰা পানী ওলাই নিয়াৰ বাবে এটা ড্রেইনৰ ১৯৯৪-৯৫ চনত আৰম্ভ কৰাৰ প্রতিশ্রুতি বিগত বিধান সভাত দিয়া হৈছিল নে নাই?

(খ) যদি প্রতিশ্রুতি দিছিল, তেনেহলে চৰকাৰৰ প্রতিশ্রুতি ৰক্ষা নকৰাৰ কাৰণ কি?

(গ) অহা বাৰিষাৰ আগে আগে উক্ত ড্রেইনটোৰ কাম আৰম্ভ কৰাৰ ব্যৱস্থা লব নে নাই?

শ্রী অঞ্জন দত্ত [নগৰ আৰু চহৰ পৰিকল্পনা বিভাগৰ মন্ত্রী (স্বতন্ত্র দায়িত্ব প্রাপ্ত)]য়ে উত্তৰ দিছে ঃ

---

* Speach not corrected

(ক) প্রতিশ্রুতি দিয়া হৈছিল।

(খ) আৰু (গ) ১৯৯৪-৯৫ চনৰ বিত্তীয় বছৰটোত আঁচনিৰ অনুমোদন আৰু পূঁজি মঞ্জুৰীৰ ব্যৱস্থা গ্রহণ কৰাৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। অহা বাৰিষাৰ আগে আগে কাম আৰম্ভ কৰাৰ বাবে প্রচেষ্টা অব্যাহত থাকিব।

Re :- Tour Programme.

Dr. Zoii Nath Sarma asked :

404. Will the Chief Minister be pleased to State :

(a) For how many occasions, the Minister Transport visited Patna During 1991-95?

(b) What is the total amount drawn by him for his T.A. during his tenure as Minister? (Upto 1995 March)

(c) What was his Tour programme during January, 1995 to March, 1995.

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The Minister Transport visited Patna on 2 separate occasions i.e. on 29-01-92 via Lucknow and on 04-03-93 via New Delhi.

(b) Total amount drawn by him as T.A./D.A. for the period form 01-07-91 to 23-08-94 comes to Rs. 4,15,432/- (Rupees four lakhs fifteen thousand four hundred thirty two) only.

(c) The Hon'ble Minister has not yet submitted his tour dairies for the period from January, 1995 to March, 1995 claiming T.A./D.A. etc.

বিষয় ঃ চিমেন্ট ক্রয় সম্পর্কে।

শ্রী অতুল বৰাই সুধিছে ঃ

৪০৫। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগে ১৯৯১ চনৰ পৰা এই পর্য্যন্ত কিমান চিমেন্ট ক্রয় কৰিছে আৰু ইয়াৰ মূল্য কিমান?

(খ) এই সমুদায় ধন জোখ মাফ আৰু গুণগত ভাবে ঠিকমতে যোগান ধৰিছেনে নাই পৰীক্ষা কৰা হৈছেনে?

---

* Speach not corrected

(গ) প্রয়োজনতকৈ বহু বেছি চিমেন্ট সময়ে সময়ে ক্রয় কৰি থকা কথাটো সঁচানে?

(ঘ) বহু চিমেন্ট এইদৰে গুদামত বা ৰখা ঠাইৰ ব্যৱহাৰৰ অনুপযোগী হোৱাটো সঁচানে?

(ঙ) বহুতো চিমেন্ট কেইটামান সংমণ্ডলে ঠিকাদাৰৰ হতুৱাই বাহিৰত বিক্ৰী কৰি থকাটো সঁচানে?

(চ) চিমেন্ট যোগানকাৰী ব্যক্তিজনে মুখ্যমন্ত্রীৰ আশীৰ্বাদত এইদৰে চিমেন্ট যোগান ধৰাৰ অৰ্ডাৰ সমূহ আৰু কোটি কোটি টকা বিভাগবোৰৰ পৰা আদায় লোৱাটো সঁচানে?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) গড়কাপ্তানী বিভাগে ১৯৯১ চনৰ পৰা এই পর্য্যন্তলৈ সর্ব্বমুঠ ১,৬২,৩১০,১০ মেট্রিকটন চিমেন্ট ক্রয় কৰিছে। ইয়াৰ মূল্য সর্ব্বমুঠ ৩৭,৮৯১৪ কোটি টকা।

(খ) হৈছে।

(গ) সঁচা নহয়।

(ঘ) ৭ (সাত) টা সংমণ্ডলৰ গুদামত মুঠ ৯১০২ বস্তা চিমেন্ট অনুপযোগী হৈছে। ইয়াৰ ভিতৰত ৬৯৫৫ বস্তা ১৯৯১ চনৰ পূর্ব্বে বেয়া হৈছে আৰু ২১৪৭ বস্তা ১৯৯১ চনৰ পিছত বেয়া হৈছে।

(ঙ) সঁচা নহয়।

(চ) সঁচা নহয়।

বিষয় ঃ পানী যোগান।

শ্রী পানী ৰাম ৰাভাই সুধিছে ঃ

৪০৬। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মাননীয় মন্ত্রী মহোদয় অৱগতনে - চাউলকাৰা পানী যোগান আঁচনিৰ দ্বাৰা এতিয়াও বিশুদ্ধ খোৱা পানী ৰাইজে পোৱা নাই?

(খ) যদি পোৱা নাই, কি ব্যৱস্থা লৈছে জনাবনে?

শ্রী দিনেশ প্রসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত।

(খ) আঁচনিৰ কাম প্রায় সম্পূর্ণ হৈছে। অঞ্চলটোত বিদ্যুৎ সৰবৰাহ নোহোৱা বাবে ডিজেল

* Speach not corrected

ইঞ্জিনেৰে (টাৰবাইন) পানী যোগানৰ ব্যৱস্থা কৰা হৈছিল যদিও বড়ো আন্দোলনৰ সময়ত পাম্পটো নষ্ট হোৱা বাবে পানী যোগানৰ কাম বন্ধ আছিল। বৰ্ত্তমান পাম্পটো মেৰামতি কৰি পানী যোগান দিবলৈ ব্যৱস্থা কৰা হৈছে।

Re :- Untied Fund Schemes.

Shri Samarendra Nath Sen asked :

407. Will the Chief Minister be pleased to State :

(a) Is it a fact that in Cachar District (Silchar Sub-Division) an United Fund Schemes for Rs. 39.53 lakhs and schemes for Rs. 15 lakhs and schemes for Rs. 25 lakhs were approved respectively in 1991-92, 1992-93 and 1993-94 and fund receive respectively Rs. 18.41 lakhs, Rs. 4.24 lakhs and not fund yet been received for 1993-94?

(b) If so, is it a fact that because of non-receipt of total fund most of the schemes so approved under Untied Fund came to halt?

(c) If so, when the Government would release the balance amount?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) During the 1991-92, 1992-93 and 1993-94 amount of Rs. 39.53 lakhs, Rs. 15.01 lakhs and Rs. 25.30 lakhs, respectively, were approved (Sanctioned) and released to the district of Cachar for Silchar Sub-Division. Fund for 1993-94 was sanctioned and released in three installments during the month of August/93, Feb/94 and March/94 respectively.

A part of the fund for the above years was kept in Civil Deposit and so the entire released amounts were not available in the district for taking-up schemes.

During 1991-92, Rs. 29.57 lakhs and during 1992-93 Rs. 1.49 lakhs were released form Civil Deposit. The balance amount remaining in Civil Deposit is being released now.

(b) & (c) It is a fact that because of non-receipt of the full amount of the fund, some of the schemes could not be implemented yet.

* Speach not corrected

The balance is being released now by the Government for the remaining schemes to be implemented.

Re:- Fund Allocation to the B.A.C.

Shri Suren Swargiari asked :

408. Will the Minister of Planning & Development be pleased to State :

(a) Whether the Government has allotted fund of Rs. 41.31 crores under State Plan and Rs. 5.00 crores under non-plan to the Bodoland Autonomous Council for the financial year of 1994-95?

(b) If yes, whether the whole allocated fund has been released to the Council?

(c) If not, the reason thereof?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes.

(b) The entire amount of the salary component of the allotted fund is being monthly disbursed by the concerned Drawing & Disbursing Officers for which no release order is necessary. The non-salary component is being released in full also. The actual amount released and drawn during the financial year 1994-96 can be furnished after collecting the figures from all concerned Departments after 31-03-1995.

(c) Does not arise.

বিষয় ঃ আধৰুৱা কামৰ অৱস্থিতি।

শ্ৰী যতীন মালীয়ে সুধিছে ঃ

৪০৯। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিৰ ছয়ানী বৰদুৱাৰ ব্লক আৰু ৰামপুৰ ব্লকৰ কেতবোৰ কাম ১৯৯০ চনৰে পৰা আধৰুৱা অৱস্থাত বৈ থকাটো সঁচানে? যাক Spill over work বুলি বিভাগীয় ভাৱে কোৱা হয়?

---

* Speach not corrected

(খ) এনেদৰে আধৰুৱা হৈ থকা আঁচনি বোৰ কি কি ? (বিতং তালিকা দিব)

(গ) এই আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰাৰ বাবে ১৯৯২ চনতে প্ৰতিটো আঁচনিৰ বিপৰীতে ব্লক কমিটিয়ে টকা (অতিৰিক্ত ভাবে) অনুমোদন দিয়াটো সঁচানে? যদি দিছিল প্ৰতিটো তেনে আঁচনিত কিমানকৈ টকা দিয়া আছিল জনাবনে?

(ঘ) সেই সময়ত (১৯৯২ চনত) টকা অনুমোদন দিয়া মতেই টকাবোৰ একেদৰে আছেনে?

(ঙ) যদি আছে অতি সোনকালে কামবোৰ সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা লবনে?

শ্ৰী গৌতম ৰয় (গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পলাশবাৰী সমষ্টিৰ জয়ানী বৰদুৱাৰ আৰু ৰামপুৰ উন্নয়ন খণ্ডৰ ১৯৯০-৯১ চনৰ কাম আধৰুৱা তথা Spill over হিচাবে থকাটো সঁচা হয়।

(খ) তালিকা গাঁঠি দিয়া হল।

(গ) সঁচা। তালিকা গাঁঠি দিয়া হল।

(ঘ) অনুমোদন হোৱা মতেই আছে।

(ঙ) লোৱা হৈছে।

Re :- Silchar Jaintia Road Repair.

Shri Kali Ranjan Deb asked :

410. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) Whether any steps have been taken by the State Government for thorough repair of the Silchar Jaintia Road from Behara to Kalain via Kurkuri in Cachar district ?

(b) If so, when the work is expected to be started?

(c) What is the amount sanctioned for the said work?

Shri Sarat Borkotoky [Minister of State P.W.D. (Plains)] replied :

(a) Yes.

Repair work has been taken up under S.R. Programme for 94-95 and also further improvment is proposed to be taken up under Annual Plan and C.R.F.

---

* Speach not corrected

(b) Within this financial year and in the year of 1995-96.

(c) In S.R. for 94-95

Rs. 10.00 lakhs C.R.F.

Rs. 40.00 lakhs

Annual Plan Rs. 11.40 lakhs

Re :- Borbhogia - Mairabari Road etc.

Shri Munin Mahanta asked :

411. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) Whether the Borbhogia - Mairabari Road JBL Road, NDP Road are in a deplorable condition?

(b) How many wooden bridges are there in these Roads?

(c) Is it a fact that bridges are also in deplorable condition?

(d) If so, steps proposed for its improvement by the Department during this financial year?

Shri Sarat Borkotaky (Minister of State P.W.D.) replied :

(a) Yes, the Borbhogia - Mairabari Road, Bhurbanda Mikirbheta Road, Jaluguti Bhurbandha Laharighat (JBL) Road and N.D.P. Road are in a bad condition.

(b) There are 14 (fourteen) Nos. of bridges on Borbhogia - Mairabari Road, 7 (seven) Nos. of bridges on Jaluguti Bhurbandha Lahorighat (JBL) Road. and 2 (two) Nos. of bridges on N.D.P. Road. (Nowkata Kandua Patrabori Road).

(c) Yes, the bridges are in a deplorable conditions.

(d) Yes, necessary steps have been taken for the improvement of the Roads and Bridges is this financial year.

Re :- Repairing of N.H.

Shri Moulana Abdul Jolil Ragibi asked :

412. Will the Minister of P.W.D. be pleased to state :

---

* Speach not corrected

(a) Whether any scheme of repairing the rest portion of NH-36 from Bogirampathar at Dobaka in Jamunamukh Constituency to Burigaon (in between Dobaka and Parakhuwa via Dobaka Bazar) has been approved and taken up by the NH Deptt.?

(b) If so, the amount thereof and when the work will be started?

Shri Sarat Borkotoky [Minister of State for P.W.D. (P)] replied :

(a) Yes, there is a proposal for repairing this portion of NH-36 under periodical renewal and F.D.R. head. Periodical renewal works have already been allotted to contractors F.D.R. works for 1994-95 are being allotted soon.

(b) Total amount for periodical renewal for 1994-95 for Km. 36th, 37th, 38th of Nagaon Dobaka Section and Km. 129th & 130th of Dimapur Dobaka Section is Rs. 5.91 lakhs. Total amount for F.D.R. works for 1994-95 for Km, 36th, 37th, 38th of Nagaon Dobaka Section and Km. 128th, 129th and 130th of Dimapur Dobaka Section in Rs. 6.55 lakhs. The periodical renewal and F.D.R. works are going to be started within March, 1995.

বিষয় ঃ ৰাজহ অনাদায়।

শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

৪১৩। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪, ১৯৯৪-৯৫ চনৰ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে বিক্ৰি কৰ বিভিন্ন বিভাগৰ পৰা যেনে - ভূমি ৰাজহ, বিদ্যুৎ কৰ, আৰকাৰী ৰাজহ, বনাঞ্চল ৰাজহ, গাড়ীৰ কৰ, কৃষি আয়কৰ আদিৰ বাবদ কিমান টকা এতিয়ালৈ অনাদায় হৈ আছে?

(খ) উক্ত বিভাগ সমূহৰ পৰা ১৯৯০-৯১, ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪, ১৯৯৪-৯৫ ত মুঠ ১০০ কোটি টকা ৰাজহ অনাদায় হৈ থকাটো সত্য নে?

শ্ৰী জীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২ বিত্তীয় বছৰৰ পৰা ১৯৯৩-৯৪ বিত্তীয় বছৰলৈ উল্লেখিত বিভিন্ন বিভাগৰ

* Speech not corrected

পৰা এতিয়ালৈ অনাদায় হৈ থকা মুঠ ৰাজহৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল ঃ

অনাদায় কৰৰ হিচাব ঃ (কোটিৰ হিচাবত)

	১৯৯১-৯২	১৯৯২-৯৩	১৯৯৩-৯৪
(১) ভূমি ৰাজহ	১৩.৪৪	২.২০	২.৫৬
(২) বিক্রি কৰ	১৬.৪৫	২৫.৩১	৪৫.২৯
(৩) কৃষি আয়কৰ	৫.৬৯	১২.৬৭	১৬.৫৮
(৪) বিদ্যুৎ কৰ	৬.১৯	৬.৭৮	৯,০৬
(৫) গাড়ীৰ কৰ	৭.৫৩	৭.৬৬	৭.২১
(৬) বন বিভাগৰ কৰ	৩.৬৯	০.০৮	০.০৭
(৭) আৱকাৰী কৰ	—	—	—
	৫২.৮৭	৫৪.৭০	৮০.৭৭

১৯৯৪-৯৫ বিত্তীয় বছৰটো যিহেতু সম্পূর্ণ হোৱা নাই সেয়ে এই বছটোৰ হিচাব দেখুৱাব পৰা নগ'ল।

(খ) তাতকৈ বেছি।

Re :- Procuring Loan.

Shri Giassuddin Ahmed asked :

414. Will the Minister of Finance be pleased to state :

(a) Whether it is a fact that a negotiation is going on for procuring loan from various external (foreign) sources/agencies to meet the expenditure of the State Govt?

(b) If so, what are the terms and conditions of such external loan and the purpose for which the fund to be so forward is proposed to be spent?

Shri Jiba Kanta Gogoi (Minister Finance) replied :

(a) No.

(b) Question does not arise.

* Speach not corrected

বিষয় ঃ বৈঠালাংচুৰ পৰা ৰহালৈ যোৱা ৰাস্তা।

শ্রী গহীন চন্দ্র দাসে সুধিছে ঃ

৪১৫। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ অন্তর্গত বৈঠালাংচুৰ পৰা ৰহালৈ অৱস্থিত P.W.D. Roadটো উত্তৰ পূৰ উন্নয়ন পৰিষদে লোৱা কথাটো সত্যনে?

(খ) যদি সত্য তেন্তে পৰিষদে কিমান টকা খৰছ কৰিব আৰু কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব চৰকাৰে জানেনে?

(গ) যদি পৰিষদে নকৰে তেন্তে অসম চৰকাৰৰ পঁথটোৰ প্রতি কৰণীয় কি?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) হয়, সত্য।

(খ) ১০০০.০০ লাখ টকা ধার্য্য কৰিছে আৰু ৰাস্তাটোৰ কাম অহা ইং ১৯৯৫-৯৬ বিত্তীয় বছৰত আৰম্ভ কৰাৰ বাবে ১৫ লাখ টকা পৰিষদ অনুমোদন কৰিছে।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ ৰাস্তা-ঘাটৰ শিতানত খৰছ।

শ্রী চন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

৪১৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগৰ অনুসূচীত জাতি পৰিকল্পনাৰ শিতানৰ ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে ৰাস্তাৰ টকা সম্পূর্ণ হৈছেনে?

(খ) বন্দাইগাওঁ জিলাত ৰাস্তা ঘাট দলং মেৰামতিৰ বাবদ ১৯৯১ চনৰ পৰা আজিলৈকে কিমান টকা চৰকাৰে দিছে জনাবনে? যদি দিছে উত্তৰ শালমাৰা, বিজনী আৰু বন্দাইগাওঁ মহকুমাত কিমান টকা খৰছ হৈছে আৰু কোন ৰাস্তা আৰু দলংৰ বিপৰীতে খৰছ হৈছে তাৰ তালিকা এখন সদনত দাখিল দিবনে?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) বন্দাইগাওঁ পথ সংমণ্ডলৰ অধীনত অনুসূচীত জাতি পৰিকল্পনাৰ শিতানৰ বাবে চৰকাৰে ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে আচুতীয়াকৈ ধন আৱন্টন দিয়া নাই।

---

* Speach not corrected

থুলমুলকৈ যিখিনি টকা আবণ্টন দিছে তাৰে কিছু টকা অনুসূচীত জাতিৰ পৰিকল্পনা শিতানত খৰছ কৰা হৈছে। বাস্তাৰ নাম আৰু খৰছৰ পৰিমানৰ তালিকা ইয়াৰ লগত পতাকা 'ক'ত সংলগ্ন কৰা হ'ল। (See the Annexure-VIII)

(খ) বাস্তা ঘাট আদি মেৰামতিৰ শিতানত বন্দাইগাওঁ পথ সংমণ্ডলে ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ফেব্রুৱাৰী মাইলৈকে ৰৰ্ক-চার্জ আৰু মাষ্টাৰ ৰোল শ্রমিকৰ বেতন লগতে বাস্তা ঘাট মেৰামতিৰ বাবদ সর্বমুঠ ২০৮.২১ লাখ টকা প্রত্যয় পত্র (L.O.C.) যোগে দিয়া হৈছে। উত্তৰ শালমাৰা মহকুমাত খৰছৰ পৰিমান ২৯.৬২ লাখ টকা। বিজনী মহকুমাত কৰা খৰছৰ পৰিমান ৪৭.৯৫ লাখ টকা আৰু বন্দাইগাও মহকুমাত কৰা খৰছৰ পৰিমান ৪১.২৭ লাখ টকা।

প্রতি বছৰে প্রত্যয় পত্র (L.O.C.) যোগে প্রাপ্তি ধনৰ পৰিমান আৰু লগতে প্রতি বাস্তা আৰু দলঙৰ বিপৰীতে কৰা খৰছ আদিৰ তথ্য সহকাৰে এখন তালিকা ইয়াৰ লগতে পতাকা 'খ'ত সংলগ্ন কৰা হ'ল। (See the Annexure-IX)

বিষয় ঃ বাস্তা হস্তান্তৰ।

শ্রী চিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে ঃ

৪১৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পূৰ গুৱাহাটী সমষ্টিত এতিয়ালৈকে কোন কেইটা পথ গড়কাপ্তানী বিভাগক গুৱাহাটী পৌৰ নিগমে হস্তান্তৰ কৰিলে সেই কেইটাৰ নাম দাখিল কৰিবনে?

(খ) সেই পথবোৰ মেৰামতি কৰা হৈছে নে? যদি হোৱা নাই তেন্তে কেতিয়ালৈ মেৰামতি সম্পূর্ণ কৰিব সেয়া সদনক জনাবনে?

শ্রী শৰৎ ৰৱকটকী [গড়কাপ্তানী বিভাগ (ভেয়াম)ৰ বাজ্যিক মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) পূৰ গুৱাহাটী সমষ্টিত এতিয়ালৈকে গুৱাহাটী পৌৰ নিগমে গড়কাপ্তানী বিভাগক কেতবোৰ উন্নতিকৰণৰ কাম সম্পাদনৰ কাৰণে ২৫ টা পথ হস্তান্তৰ কৰিছে। পথ কেইটাৰ নাম লগত দিয়া তালিকাত উল্লেখ কৰা হ'ল।

সেই পথবোৰৰ মেৰামতিৰ কাম গড়কাপ্তানী বিভাগৰ তৰফৰ পৰা বর্ত্তমানলৈ কৰা হোৱা নাই, কিন্তু ১৯৯৪-৯৫ চনৰ বার্ষিক পৰিকল্পনাত এই বাস্তাবোৰ উন্নত কৰাৰ আঁচনি প্রণয়ন কৰা হৈছে।

---

* Speach not corrected

কামবোৰ ঠিকাদাৰক ভগাই দিয়াৰ বাবে নিবিদা আহ্বান কৰা হৈছে আৰু আঁচনি ভুক্ত সকলোবোৰ কাম সোনকালে আৰম্ভ কৰা হব। (See the Annexure-X)

বিষয় ঃ হাতিখাল সেতু নির্মাণ।

শ্রী বদ্রি নারায়ন সিং জিজ্ঞাসা করছেণ ঃ

৪১৮। মাননীয় গড়কাপ্তানী বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) কাছার জিলার সোনাই চক্রের সোনাই এবং হাতিখাল সেতু নির্মাণের কাজ আরম্ভ করা হইয়াছিল কিন্তু অদ্য পর্য্যন্ত কাজ শেষ হয় নাই এই সরকার চলা কাল পর্য্যন্ত শেষ হওয়ার সম্ভাবনা আছে কি?

(খ) সোনাই হইতে নগদীর গ্রাম, সোনাই হইতে পতিনগর, কাজিমের হইতে আইজাল রোডের লিংক রোড শিলডুবী হইতে শিলকুড়ি, শিলডুবী হইতে দার্বি রাস্তায় অনেক দিন যাবৎ বাস চলাচল বন্ধ উক্ত রাস্তা গুলির মেরামতি এবং কাজ অদুর ভবিষ্যৎ এ করার সম্ভবনা আছে কি?

(গ) শিলচর হইতে হাইলাকান্দি ভায়া ঘুংঘুর শিলকুড়ি হয়ে যে রাস্তা আছে উহা শিলকুড়ী এবং শিলকুড়ী মাছ ঘাটের নিকটে পুলের অবস্থা খুবই শোচনীয় কখন যে ভেন্দে পড়বে তা নিশ্চয়তা নেই উহা মন্ত্রী মহোদয় অবগত কি, যদি অবগত তাহলে অদুর ভবিষ্যৎ এ মেরামতি করা ব্যবস্থার সম্ভবনা আছে কি?

Shri Sarat Borkakoty [Minister of State P.W.D. (P)] replied :

(a) Yes. Expected to be completed within the tenure of this Govt.

(b) Yes. Repairing works has been taken up under S.R. Programme of 1994-95.

(c) Yes. Repairing works of the bridges are also taken up under S.R. Programme for 1994-95.

বিষয় ঃ কাঠৰ দলঙৰ সংখ্যা।

শ্রী নগেন শর্ম্মাহি সুধিছে ঃ

৪১৯। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নলবাৰী N.K. Division আৰু Rangia Division ৰ মুঠ কাঠৰ দলংৰ সংখ্যা

---

* Speach not corrected

কিমান জনাবনে

(খ) ইয়াৰে কিমান ধন দলং যাতায়তৰ বাবে অনুপযোগী হে আছে জনাব?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) (I) নলবাৰী N.K. Division ত মুঠ কাঠৰ দলং ৩৬৬ খন।

(II) আৰু ৰন্দিয়া (পথ) সংমণ্ডলৰ সংখ্যা ১০৮খন।

(খ) (I) নলবাৰী N.K. Division ত ১৬৪ খন কাঠৰ দলং অনুপযোগী ইয়াৰে ৫৫ খন দলংৰ মেৰামতিৰ কাম চলি আছে আৰু ১০ খন দলংৰ কাম সম্পূর্ণ হৈছে।

(II) ৰন্দিয়া (পথ) সংমণ্ডলৰ অধীনত ৮৬ খন কাঠৰ দলং যাতায়তৰ বাবে অনুপযোগী। তাৰে ৪০ খনৰ মেৰামতিৰ কাম হাতত লোৱা হৈছে আৰু ৩৪ খন "হিউম পাইপ" পুললৈ পৰিবর্ত্তন কৰিবলৈ লোৱা হৈছে।

বিষয় ঃ ফৰেষ্টৰ কুন্দা জব্দ।

শ্রী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৪২০। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিগবৈ ফৰেষ্ট ডিভিজনৰ লেখা পানী ৰেঞ্জত ভিজিলেঞ্চ চেলে (Vigillance Cell) কিমান অবৈধ, কুন্দা জব্দ কৰিছিল? এই কুন্দাৰ মূল্য বজাৰত কিমান হব জনাবনে?

(খ) এই সংক্রান্তত কোনো দায়িত্ব থকা বিষয়ববীয়াৰ ওপৰত কিবা বিভাগীয় ব্যৱস্থা লোৱা হৈছিলনে? যদি হৈছে সেই বিষয়া জনৰ নাম জনাবনে?

শ্রী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) ভিজিলেঞ্চ চেলে কোনো কাঠ জব্দ কৰা নাই, কিন্তু বন বিভাগৰ প্রধান মুখ্য বন সংৰক্ষকৰ নির্দেশক্রমে অনুসন্ধান কৰিবলৈ যোৱা বন সংৰক্ষকৰ নির্দেশ মর্ম্মে ৯৯টা কাঠৰ কুন্দা লেখা পানী ৰেঞ্জৰ অধীনত চালেকি প্রস্তাৱিত সংৰক্ষিত বনাঞ্চলত জব্দ কৰা হৈছিল। এই জব্দ কৰা কাঠৰ কুন্দাবোৰৰ বজাৰ মূল্য ৬,৪০,০০০.০০ টকাতকৈ অধিক হব।

(খ) হয় হৈছে। এই সংক্রান্তত ডিগবৈ সংমণ্ডলৰ বন সংমণ্ডল বিষয়া শ্রী আৰ,ডি,এচ তালোৱাৰ, বন পালক শ্রী এ, কে, ফুকন আৰু বনৰক্ষী - এম মেধী নামৰ ৩

---

* Speach not corrected

(তিনি) জন্য বিষয়া কর্মচাৰীক চাকৰীৰ পৰা সাময়িক ভাবে নিলম্বিত কৰি বিভাগীয় গোচৰ তৰাৰ ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ হাস্পাতাল নির্ম্মণ।

শ্রী প্রণব কুমার নাথ জিজ্ঞাসা করছেণ ঃ

৪২১। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলার দক্ষিণ কুরিমগঞ্জ সমষ্টির অন্তর্গত তপশিলী জাতি অধ্যুষিত এলাকায় (১) নগেন্দ্র নগর প্রাথমিক কেন্দ্র, (২) নিলাম বাজার ত্রিশ শয্যা বিশিষ্ট হাস্পাতালের ভবন দুটি নির্ম্মাণ বিভাগীয় কর্ত্তৃপক্ষের ইচ্ছাকৃত ভাবে বিলম্ব করার দৌরান স্থানীয় গ্রামাঞ্চলের অনসাধারনেকে নুন্যতম স্বাস্থ্য সেৱা থেকে বঞ্চিত করাইছে - এব্যাপারে সরকার অবহিত আছেনেকি ?

(খ) ১৯৯৬ সালের এপ্রিল মাসের ভিতর নগেন্দ্র নগর P.H.C. এবং নিলাম বাজার ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল দুটির নতুন ভবন নির্ম্মানের কাজ শেষ করত ঃ চালু করার ব্যৱস্থা করাবন, কি? যদি না কেন?

(গ) করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির অন্তর্গত ডন P.H.C.র জন্য দুইলক্ষ টাকা এবং বারৈগ্রাম Mini P.H.C.র জন্য এক লক্ষ টাকা কবে দেওয়া হায়ছিল এ ব্যাপারে বিভাগীয় কত্তৃপক্ষ অৱহিত আছেন কি? যদি আছেন তাহনে নির্ম্মান কার্য্য সুরু করা হয়েছে কি? যদি না কেন?

শ্রী শৰৎ বৰকটকী [গড়কাপ্তানী (ভেয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী]য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ সম্পূর্ণ অৱহিত। কেৱল মণ্ডল প্রাক-কলনৰ ওপৰত প্রশাসনীয় অনুমোদন থকাৰ বাবে বর্ত্তমানে কার্য্যকৰী সম্ভৱ হোৱা নাই।

(খ) নিলাম বজাৰ ত্রিশখন বিছনাযুক্ত চিকিৎসালয় নির্ম্মাণৰ দায়িত্ব দিয়াৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। কিন্তু নগেন্দ্র নগৰ প্রাথমিক স্বাস্থ্য কেন্দ্র নির্ম্মাণৰ কাম আৰম্ভ কৰাটো সম্ভৱ হোৱা নাই। সেয়েহে ১৯৯৫ চনৰ এপ্রিল মাহৰ ভিতৰত চিকিৎসালয় দুখনৰ নতুন ভৱন নির্ম্মাণৰ কাম শেষ কৰি চিকিৎসালয় আৰম্ভ কৰাৰ প্রশ্ন নুঠে।

(গ) ডলু. আৰু বাৰৈগ্রাম প্রাথমিক স্বাস্থ্যকেন্দ্র দুখনৰ নবীকৰণ সম্পর্কত ১৯৯৪-৯৫ বর্ষত সন্নিবিষ্ট কৰাৰ বিষয়টো কেৱল প্রস্তাৱ আকাৰত অনুমোদন সাপেক্ষেহে আছিল।

---

* Speach not corrected

বিষয় ঃ গ্রামোন্নয়ন বিভাগৰ ধন আত্মসাৎ।

শ্রী হিতেশ্বৰ ডেকাই সুধিছে ঃ

৪২২। মাননীয় গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভাৰ কোনো সদস্যই কামৰূপ জিলাৰ "বেজেৰা উন্নয়ন খণ্ডৰ সম্প্রসাৰন বিষয়া (ঋণ) গৰাকীয়ে" ভাৰপ্রাপ্ত খণ্ড উন্নয়ন বিষয়াৰ দায়িত্বত থাকোতে "পূব কামৰূপ মহাবিদ্যালয়"ৰ কোনো আঁচনিৰ ধন আত্মসাৎ কৰাৰ বিষয়ে লিখিত অভিযোগ উত্থাপন কৰিছে নেকি?

(খ) যদি কৰিছে সদস্য গৰাকীৰ দ্বাৰা উত্থপিত অভিযোগৰ তদন্তৰ ব্যৱস্থা কৰা হৈছেনে।

(গ) যদি কৰিছে, তদন্তকাৰী বিষয়াই তদন্তৰ প্রতিবেদন দাখিল কৰিলে নে? (তদন্তৰ প্রতিবেদন সদলৰ মজিয়াত দাখিল কৰিব।)

(ঘ) যদি কৰিলে, অভিযুক্ত বিষয়াৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হৈছে?

শ্রী গৌতম ৰয় (গ্রামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় কৰিছে।

(খ) হৈছে।

(গ) কৰিছে। (তদন্তৰ প্রতিবেদন সদনৰ মজিয়াত দাখিল কৰা হ'ল।) (See the Annexure-XI)

(ঘ) বিহিত ব্যৱস্থা লবলৈ উপায়ুক্তৰ লগত যোগাযোগৰ ব্যৱস্থা কৰা হৈছে।

Deferred unstarred Question 148 of 22-3-95.

বিষয় ঃ লটাৰীৰ পৰা আয়।

শ্রী অতুল বৰাই সুধিছে ঃ

১৪৮। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম চৰকাৰৰ লটাৰী সমূহৰ পৰা বছৰি আয় কিমান হয় জনাবনে?

(খ) অসম চৰকাৰে চলাই থকা লটাৰী সমূহ বন্ধ নকৰাৰ কাৰণ কি?

(গ) এম এচ এছ'চিয়েট (M.S. ASSOCIATE) ৰ পুৰা নামটো কি?

---

* Speach not corrected

(ঘ) অসম চৰকাৰ লটাৰী সমূহৰ লগত মূখ্য মন্ত্রীৰ পৰিয়ালৰ মানুহ জড়িত থকা কথাটো সঁচানে?

শ্রী জীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক লটাৰীৰ পৰা ১৯৯২-৯৩ বিত্তীয় বছৰত আয় হয় ২,১৫,৬৮,৬৬২.০০ টকা। ১৯৯৩-৯৪ বিত্তীয় বছৰত আয় হয় ৫,০৭,৯৮,৩৩৬.০০ টকা। আৰু ১৯৯৩-৯৪ বিত্তীয় বছৰত ৪ কোটি টকা আয় হব বুলি ধার্য্য কৰা হৈছে।

(খ) অসম ৰাজ্যিক লটাৰী সমূহৰ জৰিয়তে চৰকাৰে বছৰি এক বুজন পৰিমানৰ ৰাজহ পাই আহিছে। The Assam State Lotteries (Distribution of net profits) (Amendment) Rules 1978 ৰ বিধি অনুযায়ী শতকৰা ২৫ ভাগ চৰকাৰৰ ৰাজকোষত জমা কৰা হয় আৰু মুঠ লাভাংশৰ শতকৰা ৭৫ ভাগ অসম ৰাজ্যিক লটাৰী পূজিত জমা হয় আৰু নিম্ন উল্লেখিত প্রকাৰে বিতৰণ কৰা হয় ঃ

(১) $^{১}/_{৩}$ অংশ ডাঃ ভুৱনেশ্বৰ বৰুৱা কর্কট প্রতিস্থানলৈ অনুদান হিচাবে আগবঢ়োৱা হয়।

(২) $^{২}/_{৩}$ অংশ বিভিন্ন শিক্ষা, সাংস্কৃতিক আৰু সমাজ কল্যাণ অনুস্থান-প্রতিস্থানৰ উন্নয়নৰ বাবে অনুদান আকাৰে আগবঢ়োৱা হয়।

(গ) এম, এচ, এছ'ছিয়েট (M.S. Associate) ৰ সম্পূর্ণ নামটো হৈছে 'মহা শক্তি' এছ'ছিয়েট।

(ঘ) সঁচা নহয়।

Deferred unstarred Question 156 of 22-3-95.

বিষয় ঃ বিভিন্ন অনুস্থানৰ পৰা লোৱা ঋণৰ পৰিমাণ।

ডাঃ কমলা কলিতাই সুধিছে ঃ

১৫৬। মাননীয় বিত্ত বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চৰকাৰে ১৯৯১ চনৰ ১ জুলাই তাৰিখৰ পৰা ১৯৯৫ চনৰ ২০ ফেব্রুৱাৰী তাৰিখলৈ কোন কোন উৎস বা অনুস্থানৰ পৰা কি পৰিমাণৰ ঋণ লৈছে?

(খ) চৰকাৰৰ বর্ত্তমান সর্বমুঠ কিমান ঋণ আছে?

(গ) ঋণসমূহ কি কাৰণত লব লগা হ'ল।

---

* Speach not corrected

শ্রী জীৱকান্ত গগৈ (বিত্ত মন্ত্রী), য়ে উত্তৱ দিছে ঃ

(ক) যিহেতুকে চৰকাৰী হিচাপ পত্রবোৰ বিত্তীয়বর্ষ হিচাপে ৰখা হয়, সেয়েহে ১৯৯১-৯২ চনৰ পৰা ১৯৯৩-৯৪ চনলৈ চৰকাৰে ঋণ লোৱা উৎস আৰু ঋণৰ পৰিমাণ বিত্তীয় বর্ষ হিচাপে তলত দিয়া হ'ল।

কোটি টকাৰ হিচাপত)

	১৯৯১-৯২	১৯৯২-৯৩	১৯৯৩-৯৪
(১) কেন্দ্রীয় ঋণ	২৩০.১৫	২৩৯.১৪	২৭৫.০৬
(২) বজাৰ ঋণ	৩৭.৭৪	১৩৩.৬৮	১২৪.৩৭
(৩) ভাৰতীয় জীৱন বীমা/ ভাৰতীয় সাধাৰণ বীমা নিগম	০.৬০	১.৭৭	১.৪৫
(৪) ৰাষ্ট্রীয় কৃষি আৰু গ্রামোন্নয়ন বেংক	০.৪৯	-	-
(৫) ৰাষ্ট্রীয় সমবায় উন্নয়ন নিগম	৫.২৫	৮.১৫	৫.৪৫
(৬) ভাৰতীয় ৰিজার্ভ বেংকৰ অর্থোপায় অগ্রিম	৭৪৩.৩৫	৪৫৮.২৬	৭৫১.৬৮
(৭) ৰাজ্যিক ভৱিষ্যত নিধি	৫২.৫৬	৫৭.৬৯	৬২.৪০
	১০৭০.১৪	৮৯৮.৬৯	১২০৫.৪১

১৯৯৪-৯৫ বিত্তীয় বর্ষ যিহেতু ৩১ মার্চত সমাপ্ত হব সেয়েহে এই বর্ষৰ হিচাপ দিয়াটো সম্ভৱ নহয়।

(খ) ৩১ মার্চ ১৯৯৪ তাৰিখলৈ চৰকাৰৰ সর্বমুঠ ঋণৰ পৰিমাণ হ'ল ৪২০৭.১৭ কোটি টকা।

(গ) চৰকাৰে পৰিকল্পনা ব্যয় বহন কৰিবলৈ আৰু আংশিক ভাৱে সম্পদৰ ঘাটি দূৰ কৰিবলৈ লগতে সাময়িক আর্থিক সংকট আতৰাবলৈ ঋণ লয়।

* Speech not corrected

Voting On Demands for Grants

Mr. Speaker : Now Question hour is over. Grant No. 57 Chief Minister to move.

Shri Hiteswar Saikia (Chief Minister) : On the recommendation of the Governor of Assam, I beg, sir that a sum of Rs. 16,446.29 lakhs be granted to the Minister-in-Charge to defray the charges which will come in course of payment during the year ending the 31st March, 1996 for the administration of "Rural Development".

* শ্রী হিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয় মই মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে যোৱা ২৪ তাৰিখে বেশালং ৰাস্তাৰ পৰা যি তিনিজন মানুহ অপহৰণ কৰা হৈছিল সেই কেইজন মানুহৰ সম্পর্কে চৰকাৰ জ্ঞাতনে অজ্ঞাত আৰু সেইদিনাই যোৰহাটৰ পৰা এজন মানুহ অপহৰণ হৈছিল সেইটো চৰকাৰ অর্থাৎ হোম বিভাগৰ জ্ঞাত নে।

* শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় মই এইটো খবৰ কৰিলে জনাম।

Mr. Speaker : There are as many as 14 Cut Motion in the name of -

1. **Dr. Zoii Nath Sarma**
2. **Shri Samarendra Nath Sen**
   Shri Kaliranjan Deb
3. **Shri Jew Ram Boro**
4. **Shri Badan Barua**
   Shri Pani Ram Raba
5. **Shri Gohin Chandra Das**
6. **Shri Sahidul Alam Chowdhury**
   Shri Dilip Kumar Saikia
7. **Dr. Kamala Kalita**
   Shri Ramendra Narayan Kalita
   Shri Nagen Sarma
   Smt. Renu Poma Rajkhowa
   Shri Bhupen Rai

* Speach not corrected

Shri Bulbul Das

8. Shri Sasha Kamal Handique
Shri Nizamuddin Khan

9. Shri Mission Ranjan Das
Shri Dhruba Kumar Sen

10. Shri Pranab Kumar Nath
Shri Parimal Suklabaidya
Shri Chittendra Nath Majumdar
Shri Madhusudan Tewari

11. Shri Hitendra Nath Goswami
Shri Thaneswar Boro

12. Shri Karendra Basumatary
Shri Derhagra Mushahary

13. Shri Promode Gogoi
Shri Giasuddin Ahmed
Shri Alauddin Sarkar
Shri Munin Mahanta

14. Shri Dewan Joynal Abedin
Shri Nazmul Haque

I now request the Mover to move the Cut Motion :

* **Shri Zoiinath Sarma :** Sir, I beg to move the total provision of Rs. 16,446,29 lakhs under Grant No. 57 of "Rural Development" at pages 16-28 of Volume II, part XVII of the Budget for 1995-96 be reduced to Rs. 1.00 i.e. the amount of the whole grant of Rs. 16.446.29 lakhs do stand reduced to Rs. 1.00.

* **শ্ৰী গহীন চন্দ্ৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি গ্ৰাম্য উন্নয়নৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাব আনিছে তাৰ ওপৰত সমৰ্থন কৰি মই তাৰ ওপৰত কিছু তথ্য ৰাখিব বিচাৰিছো। কথা হল এখন ৰাজ্যৰ উন্নতি নিৰ্ভৰ কৰে গ্ৰাম্যাঞ্চলৰ উন্নতিৰ ওপৰত আজি বৰ্ত্তমান চৰকাৰে এই গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত কিছু টকা ধাৰ্য্য কৰিছে বিগত চৰকাৰে গ্ৰাম্য উন্নয়নৰ কাৰণে কোটি কোটি টকা গ্ৰাম্য অঞ্চলত ধৰা হৈছে। বৰ্ত্তমানে চৰকাৰৰ ৫টা বাজেট অধিবেশন পাৰ হৈ গৈছে আৰু এই ধৰণৰ কেইবা কোটি টকা ধাৰ্য্য কৰি গ্ৰাম্য উন্নয়ন কৰিছে। কিন্তু প্ৰকৃত পক্ষে আমি যদি

চাওঁ তেতিয়া হলে দেখিম যে কিমান গ্রাম্যাঞ্চলত উন্নতি হৈছে। আগৰ গাঁৱৰ ৰাইজ যিটো অৱস্থাত আছিল এতিয়াওঁ সেই অৱস্থাতে আমি থকা দেখিছো। আজি গাঁৱৰ ৰাস্তা-ঘাট, খোৱা পানী, চিকিৎসা আদিৰ একোৱেই সুবিধা নাই। মই নিজেই জানো য়ে এনেকুৱা গাওঁ আছে য'ত খোৱা পানীৰ অভাৱত এতিয়াও মানুহে পুখুৰীৰ পানী, নাদৰ পানী ব্যৱহাৰ কৰিছে। এইবিলাক কথা সদায়েই ৰাতৰি কাকতত ওলাই আছে। আনকি চিকিৎসাৰ অভাৱত প্ৰসুতি হোৱা নাৰীক ঠেলা লৈ চিকিৎসালয়লৈ আনিব লগীয়া অৱস্থা হৈছে। ৰাস্তা-ঘাটৰ কোনো ব্যৱস্থা নাই। সেইবিলাক অঞ্চলত এটা চাব চেণ্টাৰ নাই, য'ত আছে তাত ডাক্তৰ নাই, ঔষধ নাই এনেধৰণৰ কথা বিলাক চলি আছে। গতিকে ৰুৱেল ডেভলপমেণ্ট কেনেকৈ হব? সেইকাৰণে আজি এইবিলাক কথা কবলৈ বাধ্য হৈছো। আজি ৰুৱেল ডেভলপমেণ্টৰ টকা পঞ্চায়তত যে দিয়া হৈছে সেই টকা বিলাক ভাল ধৰণে ভাল কামত খৰচ কৰা হৈছেনে? সেইবিলাক এনেকুৱাৰি কৰা দৰকাৰ। পঞ্চায়তে ১ লাখ ২ লাখ টকাৰ স্কীম কৰিছে কিন্তু সেই স্কীমৰ বিপৰিতে ২০ হেজাৰ টকাৰ কামহে কৰিছে। বাকী টকা কলৈ গৈছে ক'ত খৰছ কৰা হৈছে কোনেও গম নেপায়। আমাক এৰিয়াৰ ডেভলপমেণ্টৰ কাৰণে ৫ লাখকৈ টকা দিছিল তেতিয়া আমাক গাওঁৰ ৰাইজে কৈছিল যে সেই টকা ডি,আৰ,ডি,এৰ যোগেদি দিব নেলাগে বুলি কৈছিল। কিয়নো শতকৰা ৮০ ভাগ কাম নহয় যদি ডি,আৰ,ডি,এৰ যোগেদি সেই টকা দিয়া হয়।

মাননীয় অধ্যক্ষ মহোদয়, গতিকে এক লাখ টকা বা ২ লাখ টকা যিমান দিয়া বুলি কৈছে সেই টকাৰ প্ৰকৃততে কাম হৈছে নে - কাম হোৱা নাই চৰকাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আপোনালোকে বিভিন্ন কথা কৈছে - গাওঁবিলাকত দমকল দিয়াৰ কথা কৈছে সেই দমকল বিলাক পালেনে নাই, সেই বিলাক চোৱা নাই। এতিয়া কথা হল প্ৰতিটো সমষ্টিত যি ২ লাখ কৈ টকা দিয়া হল সেই টকাটো কি ভাবে খৰছ হল সেই কথাৰ ওপৰত চকু দিয়া ভাল। প্ৰকৃতাৰ্থত চাবলৈ গলে দেখা যায় যে গাওঁ অঞ্চলৰ উন্নতি একেবাৰে হোৱা নাই, এই গ্ৰাম্য অঞ্চল বিলাকত শ্ৰিক্ষাত গুৰুত্ব দিব লাগে, বিশেষকৈ গাওঁ অঞ্চল বিলাকত প্ৰাথমিক স্কুল বিলাকত ঘৰ নাই তাৰ সেই ঘৰ নোহোৱাৰ ফলত স্কুল বিলাক গছৰ তলত পঢ়াবলগীয়া হৈছে আৰু প্ৰায় বিলাক স্কুল নামঘৰত ঘৰৰ অভাবত কৰিব লগা হৈছে মোৰ সমষ্টিত। সেই বিলাকৰ প্ৰতি চৰকাৰে মনোযোগ দিব লাগে আৰু তাৰ সুবিধা কৰি দিব লাগে। এই কথা বিলাক মই এই কাৰণে ৰাখিছো এই শিতানত কোটি কোটি টকা ধৰা হৈছে। বছৰে বছৰে ধৰা কোটি কোটি টকাৰ কাম স্বাধীনতাৰ পিচৰ ৪৭ টা বছৰত একো হোৱা নাই কাৰণে গাৱৰ মানুহে স্কুলঘৰ হোৱা নাই, চিকিৎসালয় হোৱা নাই আৰু খোৱা পানী কাৰণে হাহাকাৰ কৰিব লগা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান এই কথা বিলাক এটা নীতিত পৰিনত হৈছে, কাম নোহোৱাৰ কাৰণ হৈছে গ্ৰাম্য অঞ্চল উন্নতি কৰিবৰ বাবে চৰকাৰ আগ্ৰহী নহয়। আমি দেখা

* Speach not corrected

পাইছো বর্ত্তমান এটা কথাত গুৰুত্ব দিছে, কিয়নো এতিয়া 'ইলেকশ্যন' আহি আছে - সেইটো হৈছে, দুটকা কেজিত চাউল দিব। কিন্তু সেই দুটকাৰ চাউল কি চাউল দিব বাচমতি দিবনে পৰিমল দিব নে জহা চাউল দিব সেই কথাটো কোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, বর্ত্তমান ইয়াত যোগান বিভাগৰ মন্ত্রী মহোদয় আছে, মই ভাবো সেই অঞ্চল বিলাকত কোমল চাউল দিয়াটোহে প্রয়োজন। মাননীয় উপাধ্যক্ষ মহোদয় এই বিলাক মই ৰেফাৰেঞ্চতহে কোৱা হৈছে গ্রাম্য অঞ্চলৰ উন্নতিৰ কাৰণে এই বিলাক প্রয়োজন। কিন্তু কোমল চাউল দিয়াৰ কথা এই কাৰণে কলো আৰু ইয়াৰ এটা কাহিনী আছে - চাহাবে বানপানীত বানপানী চাবলৈ যাওতে দেখা পাইছিল মানুহ বিলাকে জুই-চাই নোহোৱাৰ কাৰণে বন্ধাবঢ়া কৰিব পৰা নাই। কিন্তু এজন নাৰৰীয়াই গামোচাত কোমল চাউল বান্ধি নাৱেৰে গৈ থাকি সেই ঠাইত উপস্থিত হোৱাত গামোচাৰ পৰা চাউলখিনি মোকলই দিয়াত সেই চাউলখিনি ভাত হৈ আছে। চাহাবে দেখি আচৰিত হল। মই সেই কাৰণে কৈছো কোমল চাউল দিব লাগে। গাঁৱৰ মানুহ বিলাকৰ তেল-ডাইল কিনিবৰ বাবে পইচা নাই তেওঁলোকে দুটকীয়া চাউলটো কোমল চাউল দিলে খাব পাৰিব।

Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

মাননীয় উপাধ্যক্ষ মহোদয়, মই যি কথা বিলাক কৈছো সেই কথাবিলাক যাতে প্রতিফলিত হয়, বিগত বছৰ বিলাক বহুত কথা কৈ আহিছে। মই যি সকল মানুহৰ কথা কৈছো তেওঁলোকে পকী ৰাস্তাত ভৰি দি পোৱা নাই। তেওঁলোকে বিগত ৪৭ টা বছৰে কেঁচা মাটিত ভৰি দি কেঁচা ৰাস্তাৰে অহা-যোৱা কৰি আছে কিন্তু এইক্ষেত্রত বিগত বছৰ কেইটাত টকা দিয়া হল কিন্তু গাঁৱৰ উন্নতি নহল। গাওঁ অঞ্চল বিলাকত যি টকা উন্নয়নৰ কাৰণে দিয়া হয় সেই টকাৰ পৰা শতকৰা ২০ ভাগ কাটিলে কোনোটোৰ শতকৰা ৪০ ভাগ কাটিলে। যদি এক লাখ টকা 'স্কীম'ত ধৰা হয় তাত কিমান টকা খৰচ হল সেই কথাটো চাব লাগে। ডি,আৰ,ডি,এৰ পৰা যি টকা দিয়া হয় সেই টকাৰ যদি কোনো এটা ৰাস্তাত ১ শতাংশ কাম নহয় আৰু যদি প্রতি বছৰে সেই ৰাস্তাটোত দি থকা যায় তেতিয়াহলে কেতিয়াও কাম শেষ নহব। সেই বিলাকৰ প্রতি লক্ষ্য থাকিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত বিলাকত টিউবেল দিয়াৰ কথা কৈছে। কিন্তু সেই বিলাক পাইছে নে, কৰবাত দুই এঠাইত পাইছে যদিও আমি লোৱা নাই। পঞ্চায়তৰ সভাপতি সকলে মোক আহি নানা ওজৰ আপত্তি কৰিছে যে আপোনাৰ পৰা হলেও আমাৰ কেইটামান দিয়ক। কিন্তু মই নেপালে দিওঁ কৰ পৰা। চিকিৎসাৰ ক্ষেত্রটো গাঁৱত কিছুমান চাব-চেন্টাৰ খোলা হৈছে তাত এগৰাকী ধাই আৰু নার্চ থাকিব লাগে কিন্তু চাব-চেন্টাৰ বিলাকত ধাই নার্চ কোনোটোৱে নাই, এইবোৰ ক-ৰিলেটেড কথা। এইবোৰ কলে আপোনালোকে খাপ চৰা যেন পাই, এই কথা

* Speach not corrected

বিলাক আপোনালোকে শুনিব নোখোজে। সেই কাৰণে এই বিভাগত আমি যিমানে টকা নধৰো কিয় সেই টকাৰ যদি সদ ব্যৱহাৰ নহয় তেনেহলে এনে ধৰণে বছৰৰ পিচত বছৰ পাৰ হৈ যাব গাওঁ অঞ্চলৰ কোনো উন্নতি নহব আৰু ২০ বছৰৰ পিচটো গাওঁ অঞ্চলৰ ৰাইজে যি অভাব সেইটো পূৰণ নহব আৰু আমি এই একেখিনি কথাকে কৈ থাকিব লাগিব। মই আৰু বেচি কবলৈ নেযাওঁ। কৱেল ডেভেলপমেন্টৰ গ্ৰেন্টৰ সম্পৰ্কত যিটো কৰ্ত্তন প্ৰস্তাব অনা হৈছে তাৰ সমৰ্থনত এইবিলাক কৈ মোৰ বক্তব্য সামৰণী মাৰিলো।

Mr. Deputy Speaker : Now Hon'ble Member Shri Nizamuddin Khan.

* শ্ৰী নিজামুদ্দিন খান ঃ মাননীয় উপাধ্যক্ষ মহোদয়, গাওঁ উন্নয়ন শিতানত আমি যি কৰ্ত্তন প্ৰস্তাব উৎথাপন কৰিছো এই কৰ্ত্তন প্ৰস্তাবৰ সমৰ্থনত এই বিভাগৰ কিছু কাম কাজৰ বিষয়ে আলোচনা কৰিব বিচাৰিছো। এইবাৰ বাজেট ভাষণত এটা কথা কোৱা হৈছে যে আমাৰ ৰাজ্য খনৰ শতকৰা ৮৯ জন মানুহ গাওঁ অঞ্চলত বাস কৰে আৰু এই ৮৯ শতাংশ মানুহৰ ভিতৰত বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ আগবঢ়াই অনাৰ কাৰণে কিছুমান আঁচনি হাতত লোৱা হৈছে আৰু তাৰ কাৰণে এই বিভাগৰ বাজেতৰ ১৬,৪৪৬,২৯ লাখ টকা নির্দ্ধাৰণ কৰা হৈছে। কিন্তু এই টকাখিনি কেনেকৈ খৰচ কৰিব, ক'ত ক'ত খৰচ কৰিব বা প্ৰকৃতপক্ষে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহখিনি লাভবান হব নে নহয় সেই সম্পৰ্কে আমাৰ সন্দেহ আছে। এই ক্ষেত্ৰত আমাৰ সন্দেহ এই কাৰণেই হৈছে যে বিগত সময়চোৱাত যেনেকৈ টকা অপচয় কৰা হৈছে, এটা বিভাগৰ টকা কাটি আনি আন এটা বিভাগত খৰচ কৰা হৈছে আদিৰ লেখীয়া কথাবোৰ আমি দেখি আহিছো। এই ক্ষেত্ৰত চি,এ,জি,ৰ ৰিপৰ্টটোত কিছুমান কথা উল্লেখ কৰিছে আৰু ১৯৯৩ চনৰ চেপ্তেম্বৰ মাহতে এই বিভাগৰ এনমেলি সম্পৰ্কত যিবোৰ ইন্‌ফৰমেচন দিছিল সেইবোৰৰ ক্ষেত্ৰত ১৯৯৪ চনৰ এপ্ৰিল মাহ পৰ্য্যন্ত কোনো ব্যৱস্থা লোৱা হোৱা নাই এই বিভাগৰ আই,আৰ,ডি,পি স্কীমত স্মল ফাৰ্মাৰচ, মাৰ্জিনেল ফাৰ্মাৰচ, নন্ এগ্ৰিকালচাৰেল লেবাৰৰ্চ, আটিজানৃচ স্কীমত বেনিফিচেৰী চিলেক্ট কৰাৰ কাৰণে ব্লকৰ অফিচাৰক দায়িত্ব দিয়া হয় আৰু গাওঁত সাধাৰণ সভা পাতি বেনিফিচেৰীৰ তালিকাখন প্ৰস্তুত কৰিব লাগে। কিন্তু আমি দেখিছো এই ক্ষেত্ৰত যি ধৰণে বেনিফিচেৰী চিলেক্ট কৰিব লাগে। সেইমতে কৰা হোৱা নাই। গাওঁৰ যি সাধাৰণ সভা পাতি প্ৰকৃত দৰিদ্ৰ লোকক চিলেক্ট কৰিবৰ লাগিছিল সেইমতে চিলেক্ট নকৰি দূৰ্নীতি, স্বজনপ্ৰীতি আদিত লিপ্ত হোৱা আমি লক্ষ্য কৰিছো। গতিকৈ ইয়াৰ উদ্দেশ্য কি? এই কথা বিলাক চি,এ,জি, ৰিপৰ্টতো উল্লেখ কৰা হৈছে। আৰু এটা কথা হৈছে এই স্কীমবোৰত চাৰ্চচিডি দিয়াৰ ব্যৱস্থা আছে। কিন্তু বহু ক্ষেত্ৰত চাৰচিডি ঘুৰাই দিব লগা অৱস্থা ও আমি দেখিবলৈ পাইছো। চি.এ,জি,ৰ ৰিপৰ্টতো

* Speach not corrected

এটা কথা উল্লেখ কৰা হৈছে যে Darrang - 6.50 lakhs, Jorhat - 59.39 lakhs, Sonitpur - 114.77 lakhs being undisbursed subside amount refunded.

উপাধ্যক্ষ মহোদয়, এই চাবচিডিৰ টকাবিলাক কিয় ঘুৰাই দিব লগা হৈছে এই বিভাগত আমি টকা নিদিয়া নহয়। কিন্তু আচৰিত কথা এইটোৱেই যে চি,এ,জি,ৰ ৰিপৰ্টত কিছুমান খেলি মেলি দেখিবাই দিয়াৰ পিচতো একচন লোৱা নাই কিয়? এইবোৰ স্বজনপ্ৰীতি হয় নে নহয়? আজি আমি দৰিদ্ৰ সীমা ৰেখাৰ তলৰ মানুহ খিনিক ওপৰলৈ উঠাই অনাৰ কাৰণে যি ব্যৱস্থা কৰা হৈছে সেই ক্ষেত্ৰত কোটি কোটি টকা খৰচ কৰা হৈছে কিন্তু সেই টকাৰ সদব্যৱহাৰ হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, দৰিদ্ৰ সীমা ৰেখাৰ তলত থকা মানুহখিনিক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ অনাৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাত চৰকাৰে লাখ লাখ টকা খৰচ কৰিছে। কিন্তু সেই টকাৰ সদ ব্যৱহাৰ হোৱা নাই। কিমান মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰিছে তাৰ চাৰ্ভে কৰা হ'ল। কিন্তু কেনেকৈ চাৰ্ভে কৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, দৰিদ্ৰ সীমাৰেখাৰ তলত আছে শতকৰা ৫২.২১ ভাগ। এইটোত মত পাৰ্থক্য আছে দৰিদ্ৰ সীমাৰেখাৰ তলত থকা মানুহৰ ৰাৰণে যিবিলাক আঁচনি গ্ৰহণ কৰিছে সেইবিলাকে আমাক উপকৃত কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, এতিয়া আহিছো ট্ৰাইচেম আঁচনিৰ কথালে। ইতিমধ্যে বাজেট বক্তৃতাত ট্ৰাইচেম সম্পৰ্কত ভাষণ দিছে। ট্ৰাইচেম আঁচনিৰ অধীনত কিছুমান বেনিফিচাৰী চিলেক্ট কৰা হয়। কিন্তু সেইবিলাক কেনেকৈ চিলেক্ট কৰা হয়। তেওঁলোকে ষ্টাইপেন্দ পাই নে নাপায়? উপাধ্যক্ষ মহোদয়, তেওঁলোকক ট্ৰেইনিং দিয়াৰ কাৰণে চিলেক্ট কৰা হয়। ট্ৰেইনিং দিয়াৰ পিচত তেওঁলোকক কৰ্ম্মসংস্থান দিয়াৰ কিবা ব্যৱস্থা কৰা হৈছেনে আৰু এটা কথা উপাধ্যক্ষ মহোদয়, ট্ৰাইচেমৰ বেনীফিচাৰী চিলেকচনৰ ক্ষেত্ৰত দুৰ্নীতি সোমাইছে। স্বজনপ্ৰীতি হৈছে। ট্ৰাইচেমৰ অধীনত যিবিলাকক ট্ৰেইনিং দিয়া হয় আৰু তেওঁলোকক যিসকল ইনষ্ট্ৰাকতৰে শিকায় তেওঁলোকক চিলেকচন কৰোতেও বহুতো খেলি মেলি হয়। সেই ইনষ্ট্ৰাকটৰ বিলাকৰ যোগ্যতা আছে নে নাই বা তেওঁলোকৰ ডিপ্লোমা আছে নে সেই বোৰৰ বাচ বিচাৰ নাই। সেইবিলাক নিজৰ খেয়াল খুচি মতে কৰে। ট্ৰাইচেমৰ অধীনত যিবিলাকে ট্ৰেইনিং লৈ আহে তেওঁলোকক পিচত কৰ্ম্মসংস্থানৰ যি ব্যৱস্থা সেই ব্যৱস্থা কাৰ্য্যকৰী হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে আজি কৈছে যে আমি ইমান কৰ্মসংস্থানৰ ব্যৱস্থা কৰিছো। কিন্তু কথা হ'ল যে সেইবোৰ কাগজে কলমে হিচাব দিলেই সৰ্ব্বসাধাৰণ ৰাইজ কনভিনচ্ নহয়। কাগজে কলমে দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুখিনিক ওপৰলৈ অনাটো দেখুৱালে সাধাৰণ ৰাইজ কেতিয়াও সন্তুস্ত নহয়। দুখীয়া মানুহখিনিৰ বাবে প্ৰেক্টিকেলী কাম কৰিব লাগিব। চৰকাৰে এই সম্পৰ্কত কাম কৰিব পাৰিছে সেই কথা সত্য নহয়। ডি,আৰ,ডি,এৰ অধীনতো বহু লোকক ট্ৰেইনিং দিয়াৰ ব্যৱস্থা আছে টুলচ এণ্ড মেচিনাৰী

* Speach not corrected

আদি ৰিপেয়াৰিংৰ কাৰণে ট্ৰেইনিং দিয়াৰ ব্যৱস্থা আছে। সেইবিলাকক ট্ৰেইনিং দিয়া হ'ল নে নাই? তেওঁলোকক মাহে ২৫৫ টকাকৈ ষ্টাইপেন্দ দিয়াৰো ব্যৱস্থা আছিল। সেইবিলাকৰো কোনো হিচাপ নাই। উপাধ্যক্ষ মহোদয়, সেইবিলাক কৰা হ'ল নে নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰিপোৰ্টত এই ক্ষেত্ৰত ইৰিগেচন বিভাগক টকা এডভাঞ্চ দিয়া হৈছে। এই টকা এডভাঞ্চ দিয়াৰ পিছতো কাক কাক ট্ৰেইনিং দিয়া হ'ল তাৰ কোনো তালিকা নাই। যোৰহাট, কামৰূপ, দৰং জিলাটো দিব পৰা নাই। ২৩ খন জিলাৰ তথ্য নাই, ৩-৪ খন জিলাৰ এক্সামিন কৰিছে। কিমান জনক ষ্টাইপেন্ট দিয়া হৈছে কিমান কেণ্ডিডেত আছে তাৰো কোনো তালিকা নাই। Amount of Rs. 0.65 lakh was not made available ০.৬৫ লাখ দাখিল কৰিব পৰা নাই। এই টকা প্ৰকৃতপক্ষে যিসকল মানুহে পাব লাগিছিল সেই সকলক দিলে উপকৃত হলহেতেন। মাননীয় উপাধ্যক্ষ মহোদয়, জে,আৰ,ওৱাই অধীনতো কিছুমান কাম আছে। আলি পদুলি ৰাষ্টা-ঘাট, বনোৱা আৰু হিউম পাইপ আদি বহুওৱাৰ কাৰণে। উপাধ্যক্ষ মহোদয়ে, মোৰ নিজা জিলা বৰপেটা, ৩৩০ টা হিউম পাইপৰ প্ৰয়োজন আছিল। কিন্তু তাৰ পৰিবৰ্ত্তে বিভাগে কিনিলে ১৪৫২ টা। এই ১৪৫২ টা হিউম পাইপ কিনোতে খৰচ পৰে ২১.৫৮ লাখ টকা। এতিয়া ৩৩০ টা হিউম পাইপৰ ঠাইত ১৪৫২ টা হিউম পাইপ কিনাত অতিৰিক্ত টকা পৰিল ১৬.৮৬ লাখ টকা। এই যে হিউম পাইপখিনি কিনা হ'ল তাৰ কোনো একাউন্টচ নাই। অতিৰিক্ত হিউম পাইপ খিনি ক'ত বহুৱালে বা ক'ত ৰাখিলে তাৰো কোনো খা-খবৰ নাই। গতিকে এইবোৰ দূৰ্নীতি নহয় নেকি? মাননীয় উপাধ্যক্ষ মহোদয়, ডি,আৰ,ডি,এৰ টকা ৰাইজৰ টকা। ৰাইজে জলকৰো দিবলগীয়া হৈছে। এই টকা চৰকাৰে খৰচ কৰিছে। আচলতে সেই টকা ৰাইজৰ কাৰণে খৰচ কৰিব লাগিছিল। কিন্তু সেই টকা ৰাইজৰ কাৰণে খৰচ কৰা হোৱা নাই। ব্যক্তিগত মানুহৰ কাৰনেহে খৰচ কৰা হৈছে। আচলতে এইবিলাক টকা আত্মসাৎ কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, হিউম পাইপ কিয় বেচিকৈ কিনিব লগীয়া হ'ল? আপোনালোকে চি,এ,জি, ৰিপোৰ্টত পঢ়িবলৈ পাব। এই বিষয়ে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে। আপোনালোকে জানে এই হিউম পাইপ কিনিছে ২১.৫৮ লাখ টকাৰ। দুই এক লাখ টকাৰ নহয়। এইবিলাক ৰাইজৰ টকা। ৰাইজৰ উন্নতিৰ কাৰণে কামত লগাব লাগিছিল। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ডি,আৰ,ডি,এ শিতানত চিমেন্ট কিনাৰ ব্যৱস্থা আছে। টিন কিনাৰ ব্যৱস্থা আছে। ডি,আৰ,ডি,এৰ ল'কেলি চিমেন্ট কিনিব নোৱাৰে। চৰকাৰী ৰেট মতে পাৰ টন ২৫৮১.৪০ টকা। কিন্তু কিমান টকাৰ কিনিলে ? ডি,আৰ,ডি,এৰ গোৱালপাৰা জিলাত ৮৭৮২ টকাকৈ পাৰ টনত কিনিছে।

উপাধ্যক্ষ মহোদয়, কিন্তু ৰেট আছে ২ হেজাৰ ৫ শ ৮৯ টকা ৪০ পইচা। যি ৰেট আছে একচেজ কিয় কেনেকৈ কিনা হ'ল, কিয় এক্চেজ টকা খৰচ কৰা হ'ল? ইয়াৰ কিবা

* Speach not corrected

ব্যৱস্থা হব নেকি? কমপ্লেইন কৰা হৈছে, চি,এ,জি, বিৰ্পোট কৰা হৈছে, কিন্তু সেইটো কৰা নাই। গাওঁ উন্নয়নৰ কাৰণে যি খিনি টকা নিৰ্দ্ধাৰণ কৰা হৈছে সেই টকা খিনি সদ ব্যৱহাৰ হব বুলি আমাৰ সন্দেহ আছে, বাকী কাম কাজ যি আছে যদি পর্য্যালোচনা কৰা যায় তেতিয়া হলে সন্দেহ ঘনিভূত হয়। এই ধৰণে বিভাগৰ প্রকৃত টকা অপব্যৱহাৰ কৰি থকা হৈছে, এই কার্য্যই জনসাদাৰণক আচৰিত কৰি তুলিছে। মই মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াক এই ক্ষেত্রত অনুৰোদ জনাও যাতে টকা খিনিৰ সদ ব্যৱহাৰ কৰা হয়। এই ক্ষেত্রত মই ওৱেষ্ট বেংন্দলৰ কথা কবলৈ বাধ্য হৈছো যে মাননীয় মুখ্য মন্ত্রীয়ে পশ্চিম বন্দৰ চুলনা কৰে, কিন্তু পঞ্চায়তৰ কথা নকয়, তাত পঞ্চায়ত, ৰুৰেল ডেভলাপমেন্ট বহুত উন্নত Goat ফেনচিং কিনাত গান্দোগোল আছে। সেই বিলাক কিনিছে যদিও ব্যৱহাৰ কৰা নাই। ডি,আৰ,ডি,এ, গোৱালপাৰাৰ কাৰণে এইটো কিনা হৈছে। তাত ২.৪৪ লাখ টকা খৰচ কৰা হৈছে, ব্যৱহাৰ কিমান হৈছে, ব্যৱহাৰ কিমান নকৰাকৈ আছে, ০.৯৭ লাখ টকা আছে। গতিকে এনেধৰণে আজি গ্রাম্যাঞ্চলৰ টকা অপচয় হৈছে। জে,আৰ,ওৱাইৰ ক্ষেত্রত ৰাস্তা-ঘাটৰ কাম, কর্ম্ম দিন সৃষ্টিৰ কথা কোৱা হৈছে, বহুত দিন কর্ম্ম দিন সৃষ্টি কৰিছে। ৰৰপেটা জিলাত আমি যিখিনি জানো তাত ঠিকাদাৰী ব্যৱস্থা থাকিব নোৱাৰে, কিন্তু জে,আৰ,ওৱাই,ত কোনো এটা ব্লকত তেনেকুৱাকৈ মানুহক হাজিৰাত কাম কৰোৱাইছে নে? এই ক্ষেত্রত অভিযোগ দিয়া হৈছে কোনো কাম হোৱা নাই। এই ক্ষেত্রত মই এটা উদাহৰণ দিবলৈ খুজিছো, ১৯৯৪-৯৫ চনত জে,আৰ,ওৱাই, এটা ৰাস্তাত ৪৫ জন মানুহৰ দ্বাৰা কাম কৰাইছে, দুহেজাৰ টকা পেমেন্ট কৰা হ'ল, তাৰ পিচত সেই একে কামত ২৫ জন মানুহক কাম কৰা দেখুৱাই ৫ হাজাৰ টকা পেমেন্ট কৰা হ'ল। এইটো এক মার্চৰ কথা, মই দুই মার্চত ব্লক অফিচলৈ গৈ P.W.D.ত সুধি কৈছিলো পঞ্চায়তৰ প্রেচিডেন্ট, মেম্বাৰৰ কথা মতে পেমেন্ট কৰা হল, কিন্তু ২৫ জনৰ কাম নকৰাকৈ কিয় পেমেন্ট কৰা হ'ল? এইটো ঘটনা ৰৰপেটা জিলাত হৈছে। এই ক্ষেত্রত কোনো দিন মিটিং মতা হোৱা নাই, আলোচনা বিলোচনা কৰা হোৱা নাই, এই পাচ হেজাৰ টকা কাম নকৰা মানুহক দি দিছে। ৯ জন পঞ্চায়ত সদস্য আৰু সভাপতিয়ে ২৫ জনে কাম কৰিছে বুলি লিখি দিছে, মই বি,ডি,অ,ক কৈছিলো কাম কলে পইটা দিব লাগিব, পইচা বি,ডি,অ,ৰ পৰা দিয়া হৈছে। কিয় টকা দিছে বুলি মই সুধিছিলো। আপোনালোকে ফিল্ডত কিয় যোৱা নাই, কাম কিয় চোৱা নাই, কোনোবাই লিখি দিয়াৰ কাৰণে কিয় পইচা দিব? আজি প্রকৃত শ্রম কৰা মানুহে পইচা নেপায়, নকৰাই পায়। জে,আৰ,ওৱাইৰ কাম সেই মানুহ খিনিয়ে নেপায়, ঠিকাদাৰৰ মানুহে পায়, যত ২৫ হেজাৰ টকা কাম কৰিব লগে তাত ২/৩ হেজাৰ টকাৰ কাম কৰা হয়। বাকী টকা আত্মসাৎ কৰা হয়।

উপাধ্যক্ষ মহোদয়, জে,আৰ,ওৱাইত আৰু এটা স্কীম আছে সেইটো হৈছে এম,ডবলিউ,এচ,। এই স্কীমৰ অধীনত ১৯৯৪-৯৫ চনত ৭৮ হেজাৰ টকা আছে। ইয়াৰ কোনো

* Speach not corrected

কাম সম্পূর্ণ হোৱা নাই, মই এটা নির্দ্দিষ্ট স্কীমৰ কথা কওঁ, সেইটো হৈছে বৈৰাজাৰ পৰা ৰিছিপাৰালৈ, তাত জাল চহী কৰি লেবাৰৰ নামত পেমেন্ট কৰা হৈছে, কেনেকৈ পইচা নিয়াৰ ব্যৱস্থা কৰিছে। এই স্কীমৰ অধীনত ৰৱপেটা জিলাৰ দুই এটা কাম আৰম্ভ হৈছে। বেছি ভাগ ব্লকৰ কাম আৰম্ভ হোৱা নাই। বৰষুণ পৰিলে দুই এক টুকুৰা মাটি পৰে, তেতিয়া বৰষুণৰ পানী আহিব, মাটি গুছি যাব। ঠিকাদাৰে সম্পূর্ণ বিল ইল যাব পৰা ব্যৱস্থা আছে। এইটোত মই আচৰি হৈছো। এই বিষয়ে মই বৰপেটা জিলাৰ ডি,চি, চাহাবক কৈছো যে কাম আৰাম্ভ কিয় কৰা নাই। বতৰৰ সুযোগতে সেই টকা সদ ব্যৱহাৰ নহয়। এই টকা বেমেজালি কৰি কাম নকৰি ষড়যন্ত্র কৰি লৈ যাব পাৰে। এনেকৈ ষড়যন্ত্র কৰি লৈ যাব। এনেকৈ ষড়যন্ত্র চলি থাকিলে কাম ন'হব। ইন্দিৰা আবাস যোজনাৰ অধীনত ১৪ হাজাৰ ৫ শ টকাৰে এটা ঘৰৰ কাম কৰা হয়। ১৯৯১-৯২ চনত বেনিফিচাৰী চিলেক্ট কৰাৰ পিচতো আজিলৈকে সেই কাম হোৱা নাই। কোৱা হোৱা নাই, বাৰে বাৰে কোৱা স্বত্ত্বেও এই স্কীমৰ কাম হোৱা নাই। ১৯৯১-৯২ চনত কাম হৈছে, লেবাৰ পেমেন্ট কৰিব লাগে, সেই টকাখিনি বহুতো জিলাত দিয়া নাই। গতিকে মই অনুৰোধ জনাও যাতে এই লেবাৰ পেমেন্ট কৰা হয়। ১৯৯১-৯২ চনত মাষ্টাৰ ৰোল শ্রমিকক টকা দিব পৰা নাই, তেওঁলোকৰ টকা কিয় বন্ধ কৰি ৰাখিব লগা হল? ১৯৯১-৯২-৯৩ চনৰ টকা কিয় দিয়া নাই। এইটো তদন্ত কৰি ইয়াৰ বিহিত ব্যৱস্থা গ্রহণ কৰিব বুলি আশা ৰাখিলো।

মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁলোকে কিয়, কি যুক্তিত টকা বন্ধ কৰি ৰাখিলে? এই ক্ষেত্রত বিভাগীয় মন্ত্রী মহোদয়ৰ অনুৰোধ জনাম যে ৰাজ্য চৰকাৰে ইয়াৰ বিহিত ব্যৱস্থা গ্রহণ কৰি ১৯৯১-৯২, ১৯৯২-৯৩ চনৰ টকা কিয় দিয়া হোৱা নাই সেইটো তদন্ত কৰি মাষ্টাৰ ৰোলৰ টকা অতি সোনকালে মুকলি কৰি দিয়ে যেন। আজি গ্রাম্য উন্নয়ণৰ নামত যি টকা দিয়া হৈছে, প্রকৃত পক্ষে যিসকলে উপকৃত হ'ব লাগিছিল, তেওঁলোকে তাৰ কোনো ভাগ নেপায়। কোনো ৰাজনৈতিক হেঁচা বা আত্মীয় লোক সকলেহে বা তেনে কোনো ধনীলোক সকলহে লাভৱান হোৱা দেখা যায়। গ্রাম্যাঞ্চলত কোনো আঁচনি মতে কাম হোৱা দেখা নাই। সেই কথা পৰিলক্ষিত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকে জানে যে চেনিটেচনৰ ক্ষেত্রত যিটো ব্যৱস্থা আছে, ইয়াত ৩ খন জিলাৰ ভিতৰত ২৩ টা চেনিটেৰী লেটিন দিয়াৰ ব্যৱস্থা হৈছে। তাৰ বাবে খৰছৰ হিচাব দেখুওৱা হৈছে, ২৪ লাখ টকা। যদি ১ টা চেনিটেৰী লেটিনৰ কাৰণে ৮ হেজাৰ ৪ শ টকাকৈ হিচাব ধৰা হয়, প্রকৃততে Cost হয় মাত্র ২৫ হেজাৰ টকা। কিন্তু ইয়াত খৰছ দেখুওৱা হৈছে ১.০৯ লাখ টকা। গতিকে ইয়াৰ এক্সেচ্ দেখুৱা হৈছে। এই অতিৰিক্ত টকা কৈনেকৈ, ক'ত খৰছ কৰা হ'ল? কোন বিভাগত কিমান খৰছ হৈছে? অজস্র টকা খৰছ হ'ল কিন্তু কাম হলে আমি দেখা নাই। গতিকে মই, উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি

---

* Speach not corrected

বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যাতে গ্রামাঞ্চলৰ উন্নয়ণৰ কাৰণে দিয়া টকা অপব্যয় নহয়, প্রকৃত যিখিনি মানুহে পাব লাগে আৰু দুখীয়া লোক সকল যাতে উপকৃত হয়, তাৰ বাবে চকু ৰাখে। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা হ'ল আমাৰ ৱিৰিলাক টোলছ - কিটছ কিনাৰ আজি ব্যৱস্থা হৈছে, সেই বিলাক কিনাৰ কাৰণে টেনদাৰ আদি দি কিনিছে নে এনেয়ে কিনিছে, সেইবোৰ কথা কবলৈ নেযাওঁ, সেই ৰাস্তাবোৰ যে অতি নিম্ন খাপৰ সেই বিষয়েহে কবলৈ গৈছোঁ। কোন ব্যৱসায়ীয়ে এইবোৰ চাপ্লাই কৰিছে আৰু বিতৰণৰ ক্ষেত্রতো দেখা গৈছে যে তাতো খেলি মেলি হৈছে। চৰকাৰে যিবিলাকৰ লিষ্ট দেখুৱাইছে প্রকৃততে তেওঁলোক ব্যৱসায়ী হয়নে নহয় তাক কোৱা কঠিন। ৰাজনৈতিক নেতাৰ স্বজন প্রতিৰ ফলত এনেলোকৰ এই ব্যৱসায় দিয়া হৈছে তাক ধৰা টান। কিনা বেচাৰ বাহিৰেও এটা গুৰুত্ব পূর্ণ কথা হ'ল বিতৰম ব্যৱস্থা। এই বিতৰণ ব্যৱস্থাতো নিয়মীয়া নহয়। কিছুমান ব্লকত আজিলৈকে কোনো কামেই নহ'ল। গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আমাৰ মাননীয় বিভাগীয় মন্ত্রী তথা অসম চৰকাৰক অনুৰোধ জনাও এই অতিৰিক্ত টকা যাতে দৰিদ্রৰ সীমাৰেখাৰ তলত থকা মানুহৰ কাৰণে খৰছ কৰা হয়, আৰু আন এমল্লইদ ইউথ ৰ যাতে উপকাৰত আহে তালৈ লক্ষ্য ৰাখে। তাৰ এটা সু-ব্যৱস্থা কৰিব লাগে। উপাধ্যক্ষ মহোদয়, মই আশা ৰাখিলোঁ যাতে আঁচনি অনুযায়ী কার্যকৰী ব্যৱসথা হাতত লয় আৰু ইয়াকে আবেদন কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Mr. Deputy Speaker, : Hon'ble Member Shri Pranab Kumar, Nath point of clarification

* **শ্রী যতীন মালি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ছয়নিবৰ ব্লক, ৰামপুৰ ব্লক, বৰদোৱা আৰু নাইৰা ব্লকৰ কাম সম্পূর্ণ হৈছে বুলি কৈছে। কিন্তু এইটো একেবাৰে সত্য নহয়। মাননীয় উপাধ্যক্ষ মহোদয়, মই চেলেঞ্জ কৰি কৈছোঁ - যে ইয়াত ১ লাখ ৬৮ হেজাৰ টকা ৰিলিজ কৰি দিয়া বুলি কৈ সদনক মিচলিড কৰিছে। গতিকে সদন চলি থকা অৱস্থাতে মাননীয় মুখ্য মন্ত্রী মহোদয়ে, এইটো ক্লিয়েৰিফাই কৰি দিব নেকি?

মাননীয় উপাধ্যক্ষ ঃ বর্ত্তমান কাট মোচনৰ ওপৰতহে চলি আছে, এইটো পিছত হ'ব। এতিয়া প্রণব কুমাৰ নাথ।

* **শ্রী প্রণব কুমাৰ নাথ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজ সদনে উৎথাপিত গ্রামোন্নয়ন বিভাগের উপর যে কর্তণ প্রস্তাব এসেছে তা সমর্থন করে আমার বক্তব্য তুলে ধরছি।

মহোদয়, বিভিন্ন সদস্য এই বিভাগের ত্রুটি বিচ্যুতির কথা তুলে ধরেছেন। আমিও এই বিভাগের কয়েকটা ত্রুটি হিচ্যুতির প্রতি সরকারের দৃষ্টি আকর্ষন করব।

---

* Speach not corrected

মহোদয়, বি এল ডি সি সরকার থেকে করা হয়েছিল। আমিও সাউথ করিমগঞ্জ ডেভেলপমেন্ট ব্লকের চেয়ারম্যান ছিলাম। কিন্তু আজ পর্য্যন্ত এই কমিটীর কোনও মিটিং কল করা হয় নি। এই ব্যাপারে আমি অন্ততঃ ৫০ বার বি ডি ও ও, সিনিয়র বি ডি ও অন্যত্র চলে যায়। এই তো হলো অবস্থা। মহোদয়, একটা ভিজিলেন্স কমিটী করা হয়েছিল, মেমবার সেক্রেটারী হলেন ডি আর ডি'র একজিকিউটিভ ইঞ্জিনীয়ার। আমি উনাকে চিঠি দিয়ে জানিয়েছিলাম যে এই কমিটীর একটা মিটিং ডাকা দরকার। কিন্তু আজ পর্যন্ত কোনও মিটিং ডাকা হয় নি। তাহলে তো এইসব কমিটী করার কোনও অর্থ নাই। মহোদয়, জে আর ওয়াই'র শেয়ার মানির কাজ বহু যায়গায় ঠিকাদারদের দিয়ে করানো হয়। সাউথ করিমগঞ্জ ব্লকের অদীনে সুপ্রকান্দি ডি পিতে শতকরা ৯০ ভাগ মানুষ অনুসূচীত সম্প্রদায়ের। অথচ সেখানে জে আর ওয়াই'র সব কাজ ঠিকাদারের মাধ্যমে করা হয়েছে। সিন্দারায়ী জি পিতেও ঠিকাদর কাজ করছে। উপাধ্যক্ষ মহোদয়, সরকার বলেছেন যে গ্রামন্নোয়নের মাধ্যমে রাজ্যে শ্রম সৃষ্টি করা হচ্ছে। কিন্তু দুঃখের বেষয় যে রে সমস্ত বেনিফিট কয়েকটা ঠিকাদার নিয়ে যাচ্ছে। তা নহলে গ্রামের বেকার চেলেমেয়েরা ১ টা টাকা রোজগার করতে পারতো এবং গ্রামের উন্নয়নও হতো। শ্রম দিবস হয়তো সরকার সৃষ্টি করেছেন কিন্তু গ্রামের দুস্থ বেকার ছেলেদের কোনও উপকার হয়নি। কাগজে পত্র এই শ্রম দিবস সৃষ্টি হয়েছে - প্রেক্টিকেনি হয়নি। আর একটা জিনিষ আমি মুখ্যমন্ত্রী মহোদয়কে বল্ব যে ডি আর ডি'র ১৯৯৪-৯৫ সনের শেয়ারমানির তালিকা বিরোধী দলের সদস্যদের দেওয়া হয়নি। আমরা জনগনের প্রতিনিধি হয়েও জানতে পারি না, বুঝতে পারি না কোথায় কত টাকার এই সেয়ারমানির কাজ হয়েছে। রাজনৈতিক উদ্দেশ্য প্রনোদিয় হয়ে বিরোধীদলের সদস্যদেরে অন্ধকারে রাখা হয়েছে। এই বৈষম্যমূলক আচরন কেন? কি উদ্দেশ্য এর মধ্যে রয়েছে? বিরোধী এম এল এ, এম পি দের সাজেশ্বনে কোন কাজ হয়না। আর এই ১৫ মার্চের ভিতর শেষ না হলে কি ভাবে গ্রামের ছোট ছোট রাস্তাঘাটের কাজ কখন সম্পন্ন হবে জানি না। ডি সিকে বলা হয়েছে কিন্তু কোনও কাজ হয়নি। এই ব্যাপারে মাননীয় মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করে বলছি যাতে এই কাজগুলো ত্বরান্বিত করা হয়। মহোদয়, গোবিন্দ গন্ত জি পিতে চাল চুরির ব্যাপারে একজন এ পি মেম্বার জড়িত ছিলেন। এটা যেন অনুসন্ধান করে দেখা হয়। তাছাড়া ১৯৯৪-৯৫ ইংতে পাথারকান্দি ডেভেলাপমেন্ট ব্লকে ৩ টা জি পিতে আই এ ওয়াই স্কীমের অধীনে ঘর করা হয়েছে যার চাল নেই, বেড়া নেই। আমি এই অভিযোগ করে লিখিত প্রশ্ন দিয়েছিলাম বিধানসভায়। বারৈগ্রামের মুকুল মালাকার, ইলাসপুর জি পি'র বলাই দাস, মইনা জি পির বি নমশুদ্র এদেরে আই এ ওয়াই যোজনায় যে ঘর দেওয়া হয়েছে তার কোনও ফিনিশিং নাই, সিমেন্ট প্লাষ্টার নাই, দৰজা নাই। এগুলির যাতে ঠিকমতো কাজ হয় তার দাবী আমি মুখ্যমন্ত্রী মহোদয়ের কাছে করছি। তাছাড়া, ৰামকৃষ্ণ

* Speach not corrected

নগর ব্লকের অধীনে নূতন বাজারঘাট, স্কুল বিল্ডিং এর জন্য যথেফট টাকা খরচ হয়েছে। অথচ একেবারে বাজে কাঠ দিয়ে অর্থাৎ তুলা কাঠ দিয়ে ঘরের কাজ করা হয়েছে। এগুলি অল্পদিনের মধ্যেই ঘুনে ধরে শেষ হয়ে যাবে। এ সমস্ত তদন্ত করা দরকার। আর একটা বিষয়ে আমি সরকারের দৃষ্টি আকর্ষন করতে চাই। সেটা হলো নগেন্দ্র নগর জি পিতে শতকরা ৯০ ভাগ লোক অনূসূচীত সম্প্রদায়ের। সেখানে ৬ জন গাওঁ সভার সদস্য মিলে একটা সভা করে সেই জি পি'র কাজের সর্বমোট টাকা নয় ছয় করা হয়েছে বলে অভিযোগ করেছে। সেটা মুখ্যমন্ত্রী মহোদয় যে অনুসন্ধান করে দেখেন। প্রকৃতপক্ষে গ্রামাঞ্চলের কোনও উন্নতি হচ্ছে না অথচ লক্ষ লক্ষ টকা ব্যয় হচ্ছে। এদিন সরকার দৃষ্টি রাখবেন বলে আশা রাখছি।

মহোদয়, ট্রাইসেম সেন্টার গুলিতে যারা ট্রেইনি আছে তারা গত ৪/৫ মাস যাবৎ ষ্টাইপেণ্ড পাচ্ছে না। তাছাড়া, এ টাকা পেতে গেলে তাদেরে কিছু দক্ষিনা দিতে হয়। দুর্লভছড়া ব্লকের আণ্ডারে বরগুল সেন্টারে গত তিনমাস যাবৎ ট্রাইসেম ট্রেইনিদেরে ষ্টাইপেণ্ড দেওয়া হচ্ছে না। তাছাড়া, তারা উইভিঙর জন্য সূতা পাচ্ছে না বা অন্যান্য দরকারী জিনিষ পচ্ছে না। কৃষ্ণকৃষ্ণ নগর ব্লকের অধীন বাজারঘাট সেন্টারেও এই একই অবস্থা। এই সব যদি চলে তাহলে সরকারের মূল উদ্দেশ্য কি করে সফল হবে। এই ব্যাপারে দৃষ্টি দেওয়া দরকার বলে আমি মনে করি।

উপাধ্যক্ষ মহোদয়, আরেকটা বিষয়ের উপর আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করতে চাই যে ডি আর ডি এর গভানিং বডিতে দেখা যায় প্রতি মাসেই সদস্য অন্তর্ভূক্ত করা হয়। অথচ ভারত সরকারের এই ব্যাপারে যে মেন্যুয়েল রয়েছে ১৯৯১ ইংরে এপ্রিল মাসের তাতে লেখা আছে Constitution of Governing Body সেখানে স্পষ্ট উল্লেখ করা আছে যে সর্বমোঠ সদস্য হবে গভার্নিং বডিতে ১৯ জন। এর মধ্যে স্থানীয় এম এল এ, এম পি এবং অন্যান্যরাও রয়েছেন। এই ব্যাপারে আমরা একটা প্রশ্নও করেছিলাম। তাছাড়া আমি বলতে বাধ্য হচ্ছি যে গ্রামোন্নয়ন বিভাগের রাজ্যমন্ত্রী মহোদয় এই ব্যাপারে অত্যন্ত দায়িত্ব জ্ঞানহীনতার পরিচয় দিয়েছেন। কারন তাঁর হস্তক্ষেপেই করিমগঞ্জ ডি আর ডি এতে মোট সদস্য সংখ্যা হয়েছে ৩৩ জন। এটা তো রাজনৈতিক কারনে করা হয়েছে। এই সব মিটিংএ কোন কাজ হয় না। কোনোও সিদ্ধান্ত নেওয়া হয় না। মহোদয়, নিলামবাজারে ছোট ছোট সব্জী ব্যবসায়ী বা অন্যান্য ছোট ছোট ব্যবসায়ীদেরে বাজার থেকে উঠিয়ে টাকা খেয়ে অন্যকিছু স্বার্থান্বেষী লোকেদেরে এই বাজারে বসানো হয়েছ। ফলে এইসব ছোট ছোট ব্যবসায়ীরা চরম অবস্থার সম্মুখীন হয়েছে। সরকারতো বেকার সমস্যার সমাধান করতে পারেন না, উপরন্তু যারা নিজেরা সৎপথে কোন রকম পেটে চালাচ্ছে তাদেরে বেকারত্বের দিকে ঠেনে দিচ্ছে। আর যেসব শেড্ করা হয়েছে

---

* Speach not corrected

মার্কেটে সেগুলোর কাজ অত্যন্ত নিম্নমানের। এটা তদন্ত করার জন্য আমি মুখ্যমন্ত্রী মহোদয়কে অনুরোধ করছি।

মহোদয়, আরেকটা কথা যে রাজ্য সরকার বিগত ৬/৪/৯০ ইং তারিখে পিডিবি/৭০/৮৫/২৩৫ - এই অধিসূচনা যোগে দক্ষিন করিমগঞ্জ বিধানসভা সমষ্টির অন্তর্গত বাজারঘাটে একটি নতুন উন্নয়ন খণ্ড শ্থাপনের সিদ্ধান্ত নিয়েছিলেন। কিন্তু আজ পর্য্যন্ত এ ব্যাপার আর সরকার কোনও পদক্ষেপ নেন নি। এটা যে অনতিবিলম্বে কার্য্যকরী করা হয় এবং এ ব্যাপারে আমি মুখ্যমন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি।

মহোদয়, সর্বশেষে কর্তন প্রস্তাব সমর্থন করে একটা ব্যাপারে সরকারের দৃষ্টি আকর্ষণ করতে চাই। সেটা হলো যে সমস্ত ব্লকে সিনিয়র বিডিও নাই, জে ই নাই, সেখানে যেন অতি স্তবর এইসব অফিসার নিযুক্তি দেওয়া হয়। এসিব কর্মচারীর অভাবে সামান্য সংখ্যক কম্মচারীর উপর ওয়ার্কলোড্ প্রচণ্ডভাবে বেড়ে গিয়েছে। ফলে কোন কাজই প্রকৃতপক্ষে হচ্ছে না। এই সমস্যার যেন সমাধান্ করা হয়। রামকৃষ্ণ নগর ব্লকে ৭/৮ বৎসর যাবৎ মাত্র একজন জে ই আছে - কি উদ্দেশ্য যে এর থাকতে পারে আমি জানি না। তাও এই জে ই'র বিরুদ্ধে আনেক অভিযোগ থাকা স্বত্বেও সরকার কোনেও কার্য্যকরী পদক্ষেপ নিচ্ছে না। এই জে ইকে ট্রেন্সফার করে অন্য জে ই যাতে নিয়োগ করা হয় তার ব্যবস্থা করার জন্য অনুরোধ করছি। সিনিয়র বিডিও দেওয়ারও দাবী জানাচ্ছি। এই বিভাগের কাজ যে তৎপরতার সন্দে করা হয় তার অনুরোধ জানিয়ে কর্তনপ্রস্তাব সমর্থন করে আমার বক্তব্য শেষ করছি।

* শ্রী ভূপেন্দ্র নাথ ভূঞা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই কর্ত্তন প্রস্তাৱটোৰ বিৰোধীতা কৰিছো এই কাৰণেই যে তেখেত সকলে যিখিনি অভিযোগ আনিছে সেই অভিযোগ খিনি সম্পূর্ণ সত্য নহয়। মই বিশেষকৈ গোলাঘাট জিলাৰ কথা কৈছো যে যিবিলাক ব্লক আছে সেইবিলাকত যথেষ্ট কাম হৈছে। মই বোকাখাটৰ এটা কথা দাঙি ধৰিব খুজিছো। ৰাস্তাৰ কথা ইয়াত কোৱ হৈছে কিন্তু আমাৰ তাত আলিবাট ১৭৫ টা হৈছে মুঠতে ৯০ কিলোমিটাৰ হৈছে। স্কুল ঘৰ হৈছে ৪২ খন, ফিচাৰিচ হৈছে ৩২ টা, ইন্দিৰা আবাস যোজনা হৈছে ১৮৫ টা। কেওটা সম্পূর্ণ হৈছে। কেনেল হৈছে ১৭ টা, স্কুল লাইব্রেৰি হৈছে এটা। মাননীয় সদস্য সকলে খোৱা পানীৰ কথা কৈছে। কিন্তু আমাৰ তাত হেণ্ড টিউবওৱেল হৈছে এতিয়ালৈকে ১৩০ টা।

(ভইচ ঃ অসমৰ কথা কওক।)

অসমৰ কথা নকওঁ। বোকাখাটো অসমৰ ভিতৰৰে। অসমৰ বাকী সমষ্টিৰ কথা কবলৈ আপোনালোক মাননীয় সদস্য সকল আছেই। দলং হৈছে। গাওঁপঞ্চায়তৰ কার্য্যালয় ঘৰ হৈছে পাচটা। মহিলা সমিতি কার্য্যালয় তিনিটা হৈছে। মার্কেট চেল আঠোটা হৈছে। এই বিলাকৰ

* Speach not corrected

ওপৰিও সকলোতকৈ ডাঙৰ কথা হৈছে ম্যান ডেইজ ক্ৰিয়েশ্বন। আমাৰ মাননীয় সদস্য নিজামুদ্দিন খান ডাঙৰীয়াই কৈছে দুখীয়া মানুহৰ উপকাৰ হোৱা নাই বুলি। কিন্তু আচলতে সেইটো নহয়। প্ৰায় তিনি লাখ চৌত্ৰিশ, হাজাৰ আঠশ, পয়ত্ৰিশ জন গাওঁৰ ভিতৰুৱা দুখীয়া মানুহ, এই কাম বিলাকৰ লগত জড়িত হৈছে। গতিকে কাম হোৱা নাই বুলি কব নোৱাৰি।

গতিকেই মই ভাবো আমাৰ ৰাজ্যৰ বিভিন্ন গাওঁ অঞ্চলত গ্ৰামোন্নয়ন বিভাগে যিবিলাক কাম কৰিবলৈ হাতত লৈছে বা কাম কৰি আছে সেই অনুপাতে এতিয়া যি খিনি ধনৰ আবন্টন হৈছে সেই খিনি যথেষ্ট হোৱা নাই প্ৰয়োজন অনুপাতে আৰু ধনৰ আৱশ্যক। আমাৰ ওচৰতে এঠাইত অলপতে অগ্নিসংযোগ হৈছিল, সেই ঠাইৰ যাতায়তৰ বাবে ৰাস্তাৰ সুব্যৱস্থা নাছিল কিন্তু এই বিভাগৰ তত্পৰতাৰ কাৰণে তাত প্ৰায় এক কিলোমিটাৰ ৰাস্তা বান্ধি দিয়াৰ কাৰণে অগ্নিনিৰ্ব্বাহকৰ গাড়ী গৈ অগ্নিকাণ্ড পশমিত কৰাৰ সুবিধা হৈছিল। গতিকেই কাম বিলাক যে সকলো ঠাতৈ নাই হোৱা বুলি যি অভিযোগ হৈ থাকে সেইটো শুদ্ধ নহয় কিছুমান ঠাইত কাম বিলাক হৈ আছে কিন্তু কেতিয়াবা বিষয়া কৰ্ম্মচাৰীৰ অমনোযোগিতাৰ কাৰণে কেতিয়াবা খেলিমেলি হয়। এই বিভাগৰ যি সকল লোকৰ অফিচাৰ যেনে বিডিয় প্ৰজেক্ট ডাই�ৰেক্টৰ আৰু অন্যান্য সংশ্লিষ্ট যি সকল বিষয়া আছে তেওঁলোকৰ ওপৰত এই কামবিলাক সম্পূৰ্ণ কৰি তোলাৰ কথাটো নিৰ্ভৰ কৰে। আমাৰ তাতে বিশেষ আঁচনি কিছুমান খেলিমেলি আৰু লেহেম হৈছিল তেতিয়া আমি জিলা উপায়ুক্ত, ডি,আৰ,ডি,এৰ প্ৰজক্ট ডাইৰেক্টৰ, বি,ডি,অ, আৰু অন্যান্য সংশ্লিষ্ট বিষয়া সকলক মাতি আনি মিটিং পাতি ততাতয়কৈ কাম খিনি সুচাৰুৰূপে সমাধা কৰিলো। সেয়েহে মই মাননীয় সদস্য সকলক অনুৰোদ জনাইছো গ্ৰামোন্নয়নৰ উন্নয়নমূলক কাম বিলাকত যেন সহযোগ আগবঢ়াই এই মঞ্জুৰীটো পাচ কৰাত সহায় কৰি দিয়ে। এই খিনিকে অনুৰোধ জনাই মোৰ কবলগীয়াখিনি শেষ কৰিলো।

* **শ্ৰী সুৰেণ স্বৰ্গিয়াৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্য খনত শতকৰা ৮৫ জন লোক ঘাৱত বাস কৰে আৰু এই শতকৰা ৮৫ ভাগ লোকৰ উন্নয়নৰ কাৰণে আমাৰ বিভিন্ন বিভাগৰ লগতে বিশেষকৈ গ্ৰামোন্নয়ন বিবাগটো অধিক সক্ৰীয় কৰি তোলাটো বিভাগৰ দ্বাৰাই আমাৰ যিখিনি উন্নয়নমূলক কাম কৰিব লাগে সেই উন্নয়নৰ কাম খিনি আমি কৰি অহা সততে গম পাইছো। এইটো কথা থিক যে আমাৰ ৰাজ্য খনথ যিবিলাকত কাম কৰি থকা দেখা পাইছো বাকী বিলাকৰ বিশেষ কাম আমি দেখা নাই। বিশে,কৈ আমাৰ চালাবাৰী সমষ্টিত অইন বিভাগৰ দ্বাৰা কাম হোৱা আমি দেখা নাই, যি অলপ কাম কৰিছে সেইখিনি গ্ৰমোন্নয়ন বিভাগে হে কৰিছে। কিন্তু এটা কথা মন কৰিবলগীয়া - যি খিনি উন্নয়ন মূলক কাম গ্ৰামোন্নয়ন বিবাগৰ জৰিয়তে হে আছে আৰু এই বিভাগে যিবিলাক উন্নয়মূলক কাম আঁচনি লৈছে আৰু তাক কাৰ্য্যকৰি কৰাৰ কাৰণে যি চেষ্টা প্ৰচেষ্টা কৰিব লাগে সেইখিনি বহু সময়ত গাওঁ পঞ্চায়ত বিলাকৰ সভাপতি,

---

* Speach not corrected

উপসভাপতি বা সদস্য আছে তেওঁলোকৰ গাফিলতি আৰু উতুপাতত গ্রামোন্নয়ন বিভাগৰ কাম কাজত ব্যাঘটৰ সৃষ্টি হৈছে। মাননীয় সদস্য খান ডাঙৰীয়াই মেনদেইজৰ কথা কৈছে যে গাৱৰ মানুহ দ্বাৰাই কাম বিলাক কৰিব লাগে আৰু সেই কামৰ বিনিময়ত গাৱৰ ৰাজিৰ আৰ্থিক ভাবে উপকৃত হয়, কিন্তু এই কাম বিলাক বহু সময়ত ঠিকাদাৰী চিচটেমত হোৱা যেন অনুমান হয়। কিয়নো গাৱ পঞ্চায়তৰ যি সকল সভাপতি আৰু উপসভাপতি বা সদস্য আছে তেওঁলোকৰ মাজৰ পৰা একোজন ঠিকাদাৰ শ্রেণীৰ লোক সেই কাম বিলাকৰ মাজত সোমাই খেলিমেলিৰ সৃষ্টি কৰে আৰু যিমান পৰিমানৰ কাম হব লাগে আৰু সেইমতে যিমান পৰিমান টকা খৰচ হব লাগে সেইটো নহয় ফলত টকা-পইচা বেচিকৈ খৰচ হয় আৰু কামো সমষ্টিতে তেনে এটি ঘটনা হৈছে, তাত এটা ৰাস্তাৰ কামৰ বাবত ১ লাখ টকাৰ এটা আঁচনি লোৱা হৈছিল কিন্তু শেষত গৈ দেখা গ'ল মাত্র ৫০ হাজাৰৰে কাম হ'ল। ঠিকাদাৰ চিচটেমত কামটো হোৱাৰ কাৰণে এনে হ'ব। মাননীয় মুখ্য মন্ত্রী উপস্থিত থকা হলে ভাল আছিল, তথাপিতো এই বিষয়ে এটা গুৰুত্ব সহকাৰে বিবেচনা কৰি ব্যৱস্থা লবলৈ অনুৰোধ জনালো। ঠিকাদাৰী ব্যৱস্থাটো উঠাই দিব লাগে। দৰীদ্র সীমাৰেখাৰ তলত থকা লোক খিনিয়ে যাতে ইয়াৰ দ্বাৰা উপকৃত হয় আৰু দুখীয়া গাৱৰ ৰাজিৰ কাম খিনি যাতে সুকলমে কৰিব পাৰে আৰু যি খিনি টকা আবন্টন কৰা হয় সেই খিনি যাতে প্রপাৰলি ইউটিলাইজ হয় তালৈ বিশেষ দৃষ্টি দিব লাগে। ডি,আৰ,ডি,এ বিভাগে আমাৰ স্কুল ঘৰবিলাক বান্ধি দিয়া কথা আছিল, আমাৰ তাতে এটা স্কুল এই বিভাগে ১৯৯১ চনতে আৰম্ভ কৰিলে কিন্তু আজিলৈকে সেই স্কুলৰ কাম সম্পূর্ণ নহল। ইয়াৰ প্রধান কাৰণ হ'ল এই কাম বিলাক কৰোতে এই কাম বিলাক কৰোতে কিছুমান এজেন্সীয়ে যোগাযোগ কৰে আৰু সেই এজন্সীৰ কিছুমানে চিমেন্ট দিয়ে, কিছুমানে বালি, ইটা শিলগুটি চাপলাই দিয়ে কিন্তু এই বস্তু বিলাক যোগন দিওতে তেওঁলোকে সময় মতে নিদিয়ে, কেতিয়াবা ইটা দিলে কিন্তু বালি নাই আকৌ বালি দিলে চিমেন্ট নাই গতিকে কাম বিলাকত অযথা পলম হৈ যায়, কাম বিলাক দ্রুত গতিত আগবাঢ়িব নোৱাৰে। সেইকাৰণে আমি ভাবো স্কুলঘৰৰ কাম বিলাক এনে ধৰণৰ এজেন্সীক নিদি স্কুলৰ মেনেজিং কমিটি বা স্কুলৰ কমিটিক দায়িত্ব দিব লাগে টকা-পইচা খিনি তেনে কমিটিক দিব লাগে আৰু মেটেৰিয়েলচ বিলাক যাতে কমিটিয়ে নিজে যোগাই লব পাৰে সেই ব্যৱস্থা হব লাগে। টকা-পইচাৰ এলোটমেন্ট কমিটিক দিব লাগে তেতিয়াহলে আমি ভাবে কাম বিলাকত আওল নালাগিব আৰু কম খৰচত কম সময়ত কামো হৈ উঠিব আৰু এনেবিলাক কামত আমাৰ সংশ্লিষ্ঠ বিধায়ক সকলে দিহা পৰামর্শ দিব পাৰিব।

এতিয়া মই অনুৰোধ কৰিছো যাতে বিভাগৰ সেই কথাটোৰ প্রতি লক্ষ্য ৰাখে। তাৰোপৰি ডি,আৰ,ডি,এৰ জৰিয়তে ঘৰ বনাবলৈ ১৪ হাজাৰ ৫ শ টকা দিয়াৰ যিটো ব্যৱস্থা গ্রহণ কৰিছে। সেইটো হৈছে কনা হাঁহক পতান দিয়াৰ নিচিনা কথা। এই টকাটোত এটা লেট্রিনো

* Speach not corrected

Commissioner in Kokrajhar the Local Purohase Committee Deputy Commissioner told that these materials like C.I. Sheets, Cements and Iron rods are collected from Guwahati and unnecessarily extra transportation cost is required, if it is purchases locally the cost will be much lower the more benefit should reach the rural to the rural people of the rural areas. If the goods are purchased at the actual rate i.e. at the normal market rate then people will had not be bear the extra cost of transportation. This practice should be stopped and Local Purchase Committee should be taken in confidence so that unnecessary extra expenditure of transportation does not incur and one pertinent point is that people of Bongaigaon District and Kokrajhar District are facing. From DRDA we undertake construction of school buildings but for the purpose of contracting school building I have also taken up the matter with Commissioner, Panchayat and requested to stop the use of iron roof trust. Because we donot have available expert who can fit the C.I. Sheets with iron roof trust. If in is constructed Assam Type then it because happen more hygienic and good looking hence we have timber at Kokrajhar and Bongaigaon. By one lakh rupee we can construct beautiful and more specious hygienic school building DC and PD and DRDA are more inforesed in use of iron roof trust. It is not wise and this is not good. We have been discussing this matter at Kokrahar in the Governing Body of the DRDA that we should allow to construct Assam Type building which is more suitable, hygienic and good looking instead of iron rod cross and it is already discussed by a number of our members. It is something now that we are going to spread corruption.

A few members of Panchayat and Anchalik President have also discussed this matter. Unless DRDA officials are sincere and honest and committed to the Development of society then entire society will ruin because of rampant corruption in the grass-root level and I draw the attention of the Government to stop the rampant corruption that are prevailing in the system. That is why I on behalf of the Bodo Autonomous Council and people living there have been requesting the Government to abolish the

---

* Speach not corrected

openanion of Assam Panchayat Act. 1994. We have also a practical problem because Panchayat is also abodi..... self ..... the BAC should be given full right of monitoring DRDA schemes. It this is not done then the development Programme in the BAC will be hampered greatly and there will not be any real development. The State Govt. is requested in this August House and also the Minister of Panchayat to stop the openanion of Assam Panchayat Act in BAC area so that we are not faced such crisis in the near future in the BAC we should be allowed to purchase materials which are locally for the development of the rural schemes through local Purchase Committee so that officials can not misappro private and saying that it has been collected from Guwahati for which people have not to bear the burden of transportation cost and as result of which the poor people of rural areas are not deprived of the benefit.

So, I request to allow Assam Type school buildings construction Kokrajhar and Bongaigaon difficult for we have available timber in these areas. Sir supporting my cut..... I have concludes.

Mr. Deputy Speaker : Now Shri Alauddin Sarkar.

* শ্রী আলাউদ্দিন সৰকাৰ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই বেছি সময় নলও, গ্রাম্য উন্নয়ন শিতানত বিভাগীয় মন্ত্রীয়ে যি ১৬৪ কোটি ৪৬ লাখ ২৯ হাজাৰ আৰু ১১.৮২ হাজাৰ টকা বিচাৰিছে, তাৰ ওপৰত কৰ্ত্তন প্রস্তাৱ উত্থাপন কৰি মই কেইটামান পৰামর্শ আগবঢ়াব খুজিছো। উপাধ্যক্ষ মহোদয়, এই গ্রাম্য উন্নয়নৰ বিভাগৰ কাম-কাজ গোটেই দেশ জুৰি, গোটেই ভাৰতবর্ষ জুৰি, ব্রাজ্যই এই কামবোৰ কৰিবলৈ গৈ বৰ খৰচেখদাকৈ কৰিবলৈ লোৱা হৈছে নেকি বুলি মই ভাবিছো। আঁচনিবোৰ বৰ খৰধৰকৈ কৰিবলৈ গ্রহম কৰা হৈছে যেন পাও। উদাহৰম স্বৰূপে মই কব খোজো যে কোনোবা এটা ব্লাকত হয়তো কণিষ্ঠ অভিযন্ত্রা আছে, কোনোবা ব্লকত হয়তো নাই - অথচ এই আঁচনিবোৰ ৰূপায়ণৰ ক্ষেত্রত এই জে,ই, জনৰ বৰ প্রয়োজন। আমাৰ ৰাজ্যখনত আজি বহুতো নিবনুৱা জুনিয়ৰ অভিযন্ত্রা আছে, কাম বিচাৰি ফুৰিছে, তেওঁলোকে ওৱেজ চিষ্টেমতো চাকৰি বিচাৰিছে। মই উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো এই নিবনুৱা জে,ই সকলক এই গ্রাম্য উন্নয়ন বিভাগৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে - এনে কৰিলে বিভাগৰ কাম-কাজো সুচাৰুভাবে চলিব আৰু কিছু সংখ্যক নিবনুৱাৰো কর্ম্ম সংস্থান হব। এই বিভাগৰ আজি ঠিকাদাৰী চিষ্টেমটো এনে এটা অৱস্থালৈ গৈছে যে এজনে

* Speach not corrected

এটা কাম কৰিবলৈ ললে শেষ হোৱালৈকে তিনিবাৰমান দাম বৃদ্ধি পায় বয় বস্তুৰ। এই সম্পৰ্ক মুখ নেমেলাই ভাল বুলি ভাবিছো কিয়নো এই অৱস্থাৰ লগত ওপৰ মহলাৰ বিষয়াৰ পৰা তলৰ পৰ্য্যায়লৈকে সকলো জড়িত হৈ আছে। ইয়াৰ মাজত ভিতৰুৱা কাৰণ আছে। ইয়াত চিক্সটি-ফৰটি পাৰচেণ্টেজৰ কথা আছে। এই ব্যৱস্থাটো বিভাগে বদলাব লাগে। আৰু চাৰ টেকনিকেল চেকচনটো এই বিভাগৰ পৰা উঠাই দিছেনেকি নাজানো - কিয়নো ক'ৰবাত কাম-কাজ এনে ধৰণৰ হৈছে যে এঠাইত বান্ধ দিয়া হৈছে তাৰ পিচত ৰাষ্টা, পুনৰ তাৰ পিচত বান্ধ দিয়া হৈছে আকৌ ৰাষ্টা, আকৌ বান্ধ - গঙাধৰ নদীত ৭ টা ৰাষ্টা ৭ টা বান্ধ আছে - এইবোৰত পানী বন্ধ হব, পানীৰ জোৰত মূল বান্ধ ভাঙি গৈ সকলো চুৰমাৰ হব। এই ক্ষেত্রত বিভাগে ভাল চকু ৰাখিব লাগে - নহলে টকা খৰচ হব কিন্তু কামত নাহিব - টেকনিকেল লোকক কামত নিয়োগ কৰিব লাগে। আজি ডি,আৰ,ডি,এ বিভাগত অফিচাৰ, কৰ্ম্মচাৰীৰো অভাৱ হৈছে - মই ভাবো ইয়াৰ ইঞ্জিনীয়াৰ নিযুক্তি দিয়ে ভাল কাম হব। আনহাতে এই বিভাগত যিবোৰ যোগানকাৰীয়ে ইটা, চিমেন্ট, বালি, লোহা, টিনপাট আদি যোগান ধৰে সেইবোৰ কামৰ সঠিক ঠাইত যোগন ধৰাৰ ব্যৱস্থা হব লাগে। মই অলপতে আগমণি ব্লকত বহুতো হিউম পাইপ জমা হৈ থকা দেখি ব্লকৰ বিষয়াৰ সেইবোৰ কোনে কেতিয়া যোগান ধৰিলে সোধাত তেওঁ কব নোৱাৰো বুলি কলে। ডি,আৰ,ডি,এৰ অফিচৰ পৰা দিয় যোৱা বুলি কলে কোনো ঠিকাদাৰে। কিন্তু সেইবোৰ যি ঠাইত কাম চলি আছে সেই ঠাইলৈ যোগান ধৰিব লাগিছিল যদিও অফিচতে দি থৈ গল - এতিয়া সেইবোৰ কাম কৰা ঠাইলৈ নিয়াৰো সমস্যা। আনহাতে বাপানা আহিবৰ হলেই, ধৰষুণ আৰম্ভ হলেই - কাম এতিয়াই শেষ কৰিব নোৱাৰিলে অসুবিধা হব। এইবাৰ আমাৰ ফুল বেছি হৈছে ৰাইজে কয় বানপানীও এইবছৰ বেছি হব। আমাৰ তাত ৰাষ্টা, বান্ধত যিধৰণে হিউম পাইপ দিয়া হৈছে পানীৰ জোৰ পৰিলে সেই বান্ধ আৰু পাইপ, ৰাষ্টা সকলো উটুৱাই লৈ যাব। য'ত দুটা বা তিনিটা হিউম পাইপৰ প্রয়োজন তাত দিয়া হৈছে এটা, এটাৰে কিমান পানী টানিব? এইবোৰ কাম কৰোতে বিভাগে ভালদৰে টেকনিকেল গাইডেন্স দিব লাগে। য'ত যিমানটা পাইপৰ প্রয়োজন হয় সেইমতে বহুৱাৰ ব্যৱস্থা কৰিব লাগে। অলপতে পশ্চিমবন্ধলৈ যাওতে বাটত এটা ৰাষ্টাত ১৫ টা হিউম পাইপ বহুৱা হৈছে - তাত কেতিয়াও পানী বন্ধ হৈ ৰাষ্টা ভাঙিব নোৱাৰে। কিন্তু আমাৰ ইয়াত প্রয়োজন মতে এই পাইপ বহুৱা নাই ফলত পানীৰ অলপ হেচা পৰিলেই ৰাষ্টা বন্ধ ভাঙি যাব। এতিয়া ডি,আৰ,ডি,এত যতেষ্ট টকা পইচা দিছে, কিন্তু গড়কাপ্তানি বিভাগত যি টকা দিয়া হৈছে তাৰে সকলো কাম কৰিব নোৱাৰে। গতিকে DRDAৰ পৰা MNPৰ কিছু কাম কৰি লাগে।

এম,এন,পি আঁচনি যি বিলাক কৰিছে, সেই আঁচনি বিলাকত ডি,আৰ,ডি,এৰ কিছুমান টকা ব্যৱহাৰ হোৱা উচিত। আমাৰ আন্তৰাষ্ট্রীয় সীমান্তৰ হালাপুৰা বজাৰলৈ অহা যোৱা ভাল

---

* Speach not corrected

ৰাষ্টা নথকাৰ কাৰণে সেই অঞ্চলৰ মানুহৰ বহুত অসুবিধা হৈছে। সেই অঞ্চলৰ কৃষক সকলে উৎপাদিত হোৱা বস্তু বাহানি পশ্চিম বংগৰ বজাৰত বিক্রী কৰিবলগীয়া হৈছে। তাৰ ফলত কৰ আদি সকলো পশ্চিম বন্ধ চৰকাৰে পাইছে। এটা ৰাষ্টা নোহোৱাৰ কাৰণে এই কৰৰ পৰা আমি বঞ্চিত হব লগীয়া হৈছে। আমি সেই বস্তু খিনি পশ্চিমবংগৰ পৰা অসমলৈ কিনি আনিব লগীয়া হৈছে। মই ভাবো ডি,আৰ,ডি,এ, জে,আৰ,ওৱাই আৰু পি,এম,আৰ,ওৱাই কিছু টকা এই ৰাষ্টা বিলাকত খৰচ কৰা উচিত। উপাধ্যক্ষ মহোদয়, লেবাৰ গেমেন্টৰ ক্ষেত্রত এটা কমিটি হোৱা দৰকাৰ। আঞ্চলিক পঞ্চায়তৰ সদস্য আদিক হলেও এই কমিটি কৰা উচিত। এই ক্ষেত্রৰ আমাৰ বিধায়ক সকলো যাতে অপ্রাসংগিক হৈ নাথাকে। আমাৰ বি,ডি,অ, সকলৰ অফিচত আঞ্চলিক পঞ্চায়তৰ সভাপতি, সভানেত্রী বা সদস্যই হওঁক বা গাওঁ পঞ্চায়তৰ সভাপতি, সচিব আদিয়েই হওঁক বি,ডি,অ, জনক ঘেৰি বহি থাকে। আমি চাৰ লাজতে তাত নোসোমাওঁ। মই ভাবো কোনো আক্কেল থকা মানুহ এই বিলাক অফিচত সোমাব নোৱাৰে। আমাৰ গোলোক গঞ্জত ঠিকাদাৰ সেইজন মানে গোটখাই লেবাৰ কেইজন মানক মাৰ-পিট কৰিলে। পিচত লবাৰসকল একগোট হৈ খড়গহস্ত হৈ ঠিকাদাৰ কেইজনক খেদি আহিল। তেতিয়া ঠিকাদাৰ কেইজনে গোলোক গঞ্জ থানাত এটা গোচৰ দিলে। তাৰ পিচত লেবাৰ বিলাকক গ্রেপ্তাৰ কৰি আনিলে। ঠিকাদাৰ সকলে লেবাৰ পেমেন্টৰ টকা কাট-কুট কৰি ১৮ শ টকা পুলিচৰ হাতত দিলে লেবাৰ বিলাকক দিয়াৰ বাবে। এতিয়াওঁ লেবাৰ বিলাকে সেই টকাৰ বাবে কোৰ্টলৈ অহা যোৱা কৰি থাকিব লগীয়া হৈছে। সেই কেচ এতিয়াওঁ নিস্পত্তি হোৱা নাই উপাধ্যক্ষ মহোদয়, আমাৰ অসমৰ দৰিদ্রতাৰ সীমা ৰেখাৰ তলৰ মানুহৰ যিটো সংখ্যা দিছে মই চি,এ,জি, ৰিপোৰ্টত পঢ়িবলৈ পাইছো যে সেই তথ্য ভুল। তাত ৫৭ দিছে সেইটো ৭৩ লৈ আহিব লাগে। উপাধ্যক্ষ মহোদয় আমাৰ আগমনি ব্লকটো অলম চাব লাগে। তাত যি বিলাক কাম হোৱা নাই বা আধৰুৱা হৈ আছে সেই ডি,আৰ,ডি,এ, আঁচনিৰে যোগেদি কৰা উচিত বুলি মই ভাবে। এম,ডব্লিউ,এচ আঁচনিৰ অধীনত কিছুমান ড্রোং খান্দি সেই বিলাক তেনেকৈ পেলাই থৈ দিছে। ড্রোং বিলাক খান্দোতে ৰাইজৰ খতিয়ান ভুক্ত মাটিত খান্দিছে। ৰাইজে অভিযোগ কৰাৰ পিচত সেই বিলাক বন্ধ হৈ যায় বা আৰা কৰি পেলোৱাৰ পিচতো সেই বিলাক উঠাই লৈ যায়। চৰকাৰী ভাৱে অনুমোদন হোৱা আঁচনি এটা কেনেকৈ এনেদৰে উঠাই লৈ যাব পাৰে। এই বিলাক এচ,চি কম্পনেন্ট আঁচনিৰ পৰে নেকি মই নাজানো। মোৰ সমষ্টিটো বহু ত এচ,চি ৰ মানুহ আছে। এ,চিৰ আঁচনি হলেওঁ এই আঁচনি বিলাক ৰূপায়িত হলে সেই অঞ্চলত বসবাস কৰা সকলো মানুহ উপকৃত হব। আমাৰ যিসকল পি,ডি, চাহাব আছে তেখেত সকলক লগ পোৱাটো বৰ ডাঙৰ কথা। মোৰ সমষ্টিত মই পি,ডি, চাহাব জনক বহুত চেষ্টা কৰিও ফোনত যোগাযোগ কৰিব পৰা নাই। পি, ডি, অফিচ বিলাক সাধাৰণতে চহৰ অঞ্চলত থাকে আৰু চহৰৰ গন্যমান্য

---

* Speach not corrected

লোক সকলে তেখেতৰ অফিচত বহি থাকি বাধ্য কৰাই গ্ৰাম্য উন্নয়ণৰ আঁচনিৰ টকা চহৰ অঞ্চলৰ উন্নয়ণত খৰচ কৰিবলৈ। ডি,আৰ,ডি,এৰ টকা ধুবুৰীৰ চাৰ্কিট হাউচৰ কামত লগাইছে। গ্ৰাম্য উন্নয়ণ টকা কেতিয়াও চহৰ উন্নয়ণৰ কামত খৰছ হব নালাগে। গ্ৰাম্য অঞ্চলত ৰজাৰৰ চেদ বনাবৰ যিখিনি টকা দিছে, সেই টকাৰে একোজন ছেদ নহয় বা ৰাইজে বহি তাত দোকান দিব নোৱাৰে। তাৰ পৰিবৰ্ত্তে যি বিলাক পুৰণা বজাৰ আছে, যি বিলাকৰ ঘৰ বিলাক বেয়া হৈ গৈছে আৰু যি বিলাক বাজাৰ ৫/৬ লাখ টকা আয় হয় সেই বিলাকত ব্যৱহাৰ কৰিব লাগে। টাইছেম, আই,আৰ,ডি,পি আঁচনিত প্ৰশিক্ষণৰ যি ব্যৱস্থা আছে, প্ৰশিক্ষাৰ্থী সকলক প্ৰশিক্ষমৰ যিখিনি সময় দিয়া হৈছে সেইখিনি কম হৈছে। আজি কালি গাওঁ অঞ্চলত কৃষি ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ পাম্প, পাৰাৰ টিলাৰ আদি দিয়া হৈছে আৰু সেইবলিাকৰ ওপৰত প্ৰশিক্ষণৰ সময় বঢ়াব লাগে। মাত্ৰ ৬ মাহত সকলো কৰা শিকিব নোৱাৰে। সৰকাৰ হ'লে প্ৰশিক্ষণ কাল এবছৰ কৰিব লাগে আৰু কেন্দ্ৰীভূত প্ৰশিক্ষণ কেন্দ্ৰ খুলিবও লাগে। এই কেন্দ্ৰবিলাক পাৰিলে জিলা ভিত্তিক লব লাগে। তেতিয়াহে আমাৰ নিবনুৱা সকলক প্ৰকৃতাৰ্থত স্বনিয়োজনত সুবিধা হ'ব। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাবৰ সমৰ্থন জনাই মোৰ ৰক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ এতিয়া মাননীয় শ্ৰী দেৱান জয়নাল আবেদিন।

শ্ৰী দেৱান জয়নাল আবেদিন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ আমি আনিছো সেই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুবাৰ মান কবলৈ থিয় হৈছো। ইয়াত দেখা যায় যে এই শিতানত মুঠ ১৬,৪৪৬.২৯ লাখ টকা বিচৰা হৈছে। তাৰ ভিতৰত ১৬,৪৪০ লাখ টকা হৈছে পৰিকল্পনা শিতানত আৰু ৩২.২৯ লাখ হৈছে পৰিকল্পনা বহির্ভূত শিতানত। এই টকা দিয়াৰ কাৰণে এনেয়ে আমাৰ আপত্তি থাকিব নালাগিছিল। কিন্তু আমি কৰ্ত্তন প্ৰস্তাৱটো কিয় আনিছো ইয়াৰ উদ্দেশ্যটো পৰিষ্কাৰ। আমি আজি চৰকাৰক ইমান টকা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক দিবলৈ ওলাইছো সেয়ে এই বিভাগৰ কাৰ্য্য-কলাপ সম্পৰ্কে খোলা খুলিভাৱে কিছু আলোচনা-সমালোচনা হোৱা দৰকাৰ। উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়ে কবলৈ উঠি পোন প্ৰথমে যিটো কথা কোৱা দৰকাৰ বুলি মই ভাবিছো সেইটো হৈছে ইয়াৰ ভালেখিনি টকা আহিছে চেন্ট্ৰেলী স্পনচৰ্দ স্কিমৰ পৰা আৰু চেন্ট্ৰেল স্কীমৰ পৰা। মোতামুতি ভাৱে পৰিকল্পনা বহির্ভূত টকা বাদ দি বাকীখিনি টকা চেন্ট্ৰেলী স্পনচৰ্দ স্কীম আৰু চেন্ট্ৰেল স্কীমৰ পৰা আহিছে। আমাৰ বেছিভাগে মানুহে গাওঁ অঞ্চলতে বাস কৰে। এই মানুহখিনিক, গাওঁ অঞ্চলৰ যি হাজাৰ হাজাৰ, লাখ লাখ মানুহৰ বছৰটোৰ প্ৰায় ন মাহে তেনেকুৱা কোনো ধৰণৰ কাম নাথাকে সেই মানুহখিনিক গাওঁ অঞ্চলতে কৰ্ম সংস্থান দি যাতে গাওঁ বিলাকতে আৱদ্ধ ৰাখিব পৰা যায় সেইটোৱে এই আঁচনিৰ মূল উদ্দেশ্য। আপোনালোকে জানে যে আজি অসমৰ একেবাৰে ভিতৰুৱা অঞ্চলৰ, গাওঁ-ভূইৰ ভূমিহীন মানুহ নিবনুৱা মানুহৰ কাম নাথাকে

* Speach not corrected

সেই মানুহ বিলাকে চহৰ আৰু নগৰৰ ফালে ধাপলি মেলিছে কাম বিচাৰি। কোনোৱে ৰিক্সা চলাব, কোনোৱে ঠেলা চলাব, কোনোৱে ৰাস্তাত ড্রেইন খণ্ডা কাম আৰু কোনোৱে কুলিৰ কাম বা মাটিৰ কাম কৰিব। এই বিলাক ক্লাম্ব্ৰিচাৰি মানুহ হাবাথুৰি খাইছে। এই ধৰণৰ কাম বিচাৰি মানুহ যাতে গাওঁবিলাকৰ পৰা আহিব নালাগে আৰু গাওঁবিলাতে আৱদ্ধ কৰি ৰাখিব পৰা যায় এইটোৱে ইয়াৰ উদ্দেশ্য। আৰু এটা উদ্দেশ্য আছে। সেইটোৰ বিষয়ে বহুতে কয় এইলোক সকলক কৰ্ম সংস্থাপন দিয়াৰ লগতে এচেটছ, সম্পদ সৃষ্টি কৰা। আকৌ বহুতে ওলোটাকে কয় সম্পদ হয় নে নহয় সেইটো ডাঙৰ কথা নহয় কৰ্ম সংস্থানহে ডাঙৰ কথা। মই ভাবে যদি আমি কৰ্ম সংস্থান দিব পাৰো তেতিয়াহলে একেলগে সম্পদো সৃষ্টি হব। গতিকে কৰ্মসংস্থান দিব পাৰিলে এই দুয়োটা কাম হৈ যায়। আমাৰ পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগলৈ অন্য বিভাগৰ তুলনাত কিছু টকা আহিছে। এতিয়া আমি মনত ৰাখিব লাগিব সেই টকাখিনি যাতে ঠিক ঠিক মতে কামত লগাব পৰা যায়। গাওঁ নিবনুৱা সকলক গাওঁতে আৱদ্ধ কৰি ৰাখি কৰ্ম সংস্থান দিব পৰা যায় সেইটো চাব লাগিব। লগতে সেই টকাৰ সৎ ব্যৱহাৰ কৰি গাওঁত কৰ্মসংস্থান সৃষ্টি কৰিব পৰা যায় সেইটোও চাব লাগিব। উপাধ্যক্ষ মহোদয়, সেই আঁচনিৰ টকাৰে কিছু কাম কৰিছে কিন্তু সেই টকাবিলাক বিলাই দিয়াৰ নিচিনা হৈছে। সেই টকাৰ কিছু সম্পদ সৃষ্টি কৰিব পৰা কামত লগাব পাৰি অৰ্থাৎ গাওঁৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নত কৰিব পৰা কামত খৰচ কৰিব পৰা যায়। গাওঁ অঞ্চলৰ বেছিভাগ মানুহেই খেতিয়ক। খেতিয়ক সকলৰ জীৱনলৈ উন্নতি আনিবলৈ হলে আমি কৃষিৰ আধুনিকৰণ কৰিব লাগিব। কৃষিৰ আধুনিক কৰণ কৰাৰ লগতে জলসিঞ্চনৰ ব্যৱস্থা আৰু সৰু সুৰা শিল্প উদ্যোগ গঢ়ি তুলিব লাগিব। আমাৰ যিবিলাক পাবলিক টেক্টৰৰ উদ্যোগ বিলাকত আজি কোনো কৰ্ম সংস্থান সৃষ্টি হোৱা নাই। এতিয়া আকৌ প্ৰায়বিলাক উদ্যোগে প্ৰায়ভেটাইজেছন কৰা হৈছে। সেইবিলাকতো কৰ্ম সংস্থান কোনো সুবিধা নাই। চৰকাৰৰ কোনো পলিচি নাই। গাওঁৰ মানুহক যাতে কৰ্মসংস্থান দিব পৰা যায় তাৰ বাবে কৃষি ভিত্তিক উদ্যোগ সৃষ্টি কৰিব লাগিব। এইটো কৰিলেহে পইচা খিনি কামত লাগিব। দ্বিতীয়তে মই যিটো কথা কবলৈ বিচাৰিছো সেইটো হৈছে- কেন্দ্ৰ যিবিলাক স্কীম আছে সেইবিলাক কিছুমান গাইড লাইল আছে কিছুমান নীতি আছে। আমাৰ যি টি,এছ,পি, আৰু এছ,চি, এৰিয়া আছে সেই টি,এছ,পি, আৰু এছ,চি, এৰিয়াৰ বাবে প্লেনত আচুটীয়াকৈ পুঁজি ৰখা হয়। অৰ্থাৎ সেই অঞ্চলৰ অনুন্নত মানুহক যাতে উন্নত কৰি সৰ্বসাধাৰণ ৰাজিৰ লগত সমভাৱে ঠাই দিব পৰা যায় সেইটোৱে ইয়াৰ মূল নীতি। আমাৰ প্ৰায়বিলাক সমষ্টিতে টি,এছ,পি, আৰু এছ, এৰিয়া কিছু আছে। মোৰ সমষ্টিতো আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ নিজৰ সমষ্টিতে দেখিছো কিছুমান এৰিয়া এচ,টি/এচ,টি আৰু জেনেৰেল এৰিয়াত কেনেকৈ টকা ভাগ কৰি দিছে। জেনেৰেল এৰিয়াৰ

* Speach not corrected

প'পৰচনতকৈ চি,এচ,পি এৰিয়াত ২০ গুণ টকা বেচি দিয়ে। মোৰ গাওঁ পঞ্চায়তত ১২ হেজাৰ টকা পাইছিলো তাৰ বিপৰীতে চি,এচ,পি এৰিয়াত ৩ লাখ ৪ লাখকৈ টকা পায়। গতিকে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো য়ে ইয়াৰ যিটো ৰেচিঅ সেইটো কেন্দ্রীয় চৰকাৰক জনাব লাগে অৱশ্যে মই টি,এচ,পি এৰিয়াৰ ডেভলপমেন্টৰ বিৰোধীতা কৰা নাই মাত্ৰ এইটোহে জনাব খুজিছো যে চি,এচ,পিৰ লগতে জেনেৰেল এৰিয়াটো উন্নতি কৰিব লাগিব। তাৰ কাৰণে যথেষ্ট পুঁজি ব্যৱস্থা কৰা হয় এই কথাটো আপোনাৰ জৰিয়তে মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনালো। এই কথাটো কেন্দ্রীয় চৰকাৰৰ লগত টেক-আপ কৰিব লাগে। আজি পঞ্চায়তক যিমান কাম দিয়া হৈছে সেই অনুপাতে তাত ট্রেকনিকেল মানুহ নাই। আজি বান্ধ নিয়ন্ত্রণৰ কাম পঞ্চায়তক দিয়া হৈছে। অসমৰ ব্রহ্মপুত্রৰ দুয়োপাৰে বান্ধ পি,এণ্ড,ডিয়ে বান্ধিছিল সেই বিলাক মেৰামতিৰ কাৰণে তেওঁলোকৰ কোনো টকা নাই। এতিয়া টকা ডি,আৰ,ডি,এক দিয়া হৈছে। কিন্তু তাৰ বিষয়া, ইঞ্জিনিয়াৰ, অভয়চাৰ অভিযন্ত্রা সকলৰ অভাৱ। যিটো বিভাগত ইঞ্জিনিয়াৰ, অভয়চাৰ আদি আছে তাত কাম কৰিবলৈ টকা নাই। আজি এনেকুৱা এটা বিভাগক এই কাম কৰিবলৈ দিয়া হৈছে য'ত ট্রেকনিকেল হায়াৰ কুৱালিফিকেচনৰ মানুহ নাই। ইয়াৰ বিপৰীতে বান্ধ নিয়ন্ত্রণ বিভাগত বহুতো ইঞ্জিনিয়াৰ বেকাৰ হৈ বহি আছে। তেওঁলোকৰ আজি কোনো কাম নাই। গতিকে এই বিলাক কথা ভাবি-চিন্তী কৰা দৰকাৰ। বান নিয়ন্ত্রণৰ নিচিনা এটা বিভাগ য'ত অসমৰ ইমুৰৰ পৰা সিমুৰৰ লৈকে ব্রহ্মপুত্র নদী বৈ গৈছে। তাৰ সম্পর্ক ৰক্ষা কৰিবলৈ গলে বহুতো ট্রেকনিকেলৰ মানুহ প্রয়োজন হব। ডি,আৰ,ডি,এক যিমানেই টকা নিদিয়ক ব্রহ্মপুত্র নদীৰ বান্ধ প্রতিৰোধ কৰিব নোৱাৰে।

ভইচ ঃ কৰিবলৈ দিয়া নাই।

দিয়া হৈছে তাৰ উদাহৰণ মই দিব পাৰো। মোৰ সমষ্টিৰ গোৱালপাৰা জিলাতে দিয়া হৈছে। কোনে এইবিলাক দিছে, যদি দিয়া হোৱা নাই তেতিয়াহলে ভাল কথা। আজি ডি,আৰ,ডি,এত ট্রেকনিকেল মানুহৰ অভাৱ। গতিকে বান নিয়ন্ত্রণ বিভাগত যিবিলাক মানুহ আছে সেইবিলাকক কামত লগাব লাগে আজি যিবিলাক ডাঙৰ স্কীম আছে য'ত ট্রেকনিকেল মানুহ আছে সেইবিলাক বিভাগক কাম কৰিবলৈ দিয়া উচিত। এইটো মনত ৰাখি কৰাটো উচিত হব বুলি ভাৱো।

উপাধ্যক্ষ মহোদয়, গ্রামো উন্নয়ন বিভাগৰ কথা কলে পঞ্চায়তৰ কিছু কথা আদিব। পঞ্চায়ত বিভাগত চৰকাৰে কিছু দিনৰ আগতে কিছুমান বচক্রেটৰী নিয়োগ কৰিলে। চৰকাৰৰ ঘোষণা আছিল কমার্চ গ্রেজোৱেটৰ। কিন্তু দেখা গল যে তাত আর্টচ্ গ্রেজোৱেটেও সুবিধা পালে। এডভাৰটাইজ কৰক, চিলেকচন কৰক আৰু নিদিফট হাৰত দৰমাহ দিয়ক। এইবিলাক নীতি থাকিব

---

* Speach not corrected

লাগে। কিন্তু আজি কি হৈছে তাত কোনো এডভাৰটাইজমেন্ট নাই, ইনটাৰভিউ নাই এই ধৰণৰ কাম হব নেলাগে।

ভইচ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰুৱেল ডিপাৰ্টমেন্টৰ গ্ৰান্টৰ ওপৰতহে গ্ৰান্ট আহিছে গতিকে পঞ্চায়তৰ কথা ইয়াত নাহে।

আহিব পাৰে। ইয়াৰ পঞ্চায়তৰ নিযুক্তিৰ কথা আছে। উপাধ্যক্ষ মহোদয়, আজি এই পঞ্চায়তৰ ক্ষেত্ৰত বহুতো সমস্যা সৃষ্টি কৰিছে। আজি পঞ্চায়তৰ কথা কোৱাত পঞ্চায়তৰ মন্ত্ৰীয়ে আপত্তি কৰিছে। গতিকে চৰকাৰে এটা স্পষ্ট নীতি ঘোষনা কৰিব লাগে। বহুতো ঠাইত কেচ আদিও হৈছে। গতিকে এই বিষয়টোৰ ওপৰত চৰকাৰে চকু দিয়া উচিত।

(Mr. Speaker occupied the chair.)

মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা কববিচাৰিছো যে পঞ্চায়তৰ ব্লক বিলাকত ভাল কৰিবৰ কাৰণে তাক চোৱা চিতা কৰিবলৈ এটা ভিজিলেঞ্চ কমিটি গঠন কৰিছে। কিন্তু দুখৰ কথা যে আজিলৈকে আমি জনা মতে প্ৰায় ঠাইত ভিজিলেঞ্চ কমিটিয়ে কাৰ্য্যকৰী কৰা নাই। ভিজিলেঞ্চ কমিটিত এম,এল,এ, সকলক সভাপতি হিচাপে লৈ কাম কৰা কথা আছিল কিন্তু সেইটো কথা কেৱল কাগজে পত্ৰইছে কৰিলে। কাৰ্য্য ক্ষেত্ৰত আমাক একো জনোৱা নাই। আজি আঞ্চলিক পঞ্চায়ত হৈছে, মহকুমা পৰিষদ হৈছে সেইটো ভাল কথা। আজি আঞ্চলিক পঞ্চায়ত মিটিং নবহে, এম,এল,এ, সকলক নেমাতে বিশেষকৈ বিৰোধী পক্ষৰ এম,এল,এ, সকলক নেমাতে যাৰ ফলত সমস্যাৰ সৃষ্টি হৈছে। গতিকে সেই মিটিংত উপস্থিত হব নোৱাৰিলে কি কৰিছে কি নকৰিছে একোৱেই গম নেপাম। এচ,ফি,ডি,চি মিটিঙত বেচি পুজি দিয়া হয় পঞ্চায়তে আপত্তি কৰিছে যে টিউৱেল বিলাক ব্লকৰ যোগেদি দিব লাগে পি,ডিৰ যোগেদি নহয়।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া এই 'এৰিয়'টো পৰিস্কাৰ কৰি 'ডিমাৰকেট' কৰা নাই, ইয়াৰ পৰা সমস্যাৰ সৃষ্টি হব। মই ভাবো এইটো আইন পঞ্চায়তৰ অঞ্চল সমূহৰ সীমা নিদ্ধাৰম কৰিবলৈ মিটিং কৰিব লাগে। এম,এল,এ, সকলকো এই মিটিঙলৈ মাটিব লাগে। আমাৰ এচ,পি,ডি,চি,য়ে ফাণ্ডত হাট দিব নেলাগে - সেইটোত এম,এল,এ, সকলৰ অধিকাৰ আছে। মই 'মিলিয়ন-ওৱেল' স্কীমৰ কথা কৈছো, সেই স্কীমৰ টিউব-ওৱেল বিলাক বহুৱা হৈছে। ২০ ফুত পাইপ দি চৰ অঞ্চলত বহুৱা হৈছে। সেই বিলাকটো খেলিমেলি কৰিছে।

মাননীয় অধ্যক্ষ মহোদয় মই আৰু এটা কথা হৈছে সেইটো হৈছে জে,আৰ,ওৱাই। তাৰ শতকৰা ২০ ভাগ টকাও বহু ক্ষেত্ৰত থিক মতে খৰচ কৰা নাই, সেইবোৰ পিচত কৰিম বুলি কৈছে, সেইবিলাক চাব লাগে। 'গভানিং বডি' কৰা হয়, তাৰ বিষয়ে পৰামৰ্শ দিব লগা আছে। এইটো জিলা পৰ্য্যায়ত কৰা হয় কিছুমান নিৰ্দ্ধাৰিত ৰাইজৰ দ্বাৰা কৰা হয়। যত নেকি

* Speach not corrected

৪/৫ জন বিধায়ক থাকে তাত নিয়োগ নহয়। এইবিলাক অধ্যক্ষ মহোদয় ৰাজনৈতিক দায়িত্বত কৰা হয় যদিও ইয়াত বিধায়ক সকলৰ মর্য্যদা নষ্ট হয়, এই কামবিলাক যাতে কৰা নহয় সেইটো চাব লাগে। বিধায়ক সকলৰ বিনা পৰামর্শত এইবিলাক কাম কমিব নেলাগে।

মাননীয় অধ্যক্ষ মহোদয়, আগতে কোৱা হৈছে ৰুৰেল ডেভেলপমেন্টত ৩ লাখ টকা দিয়া হৈছে। সেই বিলাক স্কুলৰ নামত দিয়া হৈছে, ৰাইজে এতিয়া আমাক সুধিছে, সেই কাম বিলাক কিয় হোৱা নাই। এতিয়া আকৌ জানিব পাৰিছো সেই টকা ৰেভিনিউ ডিপার্টমেন্টৰ পৰা দিব। যদি ৰুৰাল ডেভলপমেন্টে টকা দিব নোৱাৰে তেতিয়াহলে কিয় আমাক 'অকওৱাড পজিশ্যনত' পেলালে। এইটো অৱশ্যে আমাৰ ক্ষেত্রতে হোৱা নাই বুলি পার্টিৰ সদস্য সকলৰ ভেত্রটো দিছে। ইয়াৰ পৰা বিধায়ক সকলৰ মর্য্যাদা খুন্ন হৈছে। মই আৰু এটা ডাঙৰ কথা কব খুজিছো, গ্রাম্য উন্নয়নৰ ক্ষেত্রত গোতেই অসমকে ধৰি চৰ অঞ্চলো সামৰি লোৱা হৈছে। কিন্তু চৰ অঞ্চলত অসুবিধা হৈছে, বেংকে যি বিলাক 'লোন' দিছে চৰ অঞ্চলৰ মানুহক সেই বিলাকক দিবলৈ স্বীকাৰ কৰিছে। কিয়নো চৰ অঞ্চলৰ পৰা সেই বিলাক যাতায়তৰ কাৰণে আদায় কৰিবলৈ অসুবিধা বুলি কৈছো। কিন্তু মই তেওঁলোকক কৈছিলো ধুবুৰী জিলাৰ চৰ বিলাকলৈ মই দুই ঘন্টাৰ ভিতৰতে লৈ যাব পাৰিম যোগাযোগৰ অসুবিধা নাই। চৰকাৰে চেংশ্যন দিছে বেংক বিলাকে দিয়া নাই। বেংকে টকা ৰিলিজ নকৰে। দুনীতিয়ে সকলোকে সামৰিছে। বেংকো বাদ পৰা নাই। চৰ ডেভেলপ কৰিছে। চৰ অঞ্চলটো যাতে এই বেংকৰ সুবিধা পায় তাৰ বাবে মই মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক দৃষি আকর্ষন কৰিবলৈ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, বর্ডাৰ অঞ্চলৰ গ্রাম্য উন্নয়নৰ কথা মই কবলৈ বিচাৰিছো। আন্তঃৰাষ্ট্রীয় বর্ডাৰ উন্নয়নৰ কাৰণে প্রত্যেকটো ব্লাকৰ কাৰণে ১ কোটিকৈ টকা পাব যোৱা ২/৩ বছৰে কিছু টকা পাই আছে। কিন্তু আমি এইবাৰ দেখিছো ধুবুৰী জিলাখনৰ কাৰণে বর্ডাৰৰ ক্ষেত্রত মাত্র ৮৫ লাখ টকাহে আহিছে। বর্ডাৰ অঞ্চলত বহুতো স্কুল আছে যদিও প্রকৃততে এখনো স্কুল নাই কিয়নো তাৰ এখনো স্কুল চৰকাৰী কৰণ কৰা হোৱা নাই। আজি ৫০ বছৰে তাত স্কুল নাই স্কুলৰ নামত মাটি নাই কাৰণে স্কুল হোৱা নাই। বর্ডাৰ অঞ্চল উন্নয়ন কৰিবৰ কাৰণে চাব দিব লাগে। ধুবুৰীৰ সেই বর্ডাৰ অঞ্চললৈ ৪৫/৫০ কিঃমিঃ দুৰ। এই অঞ্চল বিলাকত কোনো ধৰনৰ 'ডিচপেঞ্চৰী' নাই।

মাননীয় অধ্যক্ষ মহোদয়, সদৌ শেষত মই এটা কথা ৰাখি মোৰ বক্তব্য সামৰিম। এই বিভাগটোত টকা দিব লাগে টকা-পইচা পাই আছে। টকা-পইচা বিলাক যাতে কাম-কাজ কৰাৰ ক্ষেত্রত দুৰ্নীতি কৰিব নোৱাৰে তাৰ প্রতি লক্ষ্য ৰাখিব লাগে যদি দুৰ্নীতি কৰে এই টকা-পইচা বিলাক অথলে যাব। এই ক্ষেত্রত ইয়াৰ দায়িত্বত থকা বিধানসভাৰ সদস্যসকলে, দায়িত্বত থকা সর্বসাধাৰণ ৰাজি আৰু আঞ্চলিক পঞ্চায়তৰ দায়িত্ব থকাসকলে লগতে চৰকাৰে

* Speach not corrected

এই দূৰ্নীতি ৰোধ নকৰে তেতিয়াহলে সকলো আঁচনি অথলে যাব। সেয়ে মই এই দূৰ্নীতি ৰোধ কৰাৰ কাৰণে কার্য্যকৰী কৰিবলৈ অনুৰোধ জনাই মোৰ কর্ত্তন প্রস্তাৱটো সমর্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ এতিয়া মাননীয় সদস্য শ্রী চন্দন কুমাৰ চৰকাৰ।

* শ্রী চন্দন কুমাৰ চৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কর্ত্তন প্রস্তাৱৰ বিৰোধীতা কৰি কেইটামান কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। গ্রামোন্নয়ন বিভাগৰ শিতানত যি টকা ধৰা হৈছে মই ভাবো সেইটো কম হৈছে - আৰু বেছি হব লাগিছিল। কাৰণ, আজি আমি সকলোৱে এটা স্বীকাৰ কৰিব লাগিব যে আমাৰ গাওঁ সমুহৰ প্রকৃতপক্ষে উন্নয়ন হৈছে পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ জৰিয়তে। আজি ভালেমান মাননীয় সদস্যই পঞ্চায়ৰ কামত সন্তুষ্ট হব নোৱাৰাৰ কথা উল্লেখ কৰিছে। কিন্তু মই উদাহৰণ দি কব খোজো যে এই চৰকাৰৰ দিনত এ,জি,পি, চি,পি,আই, কংগ্রেছ আদি কোনো ৰাজনৈতিক দলৰ ভেদাভেদ নাৰাখি সমপর্য্যায়ত আলোচনা বিলোচনা কৰি ভালেমান উন্নয়নমুলক কাম কৰিব পাৰিছে। এই বিভাগৰ কথা কবলৈ যাওতে মোৰ নিজা সমষ্টিৰ এটা কথা কব লাগিব যে লেটিচিঙাত এটা ই এণ্ড ডি বান্ধৰ এনেকুৱা অৱস্থা হৈছিল সেইটো ভাঙি যাও ভাঙি যাও অৱস্থা হৈছিল। এইটো ভাঙি যোৱাহেতেন ৫০/৬০ হাজাৰ মানুহৰ ঘৰ দুৱাৰ পানীয়ে উটুৱাই নিলেহেতেন। কিন্তু সেই বান্ধটো ডি,আৰ,ডি,এ,ৰ জৰিয়তে অনুসূচীত জাতি আৰু জনজাতি লোক সকলৰ কাৰণে প্রত্যেকটো ব্লকতে ৩/৪ শ মানুহৰ ঘৰ বান্ধি দিয়া হৈছে। দৰিদ্র লোক সকলৰ কাৰণে যি ধৰণ দিয়াৰ ব্যৱস্থা আছে সেইবোৰ পঞ্চায়তৰ যোগেদি দিয়া হৈছে। আজি ৰাস্তা-ঘাটৰ ক্ষেত্রত সকলো জিলাতে এক কোটিকৈ টকা দিয়া হৈছে। এই টকাবোৰৰ অপব্যৱহাৰ হোৱা বুলি দুই এজন মাননীয় সদস্যই উল্লেখ কৰিছে। এই টকাবোৰ ক'লৈ গল? গাওঁ পঞ্চায়তৰ কর্ম্মী সকলে খালে নেকি? এইটো সত্য নহয়। অৱশ্যে দুই এঠাইত কিবা দূর্নীতি হোৱা নাই বুলি মই নকও। কিন্তু গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আদিৰ যি সকল মেম্বাৰ আছে তেওঁলোক ইলেকটেড হৈ আহিছে। তেওঁলোকৰ সম অধিকাৰ আছে। গতিকে সকলো ক্ষেত্রতে তেওঁলোকে দূর্নীতি কৰা বুলি কলে আমি লব নোৱাৰিম। আজি আমাৰ এই চৰকাৰৰ দিনত বিশেষকৈ আমাৰ মুখ্য মন্ত্রীৰ তত্বাবধানত ৰুৰেল ডেভেলপমেন্ট বিভাগে যথেষ্ট উন্নতি কৰিব পাৰিছে। তাৰ তুলনাত ১৯৮৭ চনত পঞ্চায়তৰ জৰিয়তে কিবা কাম কৰিব পাৰিছিল নে? ৰাস্তা-ঘাটৰ কিবা হৈছিল নে? একো হোৱা নাছিল। এই চৰকাৰৰ দিনত গাওঁ উন্নয়ন বিভাগে যথেষ্ট কাম কৰিব পাৰিছে। আজি কেইবাজনো মাননীয় সদস্যই গড়কাপ্তানি বিভাগে কোনো কৰিব পৰা নাই বুলি কৈছে। এৱশ্যে বিত্তীয় নাটনিৰ কাৰণে কিছু দিন কাম কৰিব পৰা হোৱা নাছিল যদিও গাওঁ উন্নয়ন বিভাগে বহুতো ৰাস্তা ঘাটৰ কাম

* Speach not corrected

কৰি আছে। সেই ফালৰ পৰা এই বিভাগক আমি ধন্যবাদ দিব লাগিব। সেই কাৰণে মই ভাবো এই বিভাগৰ আৰু টকা বঢ়াই দিব লাগে আৰু তেতিয়াহে মহাত্মা গান্ধী, জৱাহাৰলাল নেহৰুৱে যি স্বৰাজৰ সপোন দেখিছিল সেই সপোন আমি বাস্তৱত ৰূপায়িত কৰিব পাৰিম। এইখিনিতে মই এটা কথা কৰ খোজো যে যোৱা বিধান সভাত ব্লক এডভাইচৰী কমিটিৰ বিষয়ে এটা কথা আলোচনা কৰা হৈছিল আৰু সেই মৰ্ম্মে আমাৰ বিধায়ক সভাপতি পাতি ব্লক এডভাইচৰী কমিটিও কৰি দিয়া হ'ল। এতিয়া কথা হ'ল - আমাৰ বিধায়ক সকলে এই কমিটি বোৰৰ সভাপতি হৈ থাকিব যদি ব্লকবোৰৰ কামবোৰ চোৱা-চিতা কৰাৰ কাৰণে ন্যায় তেনেহলে তাত কাম হব কেনেকৈ? আজি আপোনালোকে বঙাইগাওঁ জিলাই গৈ চাওক। তাত গাওঁ পঞ্চায়তৰ কাম দেখি আমাৰ মুখ্য মন্ত্রী মহোদয়েও সন্তুষ্ট হৈছে। আমাৰ যোগান বিভাগৰ মন্ত্রীয়ে কেৰাচিনৰ দাম সম্পৰ্কে দিয়া এটা কথাৰ কাৰণে বিৰোধী সদস্য সকলে আপত্তি দৰ্শাইছিল। আমিও সেইটোত আপত্তি কৰা নাই। কিন্তু এই বিভাগৰ টকা পইচা মঞ্জুৰীৰ ক্ষেত্রত সেইটোত আপত্তি কৰা নাই। কিন্তু এই বিভাগৰ টকা-পইচা মঞ্জুৰীৰ ক্ষেত্রত বিৰোধী সদস্য সকলে যি কৰ্ত্তন প্রস্তাৱ আনিছে সেইটো উঠাই লোৱাৰ কাৰণে অধ্যক্ষ মহোদয়, আজি অসমৰ এনেকুৱা এটা বিধান সভাৰ সমষ্টি নাই য'ত গাওঁ উন্নয়নৰ কাম হোৱা নাই। আমি বিধান সভাৰ কমিটিৰ হৈ অসমৰ বিভিন্ন জিলা চায় আহিছো। টি,এচ,পি, শিতানত পিগাৰীৰ কাৰণে যিবোৰ ঘৰ বান্ধি দিয়া হৈছে সেইবোৰ দেখি আমি সন্তুষ্ট হৈছো। আজি সমগ্র অসমতে গাওঁ লৰা-ছোৱালীয়ে খেল-ধেমালী কৰাৰ কাৰণে ষ্টেডিয়াম নাছিল। কিন্তু এই চৰকাৰে কেইখনো ষ্টেডিয়াম ইতিমধ্যে নিৰ্ম্মান কৰিছে আৰু এই ক্ষেত্রত আমি শিৱসাগৰত যিখন ষ্টেডিয়াম দেখি আহিছো তাৰ কাৰণে আমি চৰকাৰক ধন্যবাদ দিব লাগিব। সেইদৰে গ্রামোন্নয়ন বিভাগে বৰপেটা জিলাতো ভাল কাম কৰিছে। কিন্তু সৰুক্ষেত্রীৰ বিধায়ক গৰাকীয়ে কাম হোৱা নাই বুলি কৈছে। কিন্তু এই ক্ষেত্রত মই ভাবো যি সকলে গ্রামোন্নয়ৰ কাম কৰিব বিচাৰে তেওঁলোক দিশপুৱত বহি নাথাকি সমষ্টিলৈ যাওক। তেতিয়াহে গাওঁৰ কাম হব। তেওঁলোকে সমষ্টিলৈ গৈ কামবোৰ চোৱা চিতা কৰিলে দুর্নীতি কেতিয়াও হব নোৱাৰে। ইয়াৰ প্রমান মই নিজে পাইছো। মোৰ লকেল এতিয়াও ১৫ শতাংশ কাম ডি,আৰ,ডি,এৰ জৰিয়তে কৰা হৈছে। তাত দলংৰ কাম কৰা হৈছে, কলেজৰ কাম কৰা হৈছে। এই কলেজৰ কাম আমাৰ মুখ্য মন্ত্রী ডাঙৰীয়াই দেখি আহি সন্তুষ্টি প্রকাশ কৰিছে। এই কলেজখন আমাৰ ৰাজ্যপাল ডাঙৰীয়াই উদ্ঘোধন কৰি আহিছে। অৱশ্যে এইখন কলেজ বুলি নকৈ কমিউনিটি চেন্টাৰ হ'ল বুলি কৰা হৈছে, কিয়নো কলেজৰ নামত এই শিতানত টকা দিয়া নহয়। কিন্তু আমি কাম কৰিছো। সেই কাৰণে আমি সকলো সময়তে বিভাগক গালি পাৰিলে, চৰকাৰক গালি পাৰিলে কাম নহব। মাননীয় সদস্য আলাউদ্দিন সৰকাৰ ডাঙৰীয়াই এজন প্রজেক্ট ডিৰেক্টৰক ৰাইজে আগুৰি ৰখাৰ কথা উল্লেখ কৰিছে। কিন্তু এই ক্ষেত্রত মই কব খোজো যে

* Speach not corrected

মাননীয় বিধায়ক সকলো গভর্নিং বডিত আছে আৰু তেওঁলোক থকা অৱস্থাত পি,ডি ঘেৰাও হৈ থাকিব নালাগে। বিধায়ক সকলে নিজে দূর্নীতিৰ কথাৰোৰ চোৱা-চিতা কৰিলে দূর্নীতি কেতিয়াও হ'ব নোৱাৰে। আজি মাটি কটাৰ কথাও উৎথাপিত হৈছে। ২০ হাজাৰ টকাৰ মাটি কাটি ৫০ হাজাৰ টকাৰ মাটি কটাৰ ৰিপৰ্ট দিয়া বুলি এজন বিধায়কে কৈছে।

মাননীয় অধ্যক্ষ মহোদয়, কোনোৱা মাননীয় সদস্যই এন,ডব্লিউ,এচ, স্কীমৰ কথা কৈছে। তাত কাম কেনেকৈ কৰিব লাগে, বিতৰণ ব্যৱস্থা কেনেকৈ কৰিব লাগে। মোৰ সমষ্টি ভিজিট কৰি আহক, দেখিব গ্রাম্য উন্নয় বিচাৰে কেনেকৈ কাম কৰিছে, কেনেকৈ ফিচাৰী কৰা হৈছে। লাগি থাকিলে কাম হ'ব। গ্রাম্য উন্নয়ন বিভাগৰ দুই এখন জিলাত কাম কৰোতে শ্রুতি হব পালে। ধেমাজীত কাম নকৰা কাৰণে কিছু টকা ঘুৰি আহিছে, গৰ্ভানিং বডিৰ সদস্য কোন আছিল, ১৯৯১-৯২ চনত মাননীয় সদস্য শ্রী সনোৱাল শইকীয়া ডাঙৰীয়া আছিল। তেখেতে আপত্তি কৰা নাই, এক কোটি টকা ঘুৰি আহিছে। ট্রাইবেল সদস্য সকলো আমাৰ লগত তাত গৈছিল। এক কোটি টকা ঘুৰি আহিছে। ট্রাইবেল সদস্য সকলো আমাৰ লগত তাত গৈছিল। এক কোটি টকা কেনেকৈ ঘুৰি আহিল, কেনেকৈ কাম কৰিলে সেইটো কলে নহব। বহুতো অসুবিধাৰ মাজত কাম কৰিবলগা হৈছে। সকলোৰে কামত সহযোগ কৰিক লাগিব, যি সকলে ভাল কাম কৰে তেওঁলোকক ধন্যবাদ দিব লাগিব। সহযোগ নহলে গ্রাম্য উন্নয়ন আঁচনি ৰূপয়ন হব নোৱাৰে, সহযোগ হলেহে ভাল কাম হব।

অধ্যক্ষ মহোদয়, এই ক্ষেত্রত মই আমাৰ গ্রাম্য উন্নয়ন মন্ত্রী মহোদয়ক কেইটামান পৰামর্শ দিব বিচাৰেছো। মোৰ সমষ্টিত নতুন ব্লকৰ ষ্টাফ দিয়া নাই, যোৱা বাৰ নতুন ব্লক কৰা হৈছেল। তাত প্রয়োজনীয় পোষ্টত নিযুক্তি দিব লাগে। কিছুমান ঠাইত কাম দেখুৱাইছে, প্লেন ইস্তিমেট বেছি কম হৈছে। তিনিচুকীয়াত কিছুমান ঘৰ কৰিছে ১৪ হেজাৰ ৫ শ টকাত। এই টকাৰে কি ঘৰ হয়। এই নিয়ম অসম চৰকাৰৰ নহয়, ভাৰত চৰকাৰে বান্ধি দিছে, সেই টকাৰে কৰিব লাগিব। মই এই সদনৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই ক্ষেত্রত এটা প্রস্তাৱ আগবঢ়াব লাগে। টি,এচ,পি, আৰু আই,আৱ,ডি,পি, ৰ জৰিয়তে যিবিলাক ঘৰ বনোৱা হয় সেই ঘৰবোৰৰ কাৰণে ১৪ হেজাৰ ৫ শ টকা যথেষ্ট নহয়, গতিকে এই টকা অন্তত ২৫ হেজাৰলৈ বৃদ্ধি কৰিবৰ কাৰণে ভাৰত চৰকাৰলৈ প্রস্তাৱ পঠিয়াব লাগে। এই আঁচনিৰ জৰিয়তে যদিও এচ,চি/এচ,টি,ৰ মানুহখিনিকে সুবিধা আগবঢ়োৱা হয়, তাৰ বাহিৰেও জেনেৰেল কাষ্টৰ মানুহকো এই আঁচনিৰ জৰিয়তে উপকৃত কৰিব পাৰি।

উপাধ্যক্ষ মহোদয়, আমাৰ কোনোবা মাননীয় সদস্যই কৈছে যে ৩১ মার্চৰ ভিতৰত কাম কৰিব লাগিব। গতিকে পঞ্চায়তত মানুহ লগা হৈছে, আগতে কাম হোৱা নাই। ভাৰত চৰাকাৰৰ পৰা যেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্রী মহোদয়ে এই শিতানত টকা আনিলে কাম

* Speach not corrected

কৰাৰ কাৰণে কৰ্ম্মচাৰিৰ অভাব হেছে। মাননীয় মন্ত্রী মহোদয়ে অন্তত চালি জাৰি চাই অসমৰ এই বিভাগটোৰ কাৰণে কৰ্ম্মচাৰীৰ সংখ্যা বৃদ্ধি কৰিব লাগে। গাড়ীৰ যি প্রস্তাৱ দিয়া হৈছে সেই প্রস্তাৱত মইয়ো একমত। গোৱালপাৰীত সুদৰ টকাৰে খণ্ড অফিচ কৰা হৈছে, এইটো মই প্রস্তাৱ কৰিছিলো, সেইটো হৈ আছে। বঙাইগাওঁতো খণ্ড অফিচ কৰাৰ কাৰণে সিদ্ধান্ত লৈছো। সুদৰ টকাৰে আমি আমাৰ তিনি চাৰিটা ব্লকৰ এটাকৈ জীপ গাড়ী কিনিব পৰা যাব। এইটো অসুবিধা নহয়। এডভাইচৰী বোৰ্ডৰ ক্ষেত্রত মই চৰকাৰক এটা পৰামর্শ দিব খুছিছো। ইয়াৰ পৰা ন'টিফিকেশ্বন গৈছে, পাৱাৰ এণ্ড ফাণ্ডচন ৰখা নাই। আঞ্চলিক পঞ্চায়ত সভাপতি, মেম্বাৰ চেক্রেটাৰী, বি,ডি,অ, বহুতো পঞ্চায়তক তেওঁলোকে বেয়া পায়। প্লেন বঢ়োৱাৰ চিঠি পত্র কমিটিৰ হাতত নাথাকে, সেই কাৰণে এই কমিটি খন সক্রিয় কৰিব লাগে। তেতিয়া হলে ভাল কাম কৰাত সুবিধা হব। আমাৰ মাননীয় সদস্য শ্রী আলাউদ্দিন সৰকাৰ ডাঙৰীয়াই এটা কথা কৈছে সেইটো বাতিল কৰিব লাগে। আঞ্চলিক পঞ্চায়তৰ অফিচলৈ যাবলৈ তেখেতৰ লাজ লাগে, এইটোৰ মই বিৰোধিতা কৰিছো, পঞ্চায়তৰ সদস্যৰ সন্মান আছে। স্পেচিফিকেলি কোনোবা ব্লকত যদি বেয়া আছে সেইটো বেলেগ কথা। অসম বিধান সভাৰ সদস্য সকল ইয়াত বহি থাকিলে নহব, দিশপুৰ এৰি প্রত্যেকে নিজ নিজ সমষ্টিলৈ যাব লাগিব। এবাৰ বিধায়কে নিজে গৈ কাম হৈছে নে নাই যদি খবৰ নলয় সেইটো লাজৰ কথা নহয় কি হব। নিজৰ ঘৰৰ ওচৰত অফিচ আছে, তালৈ যাবলৈ কিয় লাজ পায় মই বুজি নেপাও। পঞ্চায়তৰ সদস্য বিলাক কংগ্রেছ বা চি,পি,এম বুলি নির্ব্বাচিত হোৱা নাই। নিৰপেক্ষ ভাবে ইলেক্চন হৈছে। যদি বিধায়কে খবৰ লবলৈ নেযায় তেতিয়া জিৱো হব। সকলো খিনি ক্ষমতা পঞ্চায়তৰ হাতত দিয়া হৈছে।

* **শ্রী আলাউদ্দিন সৰকাৰ ঃ** অধ্যক্ষ মহোদয়, লাজ আৰু আক্কেল সেই বিলাকৰ আছে যিবিলাক ভদ্র চিন্তাশীল মানুহ।

* **শ্রী চন্দন কুমাৰ সৰকাৰ ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় কোনোবা এজন সদস্যই কৈছে যে সৰকাৰ সদস্য নহয়, চাৰ্কুলাৰত নাই, এচ,চি,/এচ,টি, আৰু ওমেন থাকিব লাগিব। এজ পাৰ নমচ মতে তেখেত সকল বিধায়ক নহয়। এচ,চি, ৰ কোটা বঢ়াৰ লাগে, গর্ভানিং বোড়িত দিব লাগে। এচ,চি,/এচ,টি, পঞ্চায়তৰ কাৰণে যি কৰিছে আৰু ভাল হব। এডভাইছৰী কমিটি বিলাক সোনকালে বহিব পাৰে তাৰ কাৰণে ইয়াৰ পৰা চার্কুলাৰ দিব লাগে।

উপাধ্যক্ষ মহোদয়, এতিয়ালৈকে বহুত জিলাত গাওঁ পঞ্চায়তৰ সম্পাদকৰ নিযুক্তি হোৱা নাই। বঙাই গাওঁ জিলাতো সম্পাদকৰ নিযুক্তি হোৱা নাই। যদি গাওঁ পঞ্চায়তৰ সম্পাদক সকলৰ নিযুক্তি নহয় তেতিয়া হলে গ্রামোন্নয়ন বিভাগৰ টকা পঞ্চায়তৰ জৰিয়তে ৰূপায়ন কৰাত অসুবিধা হব। মই অনুৰোধ জনাইছো যাতে মন্ত্রী মহোদয়ে অনতি পলমে বি,কম, পাছ লৰা

---

* Speach not corrected

বিলাকক গাওঁ পঞ্চায়তৰ সম্পাদক পদত নিযুক্তি দিব লাগে আৰু দৰমহা দিব লাগে। পঞ্চায়তত চতুর্থ শ্রেণীৰ কর্ম্মচাৰী দিয়াৰ ব্যৱস্থা কৰিব লাগে। পঞ্চায়ত বিলাকত যিখিনি সৰু সৰু সুবিধা দিব পাৰি তাক দিব লাগে। সুকলো ৰাজনৈতিক নেতাই যদি সদইচ্ছাৰে পঞ্চায়তৰ লগুত সহযোগিতা কৰে তেতিয়া হলে ভাল কাম কৰিব পৰা হব। ডি,আৰ,ডি,এৰ যোগেদি কৰিব পাৰে, ট্রাইচেমৰ অধীনত কাম কৰিব পৰে। ৰাস্তা, দলং, কমিনিউটি চেন্টাৰ হল, লাইব্রেৰী হল আদি কৰিব পাৰে। গতিকে মই আমাৰ মাননীয় বিৰোধী দলৰ সদস্য সকলক কর্ত্তন প্রস্তাৱ উঠাই লবলৈ অনুৰোধ কৰিছো। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member Shri Giasuddin Ahmed.

* শ্রী গিয়াচউদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পর্কত মই দুটামান কথা আলোচনা কৰিব বিচাৰিছো। কেন্দ্রীয় চৰকাৰৰ ডি,আৰ,ডি,এৰ ফাণ্ড আৱন্টন কৰাৰ এটা ফর্মূলা বান্ধি দিছে। এই ফর্মূলা এনে ধৰণৰ। এ,চি,/এচ,টি থকা অঞ্চলত মুঠ টকা ৬০ ভাগ দিবলাগিব আৰু বাকী অঞ্চলবিলাকত শতকৰা ৪০ ভাগ দিবলাগিব। এচ,চি/এচ,টি সকলৰ আর্থ সামাজিক উন্নয়নৰ কাৰণে বিশেষ ধৰণৰ ব্যৱস্থা কৰিছে। আমি তাৰ বিৰোধী নহয়। কিন্তু ডি,আৰ,ডি,এৰ ফাণ্ড আৱন্টনৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰে যি নিয়ম বান্ধি কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰা উচিত হব বুলি ভাবিছো। অসমত এনেকুৱা অঞ্চল আছে যত এচ,চি/এচ,টি পপুলেচন নাই দৃষ্টান্ত হিচাবে মই কব খুজিছো আমাৰ ধুবুৰী জিলা আনকি সকলো জিলাতে বিস্তৃত এলেকাত এচ,চি এজনো নাই আৰু কোনো কোনো জিলাত এ,চি, পপুলেচন একেবাৰে কম। কৰবাত আছে শতকৰা ২ কৰবাত আছে শতকৰা ৩, ৪, ৫। এই ফর্মূলা মতে ডি,আৰ,ডি,এৰ ফাণ্ড আৱন্টন কৰিবলৈ গৈ দেখা গৈছে যে কিছুমান অঞ্চলত পাৰ কেপিতা ৫ টকাকৈ পায়। আৰু যত এচ,চি, পপুলেচন কিছু আছে তাত Percapita ১৭৫ টকা হয়। এচ,চি,/এচ,টি, সকলৰ কাৰণে বিশেষ সুবিধাৰ আমি পক্ষপাত তাৰ মানে এইটো নহয় যে বাকী অঞ্চল মানুহ বঞ্চিত হব লাগে। সেই কাৰণে মই এটা পৰামর্শ আগবঢ়াব খুজিছো ৰাজ্যিক চৰকাৰে কেন্দ্রীয় চৰকাৰৰ লগত এই কথাটো লৈ আলোচনা কৰক। প্রথম কথা প্রতিখন জিলাত কিমান এচ,চি/এচ,টি পপুলেচন আছে আৰু তাৰ গাওঁ পঞ্চায়ত হিচাবে এটা হিচাব উলিৱাওক আৰু এচ,চি থকা এলেকা বিলাকত কেন্দ্রীয় চৰকাৰে বিশেষ ভাবে অতিৰিক্ত টকা মঞ্জুৰী দিয়ক। বাকী অঞ্চল বিলাকতো যাতে বঞ্চিত নহয় কোনোবাই পৰ শতকৰা ৫ ভাগ জনমুৰি আৰু কোনো কোনো এলেকাত পাব ১৭৫ টকা এই পার্য্যক্য যুক্তিসংগত নহয় বুলি ভাবো। ধুবুৰীৰ গভনিং বডিৰ মিটিঙত আমি এই সমস্যাটো বিশেষ ভাৱে আলোচনা কৰিছো। ধুবুৰী জিলাৰ বেছি ভাগ অঞ্চলত এচ,চি/এচ,টি পপুলেচন নাই। শতকৰা ১৫ ভাগ মানুহে শতকৰা ৪০ ভাগ পায় আৰু ৫ ভাগ

---

* Speach not corrected

মানুহে ৬০ ভাগ পায়। ই কোনো যুক্তিসন্ধত কথা নহয়। এইটো এটা সমাঞ্জস্য বিহিন কথা হৈছে। কেন্দ্রীয় চৰকাৰে যি ফৰ্মূলা বান্ধি দিছে তাত অসম চৰকাৰে একো কৰিব নোৱাৰিলেও কেন্দ্রীয় চৰকাৰৰ লগত অন্তত আলোচনা কৰি কৰিব পাৰি। দ্বিতীয় কথাটো হ'ল ডি,আৰ,ডি,এৰ কাম কৰাৰ যি পদ্ধতি অৱলম্বন কৰা হৈছে তাত জৰাহাৰ ৰোজগাৰ যোজনাৰ অধীনত কামখিনিৰ মূল উদ্দেশ্য হৈছে গাওঁৰ নিৰনুৱা মানুহখিনিক কৰ্ম্মসংস্থানৰ ব্যৱস্থা কৰা। কিন্তু পদ্ধতিটো এনেকুৱা ধৰণৰ যিটো পদ্ধতিৰ ফলত কিছুমান সমাজ বিৰোধী মানুহে চি,আৰ,ডি,এৰ মূল উদ্দেশ্য ব্যর্থ কৰাৰ সুযোগ পায়। তাত কোনো কন্ট্রাকটৰ নিয়োগ কৰাৰ নিয়ম নাই। সেইটো আমিও নিবিচাৰে। বিভাগে নিজে এই কাম পোনে পোনে কৰিবলাগিব। কিন্তু তাৰ ৰাস্তৰ অসুবিধা দেখা গৈছে। এটা ব্লকত ১ জনকৈ জুনিয়ৰ ইঞ্জিনিয়াৰ থাকে। এটা ব্লকত ১০/১২ টাকৈ গাওঁ পঞ্চায়ত থাকে। প্রত্যেকটো ব্লকত ১০/১২ ঠাইত কাম চলি থাকে। গতিকে এজন জুনিয়ৰ ইঞ্জিনিয়াৰৰ কাৰণে কামৰ তদাৰকি কৰাতো সম্ভৱ নহয়। যাৰ ফলত কিছুমান গাওঁৰ মানুহক দায়িত্ব দিয়ে। গাওঁৰ কোনবিলাক মানুহে এই বিলাক দায়িত্ব লবলৈ আহে। অপ্রিয় হলেও কথাটো সত্য গাওঁত কিছুমান মানুহৰ সৃষ্টি হৈছে যি সকলে ডি,আৰ,ডি,এৰ এই সুবিধাখিনি নিজৰ স্বার্থৰ কাৰণে ব্যৱহাৰ কৰিছে। কোনো এটা ৰাষ্টাত যদি ৫০ হাজাৰ টকা মঞ্জুৰ হৈছে জৰাহাৰ ৰোজগাৰ যোজনাত। সেইটো দেখা গৈছে যে ৫০ হাজাৰৰ ভিতৰত বিভাগে মেক্সিমাম কাম কৰে ২৫ হাজাৰ টকাৰ। তাৰ বেচি নহয়।

মাননীয় অধ্যক্ষ মহোদয়, ধৰক এটা ৰাষ্টাৰ কাৰণে ৫০ হাজাৰ টকা দিয়া হৈছে, ইয়াৰ ভিতৰত দেখা যায় ২৫ হাজাৰতকৈ বেছি টকাৰ কাম হোৱা নাই। বাকী ২৫ হাজাৰ আত্মসাৎ কৰা হয়। এইদৰে প্রায় অধিক টকাই অপব্যয় কৰা হয়। বা অপ্রয়োগ কৰা হয়। এইটো কৰাৰ সুবিধা কেনেকৈ পালে? ইয়াৰ বাবে বর্ত্তমান পদ্ধতিটোতে কেৱণ সোমাই আছে বুলি কব পাৰি। মাষ্টাৰ ৰোল এটা মইন টেইন কৰে এজন বি,ডি,অ, আৰু জুনিয়ৰ ইঞ্জিনীয়াৰে। ইয়াৰ বাবে প্রচুৰ ফাণ্ড আহে। কিন্তু কোন মানুহে কাম কৰে, কেনেকৈ আৰু কিমান দিন কাম কৰে, সেইবোৰ হিচাব বি,ডি,অ, জনে নেৰাখে বা ইঞ্জিনীয়াৰ জনে নেৰাখে আৰু ৰখাৰ প্রয়োজনো বোধ নকৰে। কাম কৰা, শ্রম কৰা লোকৰ লগত ইয়াৰ কোনো সম্পর্কও নাই আৰু তাক তদন্ত কৰাৰ কোনো ব্যৱস্থাও নাই। এই পদ্ধটিটোত ঠিকাদাৰৰ জৰিয়তে কাম নকৰে, নেয়মটো ঠিকেই আছে, কিন্তু মই ভাবো আৰু আমাৰ কেইবাজনো মাননীয় সদস্যই কৈছেই আৰু মাননীয় চন্দন চৰকাৰ ডাঙৰীয়াইও বোধ কৰো কৈছে যে কর্ম্মচাৰীৰ সংখ্যা বঢ়াই দিব লাগে। প্রতিটো কামৰ ওপৰত যাতে চকু ৰাখিব পাৰে তাৰ বাবেই কর্ম্মচাৰী বৃদ্ধি কৰা উচিত। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বহুতো মহকুমাত পঞ্চায়ত নাই। মোৰ সমষ্টি পশ্চিম বিলাসী পাৰাত এতিয়াও পঞ্চায়ত গঠণ হোৱা নাই। হাই কর্টৰ ৰায় অনুসৰি আৰু মাননীয় মুখ্য মন্ত্রীৰ নির্দ্দেশ থকা স্বত্বেও ইয়াত গাওঁ

* Speach not corrected

পঞ্চায়ত নির্বাচন পতা নাই। হাই কৰ্ট আৰু মাননীয় মুখ্য মন্ত্রীৰ নিৰ্দ্দেশ অমান্য কৰা হৈছে। সেইটো কাট মোটনৰ সময়ত মই প্রমাণ কৰিবলৈ চেষ্টা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তাত বি,এল,টি,চি এটা ধৰিছে। এম,এল,এ, জন্ তাৰ চেয়াৰ মেন পাতি দিছে। মোকো তাত চেয়াৰ মেন পাতিছে। আৰু বাকী যিমান কেইজন তাত মেম্বাৰ কৰি দিছে, তেওঁলোকৰ সমালোচনা মই কৰিব খোজা নাই। কিন্তু মই নিজে ভাবি আছো, চেয়াৰমেন হিচাবে মই তাত থাকিম নে বিদায় লম, সেই কথাটো ভাবিব লগীয়া হৈছে। পঞ্চায়ত যদি থাকিলেহেঁতেন, তেতিয়া হলে এই মেম্বাৰ আদি চিলেক্ট কৰা কথাটো পঞ্চায়তৰ হাতত থাকিলেহেঁতেন। বৰ্ত্তমান কথাটো পঞ্চায়ত মন্ত্রীৰ হাতত আছে। আৰু এনে কিছুমান মানুহক মেম্বাৰ হিচাবে নমিনেট কৰা হৈছে তেওঁলোকৰ ৰাজনৈতিক চৰিত্র কি, সমাজৰ কাম কৰাৰ মনোভাব আছে নে নাই এই বিলাক কথা বিবেচনা নকৰাকৈ যাকে-তাকে বি,এল,টি,চিৰ মেম্বাৰ কৰি দিছে। এই পৰিপ্রেক্ষিতত মই মোৰ সমষ্টিৰ এটা উদাহৰণ দিব বিচাৰো, তেতিয়া অৱশ্যে মই এম,এল,এ, নাছিলো। সেইটো হ'ল, এটা স্কুল বিল্ডিঙৰ কাৰণে ৮০ হাজাৰ টকা খৰছ কৰিছে। সেই স্কুলখন মই চাবলৈ গৈছিলো। মোৰ আগৰ বুলি মই কৈছো, মাননীয় অধ্যক্ষ মহোদয় তাত গৈ মই আচৰিত হলো যে তাত ঘৰৰ নামত মাত্র খুটা কেইটামান আছে। চাল নাই, বেৰ নাই, একো নাই, স্কুল চলি আছে এডাল গছৰ তলত। কেনেবাকৈ বৰষুণ আহিলে ওচৰৰ এঘৰ মানুহৰ তাত ল'ৰা-ছোৱালীবোৰ সোমাই অলপ পঢ়া-শুনা কৰি গুছি যায়। কেৱল এখনেই নহয়, এনেকুৱা বহুতো স্কুল আছে যাৰ নামত টকা আত্মসাত কৰি বহি আছে। এই যে ৮০ হেজাঁৰ টকা খৰছ কৰি বহি আছে, (মাষ্টাৰ ৰোলৰ কামৰ কথা কোনে ধৰিব) এইবোৰ ধৰিবলৈ কোনো নাই। গতিকে কাম কৰাৰ পদ্ধতিতে ষ্ট্রিম, লাইন কৰিব লাগে। ইয়াত লেকুনা আছে। সমাজ-বিৰোধী লোক সদায়েই থাকিব। দুৰ্নীতি কেতিয়াও গুচি নেযায়। গতিকে আমি নতুন পদ্ধতি উদ্ভাবন কৰিব লাগিব। যদি কামৰ পদ্ধতি দোষমুক্ত কৰা যায়, তেতিয়া হলে দুৰ্নীতি কিছুপৰিমাণে দূৰ হ'ব। মই ভাবো, কাম কৰাৰ পদ্ধতি সাল-সলনি কৰা সম্পর্কে চৰকাৰে অলপ চিন্তা কৰা উচিত। ডি,আৰ,ডিৰ আন্দৰত প্রচুৰ ফাণ্ড আমি পাইছো। আৰু আহেয়েই আছে। এই টকা খিনি যদি ভালদৰে খটোৱা যায় তেতিয়া হলে গ্রাম্যাঞ্চলত কিছুমান উন্নয়ণ সাধন হ'ব বুলি আশা কৰা যায়। মাননীয় সদস্য শ্রীচন্দন চৰকাৰে গাঁত কাম হৈছে বুলি যি আত্ম সন্তোষ্টি লাভ কৰিছে, সেয়া নিজকে সন্তোষ্টি দিয়াৰ বাহিৰে অন্য একো নহয়। গাৱঁত ৩০ হাজাৰ টকা খৰছ দেখুৱাই মাত্র ৫ হাজাৰ টকাৰ কাম কৰি বাকী খিনি নকৰাকৈ পৰি আছে। এই বিষয়ে চাৰিওফালৰ পৰা ৰাইজৰ অভিযোগ আহিয়েই আছে। এইবোৰ কথা একেবাৰে ওলাই কৰিব পৰা বিধৰ নহয়। ডি,আৰ,ডি,য়ে সঠিক ভাবে কাম কৰিব পৰা নাই, তাৰ বাবে বিভাগীয় ব্যৱস্থা কৰা নাই। প্রকৃত টকা ইউটিলাইজ কৰিব পাৰিলেহে ৰাইজৰ উন্নয়ন সাধন হ'ব।

---

* Speach not corrected

মাননীয় অধ্যক্ষ মহোদয়, স্থানীয় বিবিলাক কর্ম্মচাৰী আছে তাৰে কিছুমানে স্বত্বভাৱে দাম কৰিব বিচাৰিলেও নোৱাৰে। সত্ কর্ম্মচাৰী সকলক মই অসত্ বুলি কব খোজা নাই। সত্ কর্ম্মচাৰী সকলে অনেষ্টলি কাম কৰিব খোজে কিন্তু তেওঁলোকৰ পৰিবেশ এনেকুৱা হয় যে কোনো ৰকমে এবাই যাব নোৱাৰে। দুর্নীতি হয় এই বাস্তবায়িকতাৰ কাৰণে। চৰকাৰৰ আন্তৰিকা থাকিলে অলপ উন্নতি কৰাৰ ব্যৱস্থা কৰিব পাৰিলেহেতেন। ডি,আৰ,ডি,এ,ক যিমান টকা ব্যয়ৰ কাৰণে দিয়া হয় তাৰে অঙ্কটো অলপ কমালে ভাল হয়। তেতিয়া ১০০ ভাগ দুর্নীতি কমাব নোৱাৰিলেও শতকৰা ৫০ ভাগ হলেও দুর্নীতি কমাব পাৰিব বুলি মই ভাবো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্রীহিতেশ্বৰ ডেকাই কব।

* শ্রী হিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, গাওঁ উন্নয়ন বিভাগৰ কর্ত্তন প্রস্তাৱ বিৰোধী পক্ষৰ পৰা উৎথাপন কৰা হৈছে আৰু এই কর্ত্তন প্রস্তাৱৰ সপক্ষে আৰু বিপক্ষে কেইবাজনো সদস্য ই নিজৰ নিজৰ বক্তব্য দাঙি ধৰিছে। মোৰ আগৰজন মাননীয় সদস্য শ্রী গিয়াছুদ্দিন আহমেদদেৱে যি নীতিৰ বিষয়ে উল্লেখ কৰিছে চাই নীতিক মই অন্তৰৰ সমর্থন কৰিছো। এই কথাটো স্বীকাৰ কৰিব লাগিব যে বর্ত্তমান সময়ত আটাইতকৈ যিটো বিভাগত কাম-কাজৰ আঁচনি কৰা হৈছে চাই বিভাগটো হৈছে গাওঁ উন্নয়ন বিভাগ। এই বিভাগটোত কেন্দ্রীয় চৰকাৰৰ ধন আৰু ৰাজ্য চৰকাৰৰ ধন যথেষ্ট পৰিমাণে ব্যয় কৰা হৈছে। এই গাওঁ উন্নয়ন বিভাগটোত নিবন্ধ আছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এটা কথা স্বীকাৰ কৰিব লাগিব যে, গাওঁ উন্নয়ন বিভাগত এতিয়া এচাম সুবিধাবাদীয়ে দুর্নীতিৰ পথ সুচল কৰিলে। আমি কোনোবা এগৰাকী মন্ত্রী বা কোনোবা এগৰাকী বিষয়াক গালি পৰিলে সমস্যা সমাধান নহয়। এই বিভাগটোৰ লগত ৰাজনৈতিক ভাবে এচাম লোক দুর্নীতি প্রৱণতা আৰু আমাৰ গাওঁ উন্নয়ন অঞ্চলৰ ৰাজি সচেতনতাৰ অভাৱত মুল কাৰণ। এই গাওঁ উন্নয়ন বিভাগটোত যি ধৰণে টকা ব্যয় কৰা হৈছে তাৰ সুফল লাভৰ কার্য্যকাল চৰকাৰী ব্যয়ৰ বাবে শাসক দুই এগৰাকীয়ে গাওঁ উন্নয়নৰ কথা ভাবিছে। তেখেত সকলে বেছি দুৰলৈ যাব নালাগে আজি ৩ দিন ধৰি গাওঁ উন্নয়ন বিভাগটোত শাসন নোহোৱা যেনহে হৈছে। উপন্যাসত যি দৰে ৰচনা কৰা হয় এই বিভাগৰ অৱস্থাও একে হৈছে। অসমীয়া প্রতিদিন কাকতত ধাৰাবাহিক হিচাবে উল্লেখ কৰিছে - ৰাজিৰ উন্নয়নৰ ধনী ৰাইজৰ কল্যামৰ ধন আজিকালি এচাম সুবিধাবাদী ব্যক্তিয়ে লক্ষীমপুৰ গাওঁ পঞ্চায়ত কাৰ স্বার্থ পুৰণ কৰিলে।

১। ৰাইজৰ নামত অহা, আঁচনিৰ নামত অহা লাখ লাখ টকা ব্যয় কৰা হয় লক্ষীমপুৰ গাওঁ উন্নয়নৰ বাবে। এই টকাই কাৰ স্বার্থ পূৰণ কৰিছে?

২। তাৰ পিচত আজিৰ প্রতিদিনত লিখিছে গাওঁ উন্নয়ৰ টকাই উত্তৰ লক্ষীমপুৰৰ

* Speach not corrected

কাৰ স্বাৰ্থ পূৰণ কৰিছে? আজিলৈকে বিভাগৰ এই বিভাগটোৱে প্ৰতিবাদ কৰিবলৈ সত্ সাহস গোটাব পৰা নাই। বাস্তৱিকতে এই বিভাগটোৱে কি কি কাম হাতত লৈছে? কেৱল উত্তৰ লক্ষীমপুৰতে যে ডি,আৰ,ডি,এ এটা অপব্যয় কৰিছে এনে নহয় সমগ্ৰ অসমতে এন কৰা হৈছে।

শ্ৰী ইন্দ্ৰ গগৈ (ক্ৰীড়া মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পেপাৰত যিবোৰ কথা উল্লেখ কৰিছে আচলতে সেইবোৰ নহয়।

শ্ৰী হিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো মই কোৱা কথা নহয়, পেপাৰৰ কথাহে কৈছো। মাননীয় মন্ত্ৰী মহোদয়ে যিটো অভিযোগ উত্থাপন কৰিছে সেইটো নহয়। আমাৰ মাননীয় সদস্য চন্দন সৰকাৰদেৱে কৈছে যে দূৰ্নীতি হোৱা নাই। ১৯৯২ চনত বাজেট অধিবেশনত তথ্য সহকাৰে যিটো দাখিল কৰিছিল এইটো আপোনালোকৰ মনত আছে। তেতিয়াৰযুটীয়া সচিবে ৩৫ লাখ টকাৰ ট্ৰাঙ্ক আৰু ১১ লাখ টকাৰ চাইনবোৰ্ড বনোৱাত খৰছ কৰিছিল। তেতিয়া চাই যুটীয়া সচিব গৰাকীক বদলি কৰা হল। বদলি কৰা লগে লগে সমস্যা সমাধান হল নেকি? অসমৰ কোন কোন ডি,আৰ,ডি,এ,ৰ নামত ৪৬ লাখ টকাৰে ট্ৰাঙ্ক আৰু চাইনবোৰ্ড কিনিলে? মুখ্য সচিবে সঠিক ছবি উদঘাটন কৰিব পাৰিবনে? সেইকাৰণে মই আহ্বান জনাইছো যে এই বিভাগটোত মহামানৰ মহাত্মা গান্ধীৰ মহৎ আদৰ্শ বাস্তৱত ৰূপায়ন কৰিবৰ কাৰণে ভাৰতবৰ্ষত আত্মা থাকে। সেই আত্মা গাঁৱত আছে আমাৰ লগত সপোন থাকে। গাঁও অঞ্চলত শতকৰা ৮৯ ভাগ লোক বাস কৰে। আমাৰ মাননীয় সদস্য গিয়াছুদ্দিন আহমেদ ডাঙৰীয়াই নীতিগত ভাৱে প্ৰসন্দ আকাৰে প্ৰস্তাৱ আনিছে। তেখেতক মই সমৰ্থন জনাইছোঁ। গ্ৰাম্য অঞ্চলৰ ধন যাতে সৎ কামত ব্যয় কৰিব পাৰে সেইটো অধ্যয়নৰ কাৰণে এই কৰ্ত্তন প্ৰস্তাৱটো মই উত্থাপন কৰিছো। ডি, আৰ, ডিৰ নামত প্ৰতিটো তাৰিখৰ বিপৰীতে শতকৰা ৪ ভাগ কাটিব লাগিব। এই ধৰণৰ কত প্ৰতিবাদ হয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদনত জনাব পাৰিবনে? যে এই শতকৰা ৪ ভাগৰ উপৰিও আৰু শতকৰা ৬৮ ভাগ আৰু ৬ ভাগ কৰ্ত্তন কৰা হয়। এই ধন কিয় কৰ্ত্তন কৰিবলগীয়া হয়? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক জনাব লাগে। ইয়াৰোপৰি মাননীয় অধ্যক্ষ মহোদয়, এই কথা সকলোৱে জানে যে যিকোনো আঁচনিত ব্যয় কৰিবলৈ হ'লে জিলা পৰিচালনা সমিতিৰ অনুমোদন ল'ব লাগে। এই অনুমোদিত ব্যয় প্ৰথমে শতকৰা ৬০ ভাগ মুকলি কৰি দিয়ে। পিচত শতকৰা ৪০ ভাগ দিয়ে। সেইদৰে ১৯৯১-৯২, ১৯৯১-৯২, ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনত শতকৰা ৪০ ভাগ মুকলি নকৰা ধন বাকী আছে?

Mr. Speaker : It is 1-30 P.M. now, Mr, Deka, you will continue. The House stands adjourned till 3 P.M. today, the 20 the

---

* Speach not corrected

March, 1995. (The Assembly re-assembled led at 3 P.M. on 29th March'1995 with Hon'ble speaker in the chair)

Mr. Speaker : Mr. Hiteswar Deka.

* শ্রী হিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ বক্তৃতাৰ আধৰুৱা কথাখিনি এতিয়া আগবঢ়াব বিচাৰিছো। আমাৰ গ্ৰামোন্নয়ন বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত যিখিনি কথা কৈছিলো তাৰ আধৰুৱাখিনি সংযোজন কৰিবলৈ হ'লে বিষয়টো এনেকুৱা ধৰণৰ ঃ মই আগতে কৈছিলো যে গ্ৰামোন্নয়ন বিভাগৰ এখন আঁচনিৰ কাম গ্ৰহণ কৰা সময়ত সেই আঁচনিৰ ষাঁঠি শতাংশৰ মুকলি কৰি দিয়া আৰু পৰৱৰ্ত্তী চল্লিশ শতাংশ ধন মুকলি কৰা হয় আঁচনিৰ কাম শেষ হোৱাৰ সময়ত। কিন্তু মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা দেখিছো সেই চল্লিশ শতাংশ ধন বিষয়া কৰ্মচাৰীয়ে আত্মসাৎ কৰে। বিশেষকৈ উদাহৰণস্বৰূপে, মই দৃষ্টান্ত সহকাৰে ক'ব খুজিছো যে ১৯৯০-৯১, ১৯৯১-৯২, ১৯৯২-৯৩, আৰু ১৯৯৩-৯৪ চনৰ কামৰূপ ডি, আৰ, ডি এৰ বহুত আঁচনিৰ ধনৰ চল্লিশ শতাংশ আজিলৈকে মুকলি কৰি দিয়া নাই। কৰবাত হয় ফাণ্ড ডাইভাৰ্ট কৰা হৈছে অথবা কৰবাত সেইখিনি বিষয়া আৰু কৰ্মচাৰীয়ে আত্মসাৎ কৰিছে।

অধ্যক্ষ মহোদয়, মই আগতেই গুৰুত্বসহকাৰে কৈছিলা যে গ্ৰামোন্নয়ণ বিভাগলৈ কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰৰ পৰা প্ৰচুৰ ধন আহিছে আৰু গ্ৰামোন্নয়ণ বিভাগৰ চেহেৰাৰ ওপৰতেই ঘাইকৈ ৰাজ্যখনৰ উন্নতিৰ কথা নিৰ্ভৰ কৰে। সেয়েহে এই বিভাগৰ ওপৰত আৰু ইয়াৰ বিত্তীয় শৃংখলাৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। কোনোবা মন্ত্ৰীয়ে কোনোবা এজন বিষয়াক গালি পাৰিলেই গ্ৰমোন্নয়ণ বিভাগটো শুদ্ধ হৈ নাযায়। তাৰ পৰিবৰ্ত্তে বিভাগটো সঠিক ভাবে কাৰ্য্যক্ষম কৰিব লাগিব আৰু দুৰ্নীতি পৰায়ণ বিষয়া কৰ্ম্মচাৰীৰ প্ৰাধান্য দুৰ কৰিব লাগিব। তাৰ লগে লগে ৰাইজকো অলপ বেচি সচেতন কৰি তুলিব লাগিব দ্বিতীয় পৰ্য্যায়ত দুৰ্নীতিপৰায়ণ বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লব পাৰিব লাগিব যেন দৃষ্টান্তমূলক তেনে ব্যৱস্থাৰ দ্বাৰা ভবিষ্যত দুৰ্নীতি বন্ধ কৰিব পৰা যায়। আমাৰ মাননীয় বিধায়ক শ্ৰী চন্দন সৰকাৰ ডাঙৰীয়াই কৈছে যে পাঁচ বছৰলৈ দুৰ্নীতি হোৱা নাই। হোৱা নাই কাৰণেই গোলাঘাটৰ ডি,আৰ,ডি,এ জনক নিলম্বিত কৰিবলগীয়া হ'ল। দুৰ্নীতি কৰা নাই কাৰণেই নিলম্বিত কৰিছে। অধ্যক্ষ মহোদয়, মই অতি দুখেৰে জনাব খুজিছো যে আমাৰ জিলা পৰিচালনা সমিতিৰ সদস্য হিচাবে এজন কোনো কৰ্ম্মচাৰী বিৰুদ্ধে বিশেষ ভাবে অভিযোগ উত্থাপন কৰা সত্বেও কোনো কাম নহল। ইয়াত বি,জে,পি, এ,জি,পি বুলি দলীয় ভাগ হব নালাগে। দুৰ্নীতি দুৰ্নীতিয়েহ। তাক যিয়েই নকৰক মানি লোৱাতো এক অপৰাধ বুলি গণ্য হব লাগে। কামৰূপ জিলাৰ বেজেৰা উন্নয়ণ খণ্ডৰ উন্নয়ণ ভিষয়া এজনৰ বিৰুদ্ধে পূব কামৰূপ মহাবিদ্যালয়ৰ পঁচিশ হাজাৰ টকা আত্মসাৎ কৰা বুলি গ্ৰামোন্নয়ণ মন্ত্ৰী, পঞ্চায়ত মন্ত্ৰী, জিলা পৰিচালনা সমিতিৰ সভাপতি তথা উপায়ুক্ত ডাঙৰীয়া, আয়ুক্ত ডাঙৰীয়া

* Speach not corrected

আৰু পি,ডি ডাঙৰীয়াকো দিয়া হৈছিল। কিন্তু অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব আজিলৈকে তাৰ কোনো ব্যৱস্থা লোৱা নহ'ল আজি বৰঞ্চ সদনত উত্তৰ দিয়া হৈছে নে তদন্ত কৰা হৈছে আৰু প্ৰশ্নোত্তৰত কৈছে যে বিহিত ব্যৱস্থা লৰলৈ উপায়ুক্তৰ লগত লিখালিখি কৰি থকা হৈছে। অথচ আজি এই অভিযোগ উত্থাপন কৰিবৰ ছমাহ সময় উকলি গ'ল এতিয়াও যদি বিহিত ব্যৱস্থা লোৱাৰ কাৰণে উপায়ুক্তৰ লগত যোগাযোগ কৰা অৱস্থাতে থাকে তেতিয়াহলে আৰু কি ধৰণৰ গ্ৰামোন্নয়ণ আশা কৰিব পাৰি। পূব কামৰূপ মহাবিদ্যালয়ৰ পচিশ হাজাৰ টকা আত্মসাৎ কৰা বুলি ফেক্টচ্ এণ্ড ফিগাৰচ্ অভিযোগ দাখিল কৰা সত্বেও এতিয়াও হেনো উপায়ুক্তৰ লগত বিহিত ব্যৱস্থাৰ কাৰণে যোগাযোগ কৰি আছে। যি সকল দুৰ্নীতি পৰায়ণ লোক তেওঁ কোনোবা মন্ত্ৰী বা বিষয়াৰ লগত ভাল সম্পৰ্ক হ'ল কাৰণেই এনে হব পাৰিছে। কিন্তু এইটো হব নালাগে। দুৰ্নীতিত লিপ্ত বিষয়া কৰ্ম্মচাৰীৰ বিৰুদ্ধে কঠো আৰু দৃষ্টান্তমূলক ব্যৱস্থা লব লাগে বুলি মই আপোনাৰ জৰিয়তে দাবী জনাইছো। তাত থকা ক্ৰেডিট অফিচাৰ এগৰাকীয়ে পূব কামৰূপ কলেজৰ পচিশ হাজাৰ টকা আত্মসাৎ কৰিছে বুলি এই অভিযোগ মই মন্ত্ৰী মহোদয়ক দিছো, ডিৰেক্টৰ, ডি,চি সকলোকে দিছো অথচ এতিয়ালৈকে একো কৰা নহ'ল। ইয়াত কেৱল কথা কোৱাৰ স্বাৰ্থত কথা কলেই নহব। যি বিলাক বিষয়াই গ্ৰামোন্নয়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰে দিয়া ধন আত্মসাৎ কৰে সেই বিষয়াৰ ক্ষেত্ৰত দায়িত্ব ন্যস্ত কৰিব লাগে। মই এই সদনৰ পবিত্ৰ মজিয়াতে ৪৫ লাখ টকাৰ ট্ৰাঙ্ক আৰু চাইনবোৰ্ড কিনা বিষয়া গৰাকী বেলেগ এটা বিভাগলৈ বদলি কৰিছে মাত্ৰ কিন্তু কোনো শাস্তি দিয়া নাই। সেইবিলাক চলি থাকিলে গ্ৰামোন্নয়ণ কেনেকৈ হব। সেই বিষায়া গৰাকীৰ ওপৰত দায়িত্ব অৰ্পণ কৰি পি,এ,চি কমিটিয়ে ৰিপোৰ্ট দিছে। তিনিকোটি টকা অবৈধ ভাবে ব্যৱহাৰ কৰা ৰিপোৰ্ট আছে অথচ সেই বিষয়া গৰাকীৰ বিৰুদ্ধে কিয় ব্যৱস্থা লোৱা নহ'ল। বেলেগ এটা বিভাগলৈ বদলি কৰিলেই সমস্যাৰ সমাধান হব নোৱাৰে। দুৰ্নীতিপৰায়ণ বিষয়াৰ প্ৰতি ছমাৰ দৰদ কিয়। কোনোবাই যদি ভাবিছে কাৰ বাৰু প্ৰটেকশ্চন দিলেই ৰক্ষণাবেক্ষণ দিলেই গ্ৰামোন্নয়ণ হব সেইটো নিশ্চয় ভুল কথা। তেনে দুৰ্নীতিপৰায়ণ বিষয়াক কঠোৰ শাস্তি দিব লাগে বুলি মই আকৌ আপোনাৰ জৰিয়তে দাবী জানাইছো। ইয়াৰ উপৰিও অধ্যক্ষ মহোদয়, ইউটিলাইজেশ্চনৰ ওপৰত গুৰুত্ব দিব লাগে। কেৱল খৰচ কৰিলেই নহব। ডি,আৰ,ডি,এৰ থৰফৰ পৰা চাৰি লাখ পয়ষষ্টি হাজাৰ টাকা খৰচ কৰি ইণ্ডাষ্ট্ৰিয়েল ষ্টেট বা উদ্যোগ এলেকাৰ বাবে ঘৰ সজোৱা হৈছে। কিন্তু ক'তো তাৰ দৰ্জা এখনো খোলাৰ ব্যৱস্থা কৰা নাই। দৰ্জা নোখোলাকৈয়ে বছৰৰ পিচত বছৰ ধৰি পৰি আছে বেজেৰা উন্নয়ণ খণ্ডৰ চকত সজোৱা তেনে উদ্যোগ এলেকাৰ ঘৰ। ৰাজহুৱা ধনৰ এনে অপচয় কৰিলে আপত্তি নিশ্চয় কৰিম। কামৰূপ জিলাৰ কেৱল মোৰ সমষ্টিতেই নহয় সমগ্ৰ অসমৰে বিভিন্ন ঠাইত এনে ভাবে এই ঘৰ বিলাক পৰি আছে। গতিকে আজি কৰ্ত্তন প্ৰস্তাবৰ সাৰ্থনত বক্তৃতা

* Speach not corrected

ৰাখোতে এই সুয়োগতে আপোনাৰ জৰিয়তে চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো যেন লাখ লাখ টকা খৰচ কৰি সজোৱা এই ঘৰবোৰৰ সদ্ব্যৱহাৰ কৰে।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন ৰাস্তাৰ মাটিত চাইন বোৰ্ড ওলমি থকা দেখিবলৈ পাব আৰু সেইবিলাক চাইনবোৰ্ডৰ নামত লাখ লাখ টকা খৰচ কৰা হৈছে। কোনোবা এটা অঞ্চলত ডি,আৰ,ডি,এৰ ৰাস্তা এটা লব আৰু সেই ৰাস্তাটো হয়তো ১০ হাজাৰ, ২০ হাজাৰ টকা খৰচ হব কিন্তু সেই ৰাস্তাটোৰ নামত যি খন চাইনবোৰ্ড মৰা হয় তাত খুব বেচি ১০ টকা বা ২০০ টকা লাগিব পাৰে আৰু বেচি হলে ৪০০ মান হব পাৰে কিন্তু দুখলগা কথা যে তেনেকুৱা একোখন চাইনবোৰ্ডৰ কাৰণে ৯৮৫ টকা প্ৰায় ১০০০ মান টকা খৰচ কৰে, সোনৰ আখৰেৰে সেই চাইন বোৰ্ড বিলাক দিয়া হয় নেকি যে ইমান টকা খৰচ চাইনবোৰ্ড বিলাকৰ কাৰণে লাগে? তাৰ পাচত ৰাস্তাৰ চুপাৰভাইচ কৰিবলৈ যাওতে স্কুটাৰৰে যাওতে ২০০/৩০০ টকা খৰচ কৰে। এইয়া মই অভিযোগ কৰা নাই, ৰাজিক ভালপাও কাৰণেই গ্ৰমোন্নয়নৰ দ্বাৰা আমি ৰাজ্যখনৰ বহুত কাম কৰিব পাৰো যদিহে ভাল ধৰণে কাম বিলাক কৰো। দুখলগা কথা আমাৰ ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ডি,আৰ,ডি,এ যিবিলাক কুৱা খান্দিছে সেইবিলাকৰ নমুনা দেখিলে আচৰিত হব, বিভিন্ন ঠাতি দেখিব মাত্ৰ ৪/৫ টা ৰিং কুৱা বিলাকত বহুবাই পেলাই থোৱা হৈছে, সোনাপুৰত গলে দেখিব তাতো অসংখ্য ঠাইত ৪/৫ টা ৰিং কুৱা বিলাক পেলাই থৈছে, য'ত ১৫/১৬ টা ৰিং নিদিলে কুৱা নহয়, তেনে অৱস্থাত মাত্ৰ ৪/৫ টা ৰিং বহুয়াই গ্ৰামাঞ্চলত এচ,চি/এচ,টিৰ লোক সকলক প্ৰবঞ্চনা কৰিছে। এনেধৰণৰ তালিকা মই দিব পাৰো। আমি বিচাৰো অসমৰ তথা অসমৰ ৰাজিৰ উন্নতি হওক সেইটোকে কামনা কৰি দুটামান পৰামৰ্শ দিব বিচাৰিছো। গ্ৰামোন্নয়ন বিভাগত ঘটি থকা কাৰ্য্যকলাপ বিলাক মনকৰিবলগীয়া, মঠাউৰী বিলাকৰ কথা আহে, এফ,চি (ফান্ড কন্ট্ৰোল) বিভাগৰ পইচা নাই বুলি কয় গতিকে গ্ৰামোন্নয়নৰ বিভাগৰ দ্বাৰাই কাম বিলাক কৰিব লাগিব আৰু সেই কাৰণেই গ্ৰামোন্নয়ন বিভাগটো অধিক সক্ৰীয়শীল কৰি তুলিবৰ কাৰণে এই বিভাগৰ ষ্টাফিপেটাৰ্ণ আৰু কাৰিকৰি দেশত কেনেকৈ উন্নত কৰিব পাৰি সেইটো চাব লাগে। বিভিন্ন ঠাইত থকা গ্ৰামোন্নয়নৰ অফিচ বিলাকত জুনিয়ৰ ইঞ্জিনিয়াৰ অভাইচাৰ ইত্যাদি নিযুক্তি দিব লাগে আৰু চিনিয়ৰ বি,ডি,অ নিযুক্তি দিব লাগে আমাৰ বন্দিয়া হাজো অঞ্চলত কলাজল নামৰ নদী খনে বিগত ১০০ বছৰ ধৰি ৰাইজৰ আশা-আকাঙ্খা ধুই লৈ গৈছিল, তাত মঠাউৰী লাগে বুলি ১ লাখ ৮০ হাজাৰ টকা ধৰা হৈছিল আৰু গভাণিং বডিতো এই প্ৰজেক্টটো আমি অনুমোদন জনাই ফাইনেল কৰি থৈছিলো কিন্তু আজি ১৯৯৫ চনৰ মাৰ্চ মাহতো কাম আৰম্ভ কৰা দেখা নাই, এতিয়া এপ্ৰিল মাহ পালেহি তাৰ পাচত বাৰিষা আহি যাব। আমাৰ ৰাজ্যখনত বিশেষকৈ যিবিলাক উন্নয়মূলক কাম আৰু উৎপাদন মুখী কামত ৰাজনৈতিক দিশতো বিবেচনা কৰা উচিত নহয় আৰু শাসকীয়

* Speach not corrected

আৰু বিৰোধী দল-বুলি ভাবটো আনিব লাগা। ১৯৯৪ চনতে ৫ চেপ্তেম্বৰত এই বিষয়ে সিদ্ধান্ত লোৱা হৈছিল কিন্তু যিহেতু ৰন্দীয়াত বিৰোধী দলৰ ৩ জনকৈ সদস্য থকাৰ কাৰণে এই প্ৰজেক্টটো অৱহেলিত হৈ থাকিল। আনকি গ্ৰামোন্নয়ন বিভাগত টেকনিচিয়ানৰ অভাব হোৱাৰ কাৰণে মই ই,এণ্ড,ডি বিভাগৰ পৰা টেকনিকেল এক্সপার্ট জ্ঞান টেকনিকেল চাৰভে কৰি দিলো কিন্তু আজিলৈকে সেইটো আৰম্ভ নহল, গতিকেই মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই প্ৰজেক্টটো অলপো পলম নকৰি মুকলি কৰি দিয়ে আৰু তেখেতৰ পৰা এই সম্পৰ্কত আশ্বাস পাম বুলি আশা কৰিলো। আমাৰ কাৰিকৰি বিষয়াবিলাক নিযুক্তি দিব লাগে, এনেয়ে আমাৰ বহু সংখ্যক নিবনুৱা ডেকাই ইঞ্জিনিয়াৰিং আৰু ডিপ্লোমা লৈ বহি আছে তেওঁলোকক এক হাজাৰ মান টকা দি হলেও ইমিদিয়েট কাম নিয়োগ কৰিব লাগে কাৰণ আমাক টেকনিকেল মানুহৰ আৱশ্যক। আৰু এটা পৰামৰ্শ আগবঢ়াৰ বিচাৰিছো আমাৰ কৃষি আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী দ্বয়ে কৈছে আৰু স্বীকাৰ কৰিছে যে মাত্ৰ ২২ শতাংশ কৃষিৰ মাটিত জলসিঞ্চন বিভাগে পানী যোগান ধৰিব পাৰিছে ইয়াৰ ফলত কি হৈছে আমাৰ ৰাজ্য খনে ১২ মাহৰ ভিতৰত ৮ মাহৰ খাদ্য-দ্ৰব্য অসমৰ বাহিৰৰ পৰা জানিব লগীয়া হয়। ২ কোটি টকা বহিৰলৈ ওলাই যায়। গতিকে আমি গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ব্যাপক প্ৰস্তুতি লব লাগে মাতে ৰাজ্য খনৰ কৃষি আৰু জলসিঞ্চনৰ নামত শতকৰা ৫০ ভাগ এই দুটা শিতানত ৩ বছৰৰ কাৰণে সুকীয়াকৈ খৰচ কৰিব লাগে। চেণ্টেল আৰু ষ্টেট দুয়োটাৰে লগ লাগি প্ৰায় ৫০০ কোটি টকা খৰচ কৰা হব, গতিকে আমি যদি ইয়াৰ ৫০ শতাংশ কেৱল কৃষি আৰু জলসিঞ্চনত খৰচ কৰো তেতিয়াহলে আমাৰ বেচি দিন নালাগিব আমি সমানে নহলেও অন্ততঃ পাঞ্জাবৰ লগে লগে আগবাঢ়ি যাব পাৰিম। গতিকে আমি চাব লাগে যাতি তিনিবছৰৰ কাৰণে ৫০ শতাংশ টকা কেবল উৎপাদনমুখী আচঁনিত ব্যৱহাৰ কৰিব লাগে। তাৰ পাচত আমাৰ যিবিলাক ৰজাদিনিয়া পুখুৰী আছে সেইবিলাকত মীন পাম বুলি ৰাজ্য খনত মাছৰ অভাব দুৰ কৰি মীন মন্ত্ৰীয়ে কোৱাৰ দৰে যি দুই কোটি টকা অসমৰ বাহিৰলৈ মাছ যোগানৰ কাৰণে ওলাই যায় সেইটো বন্ধ কৰিব পাৰিম। এই উৎপাদনমুখী আচঁনি বিলাকত অভিজ্ঞ বিষয়া কৰ্ম্মচাৰীৰ দায়িত্ব দিব লাগে, আমাৰ সকেলা লোকেই দূৰ্নীতি পৰায়ন নহয় তাৰ মাজতো সত্যলোক আছে, তেনে লোকক লৈ আচঁনি পৰিকল্পনা বিলাক কৰিব লাগে। এন,ডাব্লিউত ৭০ অংশ, কামৰূপ জিলাতে ৫ টা আচঁনিৰ কাম আধাহে খৰছ হৈছে।

গ্ৰামোন্নয়ন বিভাগৰ ঠিকাদাৰ সকলৰ কামৰ সংক্ৰয়ত মই কব খুজিছো যে গ্ৰামোন্নয়ন বিভাগৰ কাম বিলাক গৰ্ভনিং বডিয়ে এপ্ৰোভ কৰিব লাগে। কিন্তু কামৰূপ জিলাৰ ১৯৯৫/৯৬ চনৰ ৩১ মাৰ্চত শেষ হব লগীয়া ডি,আৰ,ডি,এৰ ৫০ শতাংশ কামৰ গৰ্ভনিং বডিৰ অনুমোদন নাই। গৰ্ভনিং বডিৰ অনুমোদ নোহোৱাকৈয়ে কাম বিলাকত অনুদান হৈছে। গৰ্ভনিং বডিয়ে যিখিনি

* Speach not corrected

অনুমোদন কৰিছে সেইখিনি হেঁছে তাৰ বাহিৰেও বাকী ধনখিনি অর্থাৎ যিখিনি এডিচনেল ফাণ্ড ডি,আৰ,ডি,এৰ মধ্যবৃত্তি, সুবিধাবাদী, দুৰ্নীতি পৰায়ন মানুহ খিনিয়ে কোনোৰা ভিতৰুৱা ঠাইত ৰাইজে নজনাকৈ ব্লাকে নজনাকৈ কৰি আছে। এই বিল্লাক্ পি,ডি অফিচৰ বিষয়া, কেৰানী, আদিৰ জৰিয়তে কৰা হয়। কামৰূপ জিলাত ১৯৯৪/৯৫ চনত যিমান খিনি আচঁনিৰ কাম হৈছে তাৰ ভিতৰত ৫০ শতাংৰ আচঁনিৰো অনুমোদন নাই। এই এডিচনেল ব্লাকত কাম বিলাক পঞ্চায়ত ৰিকিউজচন কৰি অফিচাৰ, ইঞ্জিনিয়াৰ, কৰ্ম্মচাৰী সকলে ঠিকাদৰ পঠাই কাম কৰিলে। যেতিয়ালৈকে এনে ধৰণৰ ব্যৱস্থা থাকিব দুৰ্নীতি প্ৰবনতা থাকিব তেতিয়ালৈকে ইয়াৰ বিৰোধীতা কৰিবলৈ লোক ওলায়ে থাকিব। ননগৰ্মেন্ট যিবিলাক অৰগাইনেজেচন আছে তেওঁলোকে ক্লাব ঘৰত খেল খেলি নাথাকি এই বিলাকত চকু দিবলৈ দিলে কিছু সকাশ হব। তাৰোপৰি বি,ডি;ও, জুনিয়ৰ ইঞ্জিনিয়াৰ সকলে ভলেন্টাৰী অৰগেনাইজেচন বিলাকত চকু দিব লাগে। ঠিক তেনেকৈ ভেটাৰণ লোক সকলক কব লাগে গাওঁবঢ়া, পঞ্চায়তৰ প্ৰেচিডেন্ট ইত্যাদি সকলক কব লাগে তেওঁলোকে নিজৰ দায়িত্বত গ্ৰামোন্নয়ৰ কাম বিলাকৰ ওপৰত চকু ৰাখে। এই মধ্য ভুগি সকলক অতৰোৱাৰ চেষ্টা কৰিব লাগে। আৰু গাওঁ উন্নতিৰ কাৰণে ধন দিব লাগে। কিন্তু যেতিয়ালৈকে এই দুৰ্নীতি চলি থাকিব তেতিয়ালৈকে গ্ৰামোন্নয়ন বিভাগত ধন দিয়া ক্ষেত্ৰত বিৰোধীতা থাকিব এই খিনিকে কৈ মই কৰ্ত্তব্য প্ৰস্তাৱটো সমৰ্থন কৰি ব্যক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now Hon'ble Member Shri Karendra Basumatary.

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ কৰ্ত্তন প্ৰস্তাবৰ সন্দৰভত গ্ৰামোন্নয়ন বিভাগৰ আলোচনা কৰি আছে মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ কব বিছাৰিছো। ইতিমধ্যে মাননীয় সদস্য সকলে গাওঁ পঞ্চায়াতৰ সকলো কথা কৈ গৈছে যে গ্ৰামোন্নয়ন কৰিবলৈ যাওতে বৈশম্যমূলক ভাবে কাম কৰিছে। মোৰ সমষ্টিৰ এই ক্ষেত্ৰত. ডিপ্ৰাইভ হৈছে। চৰকাৰে নীতি এটা কৰিছিল যে প্ৰত্যেক খন বিধান সভা সমষ্টিত ২ খন বা এখন খণ্ড উন্নয়নৰ ব্যৱস্থা কৰিব। দেৰগাওঁত ১৮ টা গাওঁ পঞ্চায়ত আছে তাত তিনিটা খণ্ড উন্নয়নৰ ব্যৱস্থা আছে মোৰ সমষ্টিত ২১ খন গাওঁ পঞ্চায়ত আছে এখন ব্লকে নিয়ন্ত্রন কৰা জটিল। চৰাকাৰে নীতি গ্ৰহণ কৰিছে যে যত ৮/৬ খন গাওঁ পঞ্চায়ত আছে তাত ব্লকৰ সিদ্ধান্ত কৰিছে। কিন্তু মই আজি চাৰি বছৰে ৰিফিউচিন দিয়া স্বত্বেও কোনো কাম নহল। এই বিষয়টোত মই মন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। সকলো বিধান সবা সমষ্টিত ইতিমধ্যে দখনলৈ ব্লকৰ ব্যৱস্থা লব লাগে। এইটো মই দাবী জানাইছো। ইয়াৰ লগতে মোৰ সমষ্টিৰ যি বি,এল,টি,চি আছিল, পঞ্চায়ত ইলেকচন হোৱাৰ আগতে ১৯৯১/৯২ চনত খৈৰাবাৰী ব্লকত গ্ৰামোন্নয়নৰ ৰাস্তা, ঘাট, কুৱা, ঘৰ আদি বনাবলৈ টকা দিলে দক্ষিন মিছাছুন্নত ১৯৯০/৯১ চনত চৰকাৰৰ পৰা যি টকা দিলে ১৯৯১/৯২ চনতো শতকৰা ২০ ভাগো কাম নহল। বদৰ গাওঁ স্কুলত যিটো টকা দিলে সেই টকাটো নাপালে।

* Speach not corrected

মুছাহাৰী নিজচালা স্কুলৰ কাৰণে ১৯৯১/৯২ চনত যিটো টকা দিলে তাৰ একো কাম নহল। পিগ ব্রিল্ডিং যিটো চেন্টৰ আছে গাৱে সেই বিলাকৰো কোনো ভাল ব্যৱস্থা নাই। গাহৰী বিলাক সোচৰা বেমাৰু হৈ মৰিছে। আনহাতে ডি,আৰ,ডি,এ ব্লক বিলাকত জুনিয়ৰ ইঞ্জিনিয়াৰ থাকিলেও মোৰ ব্লকত নাই। মাষ্টাৰ ৰোলত এজন দিছে কিন্তু কাম নজনাৰ ফলত কোনো কাম হোৱা নাই। এই খিনিতে মই এটা পৰামর্শ দিব বিছাৰিছো যে যিবিলাক সৰু সৰু বান্ধ, নলি, নর্দমা আদি বন্ধা হয়, নাইবা দলং আদি দিব লগা হয়, কেতিয়াবা আৰ,চিচিও হব পাৰে। গতিকে টেকনিকেল এস্কপার্ট নাথাকিলে অসুবিধা হব। আৰু কাম বিলাক ঠিকমতে নহয়। সেই কাৰণে ইৰিগেচনৰ ইঞ্জিনিয়াৰ, ফ্যাড কন্টোলাৰ ইঞ্জিনিয়াৰ সকলক এইটো চুপাৰতিচন কৰিব দিব লাগে। এইটো ডি,আৰ,ডি,এ ব্যৱস্থা লব লাগে। এল,পি, স্কুলৰ বিল্ডিংৰ ক্ষেত্রত মই কব বিছাৰিছো যে এই সকলো ৰাইজৰ ওপৰত এৰি নিদি গাওঁ বুঢ়া বা পি,ডি, অথবা ডি,চিক লৈ এখন কনষ্ট্রাকচন কমিটি কৰি দিব লাগে। যাতে স্কুল ঘৰ বোৰ হৈ উঠে। তেতিয়াহলে কাম বিলাক হব। এ,টি,ডি,এৰ পৰা মাত্র এখন স্কুল হৈছে। টংলাৰ এই স্কুল খনৰ হেডমাষ্টাৰ জন ইমানেই চিনচিয়াৰ যে তেওঁ দিনৌ আহি আহি স্কুলখন কৰিলে। কিন্তু বাকী বিলাক নহল।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি ভেৰগাৱৰ প্রজেক্ট ডাইৰেক্টৰক মই সুধিছিলো বি,এল,চিৰ বিলাক কত গল? তেখেতে কলে বি,এল,চি,চিৰ টকাৰ কথা নকব চৰকাৰে দাইভার্ট কৰি লৈ গল। কোন শিতানলৈ দাইভার্ট কৰি কোন শিতানলৈ লৈ গল এইটো তদন্ত কৰি পেন্দিং কাম বিলাক কৰাৰ ব্যৱস্থা কৰিব লাগে। ভেৰগাওঁ গাওঁ পঞ্চায়তৰ চেয়াৰমেনে ব্লাকৰ বি,ডি,অ, জনৰ এগেইনষ্টে এটা অভিযোগ আনিছে। কিন্তু বি,ডি,অই কৈছে মোক কি কৰিব বদলিহে কৰিব পাৰে আৰু যদি বদলি কৰিব পাৰে তেনেহলে ১ হাজাৰ টকা দিম। তেনেহলে অই মানুহজনে কিমান দুর্নীতি কৰিছে? তেওঁৰ নাম কুঞ্জলাল ভূঞা। বড়ো ভাষাত কুঞ্জ মানে কাঠ। ভেৰ গাওঁত তেওঁ দুর্নীতি কৰি আছে গতিকে তাৰ এটা ব্যৱস্থা লব লাগে। মই বিভাগীয় কর্তৃপক্ষ আৰু চুবুকাৰৰ দৃষ্টি আকর্ষণ কৰিলো। ইতিমধ্যে আমাৰ ৰাস্তাৰ ব্রাম্ব বিলাক কৰিবৰ কাৰণে ভিজিলেন্স কমিটি এটা কৰি দিছে। ইমপ্লিমেন্ট এডভাইজৰী কমিটি এখনো গঠন কৰি দিছে। কিন্তু প্রজেক্ট ডাইৰেক্টৰ সকলে ইমপ্লিমেন্ট এডভাইজৰী কমিটিৰ নটিফিকেচন এতিয়াও পোৱা নাই। মইহে এখন জেৰস্ক কৰি নি দিছো। কিন্তু এতিয়ালৈকে মিটিং পতা নাই। প্রত্যেক সমষ্টিতে এম,এল,এ সকলক চেয়াৰমেন কৰিছে বুলি কৈছে। মই চৰকাৰৰ ওচৰত দাবী আৰু অনুৰোধ জনাইছো যে, সমষ্টিয়ে প্রতি ২ টাকৈ ব্লক দিব লাগে। দৰং জিলাতে মাননীয় সদস্য নকুল দাস দেৱৰ আৰু মাননীয় কন্দপান দেৱৰ সমষ্টিত ২ টাকৈ ব্লক আছে। গতিকে নীতিগত ভাবে সকলো সমষ্টিতে ২ টাকৈ ব্লক কৰিব লাগে। এইটো ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত কৰিব লাগে শেষত মই এটা কথা কব বিছাৰিছো যে বি,এ,চি এৰিয়াত পঞ্চায়ত চিষ্ট্রেমটো উঠাই

* Speach not corrected

দিব লাগে। এই ক্ষেত্রত এমেন্দমেন্টৰ প্রশ্নও জৰিত আছে। বি,এ,চি এলেকাত যিবিলাক কাম কৰিবলৈ আছে সেই সকলো বিলাক ইমপ্লিমেন্ট কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু বি,ডি,অ কুঞ্জলাল ভূঞাক এটা ব্যৱস্থা লবলৈ অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Mr. Speaker : Now Hon'ble Member Shri Dhruba Kumar Sen.

* শ্রী ধ্রুব কুমাৰ সেন ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী পদৰ পৰা ৰুৱেল ডেভলপমেন্টৰ শিতানত যি কৰ্ত্তন প্রস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰি কেইটামান পইন্টত কব বিচাৰিছো। এই শিতানত যি পৰিমান টকা ধৰা হৈছে তাতোকৈ বেচি টকা দিলেও মোৰ আপত্তি নাই কিন্তু টকা বিলাক সদব্যৱহাৰ হব লাগে। আৰু তাৰ প্রতি দৃষ্টি ৰাখিব লাগে। ইন্দিৰা আৱাস যোজনাত যিবিলাক ঘৰ বনোৱা হৈছে সেই সম্পর্কত মই কব বিচাৰো যে, ইন্দিৰা আৱাস যোজনাৰ অধীনত যিবিলাক ঘৰ বনোৱা হৈছে সেই ঘৰ বিলাকত ৭ টা পষ্ট থাকে। এই পষ্ট বিলাকত এডালকৈ ৰদ দিয়া হয়। আচৰিত হব যে, এই ৰদ বিলাকো জেনেৰেলি মাটিৰ লেভেলৰ পৰা নাই এনে ধৰণৰ অতি কমেও ৫০ টা ঘৰ কৰা হৈছে। টিনৰ লগত আটকাই ৰখাৰ বাবে ওপৰত খুটাত ৩/৪ ফুটমান ৰদ দিয়া হৈছে। এইটো অতি বিপদজনক কথা হৈছে। কেতিয়াবা ধুমুহা আহিলে উৰাই লৈ যায়। ওৱাল বিলক ৩ ইঞ্চি হয়। চিমেন্ট কম কৰি দিয়া হয়। ১০ আৰু ১ কৰি চিমেন্ট দিয়ে। এইটো ইন্দিৰা আৱাস যোজনাৰ কথা। এইখিনিতে মই আৰু এটা কথা কব বিচাৰেছো যে, বিন্দাচৰা গাৱৰ সুৰবালা চৌধুৰীৰ নামত পুখুৰী খন্দাৰ বাবে টকা দিয়া হৈছে। তেওঁ এচ,চিৰ মানুহ। কিন্তু তেওঁৰ নামত পট্টাৰ মাটি নাই। এই টকা কত গল? মাননীয় সদস্য চন্দন সৰকাৰে ইয়াত খেলিমেলি নাই বুলি কৈছে। মই এচ,চি কমিটিৰ কথা কৈছো। গতিকে বিষয়টো ইনভেষ্টিগেচন কৰিব লাগে। মোৰ সমষ্টি ধর্ম্মশালাত এটা ব্লক আছে তাত আৰু এটা ব্লক দিলে ভাল হয়। এই সম্পর্কে ২ বছৰৰ আগতেই বিধান সভাত প্রশ্ন কৰিছিলো যে আমাৰ তাত চিনিয়ৰ বি,ডি,অ নাই দিব লাগে। জুনিয়ৰ ইঞ্জিনিয়াৰে বি,ডি,অৰ চার্জত আছে একেলগে সকলোবিলাক কাম চোৱা চিতা কৰিবলগা হোৱা বাবে চাৰিওফালে কামৰ খেলিমেলি হৈছে। এই সম্পর্কত সমষ্টিত সদায়ে কাজিয়া হৈ থাকে। গতিকে মই যি কেইটা পেচিফিক উদাহৰণ দিলো সেই কেইটা বিবেচনা কৰিব বুলি আশা কৰিলো। যোৱা বাজেট অধিবেশনত মাননীয় মন্ত্রী গৌতম ৰায় ডাঙৰীয়াই ১৫ খন স্কুলৰ নাম দিবলৈ কৈছিল। মই ততাতয়াকৈ সমষ্টিলৈ গৈ ৰাইজৰ লগত আলোচনা বিলোচনা কৰি কনচানিং ডি,চিক ১৫ খন স্কুলৰ নাম দিলো এইটো এতিয়া কি অৱস্থাত আছে জনাব লাগে। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : Now, Hon'ble Member Shri Bhupen Roi.

* শ্রী ভূপেন ৰায় ঃ মাননীয় অধ্যক্ষ মহোদয়, গ্রাম্য উন্নয়ন বিভাগৰ মঞ্জুৰীৰ ওপৰত অনা কর্ত্তন

---

* Speach not corrected

প্রস্তাৱৰ সমর্থনত মই মাত্র কেইটামান কথা কব খুজিছো - আশাকৰো চৰকাৰৰ দায়িত্বত থকা বিভাগীয় মন্ত্রীয়ে এই বিষয়ে গুৰুত্ব দিব। আৰু শুধৰণি অনাৰ কাৰণে প্রচেষ্টা লব বুলি আশা কৰিলো। অধ্যক্ষ মহোদয়, মই গোটেই অসমৰ কথা নেজানিলেও নামনি অসমৰ বিষয়ে কিছু কথা জনো। আজি ডি,আৰ,ডি,এ বিভাগৰ বিষয়ে যথেষ্ট সমালোচনা হৈছে, কিন্তু ইয়াৰ সমাধান কেনেকৈ কৰিব পৰা যায়, চৰকাৰে এইটো দিশৰ ওপৰত নজৰ দিয়া ভাল হব। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ অধিকাংশ লোকেই দুখীয়া আৰু এই লোক সকল গাৱত বসবাস কৰে - আৰু এই লোক সকলক বিভিন্ন প্রকাৰে অগ্রসৰ হোৱাত সহায় কৰিবলৈ গ্রাম্য উন্নয়ন বিভাগে বিভিন্ন আচঁনি ৰূপয়ণ কৰে। কিন্তু এই আচঁনিবোৰ কি ধৰণেৰে ৰূপায়িত হৈছে সেই বিষয়ে আলোচনা কৰা প্রয়োজন। এই আচঁনিবোৰৰ বিষয়ে আমাৰ গাৱৰ ৰাইজখিনিয়ে বিশেষ ভাবে নেজানে আৰু তেওঁলোকৰ জনাৰ প্রতি আগ্রহীও নহয়। আনহাতে বিষয়া সকলেও বিশেষকৈ ব্লকৰ, এই বিষয়ে ৰাইজক জনাবলৈ নেযায়, কবলৈ যাবলৈ বেয়া পায় আচঁনিৰ বিষয়ে। এই বিধায়ক হিচাবে, ৰাজিৰ কাৰণে বিভিন্ন আচঁনি লবলৈ লিখিত ভাবে জনাও, নিজে গৈ লগ কৰো। এনে উদাহৰণো আছে যে বি,ড়ি;অ,ই বিধায়কে দিয়া কাগজো ফালি পেলাই দিয়ে। মোৰ সমষ্টিত কেইবাখনো স্কুল ঘৰ (এল,পি) নির্ম্মাণ কৰিবলৈ লৈছে যদিও এতিয়ালৈকে কেউখন আধৰুৱা হৈ আছে - বিশেষকৈ ৰামপাৰা, আগামী, ফুচুকাপাৰ আদি এল,পি স্কুলৰ ঘৰ এতিয়াও সম্পূর্ণ হৈ উঠা নাই। বহুতো ক্ষেত্রত দেখা যায় যে কেতিয়াবা কিবা আচঁনিৰ লগত বিভাগীয় মন্ত্রীয়ে নজৰ দিব লাগে। মই প্রায়েই কিছুমান কামৰ কাৰণে পি,ডি অফিচলৈ যাও, কিন্তু গৈ একো নেপাও তেখেতে কয় যে ডাইৰেক্টৰৰ অপচত আচঁনি পৰি আছে - চেংচন হৈ অহা নাই। মই জানো অসমৰ বহুতো ঠাইত এনে হাজাৰ হাজাৰ আচনি টেকনিকেল চেংচনৰ কাৰণে ডাইৰেক্টৰৰ অফিচত পৰি আছে। অনুমোদন হোৱা নাই। আনহাতে টেকনিকেল চেংচন নোহোৱাকৈ কিন্তু অফিচাৰে আচনিৰ কাম কৰিবলৈ গলে ডাইৰেক্টৰে ধৰিব বুলি কয়। কাম আৰম্ভ নকৰাৰ কাৰণে পি,ডিক ৰাইজ আৰু বিধায়কে দোষ দিয়ে, হেচা দিয়ে - কিন্তু তেওঁৰ উপায় নাই। এই টেকনিকেল চেংচনবোৰ যে বহুত দিন ধনি ডাইৰেক্টৰৰ অফিচত অনুমোদনৰ অপেক্ষাত পৰি থাকে ইয়াৰ ৰহস্য কি, নিশ্চয় কিবা ৰহস্য আছে এইটো অনুসন্ধান কৰিব লাগে। অভিযোগ শুনা যায় যে ডি,আৰ,ডি,এ ধনৰ শতকৰা ৫০ ভাগ কলৈ যায় কোনেও নেজানে হেনো। বিভাগীয় মন্ত্রী মহোদয়ে এই বিষয়টোৰ প্রতি নজৰ দিব বুলি আশা কৰিলো। আজি গ্রাম্য উন্নয়ণৰ আচনি সমূহ ৰূপায়নৰ কাৰণে ব্লাক আৰু পি,ডি অফিচত চৰকাৰে একোখনকৈ গাড়ী দিছে কিন্তু প্রায়েই অভিযোগ শুনা যায় এই গাড়ীবোৰ নির্ব্বাচন বা অইন শৃংখলা ৰক্ষাৰ কামত উপায়ুক্তই প্রায়েই ৰিকুইজিচন কৰে। আনকি এনে গাড়ী ডি,চি নি আৰ্মিকো ব্যৱহাৰ কৰিবলৈ দিছে। উন্নয়নমূলক আচনিৰ কাম-কাজ ছোৱাৰ কাৰণে দিয়া গাড়ী ৰিকুইজিচন কৰা হয় কিয়? মন্ত্রী মহোদয়ে এই বিষয়ে

* Speach not corrected

নজৰ দিব লাগে। আগতে গোৱালপাৰা জিলা এখন হৈ থাকোতে গোটেই জিলাখনৰ কাৰণে ডি,আৰ,ডি,এৰ যোগেদি বহুতো আচনি লোৱা হৈছিল। কিন্তু পিচত যেতিয়া বঙাইগাওঁ নতুন জিলা হ'ল তেতিয়া গোৱালপাৰাতহে আচনিৰ কাম চলিল কিন্তু বঙাইগাওঁ জিলাই কিন্তু নেপালে - এই বিষয়ে আমি লিখালিখি কৰিও একো সুফল পোৱা নাই। গভানিং বডিত অনুমোদন হোৱাৰ পিচত এই আচনিবোৰৰ টকা কলৈ গ'ল? গোৱালপাৰাৰ ডি,আৰ,ডি,এ আৰু বঙাইগাওঁ পি,ডি অফিচত লাখ লাখ টাক মি-ইউজ হৈছে বুলি অভিযোগ পোৱা গৈছে - এই বিষয়ে বিভাগে ভালদৰে এক তদন্দ কৰিব লাগে। জি,বিত যিবোৰ আচনি অনুমোদন কৰা হৈছে বিশেষকৈ স্কুলঘৰ, ক্লাবঘৰ আদিৰ কাৰণে এইবোৰ ৰূপায়িত কৰাৰ ব্যৱস্থা কৰিব লাগে। আগতে এ,জি,পি, চৰকাৰৰ দিনত ৬১ হাজাৰ ৬৫ টকাৰে বাইজে নিজেই যিবোৰ স্কুলঘৰ সাজিছিল সেই স্কুলঘৰবোৰ এতিয়াও নতুনৰ দৰে হৈ আছে। এতিয়াৰ ডি,আৰ,ডি,এৰ যোগেদি সজা স্কুলঘৰতকৈ ভাল অৱস্থাত আছে। আগতে বাইজে নিজে সকলো বস্তু কিনি মেলি নিজৰ তত্বাৱধানত স্কুলঘৰ সাজিছিল তেতিয়া কোনো ইঞ্জিনিয়াৰ নাছিল। কিন্তু এতিয়া ডি,আৰ,ডিএত ডাই�ৰেক্টৰ, জইণ্ট ডাই�ৰেক্টৰ, কার্য্যবাহী অভিযন্ত্রা, জুনিয়ৰ অভিযন্ত্রা সকলো থকা স্বত্বেও কামবোৰ অতি নিম্ন পর্য্যায়ৰ হৈছে। ইয়াৰ কাৰণে মই এই বিভাগটোক জগৰীয়া কৰিব খুজিছো - বিষয়া সকলৰ 'ডিচক্রেডিট' বুলি কবলৈ বাধ্য হৈছো। বিভাগীয় মন্ত্রীয়ে এইবোৰ কথাৰ প্রতি নজৰ দিব লাগে।

(Mr. Speaker vacated the Chair and Mr. Deputy speaker occupied)

উপাধ্যক্ষ মহোদয 'আননটাইড' ফাণ্ডৰ পৰা দিয়া একলাখ টকাৰে ৬০ ফুটৰ ঘৰ তৈয়াৰ কৰিছে আৰু ডি, আৰ, ডি এৰ পৰা দিয়া একলাখ টকাৰে ৪০ ফুটৰ ঘৰহে বান্ধিছে। এইটো এটা ডাঙৰ পার্থক্য হৈছে। গাঁৱলীয়া মানুহক এষ্টিমেট, প্রফাইল আদিৰ কথা ক'লে কি বুজি পাব। আপোনালোকে একলাখ টকাৰ চেক্ ৰাইজ বা কমিটিক দি দিয়ক তেতিয়া স্কুল ঘৰ নিমার্ণৰ ক্ষেত্রত অসুবিধা নহয়। দিল্লীৰ পৰা যিটো মডেল এষ্টিমেট দিয়ে সেইটো আমাৰ ইয়াত নচলে কাৰণ অসমত পাহাৰ আৰু চৰ অঞ্চল থকাৰ কাৰণে বহুতখিনি অসুবিধা আছে। চহৰ অঞ্চল যি বিলাকত যেনে বাঘবৰ, জনীয়া আদি চৰলৈ যাবলৈ বস্তুখিনি প্রথমে ট্রাকত নিব লাগিব তাৰ পিচত নাৱেৰে নিব লাগিব তাৰ পিছত আকৌ গৰু বা ম'হৰ গাড়ীৰে নিব লাগিব তাৰ পিচত আকৌ নাৱেৰে নিব লাগিব তাই পিচতহে স্কুলৰ স্থান পাব। তাৰ ফলত বহুত অতিৰিক্ত খৰচ আহি পৰে। গতিকে দিল্লীৰ পৰা দিয়া মডেল এষ্টিমেট আমাৰ ইয়াত প্রয়োগ কৰাতো সম্ভৱ নহয়। অসমৰ ক্ষেত্রত সুকীয়া ব্যৱস্থা ল'ব বুলি মই আশা কৰিছো। তাৰোপৰি 'মেইন্টেনেচৰ' নামত ৫ শতাংশ টকা কাটি ৰাখে, সেই টকাখিনি কি কৰে কোনেও নাজানে। ডি, আৰ, ডিয়ে কি কামত খৰচ কৰিলে গর্ভনিং বডিয়েও নাজানে। মই নিজে গোঁসাইগাওঁ গর্ভনিং বডিৰ সদস্য

* Speach not corrected

আছিলো। কিন্তু মই আজিলৈকে নাজানিলো সেই মেইন্টেনেন্চৰ নামত কাটি ৰখা টকা ক'ত কি ভাৱে খৰচ কৰা হয়। মই আশা ৰাখিছো এই যি টকা মেইন্টেনেনচৰ নামত কাটি ৰাখি সেই টকা ৰাইজৰ হাতত দিব লাগে তেতিয়া দূর্নীতি বহুত পৰিমাণে কমিব। ধৰক এটা ৰাষ্টাৰ বাবে একহাজাৰ টকা ধৰা হৈছে। এতিয়া কথা হ'ল, সেই অঞ্চলৰ ৰাইজে মাটি কি হিচাপত কাটে। সাধাৰণতে গাওঁ অঞ্চলত মাটি হাজাৰ হিচাপত মাটি কাটে। ডি, আৰ, ডিয়ে কৰে 'মেন ডেইজ' হিচাপত। গাঁৱৰ মানুহে মেন ডেইজ, এষ্টিমেট, প্ৰফাইল, মেজাৰমেন্ট এইবোৰ কি বুজিব। গতিকে গাঁৱৰ মানুহৰ মতে হাজাৰ হিচাপত কৰিলে ভাল হয়। ধৰক একহাজাৰ মাটি কটাৰ দাম ২০০ টকা, তেতিয়া এক হাজাৰ টকাৰে ৫ হাজাৰ মাটি কাটিব পাৰিব। তাত লেংঠ, ব্ৰেথ আৰু প্ৰফাইলৰ কথা নাহে। পি, ডি, বি, ডি, অ, আৰু এম, এল এ সকলে ৰাইজক বুজাই দিব পাৰিব যে আপোনালোকৰ ৰাষ্টাৰ বাবে এহাজাৰ টকা আছে আৰু তাৰে ৫ হাজাৰ মাটি উঠিব তাত দূর্নীতিৰ কথা নাহে আৰু তেতিয়া আমিও চকু দিব পাৰিম। তেওঁলোকক ক'ব পাৰিম আপোনালোকে যদি গু হাজাৰ মাটি নাকাটে ৰাষ্টা সম্পূর্ণ ন'হব। আজি আমি দেখিছো পি, ডি অফিচ আৰু বি, ডি, অৰ অফিচৰ মাজত শীতল যুদ্ধ চলিছে। স্কুল বিল্ডিংৰ কাৰণে একলাখ টকা আৰু ৰাষ্টাৰ কাৰণে একলাখ টকা থাকিলে, তেওঁলোকে স্কুল বিল্ডিংৰ টকাতো ৰিলিজ কৰে। কাৰণ তাত প্ৰফিটৰ কথা আছে। এইবিলাক অৰিয়া-অৰিষ ফলত চৰকাৰ সমালোচনাৰ সন্মুখীন হয়। আমাৰ বঙাইগাঁওত ডি, আৰ, ডি, এ নতুন কৈ খুলিছে। তাত কি কেৰাণী আছেনে, কি পিয়ন আছেনে, কি জুনিয়ৰ ইঞ্জিনিয়াৰ আছেনে নাই, একো নাই। মাষ্টাৰ ৰোলৰ মানুহ ৰাখি চলাই থকা হৈছে। মই আশা ৰাখিছো তাত ষ্টাফ দিয়াৰ ব্যৱস্থা কৰিব। তাত যিজন পি, ডি আছিল তেওঁক বদলি কৰা হ'ল। কৰুণা কলিতা নামৰ এই পি, ডি জনৰ দিনত এডিচনেল ফাণ্ড এটকাও নিব নোৱাৰিলে। তেওঁৰ দিনত কোনো কাম ন'হল। ১৯৯৩-৯৪ ৰ বাবে ডি, আৰ, ডি, এ এককোটিকৈ সকলো জিলাকে অতিৰিক্ত ফাণ্ড দিলে, কিন্তু বঙাইগাঁৱলৈ নিব নোৱাৰিলে। এই পি, ডি জনে একো কামেই নকৰিলে। আপোনালোকে এই সকলো বিলাক বিষয়ত দৃষ্টি দিবলৈ অনুৰোধ জনাই কর্ত্তন প্ৰস্তাৱৰ সমর্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

(Mr. Deputy Speaker : Now Hon'ble Member Sri Mohibul Haque)

* শ্ৰী মহিবুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মঞ্জুৰীৰ ১৬,৪৪৬.২৯ লাখ টকাৰ কর্ত্তন প্ৰস্তাৱ মাননীয় বিৰোধী পক্ষৰ সদস্যসকলে ভালেখিনি কথা উত্থাপন কৰিছে তথা সমালোচনা কৰিছে। উপাধ্যক্ষ মহোদয় মই আচৰিত হৈছো আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে এই গ্ৰামোন্নয়ন বিভাগটোত কর্ত্তন প্ৰস্তাৱত বিবৃত্তি তথা সমালোচনা

* Speach not corrected

কৰি এটা ডাঙৰ ভুল কৰিছে। আজি মোৰ এখন হিন্দী চিনেমাৰ কথা মনত পৰিছে। চিনেমাখনৰ নাম হ'ল 'শোলে' তাত মেইন এক্টৰ সঞ্জীৱ কুমাৰে তেওঁৰ গাঁওখন কিছুমান ডকাইটৰ হাতৰ পৰা ৰক্ষা কৰাৰ কাৰণে ধৰ্মেন্দ্ৰ আৰু অমিতাভক ৰক্ষাকাৰী হিচাপে আনিছিল। গাঁওৰক্ষা কৰাৰ কাৰণে সঞ্জীৱ কুমাৰে যি দুজন মানুহ আনিছিল সিহঁতক বহুত দিন আগতে এখন জেলত লগ পাইছিল। এতিয়া সিহঁতৰ আগৰ সেই শক্তি আৰু সাহস আছেনে নাই সেইটো পৰীক্ষা কৰাৰ কাৰণে সঞ্জীৱ কুমাৰে নিজে পুহি ৰখা মানুহৰ লগত মাৰপিট লগাই দিছিল। মাৰপিটৰ পিচত ধৰ্মেন্দ্ৰ আৰু অমিতাভে সুধিছিল, এতিয়া কি পালে? তেতিয়া সঞ্জীৱ কুমাৰে কৈছিল তেওঁ সিহঁতক আনি একো ভুল কৰা নাই আৰু তেওঁলোকে বিচৰা মতে নিজৰ চন্দুকৰ পৰা বহুত টকা সিহঁতক দি দিলে আৰু তাৰ পৰা গুচি গ'ল। তেতিয়া ধৰ্মেন্দ্ৰই এটা কথা কৈছিল আপুনি এক ডাঙৰ ভুল কৰিলে। আমাক আপোনাৰ ট্ৰেজাৰি খুলি দেখুৱাই। ঠিক তেনেদৰে মই ভাবো বিৰোধী পক্ষৰ সদস্যসকলে কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰি এটা ডাঙৰ ভুল কৰিলে। কাৰণ মাননীয় বিৰোধী পক্ষৰ সদস্যসকলে ভালকৈ জানে আজি গোটেই অসমতে গ্ৰামোন্নয়নৰ যি বিকাশ ঘটিছে। গোটে অসমতে গ্ৰাম্য উন্নয়ন হৈছে। আমি সকলোৱে জানো যে আমাৰ অসমৰ ৮৯ শতাংশ মানুহেই গাওঁত বাস কৰে। আজি আমাৰ ৩৪ জন মাননীয় বিৰোধী সদস্যই গ্ৰামোন্নয়নৰ ক্ষেত্ৰত কৰ্ত্তন কৰিব লাগে বুলি প্ৰস্তাৱ উত্থাপন কৰিছে। অৱশ্যে এজন মাননীয় বিধায়ক শ্ৰীহিতেশ ডেকা ডাঙৰীয়াই তেখেতৰ সমালোচনাৰ মাজেদি সমৰ্থন আগবঢ়াইছে। এতিয়া যদি অসমৰ জনসাধাৰণে জানে যে গ্ৰামোন্নয়ন শিতানৰ বিৰোধী পক্ষৰ ছয় জন সদস্য কৰ্ত্তন প্ৰস্তাৱ আনিছে বুলি তেতিয়া জনসাধাৰণে তেখেতসকলক কেনেদৰে আদৰণি জনাব। তেখেতসকলে ভাৰি চোৱা নাই। উপাধ্যক্ষ মহোদয়, মই সেইদিনাও কৈছো বাজেট বক্তৃতাৰ সময়ত বিৰোধী পক্ষৰ সদস্যসকলে নিজৰ নিজৰ সমষ্টিবিলাকত অন্ততঃ গৈ চাই আহক। ব্লকেল ডেভেলপমেণ্টৰ কিমান কাম হৈছে এতিয়াও সময় আছে। আগন্তুক নিৰ্বাচন আপোনালোক পুনৰবাৰ যাতে বিৰোধী পক্ষৰ ভূমিকা গ্ৰহণ কৰিবলৈ পায়। আজি গণতান্ত্ৰিক প্ৰক্ৰিয়াত যি ধৰণে বিৰোধী দলে ভূমিকা ল'ব লাগিছিল সেইদৰে ল'ব পৰা নাই। এতিয়া কাগজে-পত্ৰে ওলাই আছে। বিৰোধী পক্ষৰ ভূমিকা নিৰাশজনক আৰু হতাশজনক। এইটো মই কোৱা কথা নহয়। খবৰ কাগজত ওলাই আছে। উপাধ্যক্ষ মহোদয়, আমি যি সময়ত চৰকাৰৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। সেইটো মই পুনৰবাৰ ক'বলৈ নাযাওঁ। কিমান অৰ্থ সংকটৰ মাজত দায়িত্বভাৰ গ্ৰহণ কৰা হৈছিল। আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ সময়ত ৪৩০০ কোটি অধিক টকাৰ বোজা আছিল। আমাৰ চৰকাৰে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছত যোৱা তিনিটা বছৰত জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত গ্ৰাম্য অঞ্চলত কিমান কাম হৈছে সেইটো আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্যসকলেও জানে। জৱাহৰ ৰোজগাৰ যোজনাৰ মূল বিষয় হৈছে শ্ৰমদিন সৃষ্টি কৰা। কাৰণ আমাৰ গাঁও অঞ্চলত বছৰৰ প্ৰায় ৮/৯ মাহ ধৰি

* Speach not corrected

বহুত লোক তথা দুখীয়া ৰাইজ শ্ৰমদানৰ পৰা বিৰত থাকিবলগীয়া হয়। সেয়েহে জৰাহৰ ৰোজগাৰ যোজনাৰ অধীনত কিমান শ্ৰমদিনৰ সৃষ্টি কৰা সেইটো সকলোৱে জানে। এই আঁচনিটোত যোৱা বছৰত ৪ কোটি ৬৭ লাখ ৪২ হাজাৰ শ্ৰমদিন সৃষ্টি কৰা হৈছে। এই বছৰ ১৯৯৪-৯৫ চনৰ বছৰত ২ কোটি ১১ লাখ ৯৭ হাজাৰ শ্ৰমদিন সৃষ্টি কৰা হৈছে। এই ৪ টা বছৰত সৰ্ব্ব মুঠ ৬ কোটি ৭৯ লাখ ৩৯ হাজাৰ শ্ৰমদিন সৃষ্টি কৰিছে। এই আঁচনিত যোৱা তিনি বছৰত শ্ৰমদিনৰ বিপক্ষে ১৭৪ কোটি ৭৮ লাখ ৮৮ হাজাৰ টকা খৰচ হৈছে আৰু এই বেলি ১৯৯৪-৯৫ চনৰ বছৰত ১০৫ কোটি ৫৫ লাখ ২১ হাজাৰ টকা সৰ্ব্ব মুঠ চঞ্জ্বস্ত্ব কোটি ছ্ছ লাখ স্ত্ব হাজাৰ টকা খৰচ হৈছে। আজি তেখেত সকলে কৈছে শ্ৰমদিন সৃষ্টি হোৱা নাই। চৰকাৰে কোনো কাম কৰা নাই। এইবিলাক কি কাম নহয় নেকি? কাম কৰোঁতে অলপ-চলপ খেলি-মেলি হ'ব পাৰে। বিৰোধী পক্ষই গঠনমূলক সমালোচনা আগবঢ়াব লাগিছিল। কিন্তু তেখেক সকলে গঠনমূলক সমালোচনা আগবঢ়াব পৰা নাই। তেখেত সকলে কিছুমান সৰু কথাকে ডাঙৰ কৰি দেখুৱায়। তিলকে তাল কৰি দেখুৱায়। উপাধ্যক্ষ মহোদয়, এক কেজি চাউলৰ কিছু ধান থকাটো স্বাভাৱিক। কিন্তু তথাপি আমি ৰা ৰাইজে সেইখিনিক এক কেজি ধান বুলি ক'ব নোৱাৰো। আমি চাউল বুলিয়ে কম। ঠিক তেনেকৈ বহুত কাম কৰিলে ২/১ ভুল থাকিব পাৰে আৰু থকাটো স্বাভাৱিক কথা। গতিকে সেইকাৰণে কাম হোৱা নাই কোৱা ঠিক নহয়। কাম হৈছে বুলি স্বীকাৰ কৰিব লাগিব। স্বীকাৰ কৰক। উপাধ্যক্ষ মহোদয়, সংহত বিকাশ আঁচনিত যোৱা ৩ বছৰত ১ লাখ ৪৭ হাজাৰ ২৮০ টা পৰিয়াল উপকৃত হৈছে। ইয়াৰ বিপৰীতে ৬০ কোটি ১০ লাখ ১৮ হাজাৰ টকা খৰচ হৈছে। ঠিক তেনেকৈ এই বছৰ ১৯৯৪-৯৫ চনৰ বছৰত ৫৪ লাখ ৯৩৮ টা পৰিয়াল এই আঁচনিৰ জৰিয়তে উপকৃত হৈছে। ইয়াৰ কাৰণে খৰচ কৰিব লগা হৈছে ২৭ কোটি ৪৬ লাখ টকা। উপাধ্যক্ষ মহোদয়, তাৰোপৰি ট্ৰাইচেম আঁচনিৰ অধীনত বহুত মানুহ বিশেষ ভাৱে উপকৃত হৈছে। এতিয়ালৈকে যোৱা তিনি বছৰত আমাৰ চৰকাৰে ২৭,১৪৮ জন যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰাপ্ত কৰি তুলিছে। ইয়াৰ বাবে ৪ কোটি ৩৮ লাখ টকা খৰচ হৈছে। ঠিক তেনেকৈ ১৯৯৪-৯৫ চনত ৮০৫০ জনক প্ৰশিক্ষণ দিছে। আৰু ইয়াৰ বাবে ২ কোটি ২৫ লাখ টকা খৰচ হৈছে। এইবিলাক কি আমাৰ চৰকাৰে উন্নতি কৰা নাইনে? উপাধ্যক্ষ মহোদয়, ঠিক তেনেকৈ ইন্দিৰা আবাস যোজনাৰ জৰিয়তে আমাৰ চৰকাৰে যোৱা তিনি বছৰত ৬৭৪৩ টা পৰিয়ালক বিনামূলীয়াকৈ ঘৰ সজাই দিছে। ইয়াৰ বাবে আমাৰ চৰকাৰে ১০ কোটি ১১ লাখ টকা খৰচ কৰিছে। ঠিক তেনেকৈ এই বছৰ ৫৯৮৭ টা পৰিয়ালক এই আঁচনিৰ জৰিয়তে বিনামূলীয়াকৈ থকা ঘৰ সাজি দিছে। ইয়াৰ কাৰণে খৰচ হৈছে ৯ কোটি টকা। উপাধ্যক্ষ মহোদয়, এতিয়া কেন্দ্ৰীয় চৰকাৰে আৰু এখন স্কীম আগবঢ়াইছে। সেইখন স্কীমৰ নাম হ'ল ই, এ, এছ। অৰ্থাৎ এমপ্লইজ এচিওৰেন্স স্কীম। এই ই, এ, এছ স্কীমৰ কাৰণে আমি গৌৰৱ কৰিব পাৰো। এই বছৰত গোটেই ভাৰতবৰ্ষৰ কাৰণে ২৫৬ টা ব্লক ই, এ, এছ স্কীমৰ বাবে বাচনি কৰিছে আৰু

মাননীয় প্রধান মন্ত্রীয়ে এই ব্লক্ বিলাকত অনুমোদন জনাইছে। মই পুনৰাবৃত্তি কৰিছো। মাননীয় বিৰোধী পক্ষৰ সদস্যসকলে এইটো ৰেৰ্কড কৰক যে গোটেই এই বছৰ গোটেই ভাৰতবৰ্ষখ কাৰণে যি ২৫৬ টা ব্লক্ ই, এ, চিৰ অধীনত বাচি লৈছে তাৰ ভিতৰত ৭৩ টা ব্লকেই আমাৰ অসমৰ। অসমৰ এই জ্ঞটা ব্লকত প্রধান মন্ত্রীয়ে ইতিমধ্যে অনুমোদন জনাইছে। আৰু এইটোৰ কাৰণে আচল কৃতিত্ব হৈছে আমাৰ মুখ্যমন্ত্রী কর্মশ্রী শ্রীহিতেশ্বৰ শইকীয়া দেৱৰ। তেখেতৰ প্রচেষ্টাৰ ফলতেই ২৫৬ টা বল্কৰ ভিতৰত ৭৩ টা অসমৰ পৰা লৈছে। এইটো আমাৰ চৰকাৰৰ কাৰণে ডাঙৰ কৃতিত্ব নহয়নে? এই জ্ঞটা ব্লকত এক কোটি টকা খৰচ কৰি গ্রামোন্নয়নৰ কাৰণে বিভিন্ন কাম সম্পূর্ণ কৰার সুবিধা পাম। ইয়াৰ দ্বাৰা গ্রাম্যাঞ্চলৰ বিভিন্ন লোক উপকৃত হ'ব। মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰে পঞ্চায়তৰ ছ্ব হাজাৰ কর্মচাৰীক চৰকাৰীকৰণ কৰিলে। যিসকল আজিও যুগ যুগ ধৰি চৰকাৰী স্বীকৃতিপ্রাপ্ত নোহোৱাকৈ পৰি আছিল। আমি পঞ্চায়তৰ কর্মচাৰীসকলক চৰকাৰী নিয়মীয়াকৰণ কৰিছো আৰু এতিয়া তেওঁলোকে ভাল ভাবে মনোনিবেশ কৰিছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা পৰহি এই বিধান সভাৰ মজিয়াতে মই কৈছিলো যে অসমৰ ৰচ্ছ টা সমষ্টিৰ ভিতৰত দক্ষিণ শালমাৰা সমষ্টিটো আটাইতকৈ পিচপৰা আৰু অৱহেলিত সমষ্টি। মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা ভাল উদাহৰণ দিব বিচাৰিছো যে ১৯৯১ চনৰ নির্বাচনৰ সময়ত চৰ অঞ্চলত, পাহাৰীয়া অঞ্চলত কোনো গাড়ী ঘোৰা যোৱা অৱস্থা নাছিল। আমি ভৰিৰ চেণ্ডেল হাতত লৈ খোজকাঢ়ি যাবলগীয়া অৱস্থা হৈছিল। সেয়েহে আজি মই পবিত্র সদনত গৌৰবেৰে ক'ব পাৰো যে আজি চৰ অঞ্চলত যিটো ৰাষ্টা হৈছে সেইবিলাক আগতে হোৱা নাছিল। আৰু আজি আমি চৰ অঞ্চলত গাড়ী লৈ ঘুৰি থাকিব পাৰিছো। আজি জনসাধাৰণ মূল সমস্যা হৈছে ৰাষ্টা, খোৱাপানী আদি। আজি এনেকুৱা বহু সমষ্টি আছে য'ত টকা আছে তাত স্কীম গ্রহণ কৰিব পৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষৰ সদস্যসকলে হাঁহিছে। তেওঁলোকে জেলাচি হাঁহি মাৰিছে। আমাৰ চৰকাৰে আজি ৪ টা বছৰে কি কি কাম কৰিলে সেইবিলাক এবাৰ ভাৰি চোৱা উচিত। আজি কেৱল ৰাষ্টা-ঘাটেই নহয়, খোৱা পানী আজিও ভালদৰে যোগান ধৰা হৈছে। আজি জলসিঞ্চনৰ কথা কোৱা হৈছে যিবিলাক হৈছে সেইবিলাক ৰোৱেল ডেভেলপমেন্টৰ স্কীমত বিপিয়াৰিং কৰা হৈছে, বন্ধ কৰা হৈছে। আজি আমাৰ চৰকাৰ দিনত ৰুৱেল ডেভেলপমেন্টৰ জৰিয়তে স্কুল ঘৰ বান্ধিছে। গতিকে আজি গ্রাম্য উন্নয়নৰ কাৰণে, গ্রাম্য বিকাশৰ কাৰণে যিখিনি প্রয়োজন সেইখিনি সম্ভৱপৰ হৈছে। বিৰোধী সদস্যসকলে যিটো কর্ত্তন প্রস্তাৱ আনিছে সেইটো ভিত্তিহীন।

---

* Speach not corrected

মাননীয় উপাধ্যক্ষ মহোদয়, যিটো আপোনালোকে ৰুৱেল ডেভেলপমেন্ট বিভাগৰ অসুবিধাৰ থকাৰ প্ৰশ্ন কৰিছে তাত পানীৰ কথা কোৱা হৈছে, স্কুলৰ কথা কোৱা হৈছে। সেইবিলাক আঁচনিৰ ওপৰত বিভিন্ন ধৰণেৰে কাম কৰিবলৈ দিয়া হৈছে। কিন্তু আমাৰ ৰাইজে এনে কোনো কথা কোৱা নাই। ৰাইজে কৈছে কাম কৰি যাওঁক। কাম নোহোৱা বুলি কোনো কথা কোৱা নাই। মানুহৰ কাম হৈছে যোৱা ৪০/৫০ বছৰে যি কাম হোৱা নাই। এই যোৱা ৪ বছৰৰ ভিতৰত তেনে কাম বহুত হৈছে। সমষ্টিবিলাকৰ ৰাইজে এই কামবিলাক কৰাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে সমালোচনা কৰিব লাগে কাৰণে সমালোচনা কৰিছে। তেখেতসকলে কোনো গঠনমূলক সমালোচনা কৰা নাই। তেখেতসকলে কাম হোৱা নাই বুলি কৈ ধন দিব নালাগে বুলি কৈছে। ধন নিদিয়াকৈ এইবোৰ কাম কেনেকৈ হৈছে। আমাৰ শইকীয়া চৰকাৰৰ দিনত কাম হৈছে যে তাৰ কাৰণে আমাৰ ধুবুৰী জিলাত অভিযান চলোৱা হৈছে, এতিয়া বাহিৰৰ অঞ্চলবিলাকতো অভিযান কৰিম। আমাৰ চৰকাৰৰ চাৰিটা বছৰত যিমানবিলাক কাম হ'ল সেইয়া যথেষ্ট হৈছে বুলি আলোচনাও হৈছে। আমাৰ চৰকাৰে যোৱা ৪ টা বছৰে যিমানবিলাক কাম-কাজ কৰিলে তাৰ পিচত আমি আহিবলগীয়া বছৰটো পৰীক্ষামূলক বছৰ হিচাপে ধৰিম। এই অধিবেশনৰ পিচত ৰচ্ছ টা সমষ্টিত ধুবুৰী জিলাৰ দৰে "শইকীয়া চৰকাৰৰ সফলতা অভিযান শিৰিৰ" পাতিম। আৰু সেই শিৰিৰত যদি আপোনালোকৰ এই কৰ্ত্তন প্ৰস্তাৱৰ কথা কওঁ তেন্তে আপোনালোকৰ যে কি অৱস্থা হ'ব মই তাকেই চিন্তা কৰিছো। অৱশ্যে এইবিলাক ভাল কাম কৰিবলৈ হ'লে আমি বিৰোধী সকলৰ সমালোচনাও বিচাৰো। তেখেতসকলে আজি কৰ্ত্তন প্ৰস্তাৱ আনিছে, এতিয়া বিচাৰ কৰক। কৰ্ত্তন প্ৰস্তাৱ আনিব লাগে নে নালাগে। আমাৰ চৰকাৰে যোৱা ৩/৪ টা বছৰত যি কাম কৰিলোঁ, উন্নয়নৰ কাৰণে আৰু গ্ৰাম্য বিকাশৰ কাৰণে আমি আৰু আঁচনি গ্ৰহণ কৰিব বিচাৰিছো। এই নিৰ্বাচনৰ পিছত আমি সেইবিলাক কাম কৰিম। যেনেকৈ এটা ফুটবল টিমে আন এটা টিমৰ লগত খেলিবলৈ হ'লে সেই টিমটো শক্তিশালী হ'লেহে খেলি আমোদ পায় বা ২ টা গ'ল দি আনন্দ উপভোগ কৰে। ঠিক তেনেকৈ আমাৰ বিৰোধী পক্ষও শক্তিশালী হোৱাটো বিচাৰো।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যদিও এই কৰ্ত্তন প্ৰস্তাৱটোত ১ টকালৈ হ্ৰাস কৰিব লাগে বুলি কৈছো এইটো পলিচিৰ ওপৰত ডিচকাশ্যন কৰিবলৈহে বিচৰা হৈছে।

* **শ্ৰী মহিবুল হক ঃ** হয়। মইও নীতি বৰ্হিভূত কথা কোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ মাননীয় সদস্য সকলৰ কথা কাগজত লিখিছে। বিৰোধী দলে বিৰোধী দলৰ

---

* Speach not corrected

ভূমিকা পালন কৰিব পৰা নাই এই বিলাক কথা ৰাইজৰ কথা। সদৌ শেষত মাননীয় বিৰোধী পক্ষৰ সদস্য সকলক অনুৰোধ কৰিছো যে তেখেতসকলে নিজৰ কাৰণে এই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱাৰ বাবে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া শ্ৰী জিউৰাম বড়ো।

* শ্ৰী জিউৰাম বড়ো ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুটামান কথা কৱলৈ লৈছো। এই ডি,আৰ,ডি,এ বিভাগটোত টকা দিয়া আৰু লোৱাৰ বহুত কথা আছে। মাননীয় উপাধ্যক্ষ মহোদয় এই ডি,আৰ,ডি,এ ডিপাৰ্টমেন্টৰ দুটা বদনাম আছে সেইয়া হ'ল - "দি ৰব দি আছো। আৰু দিয়া আৰু লোৱা"। এই বিভাগটোত এনে কিছুমান বদনাম গুচাব লাগে। দিয়া আৰু লোৱা, দি আছো দি ৰব আদিৰ বাবেই, কোটি কোটি টকা চৰকাৰে দিছে যদিও সেই বিলাকৰ দ্বাৰা কাম হোৱা নাই কিন্তু টকা বিলাক মাজৰ মানুহে আত্মসাত কৰি খাই আছে। প্ৰথমে কবলৈ বিচাৰিছো দি আছে দাম লব দিয়া আৰু লোৱাৰ কথা গুচাবলৈ হ'লে আমাৰ ব্লক বিলাক পুনৰ গঠন কৰিবলগা আছে। কাৰণ এটা এটা ব্লাকত যি লোক আঁচনি লোৱা হৈছে দুশতকৈ কম নহয়। এই আঁচনি বিলাক এজন বি,ডি,ও বা এজন ইঞ্জিনিয়াৰে চোৱাটো সম্ভৱপৰ নহয়, ভালভাবে চোৱা চিতা কৰাৰ দৰকাৰ হে আছে। ইয়াৰ উপৰিও নতুনকৈ আৰ,পি,ডি,এচ,এ অপাৰেশ্যন কৰি E.A.S. Blow কৰা হৈছে। জনজাতিয় মানুহ যি বিলাক ব্লক আছে সেই বিলাকত সেই বিলাক আঁচনি দিয়া হল সেইবিলাক আঁচনিৰ পৰা জনজাতিয় মানুহ বিলাক উপকৃত হলনে নাই সেইবোৰ চোৱা নহয়। উপাধ্যক্ষ মহোদয় সেই বিলাক চোৱা চিতা কৰিবৰ কাৰণে উপযুক্ত Staff দিয়াৰ দৰকাৰ আছে। আন এটা কথা হ'ল ই,এচ,চি স্কীম সমূহক কাৰ্য্যকৰী ডি,চি সকলক একচেতীয়া ভাবে দায়িত্ব দিছে। মই ভাবো এইটো ঠিক হোৱা নাই D.C. সকলৰ লগত স্থানীয় বিধায়ক সকলক বিশ্বাসক ৰাখিব লাগে। মই অনুৰোধ জনাইছো এই স্কীম বিলাকৰ ক্ষেত্ৰ এম,এল,এ সকলক বিশ্বাসত ৰাখিব লাগে। 'ডুৱেলিং' হাউচৰ কাৰণে ১৪ হাজাৰ ৫ শ টকা আগবঢ়াইছে। এই টকাটো অতি কম টকা হৈছে। এই টকাটো ২৫ হাজাৰ কৰিব কাৰণে মই অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, আমাৰ পঞ্চায়ত বিলাকত যিবোৰ মোৰ অলপ কব লগীয়া আছে। আগতে আমাৰ পঞ্চায়ত বিলাকত ২২ ৰ পৰা ৩৫ খন পৰ্য্যন্ত গাওঁ আছিল আৰু তেতিয়া প্ৰত্যেকখন পঞ্চায়তক ৩৫ হাজাৰকৈ টকা দিছিল। কিন্তু এতিয়া ৮ ৰ পৰা ১২ খন গাওঁৰ দ্বাৰা একোখন পঞ্চায়ত কৰা হৈছে আৰু ৮ লাখ পৰ্য্যন্ত টকা দিছে। এই ক্ষেত্ৰত আমি এটা কথা দেখিছো যে পঞ্চায়তত যিবোৰ টকা দিয়া হয় সেই টকাৰে বহুতো সৰু সৰু স্কীম হাতত লয়। এনেদৰে সৰু সৰু স্কীম হাতত লোৱা ফলত কম টকাৰে কোনো ভাল কাম নহয় আৰু

* Speach not corrected

আমাৰ কোনো এচেট থাকি নাযায়। সেই টকাবোৰ দিয়া আৰু লোৱা ব্যৱস্থাতে শেষ হৈ যায়। সেই কাৰণে মই পৰামর্শ দিব খোজো যাতে চৰকাৰে ২৫ হাজাৰ টকাৰ তলত কোনো স্কীম হাতত নলয়। আমাৰ মাননীয় সদস্য গিয়াচুদ্দিন চাহাবেও এটা কথা উল্লেখ কৰি গৈছে যে পঞ্চায়তৰ জৰিয়তে যিবোৰ ঘৰ বনোৱা হৈছে সেইবোৰৰ অৱস্থা একেবাৰে বেয়া হৈছে। মোৰ সমষ্টিৰ চেঙা পথাৰত এটা স্কুল ঘৰ ১৯৮৮-৮৯ চনতে কাম আৰম্ভ কৰা হৈছিল। কিন্তু এতিয়ালৈ তাত কেইটা শিলগুটি আৰু বালি পোলোৱাৰ বাহিৰে অন্য কাম একো হোৱা নাই। ইয়াৰ এটাই কাৰণ আমি অনুমান কৰিছো যে এই কামটো কেইবাজনো ঠিকাদাৰক কৰিবলৈ দিয়া হৈছে। তাৰ ফলত এজনে অলপ বালি, এজনে অলপ শিল পেলায় থৈ কামটো পেলায় থৈছে। সেই কাৰণে এনে কাম কৰিবলৈ মাত্ৰ এজন মানুহকহে দায়িত্ব দিব লাগে নাইবা পঞ্চায়তৰ সদস্য সকলক লৈ একোখন কমিটি কৰি দিব লাগে। আমি এ,টি,ডি,এ,ৰ পৰাও স্কুল ঘৰ নির্ম্মান কৰিবলৈ টকা পাইছো। কিন্তু এই টকাৰে আমি যি কাম কৰিব পাৰিছো তাৰ তুলনাত পঞ্চায়তৰ জৰিয়তে বন্ধ ঘৰবোৰ তেনে হোৱা নাই। তাৰ একমাত্ৰ কাৰণ হ'ল পঞ্চায়তে কম টকাৰ ঘৰ বান্ধে। এনে টুকুৰা ঘৰ কিছুমান নির্ম্মান কৰি আমাৰ কিবা লাভ হব বুলি নাভাবো। ইয়াৰ বাহিৰেও মই আৰু এটা কথা কব খুজিছো যে পঞ্চায়তৰ অধীনত যিবোৰ ঘৰ নির্ম্মান কৰা হয় সেইবোৰৰ ক্ষেত্ৰত কনষ্ট্ৰাকচন কমিটি কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। মাননীয় সদস্য ভুপেন ৰয় ডাঙৰীয়াই এটা কথা উল্লেখ কৰি গৈছে যে পঞ্চায়তৰ জৰিয়তে ৰাস্তা ঘাট নির্ম্মাণৰ কাৰণে যি টকা দিয়া হৈছে সেই টকাৰ পৰিমান কিমান সেইটো স্থানীয় বাইজে নাজানে। গতিকে বাইজক বিশ্বাসত ৰাখি এই কামবোৰ কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাহিৰেও 'মেন- ডেজ' ৰ হিচাব দি যি কাম কৰা হৈছে তাতো বহু খেলি মেলি হোৱা আমি লক্ষ্য কৰিছো। চৰকাৰৰ ফালৰ যি কোটি কোটি টকা খৰচ কৰা হৈছে সেইমতে কাম হোৱা নাই। মাননীয় সদস্য শ্ৰী হিতেশ ডেকা ডাঙৰীয়াই এটা কথা উল্লেখ কৰি গৈছে যে আমাৰ ৰাজ্য খনত বহুতো ৰজা দিনীয়া ডাঙৰ পুখুৰী আছে। এনে পুখুৰী মোৰ সমষ্টিতো আছে। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰি গৈছে যে আমি প্ৰত্যেক দিনে বহু লাখ টকাৰ মাছ অন্ধ্ৰ প্ৰদেশৰ পৰা আনিব লগা হয়। কিন্তু আমাৰ চৰকাৰে যদি এই পুখুৰীবোৰত কিছু টকা খৰচ কৰি সেইবোৰত মাছ পোহাৰ ব্যৱস্থা কৰে তেনেহলে মই ভাবো আমি অন্ধ্ৰ প্ৰদেশৰ পৰা মাছ আনিব লগা অৱস্থা নহব। আৰু এটা কথা হ'ল আমাৰ কিছুমান ৰাস্তাৰ কাম কৰা হ'ল। কিন্তু সেই ৰাস্তাবোৰত দলং বা কালভাৰ্ট দিয়া নহয় তেনেহলে সেই ৰাস্তাৰ কি প্ৰয়োজন? গতিকে তেনে ৰাস্তাত দলং আৰু কালভাৰ্ট দিয়াৰ ব্যৱস্থা কৰিব লাগে। আন এটা কথা হ'ল বৰ্ত্তমানে জিলা উন্নয়ণৰ বাবে যিটো ২০ পাৰচেন্ট টকা দিয়াৰ ব্যৱস্থা আছে সেইটো ৪০ পাৰচেন্ট কৰাৰ ব্যৱস্থা কৰিব লাগে। তাৰ বাহিৰেও চাবচিডিৰ কিছুমান টকা ঘুৰাই দিব লগা হৈছে। এই টকা যাতে ঘুৰাই দিব লগা নহয় তাৰ ব্যৱস্থা কৰিব লাগে।

* Speach not corrected

এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

(Mr. Speaker occupied the chair)

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰুলত এটা কথা আছে যে - This is not point of selecting আমি যদি আৰু কৈয়ে থাকো তেনেহলে উত্তৰ একো নাপাম। গতিকে মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাল হয়।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, আমাৰ দলৰ আৰু বহুতে কব খুজিছিল, কিন্তু আমি কব দিয়া নাই। গতিকে মুখ্য মন্ত্ৰীয়ে আজিয়ে বিপ্লাই দিয়ক।

* **শ্ৰী জয়নাত শৰ্ম্মা ঃ** অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰীয়ে আজি উত্তৰ দিব বুলি আমি নোকোৱাকৈ বহি আছো। তেনে ক্ষেত্ৰতো আপুনি অনুমতি নিদিলে আমাৰ উপায় নাই। আমি বি;এ,চি,ত সিদ্ধান্ত লৈছিলো যে দুটা গ্ৰেন্টৰ ওপৰত আলোচনা হব। গতিকে আজিয়েই এইটোৰ উত্তৰটো দিলে ভাল হয়।

* **শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি সদনত বহুকেইজন মাননীয় সদস্যই ৰুৰেল ডেভেলপমেণ্ট বিভাগৰ ওপৰত বহুখিনি কথা দাঙি ধৰিছে। এই বিভাগৰ পলিচিৰ ওপৰত আলোচনা কৰাৰ বাহিৰেও বহুখিনি কথা আলোচনা কৰা হৈছে। সেয়ে মই গোটেই কথা খিনিৰে উত্তৰ দিব লাগিব। প্ৰথমতে বহা সমষ্টিৰ বিধায়ক শ্ৰী গহীন দাস ডাঙৰীয়াই এই বিভাগৰ কাম কাজৰ কথা উল্লেখ কৰিছে আৰু তেখেতৰ সমষ্টিৰ বিভিন্ন কথা কৈছে। তেখেতৰ সমষ্টিত জনস্বাস্থ্য আৰু অন্যান্য বিভাগৰ যিবিলাক কাম হৈছে তাত তেখেতে বহু খেলি মেলি দেখিছে। ট্ৰাইচেমৰ ক্ষেত্ৰতো বহু খেলি মেলিৰ কথা উল্লেখ কৰিছে। এই বিভাগে ঘাইকৈ কেইটামান দিশত কাম কৰি। তাৰ ভিতৰত এটা হৈছে জে,আৰ,ওৱাই। এই আঁচনিমতে আমাৰ যিটো উন্নয়ন খণ্ডলৈ টকা আহে সেই টকা ঘাইকৈ সেই অঞ্চলৰ যি সকল খেতিয়তে বছৰটোৰ যি কেইটা দিন নিবনুৱা হৈ থাকে সেই কেইটা দিনত তেওঁলোকক কামৰ যোগাৰ ধৰিব লাগে।

অধ্যক্ষ মহোদয়, আমাৰ-গাওঁৰ খেতিয়ক সকলে প্ৰায় ১০০ টা দিন কাম নকৰালৈ থাকে বিশেষকৈ আমাৰ ইয়াত খেতিয়ক সকলে ধান খেতি কৰে। সেই ধান ৰোৱাৰ পৰা দোৱালৈকে ১০০ টা দিন তেওঁলোকে কোনো কাম নকৰাকৈ থাকে। সেয়ে আঁচনিখনৰ কথা হৈছে। আমাৰ খেতিয়ক সকলে যি সময়ত নিজৰ বাৰীত বা খেতিপথাৰত কাম নকৰে সেই সময়ত তেওঁলোকে যাতে উন্নয়নমূলক কাম কৰি টকা উপাৰ্জন কৰিব পাৰে সেইটো উদ্দেশ্য আগত ৰাখি এই আঁচনিখন আনিছে। মাননীয় সদস্য সকলে ভাবিব লাগে এই আঁচনিখনৰ মূল কথা হৈছে উপাৰ্জন। যি সকল খেতিয়ক সেই সকল খেতিয়কক উপাৰ্জন বঢ়াই দিয়াটো আৰু

* Speach not corrected

দৰিদ্ৰ সীমাৰেখাৰ তলত যিসকল লোক আছে সেই সকলক অৰ্থনৈতিক উন্নয়নৰ দিনত এি আঁচনিখন হৈছে। এই আঁচনি মতে যি কাম নকৰক লাগিলে মূল খৰচৰ ৬০ ভাগ তেওঁলোকৰ উপাৰ্জনৰ কাৰণে ৰাখিব লাগিব। অৰ্থাৎ এইখন আঁচনিত ৬০ ভাগে যি সকলে শ্ৰম কৰে তেওঁলোকক দিব লাগিব বাকী ৪০ ভাগে আমাৰ সামগ্ৰী কিনিব পাৰিব। সেই সংখ্যা কম কৰাৰ ক্ষেত্ৰত কিছু অসুবিধা হয়। আমি যদিও প্ৰাইমাৰী স্কুল সাজিছো, কমিউনিটী চেন্টৰ হল, ষ্টেডিয়াম সাজিছো। সেইবিলাকত খৰচৰ পৰিমান বেচি হয়, মেটেৰিয়েলচৰ খৰচ বাঢ়ি যায়। সেয়ে আঁচনিখন গ্ৰহণযোগ্য নহয়। আমি আঁচনিখন এনেকৈ কৰিব লাগিব যাতে ৬০ ভাগ সেই লোকসকলে পাই। ৰহা সমষ্টিত যথেষ্ট কাম হৈছে। মই সেইখিনি কব খুজিছো।

অধ্যক্ষ ডাঙৰীয়া, মই সিদিনা কৈছিলোৱেই যে আমাৰ বহুত বিধায়কে তেখেতৰ সমষ্টিত কি কি কাম হৈছে জনা নাই বা জানিব বিচৰা নাই। ৰহা সমষ্টিত ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে ২২২ টা ৰাস্তা নিৰ্ম্মান হৈছে। খৰচ হৈছে ৭৪ লাখ ২৬ হাজাৰ টকা। গাওঁ পঞ্চায়ত ব্লক সজা হৈছে ১৩ টা ১০ লাখ খৰচ হৈছে। স্কুল ঘৰ হৈছে ৩ টা। ইন্দিৰা যোজনাত ঘৰ হৈছে ৭২ টা। আৰু মিনিমাৰ ওৱেজ স্কীম হৈছে ৭৮ খন। কমিউনিটী হল ১৯ টা। মাৰ্কেত চেড হৈছে ১ খন। এই বছৰ কাম হৈ আছে। ৰোড ৫৯, টকা হ'ল ২৪ লাখ ২২ হাজাৰ, প্ৰাইমাৰী স্কুল আছে ৬ খন। টকা মঞ্জুৰ হৈছে ৫ লাখ ৪০ হাজাৰ ইন্দিৰা যোজনাত হৈছে ১০২ টা। ১৪ লাখ ৮৫ হাজাৰ। মাৰ্কে চেড হৈছে ২ টা, কমিউনিটী হল ১ টা। তেখেতৰ সমষ্টিত মই দেখিছো যথেষ্ট কাম হৈছে। তাত আমাৰ স্বাস্থ্য বিভাগ আৰু পাব্লিক হেল্থ ইঞ্জিনিয়াৰিং নলী-নাদ কুৱা পাইপ আদি কৰিছে। থিক তেনেকুৱাকৈ স্বাস্থ্য বিভাগৰ উপ-স্বাস্থ্য কেন্দ্ৰও আছে। সৰুক্ষেত্ৰীৰ এম,এল,এ ডাঙৰীয়াই ভালেকেইটা অভিযোগ আনিছে। জে,আৰ,ওৱাইত যথেষ্ঠত কৰাপচন হৈছে। হিউম পাইপ কিনিছে। গোৱালপাৰাতো কৰাপচন হৈছে। একচুৱেল লেবাৰে টকা পোৱা নাই মাষ্টাৰ ৰোল লেবাৰেও টকা পোৱা নাই। চেনীটেচন ভাল নহয়। টুল্ল বেচ বেয়া। ৰবপেটা জিলাত ডি,আৰ,ডি,এ নিম্ন খাপৰ ল্লে কেচ কিনিছিল সেইটো অনুসন্ধান কৰা হৈছে। বাকীখিনি কথা তদন্ত কৰা হব অন্যান্য খিনিও আমি চাই আছো। আমি যিবিলাক ঠাইৰ কৰাপচন ৰিপোৰ্ট পাইছো সেইবিলাক নিয়ন্ত্ৰন কৰাৰ ব্যৱস্থা কৰা হৈছে। বি,জে,পিৰ এম,এল, শ্ৰী পি,কে, নাথ ডাঙৰীয়াই কৈছে যে মিটিং বিলাক সঘনাই নহয়। ইয়াৰ ব্যৱস্থা কৰা হব। বিজনেচ কমিটিৰ মিটিং বহা নাই। এইটো আমি চাম। আমাৰ চাপাগুৰি সমষ্টিৰ এম,এল,এ ডাঙৰীয়াই কৈছে যে সময় মতে চিমেন্ট, ইটা পোৱা নাই। কামবিলাক হোৱা নাই। তেখেতসকলে মেনেজমেন্ট কমিটি পতাৰ কথা কৈছে। তাৰোপৰি তেখেতসকলে কৈছে যে কৰ্মচাৰীৰ কাৰণে কামবিলাক সময় মতে হোৱা নাই। সেইটো মই অস্বীকাৰ নকৰো। এজন জুনিয়ৰ ইঞ্জিনিয়াৰৰ কাৰষে কাম কৰাটো সম্ভৱ নহয়। তেখেতে কৈছে ৰবপেটা জিলাত এম্পই উচুৰেঞ্চৰ কাম

* Speach not corrected

আৰম্ভ হোৱা নাই। কেতিয়া আৰম্ভ কৰা হব। মাননীয় সদস্য শ্রী পৰমেশ্বৰ ব্রহ্ম ডাঙৰীয়াই লকেল পার্চেজ কমিটিৰ কথা কৈছে। আইৰণ ৰুফ ষ্ট্রাকচাৰ নালাগে বুলি কৈছে আৰু পঞ্চায়ত বিলাক উঠাৰ লাগে বুলি কৈছে। এতিয়া বস্তু কিনাৰ ডি-চেন্ট্রেলাইজ কৰা হ'ল। আগতে চেন্ট্রেলী কিনিছিল। এতিয়া কোনো বস্তু চেন্ট্রেলী কিনা নহয়। জিলা পর্য্যায়ত ডি,আৰ,ইড,এ বস্তু কিনিব পাৰিব। কোকৰাঝাৰত ডি,আৰ,ডি,এ নিজে বস্তু কিনিব পাৰিব। তেওঁলোকে ইচ্ছা কৰিলে অইণ ৰুফ ষ্ট্রাকচাৰ লব নালাগে। আসাম টাইপ ঘৰ সাবিজ পাৰিব। এই ক্ষেত্রত ইয়াত কোনো ধৰণৰ বাধাৰ সৃষ্টি কৰিব পৰা নাই। আমি জিলা বিলাকত প্রয়োজন সাপেক্ষে কিনিবলৈ দিছো। মাননীয় সদস্য শ্রী আলাউদ্দিন চৰকাৰ ডাঙৰীয়াই কৈছে যে ব্লক বিলাকত পঞ্চায়ত সদস্য থাকে নে নাই এইটো অভিযোগ আনিছে। পঞ্চায়তৰ ওপৰত গুৰুত্ব দিয়া হৈছে। গ্রামোন্নয়নৰ সকলো কাম পঞ্চায়তক দিয়া হৈছে। বাজেট ভাষণত কেন্দ্রীয় বিত্ত মন্ত্রী ডঃ মনমোহন সিং ডাঙৰীয়াই যি বিলাক নতুন আচঁনি দিছে সেইবিলাক হৈছে দৰিদ্র সীমাৰেখাৰ তলত যিসকল লোকৰ ৬৫ বছৰ হ'ল তেওঁলোকে পেঞ্চন পাব। এই পৰিয়ালৰ উৎপাদনশীল মানুহ মৰিলে ৫ হাজাৰ টকা দিব। গ্রুপ ইঞ্চোৰেন্স কৰিব। এই ধৰণৰ যি বিলাক আচঁনি দুখীয়া মানুহৰ কাৰণে লৈছে সেই আটাইবোৰ আচঁনি পঞ্চায়তৰ জৰিয়তে কৰিব। গতিকে পঞ্চায়তক গুৰুত্ব দিব লাগিব। চৰকাৰে পঞ্চায়তক সহায় আগবঢ়াব। মাননীয় সদস্য শ্রী জয়নাল আবেদিন চাহাব ডাঙৰীয়াই উল্লেখ কৰিছে যে সাধাৰণ শ্রেণীৰ মানুহৰ কাৰণে উন্নয়নৰ বিশেষ আচঁনি হোৱা নাই। তেখেতসকলৰ নিজ নিজ এলেকাত জনজাতী ৰাইজৰ কাৰণে প্রধানকৈ আচঁনিবিলাক হৈছে। ডি,আৰ,ডি,এ আচঁনিবিলাকত কাম কৰিছে বিশেষকৈ এম্পয়মেন্ট এচুৰেঞ্চ স্কীমত যি বিলাক কাম কৰিছে সেই বিলাক কৰাৰ ক্ষেত্রত শতকৰা ৬০ ভাগ আচঁনিত আমি যি টকা পাও শতকৰা ৬০ ভাগ এচ,চি উন্নতিৰ কাৰণে কৰা হয়। অন্যান্য যিসকল লোকৰ উন্নতিৰ কাৰণে কম কাম হয় সেইটো দূৰ কৰিবলৈ চেষ্টা কৰিছো। এতিয়া বিশেষকৈ উন্নয়নমুলক কাম যাতে সকলো ৰাইজৰ হয় সেইটো চেষ্টা কৰা হৈছে। সেই বিষয়ে মাননীয় প্রধান মন্ত্রীলৈ লিখিছো। তেখেতেওঁ আমালৈ এখন চিঠি দিছে। আমাৰ ৰাজ্যখনৰ ৬৯টা উন্নয়নখণ্ডলৈ এম্পয়মেন্ট এচুৰেঞ্চ স্কীমৰ জৰিয়তে টকা আনিছে।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ স্কীমখন হৈছে নিশ্চিত নিয়োগ আচঁনি। এই আচঁনিৰ জৰিয়তে যিবিলাক উন্নয়ন খণ্ডত আচঁনি থাকিব সেই উন্নয়ন খণ্ডত সকলো মানুহক কামৰ সুযোগ দিয়া। সেই কাৰণে নাম দিয়া হৈছে নিশ্চত নিয়োগ আচঁনি। উন্নয়ন খণ্ডত সকলো মানুহক কাম কৰাৰ সুযোগ দিছে সকলো কামৰ বাবে। আমাৰ কিছুমান এৰিয়া আছে সেই এৰিয়া বিলাকত যদি টকা দিয়া নাযায় ৰাজ্যখনত ইকনমিক ইমবেলেঞ্চ হৈ যাব।

---

* Speach not corrected

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই তেখেতলৈ লিখিছিলো –

'Letter dated 10th January'1995 from Chief Minister, Assam, to Prime Minister of India, New Delhi.'

"Your Employment Assurance Scheme has tremendous impact on the rural people of Assam. At present, 69 blocks out of 217 blocks are covered under Employment Assurance Scheme. As you are aware, a large number of areas of Assam are flood-affected due to the river, the Brahmaputra. So, I request you to extend the scheme to another 100 blocks so that flood-affected people can be provided employment in a massive way." মই তেখেতক লগ ধৰিছিলো আৰু কৈছিলো যে ফ্লাড এফেক্টেৰ এৰিয়া। সকলোৰ হকে এই আচঁনি জৰিয়তে উপকৃত কৰিব পাৰিম। তেখেতে সেই মতে চিঠিখন পিছত চায়। আমি এতিয়া জেনেৰেল এৰিয়াত কাম কৰিব পাৰিম। মই ইয়াৰ পৰা এইটো বুজিছো যে তেখেতে যি কথা দিছে .....

'Letter dated 9th February'1995 from Prime Minister of India to Chief Minister, Assam'.

"Thank you for your letter of January 10, 1995. The Ministry of Rural Development have decided to extend the Employment Assurance Scheme to another 256 blocks of the country that are backward, prone to migration, have high population density and are chronically flood-affected by the Himalayan rivers. Of these 256 new blocks, 73 blocks are in Assam. A list of the 73 blocks is enclosed."

মই ইয়াৰ পৰা এইটো বুজিছো যে তেখেতে যি কথা কৈছে - ইংৰাজীত - আৰু সেই মতে আমি কেন্দ্রীয় চৰকাৰলৈ ৭৩ টা ব্লকৰ কাৰণে চিঠি পথাইছিলো। সেইটো মঞ্জুৰী দিছে। এতিয়া ৰাজ্যখনত ৭৩ টা ব্লক হৈছে। গোসাইগাওঁ, নাদুৰ, ঢেকীয়াজুলী, ৰাঙ্গাপাৰা, গাভৰু, বালীপাৰা, বিহপুৰী, বৰচোলা, বেহালী, বিশ্বনাথ, পূৰ চাৰিদুৱাৰ, লাউখোৱা, চিৰিগাওঁ, বৰদলনি, বঙ্গাইগাওঁ জিলাত সূজনগ্রাম, পাপাটৰী। গৌৰালপাৰা জিলাত খৰমুজা, কুচধুৱা, জলেশ্বৰ। ধুবুৰী জিলাত জাৰাদাৰহাট, নয়াৰ আলগা, মহামায়া, মানকাচাৰ, ফেকামাৰী, বীৰচিং জাৰুৱা। কৰিমগঞ্জত পথাৰকান্দি, বদৰপুৰ, কৰিমগঞ্জ নর্থ, ৰামকৃষ্ণ নগৰ। কাচাৰত সোনাই, শাসচাপ্রা, নৰসিংপুৰ, বাচকান্দি, বৰজেলেঙা, টাপাং, বীনাকান্দি। দৰং জিলাত - ছিপাঝাৰ, দলগাওঁ, মৰিগাওঁত মৈৰাবাৰী। নলবাৰীত পশ্চিম নলবাৰী, বৰক্ষেত্রী, বৰভাগ, মধুপুৰ, টিহু। হাইলাকান্দি, লালা, কাটিলিচৰা, নগাওঁত দলনিগাট, লাওখোৱা, বটদ্রৱা, বীনাকান্দী, জুৰীয়া কথীয়াতলী, খাগৰীজান,

* Speach not corrected

জুপীজান আৰু ৰহা। ৰৱপেটা জিলাত চেঙা, মন্দিয়া, সৰুক্ষেত্ৰী। যোৰহাটত - উজনীমাজুলী, চেণ্ট্রেল যোৰহাট। তিনিচুকীয়াত - ইটাখুলী, চৈখোৱা, হাপাজন, শদিয়া। শিৱসাগৰত - গৌৰীসাগৰ, সাপেখাটী, নাজিৰা আৰু সোনাৰী। গোলাঘাটত - গোমাৰীগুৰী। ডিব্ৰুগড়ত - লাহোৱাল, পানীটোলা। বজালীত - গোবৰ্দ্ধণ, জালাহ, লক্ষীপুৰ উদাৰবন্দ, কাচাৰ, দৰং, দলগাওঁ, খৈৰাবাৰী, ওদালগুৰী, মাজবাট, ধুবুৰী, ধুবুৰীৰ বিলাসীপাৰা, গৌৰীপুৰ, গোলোকগঞ্জ, জয়পুৰ, ডিব্ৰুগড় বৰবৰুৱা, কাকপঠাৰ, খোৱাং, টেঙাখাত, গোৱালপাৰা, দুধনৈ, বালিয়ানা, লক্ষীপুৰ মাটীয়া, যোৰহাট, গোলাঘাট, গোলাঘাট চেণ্টেল, গোলাঘাট নৰ্থ, গোলাঘাট ওৱেষ্ট, টিটাবৰ, নলবাৰী, কামৰূপ, বকো, বাস্কা, ছয়াগাওঁ, ডিমৰীয়া, ৰামপুৰ ৰঙিয়া, বাণী, তামুলপুৰ, টিহু, বৰমা, কাৰ্বি আংলংৰ আমৰি, বোকাজান, চিংটন, হাওৰাঘাট, ডমৰজান, নেলী, ৰঙামঙ্গী, ৰাংখাত, চামগাওঁ, চোচাং। কোকৰাঝাৰ, বৰবাজাৰ, দত্তমা, মানিকপুৰ, কচুগাওঁ, চিদলি, ৰিহপুৰীয়া, লেখাপানী, ঢকুৰাখানা, ধেমাজী, লক্ষীমপুৰ, মোকৰুচাং, নাৰায়নপুৰ, নাওবৈছা, দৈয়াং। নৰ্থ কাচাৰ হিলচৰ ৪ টা। নগাওঁৰ ভুৰবন্ধা, কপীলি, মায়ং, লাহৰিঘাট, শিৱসাগৰ, ডিমো, মাজুলী আৰু চয়দুৱাৰ। মুঠতে ১৪২ টা হৈছে ব্লক। আৰু ১৪২ টা ব্লকত ১১৫ টা সমষ্টি কভাৰ কৰিছে। ১১ টা ক'ভাৰ কৰা নাই। আমি আকৌ ৩০ টা বিচাৰি লিখিছো। হাজো, জালুকবাৰী কমলপুৰ, ৰঙিয়া মঙ্গলদৈ, যোৰহাট, দেৰগাওঁ, সৰুপথাৰ, লামডিং, কলিয়াবৰ, কাতিগড় এই ১১ টা বাদ। তাৰ বাদে ১১৫ টা সমষ্টি পৰিছে। চাউথ চালমাৰাও আছে। তাত দুটা ব্লক পৰিছে। বিৰচিং আৰু জামাদাৰহাট পৰিছে। আমি আৰু ৩০ টা ব্লকৰ কাৰণে লিখিম। মুঠ ১১৫ টা বিধানসভা সমষ্টি পৰিছে। এতিয়া ১২ লাখ টকা মঞ্জুৰী দিছে এই কেইদিনৰ কাৰণে। ১৯৯৫-৯৬ ফাইনেনচিয়েল ইয়াৰ তাত ফাৰ্ষ্ট বেচ্চত ৪০ টাকৈ দিব।

Mr. Speaker : Let me take the consensus of the House. Is it the opinion of the House to extend time.

(Voices - Yes, No, No, No)

Hon'ble Chief Minister will continue his speech to-morrow. The House stands adjourned till 9 A.M. to-morrow, the 30th March'1995.

---

* Speach not corrected

ADJOURNMENT

The House rose at 5 P.M. and stood adjourned till 9 A.M. to-morrow the 30th March'1995.

Dispur
The 29th March'1995.

D. Talukdar
Secretary
Assam Legislative Assembly

Annexure - I

DISTRICT WISE PARTICULARS OF CANDIDTE SELECTED

FOR VFA TRAINING COURSE 1993-94 Spl. Batch)

Name of District	Candidate Selected
1. Kamrup	126
2. Dhamaji	2
3. Nalbari	77
4. Barpeta	71
5. Darrang	46
6. Hailakandi	97
7. Cachar	157
8. Jorhat	15
9. North Lakhimpur	23
10. Sonitpur	11
11. Goalpara	5
12. Sibsagar	7
13. Dhubri	11
14. Nowgang	18
15. Bongaigaon	1
16. Karimganj	10
17. Tinsukia	1
18. Kokrajhar	7
19. Marigaon	4
20. Golaghat	5
21. Dibrugarh	1
Total	**695**

Annexure - II

Name of Commissioned Scheme.	Village Covered.	Nos. of Taps.
1. Jamunamukh P.W.S.S.	1. Jamunamukh,	80 (eighty) nos.
2. Nizparakhowa ,,	1. Niz-parakhowa,	8 (eight) nos.
	2. Urdha Gaon,	
3. Borbali ,,	1. Borbali,	13 nos.
4. Dakhinsabejpur ,,	1. Sabejpur,	15 nos.
	2. Padumoni,	
5. Nilbagan ,,	1. Nilbagan,	12 nos.
	2. Jayantia Basti	
6. Debasthan ,,	1. Debasthan,	20 nos
	2. Dakhin Debasthan,	
7. Ambari P.V. ,,	1. Ambari F.V.,	10 nos
	2. Ganiarpar No.I,	
	3. Ganiarpar FV.	
8. Sarupathar ,,	1. Sarupathar,	9 nos.
9. Bheluguri ,,	1. Bheluguri,	20 nos.
10. Bogiram Gaon ,,	1. Gogiram Gaon,	6 nos.
11. Doboka R.T. ,,	1. Doboka R.T.,	8 nos.
12. Niz-Doboka ,,	1. Niz-Doboka,	5 nos.
13. Doboka ,,	1. Doboka,	21 nos.

14.	Pub-Madhya Samorali	„	1. Pub-Samorali, 2. Madhya Samorali, 12 nos.
15.	Dighaljhar	„	1. Dighaljhar, 2. Ackchock 17 nos.
16.	Pub-Bandarmela	„	1. Pub-Bandarmela, 14 nos.
17.	Uttar Samorali	„	1. Uttar Samorali, 2. Samorali Bazar, 21 nos.
18.	Majong Pathar	„	1. Majong Pathar, 5 nos.
19.	Borjarimaj Gaon	„	1. Borjarimaj Gaon, 27 nos.
20.	Kapilikathkotia	„	1. Kathkotia Bhakat Gaon, 7 nos.
21.	Jungle Block	„	1. Jungle Block No-I 2. Sarlok 9 nos.
22.	Changjurai	„	1. Changjurai, 8 nos.

Annexure - III

ANNEXURE - 'B'

Name of Commissioned Scheme.	Strength of staff.			
	S.A.	Pump Operator	Khalashi	M.R.L.
1. Jamunamukh P.W.S.S.	1	1	2	1
2. Niz-Parakhowa ,,		1	2	1
3. Borbali, P.W.S.S		1	2	1
4. Dakhin Sabejpur P.W.S.S.		1	2	1
5. Nilbagan,	1	1	2	1
6. Debasthan, P.W.S.S.		1	2	1
7. Ambari,		1	2	1
8. Sarupathar, P.W.S.S.		1	2	1
9. Bheluguri, P.W.S.S.,		1	2	1
10. Bhogiram Gaon, P.W.S.S.		1	2	1
11. Doboka, P.W.S.S.	1	1	2	1
12. Niz-Doboka, P.W.S.S.		1	2	1
13. Doboka, P.W.S.S.		1	2	1
14. Pub-Madhya Samorali, P.W.S.S.		1	2	1
15. Dighaljhar, P.W.S.S.		1	2	1
16. Pub-Bandarmela, P.W.S.S.		1	2	1
17. Uttar Samorali, P.W.S.S.		1	2	1
18. Majong Pathar, P.W.S.S.		1	2	1
19. Borjari Majgaon, P.W.S.S.	1	1	2	1
20. Kapilikathkotia, P.W.S.S.		1	2	1
21. Jungle Block, P.W.S.S.		1	2	1
22. changjural, P.W.S.S.		1	2	1

Annexure - IV

১৯৯১-৯২ চনৰ ৰচৰটোৰ বিভিন্ন বিভাগ সমূহৰ ৰাজহ শিতানত ক্ৰমা থকা পুঁজিৰ হিচাব (বিভাগ সমূহৰ পৰা শেহতীয়া তথ্য অনুযায়ী) প্ৰবিৱৰণত দেখুওৱা হৈছে।

ক্ৰমিক নং	বিভাগৰ নাম	ডিপোজিত হোৱা টকাৰ পৰিমাণ	বিত্ত বিভাগৰ পৰা মুকলি কৰা ধন তাং ২৪-৩-৯৫ ইং পৰ্য্যন্ত	বেভিনিউ ডেপোজিতত বাকী থকা ধন (তাং ২৪-৩-৯৫ ইং পৰ্য্যন্ত)
১	২	৩	৪	৫
১	কৃষি	৭৬৪.৪৫	৭১২.২১	৫২.২৪
২	গৃহ (ক)	৯.৭১	-	৯.৭১
৩	গৃহ (খ)	-	-	-
৪	হস্ততাঁত আৰু বস্ত্ৰ শিল্প	-	-	-
৫	ৰাজহ (ভূমি ৰাজহ)	২৫২.৫৮	-	২৫২.৮৫
৬	পৰিকল্পনা আৰু উন্নয়ন	৭৪২.০০	৪৬৮.০০	২৭৪.০০
৭	সমাজ কল্যাণ	১০০.০০	৭.৫০	৯২.৫০
৮	ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ উন্নয়ন	১০৫৯.৪৫	৪০৯.৪৫	৬৫০.০০
৯	চিকিৎসা (ক)	১১২.৭৩	১০৮.৩৫	৪.৩৮
১০	পঞ্চায়ত	-	-	-

১	২	৩	৪	৫
১১	অসম বিত্তীয় নিগম	-	-	-
১২	ৰাজহ	১০০.০০	৭৫.০০	২৫.০০
১৩	অসম উদ্যোগিক নিগম	-	-	-
১৪	অসম ভৈয়াম জনজাতি উন্নয়ন নিগম	-	-	-
১৫	অসম জনজাতি উন্নয়ন কতৃপক্ষ	-	-	-
১৬	জনজাতি উন্নয়ন নিগম	-	-	-
১৭	বিজ্ঞান আৰু প্রযুক্তি	-	-	-
১৮	আৱক্ষী গৃহ নির্মাণ	-	-	-
১৯	পশুপালন	২৩১.১৭	-	২৩১.১৭
২০	উদ্যোগ	-	-	-
২১	আভ্যন্তৰিণ জলপৰিবহন	-	-	-
২২	সমবায়	-	-	-
২৩	পর্য্যটন	-	-	-
	মুঠ	৩৩৭২.০৯	১৭৮০.৫৯	১৫৯১.৫৮

Annexure - IV

১৯৯১-৯২ চনৰ বজেটৰ বিভিন্ন বিভাগ সমূহৰ বাজহ শিতানত জমা থকা পূঁজিৰ হিচাব (বিভাগ সমূহৰ পৰা শেহতীয়া তথ্য অনুযায়ী) প্ৰবিৰৰণত দেখুওৱা হৈছে।

ক্ৰমিক নং	বিভাগৰ নাম	ডিপোজিত হোৱা টকাৰ পৰিমাণ	বিত্ত বিভাগৰ পৰা মুকলি কৰা ধন (তাং ২৪-৩-৯৫ ইং পৰ্য্যন্ত)	ৰেভিনিউ ডেপোজিতত বাকী থকা ধন (তাং ২৪-৩-৯৫ ইং পৰ্য্যন্ত)
১	২	৩	৪	৫
১	কৃষি	১৫৮৬.২১	১০৮৩.১৮	৫০৩.০৩
২	গৃহ (ক)	২০০.০০	২০০.০০	-
৩	গৃহ (খ)	১১৫.৪০	৯৬.৪০	১৯.০০
৪	হস্ততাঁত আৰু বস্ত্ৰ শিল্প	২৪৭.২৮	২৪৭.২৮	-
৫	বাজহ (ভূমি বাজহ)	১৬১.৫৬	-	১৬১.৫৬
৬	পৰিকল্পনা আৰু উন্নয়ন	২০০.০০	-	২০০.০০
৭	সমাজ কল্যাণ	৬০.৮০	৪৭.০০	১৩.৮০
৮	ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ উন্নয়ন	৭৬২.২২	৭৬২.২২	-
৯	চিকিৎসা (ক)	২২.৯৬	-	২২.৯৬
১০	পঞ্চায়ত	১০০০.০০	১০০০.০০	-
১১	অসম বিত্তীয় নিগম	১০০.০০	১০০.০০	-
১২	বাজহ	২২.৫০	-	২২.৫০

১	২	৩	৪	৫
১৩	অসম উদ্যোগিক উন্নয়ন নিগম	১০০.০০	১০০.০০	-
১৪	অসম ভৈয়াম জনজাতি উন্নয়ন নিগম	৬০০.০০	৬০০.০০	-
১৫	অসম জনজাতি উন্নয়ন কতৃপক্ষ	২০০.০০	২০০.০০	-
১৬	অনুসূচিত জাতি উন্নয়ন নিগম	১০০.০০	১০০.০০	-
১৭	বিজ্ঞান আৰু প্রযুক্তি	১০০.০০	১০০.০০	-
১৮	আৱক্ষী গৃহ নির্মাণ	২০০.০০	২০০.০০	-
১৯	পশুপালন	৩০০.০০	৩.২৮	২৯৬.৭২
২০	উদ্যোগ	১২০.০০	-	১২০.০০
২১	আভ্যন্তৰিণ জলপৰিবহন	২৭০.০০	২৭০.০০	-
২২	সমবায়	২২৮.০৯	-	২২৮.০৯
২৩	পর্য্যটন	১৫৩.০০	১৫৩.০০	-
	মুঠ	৬৮৫০.০২	৫২৬২.৩৬	১৫৮৭.৬৬

Annexure - IV

বিত্ত বিভাগৰ হাতত থকা তথ্য মতে ১৯৯৪ চনৰ মার্চ্চ মাহত ৰেভিনিউ-ডিপোজিতত জমা হোৱা টকা আৰু ২৪-৩-৯৫ ইং তাৰিখলৈ ঘুৰাই দিয়া টকাৰ পৰিমাণ ঃ

ক্রমিক নং	বিভাগৰ নাম	ডিপোজিত হোৱা টকাৰ পৰিমাণ	ঘুৰাই দিয়া টকাৰ পৰিমাণ (২৪-৩-৯৫ ইং লৈকে)
১	২	৩	৪
১	কৃষি	১০৫১.২৪	৮৬৭.৮০
২	পশুপালন	৩২৮.৩৮	১০৮.৪৯
৩	কলা আৰু সংস্কৃতি	১৫৯.০০	১৫৭.৭০
৪	সীমান্ত অঞ্চল	৬.৯৭	৬.৯৭
৫	সমবায়	৩০০.০০	২৯৯.৮৭
৬	আবকাৰী	৪.৮৭	২.৩০
৭	নির্ব্বাচন	০.০৪	০.০৪
৮	শিক্ষা	১৩৯২.৭২	৮০৯.৫১
৯	মীন	৩.৩৩	-
১০	বন বিভাগ	১০৪.৫০	১৩.২৪
১১	বান নিয়ন্ত্রন	১২৬৩.৪৪	১৩৩৫.৬৬
১২	খাদ্য আৰু অসামৰিক যোগান	৯.০০	৯.৮২
১৩	সাধাৰণ প্রশাসন/সচিবালয় প্রশাসন	৪১৫.৪৭	২৬৮.৫০
১৪	হস্ততাত আৰু বস্ত্র শিল্প	৩১৬.৭১	৩১৮.৯০
১৫	পার্ব্বত্য অঞ্চল	২৮৮.১৪	৮৬.৯৮
১৬	গৃহ	৫৬৫.১৮	২৯৯.৯৬

১	২	৩	৪
১৭	জলসিঞ্চন	৬১.৪৭	৪৪৫.২৯
১৮	উদ্যোগ	৩৭৩.৮১	৪৫১.৬৭
১৯	ন্যায়িক	১.১৬	১.০৪
২০	শ্রম বিভাগ	১৭.৩৮	১০.৭০
২১	পৌৰ প্রশাসন	১০৫.৫০	২.৫০
২২	চিকিৎসা আৰু জনস্বাস্থ্য	৪৩০.৬৯	৩৩৪.৮০
২৩	গড় কাপ্তানী	৩৩২৫.৩৯	২৬২৬.০২
২৪	জনস্বাস্থ্য কাৰিকৰী	১৭১.৯২	১২৮.৯০
২৫	পঞ্চায়ত	২.৮৪	-
২৬	লেখন সামগ্রী আৰু মুদ্রণ	১.১১	৮.৫০
২৭	শক্তি	২৬.৬১	২৬.৬২
২৮	ৰাজহ	৮৩৮.৮৭	১২৮৭.৪৭
২৯	ৰেচম	২.৪০	৩.৮৪
৩০	সামাজিক কল্যাণ	৩.৩০	০.৭০
৩১	ক্রীড়া আৰু যুবকল্যাণ	২২১.৪৬	২২১.২২
